# মঙ্গলদৈ

**১৯৯৪-৯৫ চন**

সম্পাদক / জয়ন্ত শৰ্মা

# মণ্ডলদৈয়ান

ত্রয়-ত্রিংশতিতম সংখ্যা

১৯৯৪-৯৫

শ্রদ্ধাৰে

শ্রী ______________________________

______________________________

# মঙলদৈয়ান

মঙলদৈ মহাবিদ্যালয়ৰ আলোচনী

বছেৰেকীয়া প্ৰকাশ

ত্ৰয়-ত্ৰিংশতিতম সংখ্যা

১৯৯৪-৯৫

তত্বাৱধায়ক

**শ্ৰীডিম্বেশ্বৰ বৰুৱা**

প্ৰবক্তা, অসমীয়া বিভাগ

সম্পাদক

**শ্ৰীজয়ন্ত শৰ্মা**

# MANGALDAIAN

MANGALDAI COLLEGE MAGAZINE : ANNUAL PUBLICATION

VOL.NO. XXXIII, 1994-95

Incharge

**Sri Dimbeswar Baruah**

Lect. Assamese Deptt.

Editor

**Sri Jayanta Sarmah.**

জ্ঞানৰ বন্তি উজ্জ্বলাই
জীৱনৰ দিক দৰ্শন
কৰোঁৱা যিসকল
শিক্ষাগুৰুৰ অধ্যাপনাৰ
দৰে নিৰ্মল
আৰু পবিত্ৰ কৰ্মৰ
পৰা অৱসৰ লৈ গ'ল
সেইসকলৰ উদ্দেশ্যে
শ্ৰদ্ধাৰে এইসংখ্যা
মঙলদৈয়ান
উছৰ্গা কৰিলোঁ।

## সম্পাদনা সমিতি

**পৃষ্ঠপোষক**
শ্ৰীশিৱকান্ত শৰ্মা অধ্যক্ষ

**উপদেষ্টা মণ্ডলী**
ড°দীপ্তি প্ৰসাদ বৰুৱা (উপাধ্যক্ষ)
উষা বড়া (প্ৰবক্তা)
বিচিত্ৰ কুমাৰ মেধি (প্ৰবক্তা)
কুমুদ চন্দ্ৰ শৰ্মা (প্ৰবক্তা)
ইদ্ৰিছ আলি (প্ৰবক্তা)
মনিমুগ্ধ বৰঠাকুৰ (প্ৰবক্তা)
ৰাণু কলিতা (প্ৰবক্তা)
ঘণকান্ত বৰুৱা (হিচাপ পৰীক্ষক)

**সভাপতি**
ড°হৰিশ চন্দ্ৰ ডেকা

**তত্বাৱধায়ক**
ডিম্বেশ্বৰ বৰুৱা

**সম্পাদক**
জয়ন্ত শৰ্মা

**সদস্য/সদস্যাবৃন্দ**
প্ৰণতি দেৱী
ৰৌচন মিৰজা
সীমা জ্যোতি
মানৱ প্ৰতিম দাস
চণ্ডীৰাম ডেকা
গীতা বৰুৱা
প্ৰণৱ ভট্টাচাৰ্য্য

**বেটুপাতৰ শিল্পী**
নৱজিৎ শইকীয়া

**ৰেখাচিত্ৰ**
হিৰণ্য কাশ্যপ

**অংগসজ্জা**
জয়ন্ত শৰ্মা

**মুদ্ৰন**
ৰবীন্দ্ৰ ছপাশাল
ভাস্কৰ নগৰ, গুৱাহাটী ২১



## কৃতজ্ঞতা স্বীকাৰ

❑

*বিভিন্ন দিশত দিহা পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত শিৱ কান্ত শৰ্মা আৰু ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত ডিম্বেশ্বৰ বৰুৱা দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপণ কৰিলোঁ।*

❑

*আলোচনী প্ৰকাশৰ বাবে অসম চৰকাৰৰ হৈ আৰ্থিক অনুদান আগবঢ়োৱা সদস্য সচিব, ৰাজ্যিক ছাত্ৰ আৰু যুৱ কল্যাণ সমিতি, অসম চৰকাৰ, নেহৰু ষ্টেডিয়াম, গুৱাহাটী ৭ লৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপণ কৰিছোঁ।*

❑

*আলোচনীৰ পাণ্ডুলিপি সমূহ পৰীক্ষা কৰি দিয়া মাননীয় অধ্যাপক ইদ্ৰিছ আলি, ড০মহেন্দ্ৰ প্ৰসাদ বৰুৱা, মনিমুগ্ধ বৰঠাকুৰ, পৰেশ কুমাৰ শৰ্মা, প্ৰণৱ কুমাৰ শৰ্মা আৰু ভাৰত চন্দ্ৰ শৰ্মা দেৱলৈ কৃতজ্ঞতা জ্ঞাপণ কৰিছোঁ।*

❑

*আলোচনীলৈ ভিন্ন ৰসৰ সাহিত্য সম্ভাৰ আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু বন্ধু-বান্ধবী সকললৈ কৃতজ্ঞতা জ্ঞাপণ কৰিছোঁ।*

❑

*ছাত্ৰ একতা সভাৰ বিষয়ববীয়া, সদস্য/সদস্যা আৰু আলোচনী সম্পাদনা সমিতিৰ সমূহ সদস্য/সদস্যালৈ কৃতজ্ঞতা জ্ঞাপণ কৰিছোঁ।*

❑

*দৰং জিলা আৰু মঙলদৈ মহকুমা ছাত্ৰ সন্থাৰ সমূহ বিষয়ববীয়া আৰু সদস্য সদস্যালৈ কৃতজ্ঞতা স্বীকাৰ কৰিলোঁ।*

❑

*আলোচনী বিভাগৰ সম্পাদক হিচাপে সাহিত্যৰ দিশত সেৱা আগবঢ়োৱাৰ সুবিধা দিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধবীৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো।*

❑

*বেটুপাত অংকণ কৰি দিয়া শিল্পী শ্ৰীনৱজিৎ শইকীয়াৰ লগতে ৰেখা চিত্ৰৰ শিল্পী শ্ৰীহিৰণ্য কাশ্যপ তথা সমূহ সহযোগীলৈ কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ।*

❑

*আলোচনীখন মুদ্ৰণৰ ভাৰ লোৱা ৰবীন্দ্ৰ ছপাশালৰ স্বত্বাধিকাৰী তথা কৰ্মচাৰীবৃন্দলৈ কৃতজ্ঞতা জ্ঞাপণ কৰিলোঁ।*

*সম্পাদক*
*মঙলদৈয়ান*

# সম্পাদনা সমিতি



ড°হৰিশ ডেকা
সভাপতি



ডিম্বেশ্বৰ বৰুৱা,
তত্বাবধায়ক



ইদ্ৰিছ আলি,
উপদেষ্টা



ঊষা বৰা,
উপদেষ্টা



বিচিত্ৰ কুমাৰ মেধী,
উপদেষ্টা



কুমুদ চন্দ্ৰ শৰ্মা,
উপদেষ্টা



ঘনকান্ত বৰুৱা,
উপদেষ্টা




জয়ন্ত শৰ্মা, সম্পাদক



প্ৰনব ভট্টাচাৰ্য্য, সদস্য



গীতা বৰুৱা, সদস্যা



চণ্ডীৰাম ডেকা, সদস্য



সীমাজ্যোতি, সদস্যা



প্ৰনতি দেৱী, সদস্যা



ৰৌচন মিৰ্জ্জা, সদস্য



মানব প্ৰতিম দাস, সদস্য

# মঙলদৈ মহাবিদ্যালয় সঙ্গীত

ৰচনা
শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী

সুৰ আৰু স্বৰলিপি
কুমাৰ আনন্দ নাৰায়ণ দেৱ

তাল
**দদৰা** (ভাতখাণ্ডে পদ্ধতিত স্বৰ লিপি কৰা হৈছে)

*মহাজীৱনৰ মহাসাধনাৰ*
*আশাৰ গজালি তুমি*
*জ্ঞান গৰিমাৰ ধ্যান-ধাৰণাৰ*
*মহান পুণ্যভূমি ।।১।।*

*অজ্ঞানতাৰ তমসা ৰাতিত*
*জনতা আছিল ডুবি,*
*জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা*
*সুধা সঞ্জীৱনী ।*
*বিকশিত আজি শত শত দল*
*তোমাৰ চৰণ চুমি।।২।।*

*বিয়পি পৰিছে চৌদিশে আজি*
*তোমাৰ জ্যোতিৰ বাণ,*
*শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে*
*তুমি যে দীপ্তিমান ।*
*তোমাৰ আভাও হওঁক প্ৰতিভাত*
*নৱ প্ৰতিভাৰ খনি।।৩।।*

*মঙলদৈ মহাবিদ্যালয়ৰ সংগীতটি আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদক শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰীদেৱে ৰচনা কৰিছিল। গীতটোৰ সুৰ দিছিল শ্ৰীআনন্দ নাৰায়ণদেৱে। কিন্তু গীতটোৰ স্বৰলিপি স্থায়ী ভাৱে ৰাখি নোথোৱাত ইয়াৰ পূৰ্বৰ সুৰৰ ভালেখিনি পৰিবৰ্তন হৈছে। সেয়েহে গীতটোৰ স্বৰলিপি প্ৰকাশ কৰা হ'ল।*

**সম্পাদক**

স্থায়ী

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| X | | | 0 | | | X | | | 0 | | |
| গ | গ | গপ | গৰ | গৰ | ম | গ | গ | –প | গৰ | গৰ | স |
| ম | হা | জী | ৱঽ | নঽ | ৰ | ম | হা | ঽসা | ধঽ | নাঽ | ৰ |
| ম | ৰগ | ম | ম | মধ | প | স | ম | ধ | – | – | – |
| আ | শাঽ | ৰ | গ | জাঽ | লি | তু | মি | ঽ | ঽ | ঽ | ঽ |
| ধ | ধ | ধ | ধন | ধ | প | প | প | প | মধ | স | গ |
| জ্ঞা | ন | গ | ৰিঽ | মা | ৰ | ধ্যা | ন | ধা | ৰঽ | না | ৰ |
| ৰ | ৰ | ৰ | ৰগ | মপ | প | নৰ | স | – | – | – | – |
| ম | হা | ন | পূঽ | ঽঽ | ণ্য | ভূঽ | মি | ঽ | ঽ | ঽ | ঽ |

১ম অন্তৰা

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| X | | | 0 | | | X | | | 0 | | |
| প | প | ধন | নধ | ধন | ধপ | প | প | ধন | নধ | ধন | ধপ |
| অ | ঽ | জ্ঞাঽ | নঽ | তাঽ | ঽৰ | ত | ম | সাঽ | ৰাঽ | তিঽ | ঽত |
| প | ধন | ন | ধন | পধ | গ | প | ধ | – | নধ | পধ | – |
| জ | নঽ | তাঽ | আঽ | ছিঽ | ল | ডু | ৰি | ঽ | ঽ | ঽ | ঽ |
| ন | ন | নৰ | নধ | পধ | প | প | প | – | – | – | – |
| জ | নঽ | তাঽ | আঽ | ছিঽ | ল | ডু | বি | ঽ | ঽ | ঽ | ঽ |
| প | পধ | ন | নধ | ধন | ধপ | প | প | ধন | নধ | ধন | ধপ |
| জ্ঞা | নঽ | ৰ | প্ৰ | দীঽ | ঽপ | শি | খা | ৰেঽ | বিঽ | লাঽ | লাঽ |
| প | সন | – | ধন | পধ | গপ | প | ধ | ন | নধ | পধ | ন |
| সু | ধাঽ | ঽ | সন | ঽঽ | জীঽ | ৱ | নী | ঽ | ঽঽ | ঽঽ | ঽ |
| ন | ন | নৰ | নধ | পধ | প | ধ | প | – | – | – | – |
| সু | ধা | সন্ | ঽঽ | জী | ঽঽ | ৱ | নী | ঽ | ঽ | ঽ | ঽ |
| প | প | প | পধ | ম | মৰ | ম | ম | ঽম | মপ | গমপ | ৰ |
| বি | ক | শি | তঽ | আ | জিঽ | শ | ত | ঽশ | তঽ | দঽঽ | ল |
| ৰ | ৰ | ৰ | ৰ | গম | প | নৰ | স | – | – | – | – |
| তো | মা | ৰ | চ | ৰঽ | ণ | চুঽ | মি | ঽ | ঽ | ঽ | ঽ |

২য় অন্তৰা

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| X | | | 0 | | | X | | | 0 | | |
| ম | ৰ | গপ | গ | ৰ | গৰস | স | ৰ | গপ | গ | ৰগ | ৰস |
| বি | য় | পিঽ | প | ৰি | ছেঽঽ | চৌ | ঽ | দিঽ | শে | আঽ | জিঽ |
| স | ধ | ধ | পধ | গপ | ধ | – | – | – | – | – | – |
| তো | মা | ৰ | জ্যোঽ | তিঽ | ৰ | বা | ঽ | ঽ | ঽ | ঽ | নঽ |
| ন | ন | ন | ধন | পধ | গধ | প | – | – | – | – | – |
| তো | মা | ৰ | জ্যোঽ | তিঽ | ঽৰ | বা | ঽ | ঽ | ঽ | ঽ | ন |
| স | ন | গপ | গৰ | ৰগ | ৰস | স | ৰ | গপ | গৰ | ৰগ | ৰস |
| শ | ত | প্ৰঽ | দীঽ | পঽ | ঽৰ | চৌঽ | ঽ | দিঽ | শেঽ | আঽ | জিঽ |
| স | ধ | ধ | পধ | গ | প | ধ | – | – | – | – | – |
| তু | মি | যে | দীঽ | প্ | তি | মা | ঽ | ঽ | ঽ | ঽ | ন |
| ন | ন | ন | ধন | পধ | গধ | ধ | প | – | – | – | – |
| তু | মি | যে | দীঽ | ঽপ্ | তিঽ | মা | ঽ | ঽ | ঽ | ঽ | ন |

(পুণৰ স্থায়ীলৈ এবাৰ গায় শেষ কৰিব)

# সোঁৱৰণী আৰু শ্ৰদ্ধাঞ্জলি

অমৰ শ্বহীদ সকললৈ .........



# অশ্ৰু অঞ্জলি

বিগত বছৰটোত
আমাৰ মাজৰ পৰা
চিৰদিনৰ বাবে
আঁতৰি যোৱা
জ্ঞাত-অজ্ঞাত
সকলোৰে প্ৰতি
অশ্ৰু-অঞ্জলি
যাচিলোঁ।

মঙলদৈয়ান

# শ্ৰদ্ধাৰে সোঁৱৰিছো



৺পংকজ নাৰায়ণ চৌধৰী

জঃ ৭-৭-৭৩ মৃত্যু ঃ ১৮-৭-৯৫

নিয়তিৰ ইচ্ছাতেই অকাল মৃত্যুক সাৱতি
ল'ই আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে
আঁতৰি যোৱা স্নেহৰ ৺পংকজ নাৰায়ণ
চৌধৰীক অশ্ৰুসিক্ত হৃদয়েৰে আকৌ
এবাৰ সোঁৱৰিছোঁ !

মঙলদৈয়ান

# কৃতজ্ঞতাৰে



**ৰাজেন্দ্ৰ বৰুৱা** *এম-এ(ডবল),বি-টি,এল-এল-বি*

*মঙলদৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ প্ৰবক্তা হিচাপে সদা-হাস্যমুখী আৰু অদম্য কৰ্মোদ্যমেৰে পাঠ দান আৰু মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ কাৰ্য্যসূচী বিষয়াৰ দায়িত্ব অতি সুচাৰুৰূপে পৰিচালনা কৰি মহাবিদ্যালয়ৰ কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰা বৰুৱা চাৰক আমি কৃতজ্ঞতা জনাইছোঁ !*

*মঙলদৈয়ান*



*যোগেশ্বৰ কলিতা*

*কৰ্তব্যনিষ্ঠা আৰু সততাৰে মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা 'এইখন মঙলদৈবাসীৰ পবিত্ৰ আৰু মহান অনুষ্ঠান', এই মহানুভৱতাৰে নিজৰ কৰ্মত ব্ৰতী হৈ আদৰ্শ ৰাখি থৈ কৰ্ম-জীৱনৰ সামৰণি মৰা চতুৰ্থবৰ্গৰ কৰ্মচাৰী যোগেশ্বৰ কলিতাক আমি সদায় মনত ৰাখিম!*

*মঙলদৈয়ান*


# সূচীপত্ৰ


| | | |
|---|---|---|
| আলোচনীখন যদি সযত্নে ৰখা হ'লহেঁতেন | তত্বাবধায়ক | ১৩ |
| সম্পাদকীয় | | ১৫ |
| আলোচনী সম্পাদনা সমিতিৰ সভাপতিৰ একলম | সভাপতি | ১৭ |
| ৰ'দালিৰে ভৰা সোণালী সময়ৰ কিয়দংশ (সাক্ষাৎকাৰ) | সম্পাদনা সমিতি | ১৯ |
| নিমগছ ঃ এবিধ সেউজ সোণ (প্ৰবন্ধ) | কুমুদ চন্দ্ৰ শৰ্মা | ২২ |
| চনিয়াকাইৰ ভোটৰ মূল্য (গল্প) | জিতেন ৰাজবংশী | ২৪ |
| Deforestation : A major problem in N-E India (Discussion) | Uttam Kalita | 27 |
| পণ্ডিত হেমচন্দ্ৰ গোস্বামী আৰু তেওঁৰ কবিতা (চমু প্ৰবন্ধ) | ৰত্ন শৰ্মা | ২৯ |
| দুটি স্কেচ্ (কবিতা) | অৰ্পনা ঠাকুৰীয়া | ৩২ |
| মৰম বিচাৰি (কবিতা) | মাণিক চহৰীয়া | ৩২ |
| মই মৰিলোনে জীয়াই আছোঁ (কবিতা) | মীনাক্ষী ডেকা | ৩৩ |
| হৃদয়ে হৃদয়ক বিচাৰোতে (কবিতা) | কুমাৰ ভৈৰৱ বৰুৱা | ৩৪ |
| কবিতাৰ মাজে মাজে (কবিতা) | আলপনা আহমেদ | ৩৪ |
| নিবিড়তা (কবিতা) | তপন শৰ্মা | ৩৫ |
| মৌনতা (কবিতা) | ৰূপালীম শৰ্মা | ৩৫ |
| ধুমুহা এজাক আহিছিল (কবিতা) | হীৰেন ডেকা | ৩৬ |
| William Wordsworth : A Nature Poet (Discussion) | Bhuchandra Nath | 37 |
| পানেই বাইৰ গোহাই কথা (উপন্যাসিকা) | শিখাৰাণী দেৱী | ৩৯ |
| পৰমাণু বিজ্ঞানী ৰাদাৰফৰ্ড (প্ৰবন্ধ) | অনিল ভূঞা | ৪৭ |
| তেওঁক বিচাৰি (গল্প) | লুটফুৰ জামান | ৪৯ |
| Educative value of N.S.S. (Discussion) | R.Baruah | 51 |
| The Youth Campaign (Poem) | Prabin Kumar Sarma | 53 |
| If You Come (Poem) | Hiren Deka | 53 |
| অসংলগ্ন (কবিতা) | শৈলেন্দ্ৰ কুমাৰ বৰুৱা | ৫৪ |
| বিক্ষত (কবিতা) | কামিনী শৰ্মা | ৫৬ |
| দুঃসময় (কবিতা) | গীতা বৰুৱা | ৫৬ |
| নিসংগতাৰ গান (কবিতা) | জুনুমনি ডেকা | ৫৭ |
| এন্ধাৰৰ সিপাৰে (কবিতা) | জীৱন শৰ্মা | ৫৭ |
| পখিলা (কবিতা) | জয়ন্ত চহৰীয়া | ৫৮ |
| অন্ধকাৰ (কবিতা) | মৃণাল কুমাৰ ৰাজবংশী | ৫৯ |
| খুউৰ সন্তৰ তুমি এদিন আহিবা (কবিতা) | তবিবৰ ৰহমান | ৫৯ |
| ভাৰতৰ নতুন অৰ্থনৈতিক নীতি ঃ ইয়াৰ সমস্যা আৰু সম্ভাৱনা | শৰৎ চন্দ্ৰ শৰ্মা | ৬০ |
| ধৰ্ষিতা স্বদেশ (একাংকিকা নাট) | টংকেশ্বৰ বৰুৱা | ৬২ |
| আকিঞ্চন (গল্প) | ডিম্বেশ্বৰ বৰুৱা | ৬৬ |

| | | |
|---|---|---|
| Mysteries of Love (Poem) | Namita Kalita | 69 |
| To my Love (Poem) | Kumari Minakshi Sarma | 69 |
| Green House effect : It's impact on eco-system and Mankind | Dr.Amanul Haque | 70 |
| The Oak tree (Poem) | Dr.Mahendra P.Barooh | 72 |
| দৃষ্টিকোণ (মতামত) | সম্পাদনা সমিতি | ৭৩ |
| ভাষাবিদ ড° বাণীকান্ত কাকতিৰ ব্যক্তিত্ব আৰু জাতীয় চৈতন্য | হিৰণ্য কুমাৰ শৰ্মা | ৭৭ |
| মহীৰাৱণ বধ (ৰস ৰচনা) | ৰিজুমণি দেৱী | ৮১ |
| চম্পাৱতী পেহী (গল্প) | মৃদুল কুমাৰ চহৰীয়া | ৮৩ |
| হৃদস্পন্দন (কবিতা) | গণেশ শৰ্মা | ৮৬ |
| গীত (কবিতা) | চণ্ডীৰাম ডেকা | ৮৬ |
| আলিঙ্গন (কবিতা) | এম ইমাদাদুল হক | ৮৭ |
| বাস্তৱৰ সপোন (কবিতা) | উমেশ ডেকা | ৮৭ |
| জোলোঙাধাৰী (কবিতা) | সতীশ চহৰীয়া | ৮৮ |
| তুমি যেতিয়া নিৰৱে গীত গোৱা (কবিতা) | ধীৰেন্দ্ৰ নাথ ডেকা | ৮৮ |
| স্বপ্নিল (কবিতা) | মৃন্ময় শৰ্মা | ৮৯ |
| কান্দোন (কবিতা) | কেশৱ চন্দ্ৰ শৰ্মা | ৮৯ |
| লুইতৰ পৰা এভনলৈ (কবিতা) | কুমাৰী শকুন্তলা গোস্বামী | ৯০ |
| এখন হৃদয় আৰু এজাক বসন্ত (কবিতা) | ৰাতুল বৰদলৈ | ৯০ |
| T.S.Eliot : The pioneer of Modern Poetry (Discussion) | Mrinal Kumar Medhi | 91 |
| পত্ৰলেখা | | ৯৪ |
| মহাবিদ্যালয় গৌৰৱ (আলোকচিত্ৰ) | সম্পাদনা সমিতি | ৯৬ |
| মহাবিদ্যালয় সপ্তাহ (আলোকচিত্ৰ) | সম্পাদনা সমিতি | ৯৯ |
| উপ-সভাপতি, ছাত্ৰ একতা সভা (প্ৰতিবেদন) | হেমন্ত কুমাৰ শৰ্মা | ১০৩ |
| সহকাৰী সাধাৰণ সম্পাদক (প্ৰতিবেদন) | মনিময় গোস্বামী | ১০৪ |
| সম্পাদক, খেল বিভাগ (প্ৰতিবেদন) | মুকুট হাজৰিকা | ১০৪ |
| সম্পাদক, সমাজ-সেৱা বিভাগ (প্ৰতিবেদন) | কুশল কুমাৰ শৰ্মা | ১০৫ |
| সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা বিভাগ (প্ৰতিবেদন) | নমিতা চহৰীয়া | ১০৬ |
| সম্পাদক, সংগীত আৰু সাংস্কৃতিক বিভাগ (প্ৰতিবেদন) | মানৱ প্ৰতিম দাস | ১০৭ |
| সম্পাদক, সাহিত্য বিভাগ (প্ৰতিবেদন) | দীপক ডেকা | ১০৮ |
| সম্পাদক, ব্যায়ামশালা বিভাগ (প্ৰতিবেদন) | মুকুট কোচ | ১০৯ |
| সহঃসম্পাদক, খেল বিভাগ (প্ৰতিবেদন) | হিতেশ ডেকা | ১০৯ |
| সম্পাদক, তৰ্ক আৰু বক্তৃতা বিভাগ (প্ৰতিবেদন) | গৌতম চহৰীয়া | ১১০ |
| সহঃসম্পাদক, সংগীত আৰু সংস্কৃতি বিভাগ (প্ৰতিবেদন) | জগত চন্দ্ৰ নাথ ভাৰত | ১১১ |
| সম্পাদক, সুকুমাৰ কলা বিভাগ (প্ৰতিবেদন) | ৰাজীৱ লোচন ভাগৱতী | ১১১ |
| অধিনায়ক, ৰাষ্ট্ৰীয় সেৱা আঁচনি, মঙলদৈ মহাবিদ্যালয় গোট(প্ৰতিঃ) | কিৰিতি ৰঞ্জন শৰ্মা | ১১২ |
| প্ৰাক্তন সম্পাদক আৰু তত্বাৱধায়কসকল মঙলদৈ মহাবিদ্যালয় আলোচনী | | ১১৪ |


# আলোচনীখন যদি সযত্নে সংৰক্ষণ কৰা হ'লহেঁতেন

তত্ত্বাৱধায়ক, মঙলদৈয়ান





*প্ৰায় দুকুৰি বছৰ অতিক্ৰম কৰি অহা মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখনে সকলো ফালৰ পৰা সময়ৰ লগত খোজ মিলাই নতুন সাজত ওলাই অহাটোৱেই আমাৰ সকলোৰে কাম্য। এই সংখ্যাকেলৈ ক্ৰমে দুটাসংখ্যা আলোচনীৰ তত্ত্বাৱধায়ক হিচাপে এই দিশটোতেই গুৰুত্ব দিছোঁ। কিন্তু তত্ত্বাৱধায়ক হিচাপেই নহয়, মঙলদৈ মহাবিদ্যালয়ৰ এসময়ৰ এজন ছাত্ৰ আৰু শুভাকাংক্ষী হিচাপেও এটা কথা মনলৈ মাজে-সময়ে আহি থাকে; সেইটো হ'ল, মঙলদৈ মহাবিদ্যালয়খন সামগ্ৰিক ভাৱে এতিয়া যদি আগতকৈয়ো আৰু অধিক সুন্দৰ হৈ উঠিলহেঁতেন। ইয়াৰ প্ৰতিটো কথাই যদি একোটা ইতিহাস ৰচিলেঁ হয়। তেতিয়া ই অকল এই অঞ্চলৰ বৰ্তমানৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰতে নহয়, ই দৰৱী ৰাইজৰ ভৱিষ্যত জীৱনৰো পথিকৃৎ হ'ব।*

*মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখন বিশেষভাৱে শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰীৰ মৌলিক-চিন্তা, সাহিত্য-কলা, সুকুমাৰ কলা আৰু সংস্কৃতি সম্পন্ন মনোভাৱ প্ৰকাশৰ মাধ্যম হিচাপে বিশেষ তাৎপৰ্যপূৰ্ণ হোৱাৰ উপৰিও ই ভৱিষ্যতৰ কাৰণে বৰ্তমানৰ মঙলদৈ মহাবিদ্যালয়খনৰ দাপোন স্বৰূপ। সেয়েহে মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখনৰ প্ৰতিটো সংখ্যা যদি একেলগে সযত্নে সংৰক্ষণ কৰা হ'লহেঁতেন। মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখনৰ প্ৰতিটো সংখ্যা একেলগে সংৰক্ষণ কৰাৰ বেছি খিনি সুবিধা*



মহাবিদ্যালয়খনৰ বাদে আন ঠাইত নহ'বও পাৰে। সেই বাবেই এই বিষয়ত প্ৰথমে মঙলদৈ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ বিভাগটোৰ লগতে কথা পাতিছোঁ। কিন্তু, এনে চিন্তা যদি এতিয়াহে কৰা হৈছে, তেতিয়া হলে কথাটো কিছু অ-প্ৰাসঙ্গিক যেনো হ'ব কাৰণ, ১৯৫৬-৫৭ চনৰ পৰাই মঙলদৈ মহাবিদ্যালয়ৰ আলোচনী প্ৰায় প্ৰতি বছৰেই নিয়মীয়া কৈ প্ৰকাশ হৈ আহিছে, আৰু ঠিক, সেই মুহূৰ্তৰ পৰাই আলোচনীখনৰ সু-সংৰক্ষণৰ চিন্তা কৰাৰ পিছতো যদি চিন্তাখিনি বাস্তৱ-সন্মত ৰূপত ফলৱতী হৈ উঠা নাই; তেনেহলে এনে চিন্তাৰ অৱকাশেই বা থাকিব ক'ত? এই প্ৰসঙ্গতে মঙলদৈ মহাবিদ্যালয়ৰ এখন পূৰ্বৰ আলোচনী বৰ্তমানৰ আলোচনী ''মঙলদৈয়ান''ৰ পাতলৈ আনিব বিছাৰিলো।




মঙলদৈ মহাবিদ্যালয়ৰ পূৰ্বৰ আলোচনীৰ তথ্যলৈ চাই ক'ব পাৰি সেই সংখ্যাৰ আলোচনীখনৰ বিষয়ে আমি আচলতে বৰ সঠিককৈ একো ক'ব নোৱাৰোঁ। কিন্তু, এই সংখ্যা 'মঙলদৈয়ান' প্ৰকাশ হোৱাৰ সময়তেই পূৰ্বৰ এই আলোচনীখন আমাৰ দৃষ্টিলৈ অহাত অতি ভাল কথা হ'ল। ইং ১৯৬৭-৬৮ চনৰ মঙলদৈ মহাবিদ্যালয়ৰ তদানীন্তন সাহিত্য প্ৰেমী ছাত্ৰ শ্ৰীঅৰুণ চন্দ্ৰ দাসে এই সংখ্যা আলোচনী সম্পাদনা কৰিছিল। উপদেষ্টা আছিল অসমীয়া বিভাগৰ প্ৰবক্তা শ্ৰীজীৱন চন্দ্ৰ শৰ্মাদেৱ। আলোচনী খনৰ এটা কপি মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু প্ৰাক্তন আলোচনী সম্পাদক শ্ৰীপ্ৰভাত নাৰায়ন চৌধুৰীয়ে তেখেতৰ পুৰণি কিতাপ-আলোচনী সংৰক্ষণ কৰা আলমিৰাত সযত্নে ৰাখিছিল। এইটো বৰ প্ৰশংসনীয় কাম। আলোচনীখনৰ বিষয়ে বহুল বৰ্ণনা দাঙি ধৰিবলৈ চেষ্টা নকৰি এই সংখ্যা আলোচনী ''মঙলদৈয়ান''ৰ জৰিয়তে আলোচনীখনক কেৱল আন্ধাৰৰ পৰা পোহৰলৈ অনাৰ প্ৰয়াস কৰিলোঁ আৰু অন্ততঃ মঙলদৈ মহাবিদ্যালয়ৰ আলো-চনীৰ তথ্য ভঁৰালত ভৰাই ৰাখিলোঁ। আশা, কেতিয়াবা প্ৰয়োজন হ'ব।



# সম্পাদকীয়

সৃষ্টিশীল চিন্তাধাৰাৰ প্ৰকাশৰ মাধ্যমেই হ'ল সাহিত্য। সাহিত্যই স্বদেশ আৰু স্বজাতিৰ ছবিখন সুন্দৰভাৱে প্ৰতিফলিত কৰিব পাৰে। পৌৰাণিক কালৰেপৰা সাহিত্যৰ বিভিন্ন শাখা যেনে- গল্প, কবিতা, উপন্যাস, নাটক, গীত আদিয়ে বিভিন্ন দিশেৰে সমাজ গঠনত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে।

চাওঁতে চাওঁতে দৰং জিলাৰ উচ্চ শিক্ষাৰ বিদ্যামন্দিৰ হিচাপে মঙলদৈ মহাবিদ্যালয়ে দুকুৰি চাৰিটা বসন্তৰ উত্থান-পতন নিৰীক্ষণ কৰিলে। এই বিদ্যামন্দিৰটিৰ নতুন প্ৰতিভাক বাট দেখুৱাই ভাৰ লবলৈ আগবাঢ়ি আহিল 'মঙলদৈয়ান' নামৰ মুখপত্ৰখন।

সাম্প্ৰতিক সময়ত উচ্চ শিক্ষাত এক সামগ্ৰিক নৈৰাজ্যই ৰাজত্ব কৰি থকা বুলি প্ৰতিজন সচেতন ছাত্ৰ-ছাত্ৰী বা নাগৰিকে অভিযোগ কৰিব ধৰিছে। শিক্ষাৰ মানদণ্ড হ্ৰাস, ছাত্ৰৰ মাজত বিশৃংখলতা, প্ৰশাসনৰ অবাধ দুনীৰ্তি, শিক্ষাদানত শিক্ষকৰ হেমাহি, নাম-ভৰ্ত্তিত খেলিমেলি, অতিৰিক্ত হাৰত মাচুল বৃদ্ধি, সঘনে পাঠ্যক্ৰম সলনি, চৰকাৰ, গভৰ্নিং বডি, বিশ্ববিদ্যালয় আদিত এশ এবুৰি সমস্যাই আজি ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষাত বেমেজালিৰ সৃষ্টি কৰি আহিছে।

এইবোৰ সমস্যা সমাধান কৰিবলৈ আজি যেন কাৰোৰেই আহৰি নাই। বুদ্ধিজীৱি (মূৰ ব্যৱসায়ী) বোলা তথাকথিত সচেতন মহল এটাই অৱশ্যে মাজে সময়ে বাতৰি কাকতত দুই এটা প্ৰবন্ধ লিখি 'আমিও ৰাইজৰ লগতে আছোঁ' বুলি জাহিৰ কৰিবহে খোজে। চৰকাৰ বোলা যন্ত্ৰটোৱেও দুই এটা জনহিতকৰ বিবৃতি দি নিজৰ কৰণীয়খিনি শেষ কৰে। তেনেহলে এইবোৰ সমস্যাৰ সমাধান ক'ত?

সাম্প্ৰতিক বজাৰত ৰাজনীতিবিদ সকলৰ প্ৰভাৱ বৰকৈ বৃদ্ধি পাব লাগিছে। অসমৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় সমূহতো ৰাজনীতিবিদৰ 'কুচকাৱাজে' গণৰাজ্য দিৱসৰ দিনাখনৰ ৰাজধানীৰ 'সামৰিক কুচকাৱাজ'ৰ দৰে গুৰুত্ব লাভ কৰিব ধৰিছে। বিশেষকৈ ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ সময়ত বলা মহাবিদ্যালয়/বিশ্ববিদ্যালয় সমূহৰ নিৰ্বাচনী বতাহকেই এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি। এই ক্ষেত্ৰত অসমৰ বাহিৰৰ পৰা দেশপ্ৰেমী (?) ৰাজনীতিবিদ আমদানী কৰিলেই ফুটবল খেলৰ দৰে সঠিক পজিচনত থাকি উপভোগ্য ৰাজনীতিৰ খেল এখন অসমত অনুষ্ঠিত কৰিব পৰা যাব বুলি বিশ্বাসত লবলৈ টান লাগে।

শিক্ষা ব্যৱস্থাতো এতিয়া ব্যৱসায়ত পৰিণত হৈছে। শিক্ষানুষ্ঠানসমূহো লাহে লাহে মাৰ্কছিট-চাৰ্টিফিকেট উৎপাদন কৰা উদ্যোগ বিশেষত পৰিণত হব লাগিছে। পৰীক্ষাত নম্বৰ পাব পৰা কেইটামান নোটছ অথবা কেইটামান নাম থকা শিক্ষকৰ ওচৰত টিউচন লওঁক। বচা পাছ চাৰ্টিফিকেটৰ বাবে আৰু কোনো সমস্যা নাই। অৱশ্যে নেজডাল দীঘল হ'ব যদিও নেজ পাৰি

বহিবলৈ হ'লে অভিভাৱকক দুই বা চাৰি বিঘা মাটি আনলৈ হস্তান্তৰ কৰাৰ প্ৰক্ৰিয়াটো আৰম্ভ কৰিবলৈ দিয়ক। কিন্তু সাৱধান! আপোনাৰ হিতাকাংক্ষী হাত দীঘল ব্যক্তি গৰাকীৰ লেনা দেনা শেষ হোৱাৰ পিছত হাত যাতে ছুটি নহয় তালৈ চকু দিব নাপাহৰিব।

মাৰ্ক্সবাদী সকলৰ দৰে 'ধ্বংশৰ পিছতহে নতুন সৃষ্টি হ'ব' বুলি আমিও আশা কৰোঁ যদিও হত্যা, লুণ্ঠন, ধৰ্ষণ আদিৰে জড়াগ্ৰস্ত অসমীয়া সমাজখনে যে আকৌ কুঁহিপাত মেলিব পাৰিব তাত সন্দেহ নথকা নহয়। একেদৰেই স্বদেশ আৰু স্বজাতি বুলি চিঞৰি চিঞৰি এচাম যুৱকে আত্মাহুতি দিলেই সোণৰ অসম গঢ়ি উঠিব বুলি বিশ্বাসে নধৰে। সেইদৰে স্বায়ত্ত শাসনৰ নামত অসমৰ জাতিগত তথা গোষ্ঠীগত সমস্যাৰ কিবা এটা যে স্থায়ী সমাধান কৰিব বিচৰা হৈছে তাতো সন্দেহ নোপজা নহয়।

অপ-সংস্কৃতিৰ ছত্ৰছাঁয়াত থাকি নিজকে সংস্কৃতিবিদ বুলি জাহিৰ কৰা এটা নিজৰ সংজ্ঞা নিজে ঠিক কৰিব নোৱাৰা জাতিয়ে 'মানুহ' নাম খোদিত চাইন বৰ্ড অদূৰ-ভৱিষ্যতে কটিয়াব নালাগিলেই ৰক্ষা! কিন্তু এইবোৰৰ সমাধান কোনে কৰিব? তুমি? মই? ওহোঁ, আমি সকলোৱে।

এইবেলি সম্পাদনা সমিতিয়ে 'মঙলদৈয়া'নত নতুন শিতান হিচাবে 'সমিধান শিতান' এটা খোলাৰ সিদ্ধান্ত লৈছিল যদিও এই শিতানলৈ কাৰোৱে পৰা যথাযোগ্য সহাৰি নাপাই অৱশেষত শিতানটোকেই বাদ দিব লগাত পৰিলোঁ। নতুনত্বৰ প্ৰতি আমাৰ এনে অৱহেলা কিয়?

মোৰ কাৰ্যকালত এদিন হঠাতে আমাৰ মহাবিদ্যালয়ৰ হিতাকাংক্ষী ব্যক্তি মাননীয় শ্ৰী প্ৰভাত নাৰায়ণ চৌধুৰীদেৱে আমাৰ হেৰোৱা ১৯৬৭-৬৮ চনত প্ৰকাশিত আলোচনী খনৰ সংখ্যা এটি মোক উদ্ধাৰ কৰি দিয়ে। উক্ত সংখ্যাটিৰ সম্পাদক আছিল মাননীয় শ্ৰী অৰুণ চন্দ্ৰ দাস আৰু তত্বাৱধায়ক অধ্যাপক আছিল মাননীয় শ্ৰী জীৱন চন্দ্ৰ শৰ্মা চাৰ। এই ছেগতে চৌধুৰীদেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সদৌ শেষত অসম ৰাজ্যিক ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিক আৰ্থিক অনুমোদন আগবঢ়োৱাৰ বাবে সম্পাদনা সমিতিৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যকালত মোক অনবৰতে দিহা-পৰামৰ্শ আৰু সহায় সহযোগিতা আগবঢ়োৱা বাবে আলোচনী বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰদ্ধাৰ ডিম্বেশ্বৰ বৰুৱা চাৰলৈ কৃতজ্ঞতা যাছিলোঁ আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয় ববীয়াৰ উপৰিও সৰ্বশ্ৰী অনিল ভূঞা, মৃণাল ৰাজবংশী, জামাল দা, প্ৰণৱ ভট্টাচাৰ্য্য, ৰিন্তিমণি ডেকা, গীতিমা শৰ্মা, প্ৰণতি দেৱীলৈ ধন্যবাদ নজনাই নোৱাৰিলোঁ।

শেষত সময়মতে আলোচনীখন প্ৰকাশ কৰিব নোৱাৰাৰ বাবে আৰু অনিচ্ছাকৃত ভুল ক্ৰটিৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে সামৰিছোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়

**জয়ন্ত শৰ্মা**
সম্পাদক, মঙলদৈয়ান

# মঙলদৈ মহাবিদ্যালয়ৰ আলোচনী সম্পাদনা সমিতিৰ সভাপতিৰ একলম ঃ

ড°হৰিশ ডেকা
প্ৰবক্তা, শিক্ষা বিভাগ।

*কিনো লিখিম — ?*

*যিকোনো শিক্ষানুষ্ঠানৰ আলোচনী এখন সেইখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত গুজৰি-গুমৰি থকা বিভিন্ন ভাব আৰু অভিজ্ঞতা প্ৰকাশৰ এখনি মঞ্চ সদৃশ। ছাত্ৰ-ছাত্ৰীৰ গতিশীলতা আহে দৈহিক কৰ্ষণৰ দ্বাৰাহে। গতানুগতিক পুথি অধ্যয়ন আৰু পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ দ্বাৰাই অকল সামগ্ৰিক বৌদ্ধিক বিকাশ লাভ কৰা বুলি কব নোৱাৰি। বিভিন্ন বিষয়ৰ পৰা পোৱা জ্ঞান আৰু অভিজ্ঞতা সমূহক সমাজৰ প্ৰয়োজনীয় আৰু অপ্ৰয়োজনীয় দিশৰ তুলাচনীৰে চালি-জাৰি চাই গল্প, কবিতা, প্ৰবন্ধ, ব্যঙ্গ ৰচনা, হাস্যৰস আৰু নাটকৰ মাজেদি এখন মুখপত্ৰত প্ৰকাশ কৰাৰ থল আছে। এই দৰে মহাবিদ্যালয়ৰ মুখপত্ৰ সমূহে তাহানি মুখপত্ৰ প্ৰকাশ হো া দিন ধৰি ছাত্ৰ-ছাত্ৰীৰ অভিজ্ঞতা আৰু প্ৰতিভাক চানেকী ৰোমন্থন কৰি আহিছে। মঙলদৈ মহাবিদ্যালয়ৰ আলোচনী সম্পাদকে বাৰুকৈয়ে এটি প্ৰবন্ধ লিখিবলৈ কোৱাত কলম আৰু কাগজ হাতত ললো যদিও বিমোৰত পৰিলো কিনো লিখিম?*

*ইতিমধ্যে পৃথিৱীত বিজ্ঞান প্ৰযুক্তি বিদ্যা আৰু অনন্ত কোটি বিশ্ব ব্ৰহ্মাণ্ডৰ বাহিৰে অন্য দিশবোৰৰ Plot বিচাৰি পোৱাটো বৰ কষ্ট সাধা হৈ পৰিছে। আমাৰ দৰে অভাগা সেই দিশত অৰ্থাৎ বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু বিশ্বব্ৰহ্মাণ্ডৰ বিষয়ত ইমান সিদ্ধহস্ত যে সেই দিশত চিন্তা-চৰ্চা কৰিলেই মূৰটোৱে সাতপাক ঘূৰিব খোজে। গতিকে তেনে দিশত গল্প বা প্ৰবন্ধ লিখাৰ মৰসাহ কৰিব নোৱাৰিলোঁ।*

*ভাবিলো এটি সাহিত্য বিষয়ক প্ৰবন্ধকে লিখো। কিন্তু তাতো বিজুতি খালো। পুৰণি ভাৰতৰ ঋষি-মুণি সকলৰ সাহিত্য, কালিদাসৰ সাহিত্য, ইউৰোপৰ চেক্সপিয়েৰ, ছেলি, বাইৰন, কীটচ্, টলষ্টয়ৰ সাহিত্য ইমান নালাগে আমাৰ নিজৰ ৰাজ্যখনৰে বেজবৰুৱা প্ৰভৃতি সাহিত্যিক সকলে যি আলোড়ন সৃষ্টি কৰি থৈ গ'ল তাতকৈ উন্নত বা নতুন কিবা এটা কোনোবাই সৃষ্টি কৰিব পাৰিছেনে? তেওঁ সকলৰ লিখা সমূহ কিতাপৰ পাতে পাতে জিলিকি আছে আৰু পাঠক পাঠিকাসকলে সিবোৰ অধ্যয়নৰ যোগেদি অমৃত পান কৰি আছে। গতিকে সাহিত্যৰ দিশতো কিবা এটা লিখিবলৈ সাহস গোটাব নোৱাৰিলোঁ।*

*বৰ্তমান আমাৰ ৰাজ্যত আকৌ সাহিত্য মানে আধুনিক কবিতাৰ বানপানী আহিছে। সন্দেহ হৈছে যেন খুউব সোনকালেই গল্প, কবিতা, ৰচনা-নাটক আদি দিশবোৰকো আধুনিক কবিতাই ৰাহুৱে গিলাদি গিলিব। লিখকৰ আধুনিক কবিতা বুজাৰ বুদ্ধি সীমিত। এটি বৃথা চেষ্টা কৰিলোঁ যে সংগীত নাইবা কলা-কৃষ্টি বিষয়ক কিবাএটাকে লিখো। তাতো চিন্তাই জুমুৰি দি ধৰিলে, কাৰণ সংগীত আৰু কলা বিষয়ক দুটা লেখনীয় নহয় বৰং প্ৰদৰ্শনীয়হে। সংগীতৰ বিষয়ে লিখা গল্প প্ৰবন্ধতকৈ গীত গাব পৰা ব্যক্তিৰ চাহিদা স্বাভাৱিকতে বেছি। সেইদৰে কলা বিষয়ৰো একে দশা। আৰু কোনোবাই যদি সংগীত আৰু কলা বিষয়ক লৈ কিতাপ বা প্ৰবন্ধ লিখিছে তেনেহ লৈ পাঠকৰ অভাৱত শেষত তেনে লেখা পত্ৰ সমূহ নিশ্চয় কিলো ভিত্তিত বেচিব লগা হৈছে। ইফালে কৃষ্টি ইংৰাজীত Culture এই বিষয়টো লিখাৰ সাহস গোটাব নোৱাৰিলোঁ কাৰণ ইতিমধ্য আমাৰ Culture সমূহ Ulcer ত পৰিনত হৈছে। ইতিমধ্যে শতকৰা ৯০ ভাগেই যেতিয়া ulcer সদৃশ Culture ক গ্ৰহণ কৰিছে তেনেক্ষেত্ৰত লেখকে এই দিশত এটি প্ৰবন্ধ লিখি কোদো বৰলৰ গাত হাত দিলেহে! গতিকে এই দিশতো প্ৰবন্ধ লিখাৰ সিদ্ধান্ত লব নোৱাৰিলোঁ*

*ছাত্ৰ-ছাত্ৰীবোৰ, শিক্ষক, বিদ্যালয় আৰু অধ্যয়নৰ লগত জড়িত। এই বিষয়তে কিবা এটি লিখা। কিন্তু এই দিশত আৰু কি লিখিবলৈ বাকী আছে? ৰুছো, কপাৰনিকাচ, প্লেটো, এৰিষ্টটল, হাৰ্বাট, ফ্ৰবেল, মণ্টেছৰী, ডেল্টন, ডিউই, ভাৰতৰ গান্ধী, ৰবীন্দ্ৰনাথ ঠাকুৰ প্ৰভিতি বৰেণ্য লোক সকলৰ লেখা সমূহে ছাত্ৰ-ছাত্ৰীৰ বয়স অনুপাতে শিক্ষা, পাঠ্যক্ৰম, পাঠদান, অনুশাসন আৰু শিক্ষকৰ ভূমিকা সম্পৰ্কে যিবোৰ কৈ গৈছে তাতকৈ নতুন এটি তথ্য দিব পৰা ক্ষমতা লেখকৰ নাই। গতিকে অভাজনে এই দিশতো সিমানতে হাত মছিছে আৰু অগত্যা যদি লিখিবলগীয়া হয় তেনেহলে ৰাজ্যখনৰ কেইখন স্কুল, কলেজ আৰু কিমান ছাত্ৰ-ছাত্ৰীয়ে পঢ়ে, কিমান প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক, ইত্যাদি খবৰ খিনি গোটাই এটি প্ৰবন্ধ লিখিব*

পাৰিলোহেঁতেন। কিন্তু লেখকে ইয়াক প্ৰবন্ধ নকৈ তথ্য বুলিহে বিবেচনা কৰে কাৰণেই এই বিষয়ত লিখাৰ প্ৰয়োজনবোধ নকৰিলে কাৰণ এনেবোৰ তথ্য পৰিসংখ্যা বিভাগত নাইবা জৰীপ কাৰ্য্যালয়ত প্ৰয়োজন হ'লেই পোৱা যায়।

নৈতিক আৰু আধ্যাত্মিক দিশত ভাৰতৰ উপনিষদ, পুৰাণ, গীতা, আৰু অন্যান্য শাস্ত্ৰীয় আৰু প্ৰাচীন সাহিত্যত যিবোৰৰ বিশ্লেষণ নাই সিবোৰ বৰ্ত্তমানেও ৰচনা কৰিবৰ বাবে কাৰো শকতি হোৱা নাই। অৰ্থাৎ এই সম্বন্ধে আৰু লিখিবলৈ বাকী থকা নাই। গতিকে পূৰ্বৰ সংযোজন, বিয়োজন, হৰণ আৰু পূৰণ কৰি ফোপজহি প্ৰশংসা লবলৈ সাহস কৰিব নোৱাৰিলোঁ। মনতে সিদ্ধান্ত কৰিলোঁ ভাৰতৰ ধৰ্ম বিষয়ক লৈয়ে এটি কিবা লিখাহঁওক। গুৰুত্বপূৰ্ণ বিষয়। পৃথিৱীৰ আনবোৰ দেশত ক'ব নোৱাৰো — কিন্তু আমাৰ দেশত ধৰ্ম আলোচনা সভা পতাৰ নজিৰ আছে আৰু লেখকলৈ ধৰ্ম আলোচনা সভাৰ নিমন্ত্ৰনী পত্ৰ প্ৰায়ে থাকে। আলোচনাৰ য'ত প্ৰয়োজন আছে তাত শেষ সিদ্ধান্ত নোহোৱাটোকে বুজায়। অৰ্থাৎ ভাৰতত এতিয়াও যেন ধৰ্ম্মৰ সিদ্ধান্ত হোৱাই নাই। গতিকে বিতৰ্কিত সমস্যাৰ মাজত সোমায় নপৰি নিৰ্দিষ্ট দূৰত্বৰ পৰা এই বিষয়ে সেৱা জনাই এই দিশতো কিবা এটা লিখাৰ লোভ সামৰিব লগা হ'ল।

ভাতৰবৰ্ষ বৃহৎতম গণতান্ত্ৰিক দেশ। এই দেশৰ নাগৰিক হৈ গৌৰৱ অনুভৱ কৰো কাৰণ কবি সকলেও ধন্য ধন্য ভাৰত বৰিষ বুলি গীতো গায় গৈছে। সংবিধানেও ৬ টা মৌলিক অধিকাৰ দিছে আৰু ইবোৰ সাব্যস্ত কৰাত ব্যৰ্থ হ'লে ৩২ ধাৰা মতে চুপ্ৰিম কোৰ্ট আৰু ২২৬ ধাৰামতে হাইকোৰ্টৰ ওচৰ চাপিব পাৰে। মানে স্বাধীনতাত ৰামৰাজ্যৰ আঁচোৰ আছে। কিন্তু সংবিধানৰ প্ৰস্তাৱনাৰ Democratic, Socialistic, secular, Republic বৈশিষ্ট্যৰে ভৰপুৰ গণতান্ত্ৰিক দেশৰ কাহানিবাই দুৰ্ঘটনা হ'ল, শেষত ইয়াৰ দুটা অংশহে বাছি থাকিল। "ধনতন্ত্ৰ" আৰু "বলতন্ত্ৰ" দুই ভাই ককাই। কালক্ৰমত দুয়োটাই ডাঙৰ হ'লত বলতন্ত্ৰৰ প্ৰভাৱ বেছি হ'ল। শেষত নিশকটীয়া হাড়ে-চালে লগা লেখকে বলতন্ত্ৰৰ বলত বলী সমাজ নাইবা দেশৰ বিষয়েও লিখিবলৈ সাহস গোটাব নোৱাৰিলোঁ।

ৰাতি গভীৰ হৈ অহাৰ লগে লগে লেখকৰো টোপনী গভীৰ হৈ আহিল। শেষত ছাত্ৰ-ছাত্ৰীসকলক দুটামান ফকৰা যোজনাৰ অপলাপ কৰি উপদেশ দি সামৰণি মাৰিবলৈ চেষ্টা কৰিলোঁ যদিও মনটোক সেওঁ মনাব নোৱাৰিলোঁ। আলফ্ৰেড টেনিচনৰ কথা এষাৰলৈ মনত পৰিল 'There is nothing permanent except change' কথাষাৰ হৰবো হয়। তাহানি শিক্ষক সকলে কৈছিল "ভুকুত কলটো নপকে"। ক'তা? আজি দেখিছোঁ যেলাখনত কলঠোক সেউজীয়া হৈ আহে আৰু বজাৰৰ নিৰ্দিষ্ট কোঠাটো পোৱাৰ লগে লগে ঈষৎ হালধীয়া হৈ পকি যায়। আকৌ পঢ়িছিলোঁ "সত্যৰ সদায় জয়"। কিন্তু জীৱনত প্ৰতিটো দিশতে সত্যৰ পৰাজয়হে দেখিবলৈ পাইছোঁ। আইন সৃষ্টি হৈছিল দুষ্টক দমন আৰু শান্তক পালন কৰিবলৈ। কিন্তু আমি সবে কি দেখিছোহঁক? ইয়াৰ বিপৰীত দিশটোহে। নহয়নে বাৰু? তেনেহ'লে কি লিখিম? এটি Plot নিৰ্বাচন কৰিব পৰা নগ'ল কাৰণ বৰ্তমান এই পৰিবেশত ভাল বেয়া সত্য অসত্য লাগতিয়াল অলাগতিয়াল কথাৰ বিবেচনা কৰাটো বৰ কঠিন হৈ পৰিছে। যিহেতু কোনো নিৰ্দিষ্ট প্লট নিৰ্বাচন কৰিব পৰা ন'গল গতিকে মৰমৰ ছাত্ৰ-ছাত্ৰীসকলক ছাত্ৰ জীৱনৰ প্ৰধান কৰ্ত্তব্য বোধৰ বিষয়ে এটি উপদেশ আগবঢ়াই মোৰ লিখনীৰ সামৰণি মাৰিব বিচাৰিছোঁ।

ভুলুকা গজালি ওলোৱাদি স্কুল, কলেজ আৰু বিশ্ববিদ্যালয়ৰ সংখ্যা বৃদ্ধিৰ লগে লগে শিক্ষক-শিক্ষাৰ্থীৰো সংখ্যা বৃদ্ধি হৈছে। কিন্তু এইটো অপ্ৰিয় হ'লেও সত্য যে নিৰক্ষৰ জনসাধাৰনৰ তুলনাত আক্ষৰিক গৰিষ্ঠ সংখ্যক চহা মানুহেই আমাৰ মহাজীৱনত এক অসুস্থ সামাজিক বাতাবৰণৰ উৎস হৈ পৰিছে।

অধ্যয়ন বিমুখ শিক্ষা ব্যৱস্থা আৰু অধ্যয়ন মুখ শিক্ষিত মানুহৰ দেশ এখনত বৌদ্ধিক বাতাবৰণ এটা আশা কৰিব নোৱাৰি। সেয়ে যুগে যুগে মণীষী সকলে গ্ৰন্থ অধ্যয়নক উচ্চ আসন দিছে। বানৰ্ড লেভিনে কৈছিল "মানুহে এতিয়ালৈকে উচ্চাৰণ কৰা মহান শব্দটো হ'ল কিতাপ।" কবি চেলীয়ে কৈছিল "আমি যিমানেই বেছিকৈ পঢ়োঁ সিমানেই আমি জানো যে আচলতে কিমান নাজানো।" নিয়ন য়ুটাং নামৰ এজন পণ্ডিতে কৈছিল "যি সকল লোকে এখন উজ্জ্বল, সুন্দৰ আৰু ভাৱাবেগ দীপ্ত মুখৰ অধিকাৰী হ'ব খোজে, তেওঁলোকৰ প্ৰধান কৰ্ত্তব্য হ'ল নিয়মিত ভাবে কিতাপ পঢ়া অভ্যাস কৰা"।

এখন দেশ বা এটা জাতি কেৱল আৱেগ প্ৰৱণ বক্তৃতাৰ ফুলজাৰি মাৰি উন্নতিৰ জখলাত উঠিব নোৱাৰে। সুস্থ চিন্তা সু-উদ্যোগত ব্ৰতী, কৰ্ম প্ৰেৰণা, সু-চৰিত্ৰ, সু-গ্ৰন্থৰ নিৰৱচিন্ন অধ্যয়নৰ নিৰন্তৰ সাধনাৰ দ্বাৰাহে উন্নতিৰ সৌধ নিৰ্মিত হয়। অতখিনি কাম সীমিত সময়ৰ ভিতৰত কৰাটো সহজ সাধ্য নহয়। ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয় জীৱনৰ পৰা সিবোৰৰ অধিকাৰী হ'বলৈ চেষ্টা কৰিলে এটা সময়ত হয়তো দহৰ বা জাতিৰ মঙ্গল হব পাৰে। বৰ্তমান কাল মহাকাল। এক যুগসন্ধি।

দেশ বা জাতিৰ মঙ্গল অকল ছাত্ৰ-ছাত্ৰীৰ দ্বাৰাই কৰিব নোৱাৰে। এখন সমাজ সুন্দৰ সুঠাম আৰু সবল কৰিবলৈ হ'লে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সবল নিকা মানসিকতা আৰু দৃঢ় সংকল্পতাৰ প্ৰয়োজন অনুভৱ কৰা হৈছে। ●

# ৰ'দালিৰে ভৰা সোণালী সময়ৰ কিয়দংশ

*বিংশ শতিকাৰ শেষৰ দশকৰ অন্তিম পাঁচটা বছৰত মঙলদৈ মহাবিদ্যালয়ৰ অধ্যাপনাৰ দিশটোত এটা বহু-দীঘলীয়া অধ্যায়ৰ সামৰণি পৰিব।*

*শিক্ষকতাৰ দৰে মহৎ কৰ্মত আত্মোছৰ্গা কৰি সময় বালিত খোজ দি অহা ভালে কেইগৰাকী আমাৰ পৰম পূজ্য জ্যেষ্ঠ প্ৰবক্তাই আনুষ্ঠানিক অধ্যাপনা কৰ্মৰ পৰা অৱসৰ গ্ৰহণ কৰি জীৱনৰ অন্য এক বাটত খোজ পেলাব। সেইসকলৰ প্ৰতি কেইগৰাকীৰেই আমাৰ এই মহান অনুষ্ঠানটিৰ শিশুকালৰ পৰাই সহৃদয়তা গঢ় লৈ উঠিছিল। মঙলদৈ মহাবিদ্যালয়ৰ প্ৰায় আঢ়ৈ কুৰি বছৰীয়া ঐতিহ্যপূৰ্ণ ইতিহাসৰ লগত তেখেতসকল সামগ্ৰিক ভাৱে আছিল অঙ্গাঙ্গী স্বৰূপ।*

*আমাৰ এনে গুণ-মুগ্ধ শ্ৰদ্ধাভাজন সন্মানীয় শিক্ষাগুৰু সকলৰ মহাবিদ্যালয় খনিৰ পৰা অৱসৰ গ্ৰহণে ইয়াৰ বিদ্যায়তনিক দিশত সঁচাকৈয়ে অপূৰণীয় ক্ষতিৰ এডাল ৰূপোৱালী ৰেখা আঁকি থৈ যাব!*

*সেইসকল মহাশয়ৰ ভিতৰত অতি কম দিনৰ ভিতৰতে অৱসৰ ল'বলৈ আগবঢ়া শ্ৰদ্ধাভাজন কেইগৰাকীমানৰ পৰা আমি তেখেতসকলৰ জীৱনৰ ৰ'দালিৰে ভৰা সোণালী সময়খিনিৰ কিয়দংশ জানিবলৈ হেঁপাহ কৰিছিলোঁ।*

*বহুতো কৰ্ম-ব্যস্ততাৰ মাজতো অকণমান আহৰি উলিয়াই সুদীৰ্ঘ দিনৰ অভিজ্ঞতা পুষ্ট জীৱনৰ কথাবোৰ স্মৃতিৰ মানস পটৰ পৰা আজুৰি আনি তাৰ কিয়দংশ আমালৈ লিখি পঠিওৱাৰ বাবে ধন্যাবাদ যাঁচি তেখেত সকলৰ কথাবোৰ 'মঙলদৈয়ান'ৰ পাতত লিখি ৰাখিলোঁ৷*

*সম্পাদনা সমিতি*

## ড° দীপ্তি প্ৰসাদ বৰুৱা

**ড°বৰুৱা ছাৰ, আপুনি মঙলদৈ মহাবিদ্যালয়ৰ এগৰাকী জ্যেষ্ঠ প্ৰৱক্তা আৰু বুৰঞ্জী বিভাগৰ বিভাগীয় মুৰব্বী, তাৰ উপৰিও আপুনি মহা-বিদ্যালয়খনৰ উপাধ্যক্ষও। আমি জানিব পাৰিছোঁ সুদীৰ্ঘদিন অধ্যাপনা কৰাৰ পিছত আপুনি এছোৱা কৰ্ম জীৱনৰ পৰা অলপতে অৱসৰ গ্ৰহণ কৰিব। আনুষ্ঠানিক শিক্ষকতা জীৱনৰ পৰা অৱসৰ লোৱাৰ প্ৰাকমুহূৰ্তত আপোনাৰ শিক্ষকতা জীৱনৰ ব্যক্তিগত অভিজ্ঞতাৰে এজন শিক্ষক তথা কলেজ শিক্ষকৰ জীৱন সম্পৰ্কে আমাক দু-আষাৰ ক'ব নেকি?**



*ষাঠি চন মানৰ কথা। মই মিজ' পাহাৰৰ (মিজ'ৰাম) আইজল কলেজৰ বুৰঞ্জী বিভাগৰ শিক্ষক। আমি কেইজনমান বন্ধু একেলগে মেছ কৰি থাকো। আমি মানে দুই কি তিনিজন কলেজৰ সতীৰ্থ আৰু দুজন চৰকাৰী বিষয়া এজন মেজিষ্ট্ৰেট আৰু আনজন আৰক্ষী বিষয়া- আই,পি,এছ, ।*

*এদিনাখন আৰক্ষী বন্ধুজন চৰকাৰী কামত মিজ' পাহাৰৰ আন এক সদৰ ঠাই লুংলেলৈ যাবলৈ ওলাল। দূৰণিবটীয়া পথ, পথো দুৰ্গম। তেখেতে সংগী বিচৰাত মই আৰু মোৰ এজন সতীৰ্থ ওলালো, জিপত যাব লাগে। জিৰাই সতাই গৈ দ্বিতীয় দিনা সন্ধিয়া পৰত লুংলে পালোঁগৈ।*

*ঠাইখন তেতিয়া এখন ক্ষুদ্ৰ নগৰ। আমি তিনিওজনে 'চাকুইট হাউচ'তে ৰাতি কটাও। চাকুইট হাউচটো তৰ্জাৰ বেৰ দিয়া আৰু মাটি ভেটিৰ।*

*ৰাতিপুৱা মই উঠি দুৱাৰ খুলিবলৈ নৌপাওঁতেই বাহিৰত হুলুস্থুল। আৰক্ষী বন্ধুজনে বাহিৰত বহুত মানুহ থকা যেন গম পাই আমাক কোনোবাই আক্ৰমণ কৰিবলৈ অহা বুলি ধৰি ললে। তেতিয়া মিজ' পাহাৰত দুৰ্ভিক্ষই ভুমুকি মাৰিছে। কিছু বছৰৰ অন্তৰে অন্তৰে পাহাৰত বাঁহগছ ফুলে, তাৰ লগে লগে নিগনিৰ উৎপাত বাঢ়ে আৰু বৰ্দ্ধিত নিগনীয়ে খাদ্যশস্য নষ্ট কৰাৰ কাৰণে আকালৰ সৃষ্টি হয়। তেনে অৱস্থাত চৰকাৰী বিষয়াক অপদস্থ কৰাটো ডাঙৰ কথা নহয়। বিপদৰ সম্ভাৱনা দেখি আৰক্ষী বন্ধুজনে নিজে পিষ্টল*

উলিয়াই আমাক বিছনাৰ খুটাৰ তলত থকা ইটা উলিয়াই লৈ প্ৰতিৰক্ষাৰ ব্যৱস্থা লবলৈ ক'লে। তেখেতে পুনৰ বেৰৰ জলঙাইদি চাই লুংলেৰ এছ,-ডি,-অ,চাহাবক দেখি অলপ সাহস পাই খিড়িকি এখন লাহেকৈ খুলি দিলে। ঘটনাৰ চং লোৱাত এছ,ডি,অ' চাহাবে ক'লে– মানুহ বিলাকে জানিব পাৰিছে আপোনাৰ লগত দুজন 'প্ৰফেচাৰ' আহিছে। তেওঁলোকে স্কুলত পঢ়োৱা শিক্ষক দেখিছে, এতিয়া কলেজত পঢ়োৱা 'প্ৰফেচাৰ' কেনেকুৱা চাবলৈ আগ্ৰহ প্ৰকাশ কৰিছে।

কথাটো সৰু, কিন্তু আজি পৰিবৰ্তিত সমাজ ব্যৱস্থাত সেই ঘটনাটো মনত পৰিছে। কলেজত পঢ়োৱা মানুহ কেনেকুৱা আজি কোনেও চাবলৈ নাহে। আজি আৰু সেই অৱস্থা নাই। একালৰ 'প্ৰফেচাৰ' ৭৫ চনৰ শিক্ষক আন্দোলনৰ সময়ৰ পৰা তেওঁলোক প্ৰবক্তালৈ ৰূপান্তৰিত হ'ল(?) শিক্ষকৰ পদ এটা চাকৰিত পৰিণত হ'ল। শিক্ষকতাৰ চাকৰিত পেট প্ৰৱৰ্তোৱা, পৰিয়াল ভৰণ পোষন দিয়া, পেন্সনহীন জীৱন কালছোৱাৰ কথা চিন্তা কৰা আদি বিবিধ প্ৰশ্ন আছে যদিও, শিক্ষকৰ চাকৰি আন কিছু চাকৰিতকৈ পৃথক বুলি ভাৱ হয়। সেয়ে সমাজে শিক্ষকসকলক এসময়ত সুকীয়া আসন দিছিল। আজি কালি সেই মনোভাৱৰ পৰিৱৰ্তন ঘটা দেখা গৈছে। বৰ্তমান সততে শিক্ষক সকলৰ পদমৰ্যাদাৰ লাঘৱ হৈছে বুলি এটা আক্ষেপ শুনা যায়। তাৰ কাৰণে আমিও দায়ী নেকি আমি জনাটো প্ৰয়োজন, শিক্ষকসকল আজি এক ঘোৰ সংকটৰ সন্মুখীন দেশ-সমাজত পৰিৱৰ্তনৰ ক্ষেত্ৰত বা নেতৃত্ব গ্ৰহণ কৰাত, শিক্ষকৰ ভূমিকা প্ৰায়ে গৌণ। সেয়ে অনুভৱ হয় আমাৰ মাজত আলোচনা-বিলোচনা কৰাৰ এটা সময় আহি পৰিছে।

**উপসংহাৰ ঃ**

এদিনাখন ক্লাছ কৰি আহি কমনৰুমত বহি আছোঁ। কোনোবা ল'ৰা এজন সোমাই আহি ওচৰতে থকা সহকৰ্মী এজনক 'হিষ্ট্ৰিৰ হেড' কোন সুধিলে। পাছত মোৰ কাষলৈ আহি ক'লে – চাৰ, আমাৰ বহুদিন ক্লাছ হোৱা নাই।

মই জনাত আমাৰ বিভাগৰ শিক্ষকসকলে নিয়মীয়া ভাবে ক্লাছ কৰি আছে। মই ক'লো – আমাৰ শিক্ষক সকলেতো ক্লাছ কৰিয়েই আছে।

– নাই চাৰ, আমি ক্লাছ পোৱা নাই

— কাৰ ক্লাছ?

অলপ ৰৈ ক'লে

– চাৰ, দীপ্তি বৰুৱাৰ ক্লাছ পোৱা নাই।

মই থতমত খালো। ল'ৰাজনৰ মুখলৈ চালো আৰু কলো মই বাৰু দীপ্তি বৰুৱাক কম।

০ ০ ০

# কুমুদ চন্দ্ৰ সন্দিকৈ

**আপুনি মঙলদৈ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ কনিষ্ঠ প্ৰবক্তা হিচাপে অধ্যাপনা আৰম্ভ কৰি শেষলৈ বিভাগীয় মুৰব্বীৰ আসনো লাভ কৰিলে। কমদিনৰ ভিতৰতে আপুনি মহাবিদ্যালয়ৰ শিক্ষকতা জীৱনৰ অৱসৰ ল'ব বুলি জানিব পাৰিছোঁ। মহাবিদ্যালয়ত আপোনাৰ কৰ্মজীৱনৰ অন্তিম সময়ত অতীতৰ মঙলদৈ মহাবিদ্যালয় আৰু অতি সাম্প্ৰতিক মঙলদৈ মহাবিদ্যালয় খনে আপোনাৰ মনত কিছুমান ভাৱৰ বুৰবুৰনি তোলা নাই নে চাৰ?**



ইংৰাজী ১৯৬৩ চনৰ ৪ আক্টোবৰ তাৰিখে মঙ্গলদৈ মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে যোগদিয়াৰ পৰা এতিয়ালৈকে কেৱল কৰ্মজীৱনৰে নহয় মোৰ ব্যক্তিগত জীৱনৰো আটাইতকৈ গুৰুত্বপূৰ্ণ সময় খিনি এই অনুষ্ঠানতে অতিবাহিত কৰিলোঁ। সেয়েহে গুৰুত্বপূৰ্ণ সময়খিনি হৈছে স্মৃতি নিশ্চয় মোৰ মনত চিৰসেউজীয়া হৈ ৰব। সময় প্ৰৱাহৰ গইনা লৈ আমি দেখি থকা অৱস্থাতে লাহে লাহে মঙ্গলদৈ মহাবিদ্যালয়ৰ বিস্তৃত পৰিৱৰ্তন আহিল। শিক্ষক শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি হ'ল। বিভিন্ন নতুন নতুন কলা আৰু বিজ্ঞান বিষয়ত সাধাৰণ আৰু গুৰু পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হ'ল আৰু মহাবিদ্যালয়ৰ শ্ৰেণী কোঠা আৰু বিজ্ঞানাগাৰ আদিৰো পৰিসৰ বৃদ্ধি হ'ল। অৱশ্যে এনে পৰিবৰ্তনে আনি দিয়া শিক্ষাৰ সুবিধা খিনি আশানুৰূপ ভাৱে দৰং জিলাৰ ছাত্ৰ-ছাত্ৰী সকলে গ্ৰহণ কৰিব পাৰিছে বুলি মই একে আষাৰেৰে কবলৈ ইচ্ছা কৰা নাই। কাৰণ দিনপাৰ হৈ যোৱাৰ লগে লগে শিক্ষানুষ্ঠানৰ আভ্যন্তৰীন প্ৰভাৱতকৈ অনানুষ্ঠানিক আৰু ৰাজনৈতিক প্ৰভাৱহে ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰত বেছিকৈ পৰাটো পৰিলক্ষিত হৈছে। এই শতিকাৰ সত্তৰৰ দশকৰ মাজ মানৰ পৰা এনে মনোভাৱে গা-কৰি উঠিছে। ফলস্বৰূপে শিক্ষা দান আৰু শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াত জৰিত হৈ থকা সকলোৰে ক্ষেত্ৰত অনিহা আৰু উদাসীনতাৰ দৃষ্টিভংগী দেখিবলৈ পোৱা গৈছে। ই এটা জাতিগঠনৰ ক্ষেত্ৰত কেতিয়াও

*সুভলক্ষণ নহয় বুলি মই অনুভৱ কৰিছোঁ। ইয়াৰ উপৰিও মঙলদৈ মহাবিদ্যালয়তে শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু কতৃপক্ষৰ মাজত উৎসৱ-পাৰ্ব্বন, খেলা-ধুলা, কলেজ সপ্তাহ আদিৰ মাধ্যমেৰে আগতে যি মধুৰ সম্পৰ্ক গঢ়ি উঠিছিল তাৰ উদাহৰণ এতিয়া চকুত পৰাকৈ থকা নাই। ই সঁচাকৈয়ে এটা পৰিতাপৰ কথা।*

*অৱসৰ গ্ৰহণৰ আগমুহূৰ্তত আন্তৰিক ভাবে আশা কৰিছোঁ যাতে মহাবিদ্যালয়ৰ লগত জড়িত হৈ থকা সকলোৱে সমূহীয়া প্ৰচেষ্টাত শিক্ষাৰ ক্ষেত্ৰত উন্নতি সাধন কৰাৰ লগতে এটা আদৰ্শমূলক শৈক্ষিক পৰিবেশ অদূৰ ভবিষ্যতে স্থাপিত হয় আৰু তাকে লৈ আমি আটায়েই গৌৰৱ অনুভৱ কৰিব পাৰিম।*

○ ○ ○

# দেবেশ চন্দ্ৰ নন্দী

**চাৰ, আপুনি মঙ্গলদৈ মহাবিদ্যালয়তে উচ্চ শিক্ষাৰ পাতনি মেলি আকৌ এই মহাবিদ্যালয়তে বুৰঞ্জী বিভাগত এগৰাকী প্ৰবক্তা হিচাপে কৰ্মজীৱন অতিবাহিত কৰিলে। শুনিবলৈ পাই আমি বৰ দুঃখিত হৈ পৰিছোঁ যে আপুনি চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰিব। মঙ্গলদৈ মহাবিদ্যালয়ত এগৰাকী ছাত্ৰৰ পৰা এগৰাকী শিক্ষকলৈ নিজকে উত্তৰণ ঘটাই পাৰ কৰি দিয়া বিগত দিনৰ আপোনাৰ জীৱনৰ মধুৰতম মুহূৰ্ত কেইটাৰে আমাকো আনন্দিত কৰিবনে?**



*'মঙলদৈয়ানৰ সম্পাদক ডাঙৰীয়াই মঙলদৈ মহাবিদ্যালয়ত মোৰ মধুৰতম মুহূৰ্ত কেইটাৰ উল্লেখৰ পৰা আনন্দ বিচাৰি অনুৰোধ জনোৱাতে এই প্ৰচেষ্টা। এই সুযোগৰ বাবে সম্পাদকলৈ ধন্যবাদ।*

*মঙলদৈ মহাবিদ্যালয়ৰ পানী কেচুৱা কালৰ পৰা (দ্বিতীয় বৰ্ষ) আজিৰ পঞ্চল্লিছ বছৰীয়া পৰিণত জীৱন কালৰ সৰহভাগৰ লগতে মোৰ জীৱন সাঙোৰখাই আছে। এই দীৰ্ঘকালৰ অম্ল-মধুৰ মুহূৰ্তৰ সংখ্যাও অলেখ। কিন্তু স্বল্প পৰিসৰত তাৰে দুই-এটিৰ বেছি হয়তো সম্পাদকৰ কেচিৰ হাত সাৰিব নোৱাৰিব।*

*ছাত্ৰ হিচাপে দুটা বছৰ পৰৰ ঘৰত (চৰকাৰী হাইস্কুল) জাৰ-জহ, মহৰ অত্যাচাৰ, মাজে মাজে পেট্ৰোমাক্সে সৃষ্টি কৰা গ্ৰহণ আৰু অধ্যাপক মণ্ডলীৰ জীৱন দায়ী ৰচদ বিচাৰি হাটে বজাৰে টেমা জোকাৰাৰ বাহিৰে বিশেষ একো মনত নপৰে। একমাত্ৰ উল্লেখযোগ্য ঘটনাটো অছিল মহাবিদ্যালয়ৰ প্ৰথম বছৰ চাৰিগৰাকী ছাত্ৰৰ প্ৰথম বিভাগত সাফল্য লাভ। এই শুভাৰম্ভই আমাকো অনুপ্ৰাণিত কৰিছিল।*

*শিক্ষক হিচাপে মহাবিদ্যালয়ৰ যৌৱনপ্ৰাপ্তিৰ স্মাৰক "ৰূপালী জয়ন্তী" উৎসৱ অন্যতম মধুৰ মুহূৰ্ত অছিল। নিজকে প্ৰতিষ্ঠানটোৰ এটা অংগ বুলি অনুভৱ কৰিছিলোঁ। মহাবিদ্যালয়লৈ সহযোগিতা আগবঢ়াই নিজকে ধন্য মানিছিলোঁ। মহাবিদ্যালয়ৰ তেতিয়াৰ 'ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ"(NCC) মুৰব্বী হিচাপে ৰাজ্যপাল, মুখ্যমন্ত্ৰী আদি মাননীয় অতিথিসকলক যথাযোগ্য সামৰিক প্ৰথাৰে আদৰণি জনোৱাৰ লগতে শৃঙ্খলাপৰায়নতাৰ বাবে শিক্ষাৰ্থী (Cadet) সকলে অৰ্জন কৰা সুখ্যাতিয়ে মোক এইবুলি নথৈ আনন্দ দিছিল যে ব্যক্তিগত কৰ্তব্যপালনৰ ক্ষেত্ৰত মই সাফল্য অৰ্জন কৰিব পাৰিছোঁ।*

*অৱশ্যে জীৱনৰ মধুৰতম মুহূৰ্তটো আছিল মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ উদ্বোধনীৰ শুভ মুহূৰ্তটো। মধুৰতম এই কাৰণে যে মই সক্ৰিয়ভাবে এই প্ৰতিষ্ঠানটোৰ জন্ম, যৌৱনপ্ৰাপ্তি, বিভাগত অৰ্নাচ খোলা আৰু শ্ৰেনীৰ সৈতে নিজকে চিহ্নিত কৰিব পাৰিছোঁ। তদুপৰি কলেজ শিক্ষকৰ জীৱনত তিনি চতুৰ্থাংশৰো অধিক ক্ষেত্ৰত আৰম্ভণিৰ পৰা বিদায় মুহূৰ্তলৈকে প্ৰবক্তা বা লেকচাৰাৰ শব্দটো ছাল কটি লিখি দিয়া থাকে। মুষ্টিমেয় সৌভাগ্যবানেহে বিভাগীয় মুৰব্বী, অধ্যক্ষ, উপাধ্যক্ষ আদি বিভূষণ লাভ কৰে। এই বৈচিত্ৰ্যহীন নিস্তৰংগ জলাধাৰৰ জীৱ মোৰ জীৱনত স্নাতকোত্তৰ শ্ৰেণীৰ শিক্ষকৰ মৰ্য্যাদা লাভ কৰিব পৰা অপ্ৰত্যাশিত সৌভাগ্যৰ বাবে ঈশ্বৰৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছিলোঁ।*

*মহাবিদ্যালয়ৰ সৈতে জড়িত মোৰ জীৱনৰ সন্ধিয়াপৰত বৰ দুখেৰে লক্ষ্য কৰিছোঁ যে কিছুসংখ্যক পথভ্ৰষ্ট শিক্ষাব্ৰতীয়ে শিক্ষা প্ৰতিষ্ঠানৰ লগতে শিক্ষাকো নগ্ন কৰি জাতিৰ ভৱিষ্যত মেঘাচ্ছন্ন কৰি তুলিছে। নিজৰ শিক্ষা প্ৰতিষ্ঠানৰ ক্ষতিকৰা কাৰোবাৰ ওপৰত খঙ কৰি সমগ্ৰ মহাবিদ্যালয়ৰ তলাবন্ধা কৰি ৰখা আমাৰ দৰে শিক্ষাৰ সেৱকৰ বাবে অভাবনীয় ঘটনা। মোৰ বোধেৰে চৰকাৰ, অভিভাৱক, শিক্ষকৰ আন্তৰিক প্ৰচেষ্টাৰে শৃংখলাবোধ ঘূৰাই আনিব নোৱাৰিলে জাতিৰ ভৱিষ্যত অন্ধকাৰ।*

○ ○ ○

# নিম গছ ঃ এবিধ সেউজ সোণ

কুমুদ চন্দ্ৰ শৰ্মা
প্ৰৱক্তা, উদ্ভিদ বিজ্ঞান বিভাগ

বহুগুণ সম্পন্ন নিম গছৰ জনপ্ৰিয়তা বিশ্বত ক্ৰমে বৃদ্ধি পাইছে। নিম গছৰ শিপা, বাকলি, পাত, ফুল-ফল ইত্যাদি সকলো অংশৰ ব্যৱহাৰ হয়। পূজা-অৰ্চনা বা নানা সামাজিক কাম-কাজতো নিমৰ এটা সু-সম্বন্ধ আছে। নিমৰ ঔষধিগুণ তুলনা-বিহীন। প্ৰদূষণ ৰোধৰ ক্ষেত্ৰত নিমৰ ভূমিকা অনন্য। ই কীটনাশ কৰিব পাৰে, বায়ুশোধন কৰে আনকি মাটি পৰিশোধণ কৰি উৰ্ব্বৰতা বৃদ্ধি কৰাৰ ক্ষমতাও নিমৰ আছে। নিম কাঠ বহুদিনধৰি অক্ষুন্ন থাকে।

বহুগুণৰ অধিকাৰী নিমগছৰ ওপৰত বৰ্ত্তমান নানা গৱেষণা, পৰীক্ষা-নিৰীক্ষা আদি বিশ্বব্যাপি চলিব ধৰিছে। আমাৰ অসমত সাধাৰণতে মহানিম আৰু ঘোৰানিম বুলি নিমৰ দুবিধ জাত পোৱা যায়। ইয়াৰে মহানিমৰ উপকাৰিতা অধিক। মহানিমৰ বৈজ্ঞানিক নাম হ'ল Azadirachta Indica. নিমগছত জৈৱিক ভাৱে সক্ৰিয় কিছুমান ৰাসায়নিক পদাৰ্থ থাকে। ইয়াক Limnoids বুলিজনা যায়।

> **আমাৰ অসমত সাধাৰণতে মহানিম আৰু ঘোৰানিম বুলি নিমৰ দুবিধ জাত পোৱা যায়। ইয়াৰে মহানিমৰ উপকাৰিতা অধিক। মহানিমৰ বৈজ্ঞানিক নাম হ'ল AZADIRACHTA INDICA. নিমগছত জৈৱিক ভাৱে সক্ৰিয় কিছুমান ৰাসায়নিক পদাৰ্থ থাকে। ইয়াক LIMNOIDS বুলিজনা যায়।**

এই Limnoidsৰ ভিতৰত মূল কেইবিধমান হ'ল — Azadirachtin, Meliantiol, Salanin ইত্যাদি।

Limnoids বোৰ গছজোপাৰ বিভিন্ন অংশৰ পৰা যেনে পাত, গুটি, বাকলি আৰু নিমতেলৰ পৰাআহৰণ কৰিব পাৰি। কীট, পতঙ্গবোৰে Limnoidsৰ অৱস্থিতি একেবাৰে সহ্য কৰিব নোৱাৰে। কীট নিধনত সহায় কৰা এনে Limnoidsৰ পৰা কিন্তু পৰিবেশ প্ৰদূষণ হোৱাৰ আশংকা একেবাৰে নাথাকে।

Azadirachtin নামৰ পদাৰ্থবিধ D. D. Tৰ বিকল্প হিচাপে ব্যৱহাৰ কৰিব পাৰি। Azadirachtinৰ ব্যৱহাৰত প্ৰদূষণ নহয়।

Salanin নামৰ পদাৰ্থবিধ গৱেষণাগাৰত প্ৰস্তুত কৰা Diethyl toluamide নামৰ কীটনাশক পদাৰ্থবিধতকৈ অধিক উপযুক্ত বুলি স্বীকৃত হৈছে।

আমেৰিকাৰ বিজ্ঞান সমীক্ষা এটাত প্ৰকাশ পাইছে যে Limnoidsৰ ব্যৱহাৰে কীট পতঙ্গৰ মাজত প্ৰজনন ক্ষমতা বা লিপ্সা বহুখিনি হ্ৰাস কৰে, ফলত পোক পৰুৱাৰ বংশ বৃদ্ধিত বাধা আহে।

বায়ুৰ পৰা ধূলি শোষণ কৰিব পৰা ক্ষমতা নিমগছে আহৰণ কৰিছে। এইকথা আমাৰ দেশৰ লক্ষ্মৌচহৰত অৱস্থিত Indian Toxicological Instituteৰ বিজ্ঞানীয়ে বহু গৱেষণাৰ অন্তত প্ৰকাশ কৰিছে। তাৰোপৰি শব্দ প্ৰদূষণ ৰোধৰ ক্ষেত্ৰত নিমৰ ভূমিকা অনন্য বুলি কোৱা হৈছে। কাৰণ শব্দশোষণ কৰাৰ ক্ষমতা নিমৰ আছে। সেয়ে সামাজিক বনানীকৰণ বা উদ্যোগ আদিৰ চৌহদত নিমগছ ৰোপন কৰা উচিত। উদ্ভিদৰ শব্দ শোষণ বা শব্দ চলাচলত বাধা দিয়া প্ৰক্ৰিয়াৰ ওপৰত গৱেষণা চলোৱা এটা অগ্ৰণী অনুষ্ঠান হ'ল আমেৰিকাৰ নেব্ৰাস্কা বিশ্ববিদ্যালয়।

কীট নাশক বা কীটপ্ৰতিৰোধক গুণ নিমৰ একক বৈশিষ্ট্য। জাৰ্মান বৈজ্ঞানিক Dr. Heinrich schmuttererএ বিজ্ঞান সন্মত ভাৱে প্ৰথমে নিমৰ কীট নাশক গুণৰ কথা জানিব দিয়ে। ১৯৫৯ চনত বিজ্ঞানীজনাই বিশেষ ফৰিং এবিধে নিমগছক বাদদি এটা অঞ্চলৰ প্ৰায় গছতে পাত, বাকলি আদি খোৱা লক্ষ্য কৰিছিল আৰু এই পৰিঘটনাৰ ভিত্তিতে প্ৰতিষ্ঠিত হোৱা গৱেষণাই পিছলৈ নিমৰ কীটপ্ৰতিৰোধক গুণৰ কথা সৰ্ব্বজন বিদিত কৰাত সহায় কৰে।

নিউইয়ৰ্কৰ এটা কোম্পানীয়ে নিমগছৰ পৰা তৈয়াৰ কৰা 'Morgosan-O নামৰ দ্ৰব্যবিধ বিভিন্ন শস্যপথাৰ, নাৰ্চাৰী, বাগিছা আদিত উদ্ভিদৰ ক্ষেত্ৰত প্ৰদূষণ সৃষ্টি নকৰা কীটনাশক দ্ৰব্য হিচাপে ব্যৱহাৰ কৰাৰ পৰামৰ্শ আগবঢ়াইছে।

নিমগছক কৃষকৰ বন্ধুবুলি বিবেচনা কৰা হয়। কৃষিক্ষেত্ৰত নিমকেক (neem cake) ৰ ব্যৱহাৰত যথেষ্ট উপকাৰ পোৱা যায়। নিমকেক হ'ল নিমৰ গুটিৰ পৰা তেল নিস্কাসন কৰি বাহিৰ কৰাৰ পিছত বৈ যোৱা অৱশিষ্ট। নিমকেকৰ ব্যৱহাৰে মাটিত নাইট্ৰ'জেন

জাতীয় সাৰৰ অপচয় কমাই দিয়ে। নিম প্ৰয়োগ কৰা মাটিত ইউৰিয়া বা অন্য এমোনিয়া সাৰ নষ্ট কৰা Nitrifying Bacteriaৰ কাৰ্য্যদক্ষতা কমি যায়।এনে বেক্টেৰিয়া সমূহে সাধাৰণতে ইউৰিয়া বা এমোনিয়াম সাৰত থকা নাইট্ৰ'জেনযুক্ত যৌগ সমূহৰ মুক্ত নাইট্ৰ'জেন আৰু কিছুপৰিমানে দ্ৰৱনীয় নাইট্ৰেট যৌগলৈ ৰূপান্তৰ কৰে, ফলত মাটিয়ে সাৰৰ পৰা পাবলগা নাইট্ৰ'জেন সমূহ হেৰুৱায়। কিন্তু নিমকেকৰ ব্যৱহাৰৰ ফলত ইয়াত থকা Triterpenes নামৰ পদাৰ্থবিধে উল্লেখিত বেক্টেৰিয়াৰ কামত বাধা দিয়ে, ফলত সাৰৰ গুণ নষ্ট হোৱা প্ৰক্ৰিয়াটো ৰোধ হৈ যায়। আনহাতে নিমকেকৰ ব্যৱহাৰে মাটিত থকা কৃষি অনিষ্টকাৰী পোক, নিমাটোড, ভেকুৰ আদি ৰোধ কৰি সুষম মাটি গঢ়াত সহায় কৰে। তদুপৰি কৃষিকাৰ্য্যৰ অন্যতম সাৰথি গৰু-মহৰ খাদ্যৰ সৈতে নিমপাত খুৱালে কৃমি, পেলু উপশম হোৱাৰ লগতে গৰু-মহৰ দেহৰ খনিজ পদাৰ্থ, ভিটামিন আৰু প্ৰটিনৰ ভাৰসাম্যতা ৰক্ষা কৰাত সহায় কৰে।

পাতখাই জীৱন ধাৰণ কৰা পতঙ্গই নিমগছৰ গুটি বা পাতৰ আৱক ঘহি থোৱা শস্যৰ পাত সাধাৰণতে নাখায় বুলি প্ৰমাণিত হৈছে। নিমগুটি তিয়াই ৰখা পানী শস্যত ছতিয়ালে কীট-পতঙ্গৰ পৰা বহুপৰিমানে হাত সাৰিব পাৰি। অন্ধ্ৰপ্ৰদেশত অৱস্থিত Central Tobacco Research Instituteৰ গৱেষণা পত্ৰত প্ৰকাশ পাইছে যে নিম গুটি গুড়ি কৰি তিয়াই ৰখা পানীয়ে ধপাত অনিষ্টকাৰী পোক Spodoptera litura ক সম্পূৰ্ণ বাধা দিয়ে।

ভঁৰালত শস্য সংৰক্ষণ কৰাৰ অৰ্থত ধান, চাউল বা অন্যান্য শস্যৰ লগত নিমপাত মিহলাই ৰাখিলে পোক পৰুৱাই সহজে নষ্ট কৰিব নোৱাৰে। বীজৰখা খৈলা বা বস্তা নিমপানীত তিয়াইলৈ সুকাই ব্যৱহাৰ কৰিলে কীট পতঙ্গৰ আক্ৰমণৰ পৰা হাত সাৰিব পাৰি। এনে ব্যৱস্থাই ইতিমধ্যে Tribolium নামৰ প্ৰজাতি বিধৰ আক্ৰমণ প্ৰতিহত কৰাত সুফল হৈছে। কিতাপ, কাগজ বা সাঁচতীয়া কাপোৰৰ মাজত নিম পাত ৰখাৰ কথা অতীজৰ পৰা জনা যায়। মহানিম পাতৰ ধোঁৱা দিলে মহ দূৰ হয়। ঘৰৰ চৌহদত নিম গছ ৰোপন কৰিব লাগে, ই বায়ু শোধন কৰে। তাৰউপৰিও সাপ ইয়াৰ পৰা দূৰত থাকে।

চিকিৎসা শাস্ত্ৰতো নিমৰ প্ৰয়োজনীয়তা অধিক। দন্তমঞ্জণৰ ক্ষেত্ৰত অতীতৰ পৰাই নিমৰ সুনাম আছে। আয়ুৰ্বেদিক চিকিৎসাত নিমৰ গুটি, পাত, বাকলি, শিপা আদিৰ ৰস বহুলভাৱে ব্যৱহাৰ হয়। বসন্ত ওলালে ৰোগী থকা কোঠাৰ দুৱাৰমুখত, ৰোগী শোৱা বিচনাৰ তলত মহানিমৰ পাত ৰখা কথা সকলোৱে জানে। তাৰোপৰি ৰোগীক নিমপাত সিজোৱা পানীৰে গা-ধুৱৰলৈ দিয়া হয়। খৰ-খজুৱতি বা অন্যান্য চৰ্মৰোগৰ ক্ষেত্ৰতো মহানিমৰ পাত ব্যৱহাৰ কৰা হয়। জন্তুৰ ফাপৰে ধৰা বেমাৰ নিমতেল বা নিমৰস ঘঁহিলে ভাল হয়।

নিমৰ ওপৰত বৰ্ত্তমান যথেষ্ট গৱেষণা চলি আছে। আমেৰিকাৰ বিজ্ঞান সংস্থা এটাই নিমৰ পৰা এবিধ যুগান্তকাৰী উৎসেচক পদাৰ্থৰ সৃষ্টি হোৱাৰ সম্ভাৱনা দেখিছে যাৰ সহায়ত মাৰাত্মক এইড্‌চ (A I D S) ৰোগ আক্ৰান্ত কোষৰ বিভাজনত বাধা দিব পৰা যাব। এনে গৱেষণাৰ সফলতাই জনকল্যাণৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰিব। মহানিম পাতৰ পৰা সংশ্লেষণ কৰা Flavonol- O- Glycosides নামৰ পদাৰ্থবিধে যকৃতৰ Blood Sugar ৰ পৰিমাণ কমাই ৰাখি ইয়াক সংক্ৰমন হোৱাৰ পৰা ৰক্ষা কৰাৰ কথা ইতিমধ্যে সত্যবুলি প্ৰতিস্থিত হৈছে।

নিম সংশ্লেষিত পদাৰ্থৰ কেন্সাৰ, জন্দিছ, বহুমূত্ৰ ৰোগ নিৰাময় কৰাৰ ক্ষমতা থকা বুলি বিজ্ঞানী কিছুমানে মত দৰ্শাইছে।

> **নিম সংশ্লেষিত পদাৰ্থৰ কেন্সাৰ, জন্দিছ, বহুমূত্ৰ ৰোগ নিৰাময় কৰাৰ ক্ষমতা থকা বুলি বিজ্ঞানী কিছুমানে মত দৰ্শাইছে। হজম শক্তি বৃদ্ধি আৰু তেজ পৰিস্কাৰ কৰাৰ ক্ষেত্ৰত মহানিম পাত ভাজি বা তৰকাৰীৰ লগত খাব লাগে।**

হজম শক্তি বৃদ্ধি আৰু তেজ পৰিস্কাৰ কৰাৰ ক্ষেত্ৰত মহানিম পাত ভাজি বা তৰকাৰীৰ লগত খাব লাগে।

বৰ্ত্তমান সময়ত নিমগছৰ ওপৰত অতি উচ্চস্তৰৰ গবেষণা কৰি পোৱা চমকপ্ৰদ সাফল্যটো হ'ল যে নিম তেলৰ বেজি বন্ধ্যাকৰণৰ বিকল্প ব্যৱস্থা হিচাপে গ্ৰহণ কৰিব পাৰি। আমাৰ দেশৰ National Institute of Immunologyৰ দুজন বিজ্ঞানী Dr. G. P. Talwar আৰু Dr. Shakti Upadyaaya এ এই কথা তথ্যসহকাৰে প্ৰমাণ কৰিছে। পুৰুষ আৰু মহিলা উভয়ৰ ক্ষেত্ৰতে ইয়াৰ ব্যৱহাৰত সুফল পোৱা গৈছে বুলি বিজ্ঞানী দুজনাই জানিব দিছে।

নিমগছৰ ওপৰত বিশদ গৱেষণা চলোৱা বিষয়ত বহু বিজ্ঞান প্ৰতিষ্ঠান বৰ্ত্তমান আমাৰ দেশত নিমগ্ন হৈছে। তাৰ ভিতৰত Indian Institute of science, Bangalore; Indian Toxicological Institute, Lucknow; National Institute of Immunology; Indian Agricultural Research Institute (I. A. R. I); Council of Scientific and Industrial Research Institute, New Delhi; Central Tobacco Research Institute, Andhra Pradesh ইত্যাদি মূখ্য।

বিদেশৰ বহু কোম্পানীয়ে নিম ভিত্তিক নানা পদাৰ্থ তৈয়াৰ কৰিছে। আমেৰিকাৰ দুটা বিখ্যাত কোম্পানী ক্ৰমে M/S. W. R. Grace আৰু M/s Agridyne Technology য়ে সৃষ্টি কৰা ক্ৰমে "Margosan - O", Bioneem, আৰু Azatin, Turplex আদি দ্ৰব্যই বজাৰত আদৰ পাইছে। আমাৰ দেশৰ বহু কোম্পানীয়েও নিম ভিত্তিক সামগ্ৰী প্ৰস্তুত কৰিছে। যেনে নিম চাবোন, নিম টুথপেষ্ট, নিমযুক্ত নানা ঔষধ, কীটনাশক পদাৰ্থ আদি।

নিমৰ সান্নিধ্যই আমাৰ বহু উপকাৰ কৰে। প্ৰকৃতিৰ দান এনে এবিধ 'সেউজ সোণ'ক আমি গুৰুত্ব সহকাৰে প্ৰতিপালন কৰাৰ মানসিকতা সদায় অক্ষুন্ন ৰখা উচিত।

গল্প



# চনিয়া কাইৰ ভোটৰ মূল্য?

জিতেন ৰাজবংশী
স্নাতক মহলা (কলা)

মানুহজনে কথা কমকৈ কয়। কিন্তু তাৰ কথাবোৰ ক'বলৈ বৰ মন যায়। মূৰটোৰ ভিতৰতে কথাবোৰ মৰণাত ঘূৰা গৰুৰ দৰে ঘূৰি থাকে। ৰটি চিঙিবাহিৰ হ'ব নোৱাৰে। সমস্যা তাৰ বহুত। কিন্তু এই কেইদিনত তাক এটা সমস্যাই আবৰি ধৰিছে। সেয়া হৈছে তাৰ ভোটৰ মূল্য অৰ্থাৎ চনিয়াকাইৰ ভোটৰ মূল্য।

দলংখনৰ কাষতে তাৰ ঘৰটো। দলংখন কাঠৰ যদিও মেৰামতিৰ অভাৱত তাৰ অৱস্থা বৰ সংকটজনক হৈ পৰিছে। কাষৰ লিংকবোৰ সেলোকধোলোক হৈ পৰিছে। দলংখনৰ ওপৰেৰে যাব ভয়লগা অৱস্থা। তাৰ তলেৰে সৰু নদীখন বৈ গৈছে। আৰু দলংখনৰ কিছু আগত যে, চৰকাৰে নদীখনত পকী বান্ধ দিছে তাৰো অৱস্থা ঠিক দলংখনৰ দৰেই। বান্ধটো বন্ধাৰ উদ্দেশ্য আছিল বাৰিষা খৰালি, পথাৰত নিয়মিত পানীভাগ থাকি অতিৰিক্ত পানীভাগ বান্ধটোৰ ওপৰেৰে পাৰ হৈ যাব। এতিয়া পিছে খৰালি চাবি বাৰিষাও পানী নবয়। কথাবোৰ মাজে সময়ে কবলৈ মন যায় কিন্তু কব নোৱাৰে। সকলোৰে যেন নিজৰ খিনি ঠিক থাকিলেই হ'ল। চনিয়াকাই হ'ল তাৰ ওলোটাটো। তাৰ ঘৰৰ অৱস্থাত ভঙা দলংখনৰ দৰেই মূধাৰে তৰা লেখিব পৰা, কেঁচুমটা তোলা আৰু চুকভেকুলীৰ বাসস্থান। কেতিয়া বতাহত ভাঙি পৰে তাৰ ঠিকনা নাই। অকলশৰীয়া মানুহ। মাটিবাৰীও নাই। দিনৰ দিনটো খুজি মাগি যি পায় গধুলি এসাজ খায়। সি মৰিলনে আছে খবৰ লবলৈ কোনো মনুহৰেই আহৰি নাই। এতিয়া পিছে কথাটো ওলোটা। সকলোফালে তাৰ সমাদৰ।

— 'অ' চনিয়াকাই ভোট পিছে দিবিনে নিদিয়া?' গধুলি চাউলখুজি উভটিবৰ সময়ত ৰামেশ্বৰীয়ে সুধিলে।

— কিহৰ ভোট?

— এ.....হ...... ভোট নিদিয়া জানো?

— এহ চনিয়াকাই তেনেহলে তই বুজাই নাই। ৰাস্তাৰ দাঁতিত বিশেষ কায়দাৰে পিকখিনি পেলাই দি ৰামেশ্বৰীয়ে ওৰণিখন ভালদৰে টানি ললে আৰু তাক কলে ভোট তুমি ভবাৰ দৰে নহয়। চৰকাৰৰ ঘৰৰ কাগজতহে ভোট থাকে। ধনী-দুখীয়া, উচ্চ-নীচ সকলোৰে ভোট এটাই থাকে। তোমাৰ কিয় নাথাকিব।

— জানো, ক'ব নোৱাৰো!

— তোমাৰ নাম আছে। ভৰতহঁতে কৈছে আৰু সিহঁতেই তোমাৰ নামটো এইবাৰ দিছে।

সি কথাবোৰ একো বুজি নাপালে। ৰামেশ্বৰীয়ে কথাবোৰ কৈ গৈছে আৰু চনিয়াকাইয়ে মাত্ৰ শুনি গৈছে। ৰামেশ্বৰীয়ে আকৌ কলে সিদিনাখন কৈলেকো নাযাবি। ভোট দিবলৈ যাবি পিছে।

— ভোট দিলেনো কি লাভ হ'ব। মোক

কোনোবাই খাবলৈ দিব নেকি?

— তেতিয়াহে পাছত নিজৰ অভাৱবোৰ জনাব পাৰিবা।

তাৰ অভাৱবোৰ! তাৰ অভাৱবোৰ চোন মহাভাৰতৰ সমান। এই সোপা কলে কোনে শুনিব। তাৰ চৰকাৰলৈ পঠোৱা মানুহজনে! কোন আছে তাৰ নিজৰ মানুহ?

আন্ধাৰ হৈ আহিছিল। আন্ধাৰ ঘৰটোৰ বাঁহৰ চাংখনতে ওপৰমুৱাকৈ শুই সি চিন্তা কৰিবলৈ ধৰিলে। এই পৃথিৱীত তেনেহলে তাৰো মূল্য আছে। ৰামেশ্বৰীয়ে সকলো তাক ভাঙিপাতি কৈছে। ধনী-দুখীয়া সকলোৰে ভোট এটাই। তাৰো ভোট আছে। গাঁৱৰ হৰি মহাজনৰো ভোট আছে। ঠিক আছে বাৰু। সি চৰকাৰলৈ পঠোৱা মানুহজনক প্ৰথমে এই পঁয়ালগা দলংখন আৰু নদীখনত থকা পকী বান্ধটো ভাল কৰিবলৈ ক'ব। তাৰ ঘৰৰ কথা বাৰু বাদ। সিটো চলিয়েই আছে ইমানদিন; গতিকে সি চলি যাব পাৰিব। দলংখন আৰু বান্ধটো হলে ৰাইজৰেই উপকাৰ হ'ব। বাস্তাৰ পৰা তাৰ নাম ধৰি মতা যেন লাগিল। সি কিছু সময় নিতাল মাৰি থাকিল।

—"চনিয়া কাই .......... অ' চনিয়াকাই। অ' শুনি নেকি?

সি জাপ মাৰি চাংখনত উঠি বহিল।

— "কোন"? সি সুধিলে।

— "ভয় কৰিব নালাগে দে আমিহে।"

বাঁহৰ দৰজাখন খুলি সি বাহিৰ ওলাই আহিল। বাহিৰত তিনিজন মানুহ থিয় হৈ আছে। তাৰে এজন হৰি মহাজন, বাকীদুজনক চিনি নাপায়।

— "তোকেই বিচাৰি আহিলো"। হৰি মহাজনে কলে।

চনিয়াকাইয়ে একো নকলে। চাংখনত শুই শুই সি বহুতো কিবাকিবি ভাবি আছিল সকলো ওলট-পালট হৈ গ'ল। হৰি মহাজনক সি দেখিবই নোৱাৰে। দুবছৰ আগতে তাৰ বেমাৰত পাঁচকুবি টকা ধাৰলৈ আনিছিল। ধাৰখিনি মাৰিব নোৱাৰাত হৰহৰিয়া পাৰৰ মাটিখিনি লেখি ললে। চনিয়াকাইয়ে প্ৰায় খং ভাবেৰেই কলে— "কি কৰিব লাগে মই।"

হৰি মহাজনে অলপ থতমত খালে। কিন্তু পিছ মুহূৰ্ততে এটা হাঁহি মাৰি কলে— "এয়া আমাৰ ধেমেশ্বৰ বৰুৱা।" ধেমেশ্বৰ! মানুহজনক সি ভবিব পৰা মূৰলৈকে চালে; একেবাৰে পঠালি কোমোবাৰ দৰে দেহৰা। তাক নমস্কাৰ এটা দিলে। সিও মন্ত্ৰমুগ্ধৰ দৰে হাত যোৰকৰি প্ৰতি নমস্কাৰ দিলে।

"আমি ভোট বিচাৰি আহিলো" হৰি মহাজনে কলে। আজি স্বাধীনতাৰ পঞ্চাশ্লিছ বছৰ পাৰ হৈ গ'ল কৃষক ৰাইজৰ কিবা উন্নতি হ'লনে? আনৰটো বাদেই বাৰু তোৰেই কিবা উন্নতি হৈছে নে? মাটি-বাৰী নাই। দিনৰ দিনটো খুজিমাগি যি পাৱ দুপৰীয়া খালে ৰাতিলৈ চিন্তা। তোৰ এইবোৰ কথা চৰকাৰে ভাবিছেনে বাৰু?

ইতিমধ্যে তাৰ মনত বহুতো ভাৱ বিজুলী চমকনিৰ দৰে পাৰহৈ গ'ল। সি জনাত তাৰতো এনে অৱস্থা নাছিল। তাৰ বোৱতী মাটি কেইডৰা, হালৰ হালুৱাহাল এইবোৰতো চৰকাৰে নিয়া নাই। সেই মানুহটো তাৰ আগতেই আছে। প্ৰতিশোধৰ ভাৱত তাৰ মনটো পিত-পিতাই উঠিল। কিন্তু মুখেৰে একো কব নোৱাৰিলে।

হৰি মহাজনে পুনৰ কলে, আমাৰ বৰুৱাক ভোটটো দিলে তোৰ বহুতো উপকাৰ হ'ব। কৃষক ৰাইজৰ চৰকাৰ হ'ব। মাটি-বাৰীও আৰু এনেকুৱা ঠেক হৈ নাথাকে। সি একো নামাতিলে। ধেমেশ্বৰ বৰুৱাই নমস্কাৰ কৰি কলে — পিছে আপোনাৰ ভোটটো পাম বুলি আশা থাকিল তিনিও বেছ উৎসাহেৰেই গুছি গ'ল। ধেমেশ্বৰ নামৰ মানুহটোৰ কথাকেইটা তাৰ ভাল লাগিল। মানুহজন নম্ৰ কিন্তু এই হৰি মহাজন তাত সোমাল কেনেকৈ!

চনিয়াকাইৰ ৰাতিপুৱা শুই উঠাত পলম হ'ল। বেৰৰ ফুটা বোৰেৰে সূৰ্য্যৰ ৰশ্মি তাৰ গাত পৰিলহি। এঙামুৰি দি সি বাহিৰলৈ ওলাই আহি দেখিলে ৰাস্তাটোৰে বিৰাট সমদল এটা আহি আছে। কিছুমানৰ হাতত পতাকা। তাত কিবা-কিবি লিখা আছে। সি সেইবোৰ পঢ়িব নোৱাৰে ঘৰৰ পৰা সি ৰাস্তালৈ ওলাই আহিল। সি অনুভৱ কৰিলে মানুহবোৰৰ চিঞৰত এটা উত্তাপ আছে। একেবাৰে আগত ভৰত। তাক সি ভালদৰেই চিনি পায়। যোৱা কেইবছৰত তাক কেইবাৰাো আৰ্মিয়ে ধৰি নিছিল। তাৰ শৰীৰটো সুন্দৰ চকুকেইটা অনবৰত জ্বলি থাকে। খং উঠিলে খোচ খোৱা ম'হৰ দৰে ভয়ানক ৰূপ ধাৰণ কৰে। আৰ্মিৰ কেম্পত কেদিন ৰাখিছিল। তেতিয়া গাওঁখনত বিৰাট আতংক। সন্ধ্যা নৌহওঁতেই গাঁৱৰ ডেকা ল'ৰামখা বাৰীৰ চুকত, পথাৰৰ মাজত থাকি ৰাতিটো কটাইছিল। গোটেই গাওঁখনতেই ৰাইফলধাৰী এজাক আৰ্মি ঘূৰি ফুৰিছিল। তাৰঘৰৰ সমুখৰ দলংখনত কেইজনমান আৰ্মিয়ে দিনৰাতি পহৰা দিছিল। চনিয়া কাইৰ কিবা কবলৈ মন গলেও একো নকয়।

এটা সময়ত ভৰত ঘূৰি আহিল। তেতিয়া তাক দেখিলে চকুৰপানী ওলোৱা অৱস্থা। আগৰ ভৰতৰ লগত এতিয়াৰ ভৰতৰ কোনো মিল নাই। মানুহটো হাড়ে-ছালে লাগিছে। গালৰ হনু ওলাই গৈছে। কোনে ক'ব এই ভৰতেই এদিন ভাওঁনাঘৰত দুৰ্য্যোধনৰ বচন মাতি ভাওঁনাঘৰ কঁপাই তুলিছিল! তাক দেখি চনিয়াকাইৰ বৰ বেয়া লাগিল। দলংখনৰ কাষতে এদিন লগ পায় সি গালেমুখে হাত বুলাই সুধিলে 'তোৰ আজি এই অৱস্থা হ'ল'?

— "অন্যায়ৰ বিৰুদ্ধে যুঁজিলে এনে দশা হৰই ককাই কিন্তু ভয় নাখাবি। আমাৰ শেষ বিন্দুত শোণিত থকালৈকে আমি আমাৰ নাৰ্য্যপ্ৰাপ্তিখিনি আদায় কৰিমেই।" চনিয়াকাইয়ে লক্ষ্য কৰিলে তাৰ দেহ দুৰ্বল হলেও কথাবোৰ আগৰদৰেই আছে। চকুদুটাও হৈ আছে উজ্বল।

চনিয়াকাইয়ে সমদলটোৰ চব মানুহকেই চিনি পায়। কিছুমান গাঁৱৰ "ঐ চনিয়াকাই অলপ প্ৰচেছন কৰি আহোঁ আহঁ" সমদলটোৰ মাজৰে এজনে কলে।

— "কি হৈছে এইবোৰ"? চনিয়াকাই আৰু কিছুমান মানুহে এজনক সুধিলে।

— "আমাৰ পাৰ্টি হৈছে এইবাৰ। ঐ চনিয়াকাই ইমানদিনেতো ভোট নিদিলিয়েই। এইবাৰ যদি কিবা বিচৰা ভোট দিবলৈ যাবি। দেখা যাব ৰাইজৰ বল।"

সেইদিনা মহন্তহঁতৰ ধানকটা সাউৰি আছিল। চনিয়াকাইও হাতত কাঁচিখন লৈ ওলাই গ'ল। ধানকটা ঠাইতো সেই একেই আলোচনা কোন ক'ত জিকিব, ৰাইজৰ গতি কি হব ইত্যাদি ইত্যাদি। ৰাইজৰ চৰকাৰ হলে তাৰ সমুখৰ ৰাস্তটো, পঁয়ালগা দলংখন, পকী বান্ধটো, আৰু তাৰ ভগা ঘৰটো ভাল হবগৈনে! এইটো ঠিক, ৰাইজৰ চৰকাৰ হলে অত্যাচাৰ সোপাৰ অন্ত পৰিব। অন্ততঃ পুৱা গধুলি অলৈ তলৈ যাব পৰা যাব। মহেশে কলে — ভাইহঁত কোনে কি কয় শুনি যাবি একো নকৰি পইছা দিলে লবি কিন্তু কথা নুশুনিবি। মনেৰে যি ভাবিছ তাকেই কৰিবি।

— "পইছা আকৌ কি কৰিব দিব?" এইবাৰ চনিয়াকাইয়ে মাত লগালে। মহেশে

কলে পইছা কি কৰিব দিব! ভোট দিবলৈ আকৌ! আমাৰ মানুহবোৰক বুৰ্বক পাই এনেকৈয়ে ঠগি আহিছে। চনিয়াকাইয়ে একো নামাতিলে। পিছে তাৰ পইছাৰ প্ৰয়োজন আছে। পইছা পালে অন্ততঃ তাৰ ঘৰটো ঠিক কৰি লব পাৰিলেহেঁতেন। কিন্তু পইছা লৈ ভোট নিদিলে নিমখ হাৰামী কৰা নহব জানো!

গধুলি ধানকাটি উভটিবৰ সময়তো চনিয়াকাইয়ে ওৰে বাটে চিন্তা কৰিয়েই আহিছে। সি যদি ভোট দি আকৌ আগৰ মানুহবোৰক জিকাই দিয়ে আকৌ অত্যাচাৰ হ'ব। ভাবি ভাবি দলংখনৰ কাষ পাইছিল। পিছ পিনৰপৰা কোনোবাই চিঞৰি মাতিলে-- চ-নি-য়া কাই...ঐ... চনিয়াকাই, সি ঘূৰি চালে। এন্ধাৰত মানুহ দুজন ওচৰ চপাতহে সি ধৰিব পাৰিলে। এইদুটাৰ কৰণেই গাওঁখনত নানা অঘটন ঘটি থাকে। আগতে ইহঁত চৰকাৰ বিৰোধী কিবা সংগঠনত আছিল। এতিয়া পিছে চৰকাৰৰ ঘৰৰ পৰা টকা লৈ আৰ্মিৰ লগলাগি গাওঁৰ গোটেইমখা ডেকালৰাৰ ঘৰবোৰ দেখুৱাই লৈ ফুৰিছে।

— "ধান কাটি আহিলি হ'বপায়?" ৰাজেনে সুধিলে।

—"ওঁ"কেৰাহিকৈ চাই কলে চনিয়াকায়ে।

—"আমাৰ অলপ কথা আছে!" এইবাৰ ধীৰেনে কলে।

ইলেকচন আহিছে গম পাইছাই নিশ্চয়। গাওঁৰ অৱস্থা এইবাৰ আৰু বেয়া হ'ব। যদি মানুহবোৰে ঘেটেৰ-মেটেৰ কৰে আৰ্মি লগাই ঠাণ্ডা কৰি দিম। যদি ভোট দিয় আমাৰ এম. এল. এ. কে দিবি। চনিয়াকাইয়ে মনে মনে থাকিম বুলি ভাবিছিল কিন্তু ইহঁত দুটাই মূৰটো গৰম কৰি দিলে। সি খঙতে কলে— "কিয় এম. এল. এক ভোট দিম?"

—"ঐ নিদিয় কিয়?" তাতোকৈ খঙত কলে ধীৰেনে। ভোট নিদিলে আৰ্মি লগাই হাৰডি গুড়া কৰি দিম। আমাৰ এম.এল.এ. জিকক বাৰু চাই লম তোক।"

— মোক চাই লবি। চিঞৰি কলে চনিয়াকাইয়ে। ঐ আগৰদিন নাই। মোক জোকাই নলবি কৈ দিছোঁ।ময়ো তহঁতক এবাৰ চাই লম।

ধীৰেনে ৰাজেনক অলপ আঁতৰত মাতি নি ফুচফুচাই কলে ইয়াৰ চোন বৰ গৰম। ইয়াৰ লগত গণ্ডগোল কৰি লাভ নাই। যাক ভোট দিয়ে দিয়ক। "ঠিক আছে"— ৰাজেনে কলে। মই এইবাৰ কি ভাবিছোঁ জানা? এইবাৰ এম. এল. এ হাৰিব।

চনিয়াকাই যাবলৈ খোজ দিছিল মাত্ৰ। সিহঁত পুনৰ ঘূৰি অহাত সুধিলে কি হ'ল? আকৌ দেখোন আহিলি? ৰাজেনে কলে— এই চনিয়াকাই ভোট যাকে দিয়া দিবি। কিন্তু এম. এল. এ. আহিলে তেওঁকেই দিম বুলি কবি। নহলে আমাৰফালে.......

একো উত্তৰ নিদি চনিয়াকাই ভোৰভোৰাই দলংখন পাৰ হৈ তাৰ ঘৰটোত সোমাল। আজি বহুদিনৰ মূৰত তাৰ ভৰতলৈ মনত পৰিল। সি কৈছিল—"কাকো ভয় নকৰিবি, ভয় কৰিবি হাৰি যাবি। মই আজিলৈকে কাকো ভয় কৰা নাই আৰু হাৰিও অহা নাই।" আজি যদি সিহঁতদুটাৰ আগত সি ভয় কৰিলেহেঁতেন নিশ্চয় সি হাৰিল- হেঁতেন। ৰাতি ভাতপানী খাই সি শুই পৰিল। সি ভাবিলে তাৰো এটা শক্তি আছে। দিনটোৰ দুখে-ভাগৰে হেঁচি ধৰাত তাৰ সোনকালেই টোপনি আহিল।

ৰাতি কিমান হৈছে সি নাজানে। কোনোবাই তাৰ দুৱাৰত ঢকিয়াই আছে। হঠাৎ সি সাৰ পাই গ'ল। তাৰ মনত এটা ভয় ভাৱ আহিল। সি বাৰু ৰাজেন আৰু ধীৰেনক ভাল ব্যৱহাৰ নকৰিলে নেকি! বিশ্বাস নাই সিহঁতেই আহিব পাৰে। সি কথাখন গাত মেৰিয়াই উঠি আহিল। দৰজাখনৰ ফুটাৰে বাহিৰলৈ চাই সি কঁপিব ধৰিলে। বাহিৰত দুজন মানুহ আৰু এজন আৰ্মি বৈ আছে। ছয়া ময়া আন্ধাৰত সিহঁতক একোটা মাতাল দৈত্য যেন লাগিল।

বাহিৰৰ পৰা মাতিলে--"ঐ চনিয়াকাই দৰজাখন খোল। একো ভয় নাই।" বাহৰ দৰজা বাহিৰৰ পৰা হেঁচা পৰাত এটা সময়ত দৰজাখন খোল খাই গ'ল। মানুহটোৱে টৰ্চ এটা জ্বলাই ভিতৰখন চালে। দুৱাৰৰ পাছত চনিয়াকাই কুঁচি মুঁচি বহি আছে।

— "ঐ চনিয়াকাই"। মানুহটোৱে মাতিলে। মূৰ তুলিয়েই সি উচপ খাই উঠিল। মানুহটো ৰাজেন। ওখ ক'লা দেহটো, দীঘল ক'লা চুলিবোৰ, ৰঙা ৰঙা চকু দুটা, উজ্বল দাঁতকেইটাৰে এটা দাইনী যেন লাগিল। সি কলে — ভয় কৰিছা নেকি? ভয় নাই। বাহিৰত এজন আৰ্মি বৈ আছে, লগত এটা বন্দুক।

মুহূৰ্ততে চনিয়াকাইৰ সৰ্বশৰীৰ গৰম হৈ গ'ল। তাৰ ভৰতলৈ মনত পৰিল। "কাকো ভয় নকৰিবি, ভয় কৰিবি হাৰি যাবি।" তোক ভয় কৰা মানুহ মই নহয়। অকলে আহিবৰ সাহ নাই। লগত আৰ্মি লৈ আহিছ মোক ভয় খুৱাবলৈ। তুৰন্তে ওলাই যা।

মই তোক ভয় খুৱাবলৈ অহা নাই চনিয়া কাই। তোৰ ঘৰৰ অৱস্থা এয়া, অলপ টকা পইছা ........ ৰাজেনে বুজাবৰ চেষ্টা কৰে।

তই এতিয়াই ওলাই যা বুলিছোঁ, ওলা। গাৰ কথাখন চাঙলৈ দলি মাৰি ৰাজেনক ঠেলি ঠেলি বাহিৰ কৰি দিলে। ৰাজেনে হাতত টকাৰ বাণ্ডিলটো লৈ বুজাবৰ চেষ্টা কৰে। হাতলৈ অহা টকাকেইটা এৰি দিয়া কিয়? নিজৰ ভোটটোহে দিবি আৰু লগৰ কেইটামানকো কবি। যোপা চকুৰে টকাৰ বাণ্ডিলটোলৈ চাই চনিয়াকাইয়ে চিঞৰি কলে— মোক টকাৰে ভুলাব আহিছা? ইমানদিন কি কৰিছিলি। এতিয়াহে মোলৈ তহঁতৰ মনত পৰিল?

— ঐ ইমানকৈ চিঞৰিছ কিয়? ইমানকৈ চিঞৰিবলৈ কিটো হৈছে? চেঁপা মাতেৰে ৰাজেনে কলে।

— মই চিঞৰিমেই। মই চিঞৰিছোঁ তহঁতৰ কি হানি হৈছে। ৰাজেনে তাৰ হাতদুখনেৰে চনিয়াকাইৰ মুখখন চেপি ধৰিলে। আৰু খঙেৰেই কলে— "মনে মনে থাক নহলে শেষ কৰি দিম। সেই মুহূৰ্তত চনিয়াকাইৰ ক'ৰপৰা জানো ইমান বল আহিল ক'ব নোৱাৰি। তাৰ ভৰিৰ তীব্ৰ এটা গোৰত ৰাজেন নামৰ প্ৰকাণ্ড দৈত্যকায় মানুহটো তিনিহাতমান আঁতৰত বাগৰি পৰিল। হাতত বন্দুক লৈ থকা আৰ্মিজনো কিছু বিচলিত হোৱা যেন লাগিল। পিছ মুহূৰ্ততে সি চনিয়াকাইক খেদি আহিল। বন্দুকৰ কুণ্ডাৰে চনিয়াকাইৰ মূৰত মাৰ এটা সোধাবলৈ যাওঁতেই বিশেষ কাইদাৰে চনিয়াকাই দুহাতেৰে ধৰি বন্দুকটো আজুৰি আনিলে।

তাৰ পাছত ক'ৰপৰা জানো কি হ'ল চনিয়াকাই একো গমকেই নাপালে। কেউফালৰ পৰা হুলস্থূলৰ শব্দ ভাঁহি আহিল। চনিয়াকাইয়ে বন্দুকটো ধৰি মাৰ এটা সোধাবলৈ খোজোতেই ৰাজেনে তাৰ গতি সলনি কৰি উভতি লৰ মাৰিলে। এন্ধাৰৰ মাজে মাজে দৌৰি অহা ছাঁবোৰ দেখি আৰ্মিটোৱেও মাৰপিট নকৰিলে। সিও ৰাজেনৰ পিছে পিছে লৰ মাৰিলে। চনিয়াকাইৰ হাততেই ৰৈ গ'ল বন্দুকটো। সিও দুহাতেৰে বন্দুকটো সজোৰে ধৰি ৰাজেনহঁত যোৱাৰ ফালে টোৱাই ললে।

# Deforestation : A Major Problem in N-E India

**Uttam Kalita,** T.D.C.3rd year.

Deforestation is a process in which the beautiful wild forests are destroyed without any realization. This process has been increasing severely in this region from the last few decades. Almost all the forests of this region are being destroyed by some miscreants. As a result environmental imbalance is taking place.

North-East India comprises of seven states viz Assam, Meghalaya, Nagaland, Tripura, Manipur, Arunachal Pradesh and Mizoram. They are Known as the states of seven sisters. North east India extends from 22°00 N. to 29° 30 N. latitude and from 89° 46 east to 97° 30 E longitude.

There is an abundance of forest in this region owing to heavy rainfall, hot and humid climate and the fertile land half of the land areas are covered by forest in N-E India. This region is famous for natural beauties, resources and wild animals and hence this region has attracted man since time immemorial.

On the basis of climate and soil, forest can be divided into the following major groups.

1. Tropical Evergreen forest.
2. Deciduous forest.
3. Savanna or Grassland.
4. Riverian forest.
5. Marshy forest.
6. Alpine forest.

**This region is famous for natural beauties, resources and wild animals and hence this region has attracted man since time immemorial.**

### THE CHIEF CHARACTERISTICS OF THE FOREST

These forests have a peculiar character in comparison to those of other forests in India. These are as follows :

1. More than 400 types of orchid and moss like plants are available which are famous in the world.
2. There are some Parasitic plants in this region.
3. Medical herbs are also found in the jungle of N- E India.

The total area of land in North-east India is 2,55,083 Sq. Km. The distribution of forests in the states of this region is given below according to 1991 census.

| State | forest land in percentage. |
|---|---|
| Assam | 21.8% |
| Arunachal pradesh | 62.2% |
| Meghalaya | 55.7% |
| Nagaland | 49.7% |
| Manipur | 61.7% |
| Mizoram | 56.9% |
| Tripura | 48.6% |

For the time being 50.94% land area is covered by forests. But a great difference comes into existence between present north east India and ancient North-east India. Before few decades this region was full of natural beauties, resources, forest and animals but today they are extinct from this region.

There fore the present state of the forests is very deplorable.

A great disparity has been running in North-east India since the day of independence. This disparity extends towards the forest areas also resulting in extinction of forests.

Deforestation in caused by various ways and among them following are the fatal. :

1. Cutting down the forest areas.
2. Burning the jungles.
3. Shifting cultivation like jhume, Terrace etc.

Thus, a question arises, why man has adopted such a process in this region. Perhaps, the economic crisis is the main cause. Had this region been economically rich the general people would not have come to destroy the natural resources. It will bring a great danger to human life if we do not stop this process. Although we impose guilt on the poor and common people, but to day it is very sad to see that some educated and honourable men are engaged in the destruction of forests. This reduction of forest will create some derangement in nature and in the Environment.

Following are the main bad effects caused by deforestation.

1. Rainfall has been decreasing due to the absence of sufficient vegetation.
2. The $Co_2$ gas has been increasing day by day in the atmosphere which is harmful to human life. The solar energy is absorbed more by carbon-di-oxide than radiation and so, the temperature of the atmosphere is gradually increasing. On the other hand oxygen gas has been decreasing in the atmosphere due to the lack of sufficient plant which is prime requisites of all living beings.
3. Man is suffered from various diseases owing to the absence of $Co_2$ gas.
4. The wild animals like Elephant, Jigger. Rhino and Wild Pig etc. are shifted towards the residential areas because there is a deficit of food and plant for the animals.
5. Soil erosion is taking place in a large scale in this region which helps the gradual rising of the river beds resulting in dangerous floods. Again due to the absence of sufficient plant cover, this area has suffered in severe drought. So the formers of this regions are beading a miserable life whose prosperity depends mainly on the seasonal monsoon rain.

**Had this Region been economically rich the general people would not have come to destroy the natural resources. It will bring a great danger to human life if we do not stop this process.**

In the end we can say that man himself is responsible for this dangerous situation. If we do not take necessary care and measure for the forests, perhaps human race will be came extinct from this region and this area would become a great desert like Sahara.

How can we conserve our beautiful forests? There are some aspects through which we can preserve our valuable wild properties.

1. Instead of deforestation people should be engaged in forestation.
2. Punishment should be given to the miscreants.
3. It would be better to arrange seminar among the common people on environment and bed result of deforestation. Then the miscreants would be able to realise about the environment and perhaps they shall avoid the process of deforestation.

In the conclusion we can suggest to our government, authority to take care and interest for the development of the forest. Again we can rightly say that deforestation has been in creasing in North-east India due to the negligence of the authority.

চমু প্ৰবন্ধ

# পণ্ডিত হেমচন্দ্ৰ গোস্বামী আৰু তেওঁৰ কবিতা

ৰত্ন শৰ্মা
স্নাতক ৩য় বৰ্ষ।

অসমীয়া সাহিত্যৰ ৰোমাণ্টিক জগতৰ ত্ৰিমূৰ্ত্তিৰ (চন্দ্ৰ, লক্ষ্মী আৰু হেম) অন্যতম প্ৰধান ৰূপে পণ্ডিত হেমচন্দ্ৰ গোস্বামীক অভিহিত কৰি অহা হৈছে। ইংৰাজ বণিক সভ্যতা ভাৰতত বিস্তাৰ হোৱাৰ পূৰ্বে অসম তথা ভাৰত বৰ্ষত ৰোমাণ্টিক আন্দোলন গঢ়ি উঠা নাছিল। ভাৰতত ইংৰাজ সভ্যতাৰ বিস্তাৰৰ লগে লগে এই পশ্চিমীয়া সভ্যতাৰ সংস্পৰ্শলৈ অহা ভাৰতীয় সকলৰ মনতো জাতীয় চেতনা উদয় হ'ব ধৰে। মধ্যযুগীয় সমাজ ব্যৱস্থাৰ কৃত্ৰিম বাধা নিষেধবোৰ কমি আহে, মুক্তি আৰু বিকাশৰ তেতিয়াৰ ভাৰত আছিল ইংৰাজ শাসনৰ লৌহ গড়ত আবদ্ধ। তথাপি ইংৰাজৰ উদাৰ, নৈতিক আৰু মানৱতাবাদী ভাৱধাৰাই আমাৰ নতুন শিক্ষিত যুৱক সকলৰ মনত এক চঞ্চল আবেশৰ সৃষ্টি কৰিছিল, ফলশ্ৰুতি হিচাপে নতুন জীৱনৰ সম্ভাৱনাই দেখা দিছিল।

কবি হিচাপে হেমচন্দ্ৰ গোস্বামীক অসমৰ 'বাইৰন' বুলি ভৱাৰ যুক্তি, হয়তো কম হ'ব পাৰে, কিন্তু গোস্বামী যে এজন, যথাৰ্থ কবি ই নিশ্চিত। বিশ্ববিখ্যাত কবি 'ৱৰ্ডচ্‌ৱৰ্থ' (Wordsworth) ৰবীন্দ্ৰনাথ প্ৰমুখ্যে কবি সকলে লৰালি কালতেই কবিতা ৰচনা কৰাৰ দৰেই আমাৰ গোস্বামীদেৱেও ১৪/১৫ বছৰমান বয়সতেই কবিতা লিখিবলৈ লৈছিল, আৰু তেতিয়াই ৰচনা কৰা 'ফকৰা', 'মন', 'বিশ্বাস', 'সংসাৰত সুখ নাই', 'প্ৰকৃতি', 'বিজুলী', আদি কবিতা 'অসমবন্ধু'ত (গুনাভিৰাম বৰুৱাৰ সম্পাদনা) প্ৰকাশ হৈছিল। ইয়াৰ পিছতে তেওঁ 'পুৱা', 'কাকো আৰু হিয়া নিবিলাও', 'প্ৰিয়তমাৰ চিঠি', 'হঁহা-কন্দা', 'আনন্দৰাম বৰুৱাৰ স্বৰ্গযাত্ৰা', 'ৰত্নেশ্বৰ মহন্ত' আদি কবিতা 'জোনাকী'ত লিখি কম দিনৰ ভিতৰতে জনপ্ৰিয়তা লাভ কৰিবলৈ সমৰ্থ হয়। 'বাঁহী', 'আসাম বান্ধব', 'অৰুণ', অৰুন (শিশুআলোচনী) আদি আলোচনীতো তেওঁ কবিতা লিখিছিল।

পণ্ডিত গোস্বামীদেৱৰ কবিতাত যে অকল ৰোমাণ্টিক ভাৱধাৰাই প্ৰকাশ পাইছিল তেনে নহয়, শ্বেক্সপিয়েৰ, মিল্টনৰ দিনৰ পৰা ৰোমাণ্টিক যুগলৈ প্ৰায় সকলোবোৰৰেই প্ৰভাৱ পৰিলক্ষিত হৈছিল। হেম গোস্বামীৰ জনপ্ৰিয় কবিতা "কাকো আৰু হিয়া নিবিলাওঁ" কবিতাটিৰ ভাৱৰ লগত শ্বেক্সপিয়েৰৰ যুগৰ জি উইদাৰ নামৰ কবিজনৰ "The Manly Heart" নামৰ কবিতাটোৰ লগত ভাৱৰ সাদৃশ্য পৰিলক্ষিত। ইংৰাজী সাহিত্যৰ "ড্ৰাইডেন যুগৰ" ব্যঙ্গাত্মক কবিতাৰ দৰে গোস্বামী দেৱৰ 'ধনঞ্জয় ঢোল' নামৰ কবিতাটোৰো মূলভাৱ ব্যঙ্গাত্মক। থিক তেনেদৰেই 'বিজুলী', 'পুৱা', 'প্ৰিয়তমাৰ চিঠি', 'কাকুতি' আদি কবিতাত ৰোমাণ্টিক কবিতাৰ সকলোবোৰ লক্ষণেই বিৰাজমান।

ৱৰ্ডচ্‌ৱৰ্থে অতি সাধাৰণ বস্তু বা প্ৰাণীত অসাধাৰণ গুণ আৰোপ কৰি প্ৰকৃতি পূজাত আত্মনিয়োগ কৰিছিল, কোলৰিজ-শেলীয়ে প্ৰচলিত সমাজ ব্যৱস্থাৰ বিপৰীতে বিদ্ৰোহ ঘোষণা কৰি অনাগত ভৱিষ্যতৰ কল্পনাত বিভোৰ হৈছিল। বায়ৰনে আত্মমুক্তিৰ কামনাত, কীট্‌ছে সৌন্দৰ্য্য সাধনাত, ৰুচো, জাৰ্মান দাৰ্শনিক কাণ্ট, আৰু হেগেল প্ৰমুখ্যে কবি সাহিত্যিক সকলৰ জীৱন দৰ্শনে পাশ্চাত্য সাহিত্যত অভূতপূৰ্ব জাগৰণৰ সৃষ্টি কৰিছিল, এই জাগৰণে বিশ্বৰ সমগ্ৰ কবিসকলক বিস্ময় বিমুগ্ধ কৰি তুলিছিল। জোনাকী যুগৰ অসমীয়া কবিসকলো এনেধৰনৰ ভাৱব্যঞ্জনাৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। সেই সময়ৰ অসমীয়া কবি সকলে প্ৰকাশভঙ্গীৰ মৌলিকত্বৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰিছিল, ভাৱ বা বিষয়বস্তু আছিল প্ৰধানত অনুকৰণ প্ৰসুত।

কৈশোৰতে ৰচনা কৰা 'পেট', 'ধনঞ্জয় ঢোল', আদি ব্যঙ্গাত্মক হাঁহিমিশ্ৰিত কবিতা। 'পেট' কবিতাটি (অসমবন্ধু ত প্ৰকাশিত) এনে ধৰণৰ—

*ছাবাচ ছাবাচ পেট ভাল মজা কৰিলি*
*সংসাৰৰ মাজে ভাই তয়ে আচল বলী*
*এচমকা বস্তু হৈ–*
*জগত কৰিলি জয়*
*পশুপক্ষী, জীৱ-জন্তু সকলোকে জিনিলি*
*সংসাৰৰ মাজে তই ভালখেলা কৰিলি।*

লক্ষ্মীনাথ বেজবৰুৱাইও বহুতো ব্যঙ্গাত্মক কবিতা ৰচনা কৰিছিল, এই কবিতাবোৰ সংস্কাৰধৰ্মী, আনহাতে গোস্বামী দেৱৰো এনেধৰনৰ কবিতাবোৰ সংস্কাৰধৰ্মী। 'পেট', 'ধনঞ্জয় ঢোল', আদি কবিতা সমাজ সমালোচনামূলক। হৃদয়ৰ আবেগৰ সলনি ইয়াত আছে বুদ্ধিৰ কেৰিকেচাৰ। শিশুৰ বাবে ৰচিত তেওঁৰ কেইবাটাও কবিতা 'অৰুণ' আৰু 'অৰুণ' আলোচনীত প্ৰকাশ পায়। এই কবিতাবোৰে শিশুৰ মন অতি সহজে মোহিত কৰি প্ৰগতি আৰু অনুসন্ধিৎসাৰ পথত আগবঢ়াই

নিব পাৰে।

কবিতাবোৰৰ সহজ-সৰল প্ৰকাশ-ভঙ্গী আৰু চিত্ৰধৰ্মীতাই শিশুমন আকৰ্ষণ কৰি আলোড়িত কৰাটো স্বাভাৱিক। অসমীয়া সামাজিক চিত্ৰ এটি 'বৰদৈচিলা' কবিতাটিত বৰদৈচিলাৰ তাণ্ডবৰ মাজেদি অতি সুন্দৰকৈ প্ৰকাশ কৰি কবিয়ে শিশুৰ মনত যে কৌতুহলৰ সৃষ্টি কৰিব পাৰিছে ই নিশ্চিত।

*চ'তৰ বিহুত বৰদৈচিলা মাকৰ ঘৰলৈ যায়*
*গছ-গছনি ঘৰ দুৱাৰ নিয়ে উৰুৱাই*
*হিলদোল ভাঙি-চিঙি মেলিছা ঢাপলি*
*লগত নিছা লগৰীয়া যত বা মাৰলী॥*

পঞ্চম বছৰ তৃতীয় সংখ্যা 'বাঁহী'ত 'মোহনবাঁহী' নামে এটি খণ্ড কবিতা প্ৰকাশ হৈছিল, কবিতাটো প্ৰকৃততে লিখা আছিল বেজবৰুৱাৰ 'বাঁহী' নামৰ আলোচনীখনক উদ্দেশ্য কৰি। 'বাঁহী'ত সাতোটা ফুটা আৰু প্ৰতিটো ফুটাৰে একোটা ভিন্ন সুৰ বাজি উঠে, যি সুৰত বিশ্বজগৎ মতলীয়া। বাঁহীৰ সাতোটা সুৰে জগতক বিভোল কৰি তোলাৰ দৰে কবিয়ে হয়তো আশা কৰিছিল যে বেজবৰুৱাৰ বাঁহীয়েও জগতক বিভোল কৰি তুলিব। ক'ব গ'লে 'মোহন বাঁহী' কবিতাটি কবিৰ আধ্যাত্মিক আৰু ৰোমাণ্টিক, ভাৱৰ সুন্দৰ সমন্বয় আনহাতে 'আনন্দৰাম বৰুৱাৰ স্বৰ্গযাত্ৰা', 'ৰত্নেশ্বৰ মহন্ত' আদি কবিতাক শোকৰ কবিতা বুলিব পাৰি। ভাৰতীয় দৰ্শনৰ উত্তৰাধিকাৰী গোস্বামীদেৱে আনন্দৰামৰ মৃত্যুত দুখ অনুভৱ কৰা পৰিলক্ষিত হোৱা নাই। বৰঞ্চ সৰস্বতীৰ বৰপুত্ৰ আনন্দৰামে স্বৰ্গযাত্ৰাহে কৰিছে বুলি তেওঁ অন্তদৃষ্টিৰে উপলব্ধি কৰিছে।

*ইকি ইকি চোৱা অসমৰ গৌৰৱ*
*ভাৰতৰ ধন আনন্দৰাম*
*সুবৰ্ণ ৰথত আলোকি বিমান*
*কৰিছে প্ৰয়ান শান্তিৰ ধাম।*

আই সৰস্বতীয়ে যেন আনন্দৰামক আদৰি নি,–

*পিয়ালে অমৃত পাৰিজাত মালা*
*দিলে তুলি শিৰে দেৱসমাজ*
*বাজিল দুন্দুভি পানিনি অমৰ*
*পিন্ধালে আপুনি দেৱৰ সমাজ।*

কবিৰ বিশ্বাস দেৱলোক যেন আনন্দৰামৰ স্বাৰ্গযাত্ৰাত পৰম আনন্দিত; কিন্তু মৰ্ত্যলোক দুখত বিমৰ্শ।

এই শোক যে চিৰ বৰ্ধিষ্ণু যি শোক নুটুটে বাঢ়িবহে–

*পৰিবৰ্তনকাৰী কালসোঁতে নিতে*
*নতুন স্মৃতিকো নিব চোঁৱাই*
*চিৰ কীৰ্তি সাধু দৃষ্টান্ত তোমাৰ*
*শোক অসমৰ ৰব উধাই।*

আনন্দৰামক দুখুনী অসমৰ 'এটি মাত্ৰ ৰত্ন' অসম আকাশৰ 'ধ্ৰুৱতৰা' আদি ভাৱগধুৰ আৰু অহ্লাদিনী পূৰ্ণ কৰি তুলিব পাৰিছে। 'ৰত্নেশ্বৰ মহন্ত' এটি চনেট জাতীয় কবিতা। জোনাকী যুগৰ বিচক্ষণ কবি পুৰাতাত্বিক, সমালোচক ৰত্নেশ্বৰ মহন্তৰ অকাল মৃত্যুত ৰচিত এই কবিতা।

**পণ্ডিত গোস্বামীদেৱৰ কবিতাত যে অকল ৰোমাণ্টিক ভাৱধাৰাই প্ৰকাশ পাইছিল তেনে নহয়, শ্বেক্সপিয়েৰ, মিল্টনৰ দিনৰ পৰা ৰোমাণ্টিক যুগলৈ প্ৰায় সকলোবোৰৰেই প্ৰভাৱ পৰিলক্ষিত হৈছিল। হেম গোস্বামীৰ জনপ্ৰিয় কবিতা 'কাকো আৰু হিয়া নিবিলাওঁ' কবিতাটিৰ ভাৱৰ লগত শ্বেক্সপিয়েৰৰ যুগৰ জি উইদাৰ নামৰ কবিজনৰ The Manly Heart নামৰ কবিতাটোৰ লগত ভাৱৰ সাদৃশ্য পৰিলক্ষিত।**

আকৌ 'ফুলৰ চাকি'ত সন্নিবিষ্ট 'গুতি' নামৰ কবিতাটিত ভাৰতীয় অদৃষ্টবাদৰ লগত পাশ্চাত্যৰ মানবীয় উদাৰণতাবাদৰ সমন্বয় ঘটা যেন অনুভৱ হয়। আকৌ কেইটামান কবিতাত বৈষ্ণৱ কবিসকলে নিজকে তুচ্ছ বা হীন বুলি বিবেচনা কৰাৰ দৰে হেম গোস্বামীদেৱেও নিজকে হীন নীচ বুলি অভিহিত কৰিছে।

অসমীয়া সাহিত্যৰ জোনাকীযুগ আছিল ভাৱৰ ৰাজ্যত এক সন্ধিক্ষণ; তেতিয়াৰ কবি-সাহিত্যিকৰ মনত পাশ্চাত্যৰ উদাৰ মানবতাবাদী সৰ্বজয়ী মানৱ মন আৰু চিন্তাৰ প্ৰভাৱো আছিল। জাতীয় জীৱন আলোকিত কৰাই আছিল হেমচন্দ্ৰৰ জীৱনৰ মুখ্য উদ্দেশ্য। এনেধৰনৰ ভাৱধাৰাৰে ৰচিত কেবাটাও কবিতাৰ ভিতৰত গোস্বামীৰ 'পুৱা' কবিতাটি বিশেষভাবে উল্লেখযোগ্য ৰাতিপুৱাৰ চিত্ৰ এটিৰ ভেটিত ৰচিত কবিতাটিত ক'ব বিচাৰিছে যে বহুকাল আন্ধাৰৰ মাজত বুৰ গৈ নিস্তব্ধ হৈ থকা জীৱন-বীণ পুৱাৰ লগে লগে যেন আকৌ ঝংকাৰিত হৈ উঠিল।

*গহীন পুৱতি নিশা নিতাল জগত*
*ক'তো নাই জোনাকৰ চিন;*
*নিমাত বিশ্বৰ বাঁহী নিজম চেতনা*
*সুৰ ভুলা জীৱনৰ বীণ।*

গোস্বামীদেৱৰ 'পুৱা' কবিতাটি কেৱল তেওঁৰেই বিশেষ সৃষ্টি নহয় ই অসমীয়া সাহিত্য জগততে আলোড়নকাৰী এক অভিনৱ সৃষ্টি। যুগৰ প্ৰহৰী স্বৰূপ পুৱা কবিতাটিয়ে জোনাকী যুগৰ ভাৱ আৰু চেতনাক মূৰ্ত কৰি তুলিছে।

ৰোমাণ্টিক কবিতাৰ এটা মুখ্য উপাদান 'প্ৰেম', 'মানৱ প্ৰেম', 'নাৰী প্ৰেম', 'প্ৰকৃতি প্ৰেম', দেশ প্ৰেম' আদি নানা প্ৰকাৰে প্ৰেম বিকশিত হ'ব পাৰে। "দেশপ্ৰেমমূলক কবিতা 'জাতীয় সঙ্গীত'ত অসম আৰু অসমীয়াৰ উন্নতিৰ কাৰণে দেহে কেহে লগা কবি হেমচন্দ্ৰই ভাৰতীয় মহাজাতিটোৰ বিকাশৰ কথা চিন্তা কৰিছে।" –

*আছে যদি বোধ দুখ অপমান,*
*উঠাকাতি কৰি সকলো ভয়*

*যুঁজি প্ৰাণপণে হকৰা দুখক,*
*জাতিৰ উন্নত্ব আপুনি হয়।*

গোস্বামীদেৱৰ এই কবিতাটিত এহাতে সৰ্বভাৰতীয় দৃষ্টি আৰু আনহাতে যথাৰ্থ মানবতাবোধৰ চেতনা সুন্দৰ ৰূপে পৰিস্ফুট। ৰোমাণ্টিক কবি সকল পলায়নবাদী আৰু সংসাৰ বিমুখ বুলি কব পাৰি। আকৌ কিছুমানে ৰোমাণ্টিক কবি সকলক নিৰাশাবাদী বুলিও কৈছে। তেওঁলোকে বাস্তৱ জগততকৈ প্ৰকৃতি জগত আৰু আধিভৌতিক অতি প্ৰাকৃত জগততহে অধিক গুৰুত্ব আৰোপ কৰে। ইয়াৰ এটি বাস্তৱ উদাহৰণ হ'ল গোস্বামীদেৱৰ 'বিজুলী' নামৰ কবিতাটি। কবিৰ ধাৰণা বিজুলীয়ে মেঘৰ আঁৰত লগৰীয়াৰ সৈতে লুকা ভাকু খেলিছে আকৌ তাতেই তেওঁৰ ভাৱৰ পৰিবৰ্তন হৈছে, বিজুলীৰ পোহৰে কবিক জীৱন শান্ত, মধুৰ কৰাৰ বাট দেখুৱাইছে, আকৌ বিজুলীৰ হাঁহিয়ে কবিক সৰগৰ সন্ধান দিছে। সৰ্বশেষত (কবিতাটোৰ শেষৰ ফালে) কবি হতাশগ্ৰস্ত হৈছে। তেওঁ সন্দেহবাদী হৈ জীৱনৰ শেষ সিদ্ধান্ত ঘোষণা কৰিছে।

'কাকুতি' আৰু 'এপাহি পদুম' কবিৰ আন দুটি ৰোমাণ্টিক ভাৱৰ কবিতা 'কাকুতি' 'কাকো আৰু হিয়া নিবিলাও' কবিতাটিৰ প্ৰত্যুত্তৰ স্বৰূপে ৰচনা কৰা বুলি ভাবিব পাৰি। কবিয়ে গাইছে–

*কাৰো কৰিছোঁ দেৱী নোলাবা নোলাবা*
*আকৌ বেকাই চকু মোলৈ নেচাবা।*

এই চাৱনি লৌকিক প্ৰেমৰ চাৱনি। ই এটা সুন্দৰ ৰোমাণ্টিক প্ৰেমৰ কবিতা ইয়াৰ মাজেদি নিঃসহায় নিপীড়িত জনৰ প্ৰতি কবিৰ সহানুভুতি আৰু বিশ্বাসৰ ভাৱ ফুটি উঠিছে। গোস্বামীদেৱৰ 'এপাহি পদুম' আন এটি মনোৰম ৰোমাণ্টিক কবিতা। কবিতাটিত ফটিকৰ ধাৰ যেন নিজন বিলত কোমল পদুম পাহিক মলয়াই আলফুলে মুখত মুখ লগাই এটি চুমাৰে মৰম কৰা দেখি কবিৰো তেনে প্ৰকৃতি জাগি উঠিছে। লগে লগেই কবিয়ে উপলব্ধি কৰিছে যে পদুম পাহৰ এই মনোৰম সৌন্দৰ্য্য মাথো চাবৰ কাৰণেহে তাক মোহাৰি পেলাবলৈ নহয়। ব্যথিত মনেৰে কবিয়ে গাইছে –

*কিন্তু মই কি যে হতাশন,*
*দেখিলেই হব মোৰ এটাইটি লীন,–*
*বতাহ নবলা হ'ব,*
*দৌকিটি মাৰ, যাব,*
*জিলিঙনিটি গৈ লুকাব মেঘত*
*লাজুকী লতাৰ দৰে পদুমপাহিয়ে*
*লাজে শোট খাই*
*মুখখনি গহীনাই*
*তেতিয়াই তুলি ল'ব ওৰণি মুৰত।*

কবি ৱৰ্ডচ্ৱৰ্থে 'ৰিটেন ইন আৰ্লি স্প্ৰিং (Written in Early spring) কবিতাত প্ৰকৃতি সুখ, সৌন্দৰ্য্যৰ আকৰ অথচ মানুহ সকলো দুখ কষ্টৰ হেতু (Man has made of man) বুলি কোৱাৰ দৰে কবি হেম গোস্বামীয়েও সকলো দুখ-কষ্টৰ কাৰণে জগৰীয়া কৰিছে মানুহকেই। প্ৰায় একে ভাৱৰ পুনৰাবৃত্তি হৈছে কবিৰ 'হঁহা-কন্দা' নামৰ চনেট কবিতাটিত।

হেম গোস্বামীৰ 'প্ৰিয়তমাৰ চিঠি' অসমীয়া কাব্য সাহিত্যৰ এটি অনুপম আলোড়নকাৰী কবিতা। কবিতাটি অসমীয়া সাহিত্য জগতৰ প্ৰথম চনেট কবিতা, ই ৰোমাণ্টিকতাৰ ওপৰত প্ৰতিষ্ঠিত। কবিতাটিত আধ্যাত্মিক প্ৰেমৰ সলনি দৈহিক স্ত্ৰী পুৰুষৰ প্ৰেমক ৰূপায়িত কৰা হৈছে। চিত্ৰকল্পৰ ব্যঞ্জনা, কেন্দ্ৰীয় ভাৱৰ সু-সংবদ্ধ গতি, শব্দৰ সংযোজনা আৰু ৰোমাণ্টিক চেতনাবোধ এই আটাই কেইটা দিশেই কবিতাটিত পৰিস্ফুট হৈছে।

কবিতাটো তলত দিয়া হ'ল,—

*সৌন্দৰ্য্যৰ বুকুৰ কাঁচলি উদঙাই*
*প্ৰকৃতিৰ চোঁ ঘৰ চালো পিত পিত,*
*কুকুৰা-ঠেঙীয়া আখৰ কিটিত*
*যি অমিয়া ঘঁহা আছে, কতো আৰু নাই।*
*কবি নিকুঞ্জত ফুলি কত কবিতাই*
*মলয়াত উটি উটি ফুৰে পৃথিৱীত,*
*তোমাৰ চিঠিয়ে কিন্তু জানে সিটি গীত*
*কবিতাৰ কাজে তাৰ গোন্ধকো নাপায়।*
*ফুল ফুলে, সৰি যায় শুকায় বননি*
*বসন্তৰ কুঁহিপাত ৰ'দত লেৰেলে;*
*তোমাৰ চিঠিয়ে প্ৰিয়ে জানে কি মোহিনী*
*নিতৌ নোহোৱা বাঁহী ন ন ফুল মেলে।*
*যত সুঙো, চুমা খাওঁ, নালাগে আমনি,*
*হৃদয়ত হেঁপাহৰ ভোটাতৰা জ্বলে।*

কবিতাটো ব্যঙ্গাত্মক প্ৰেমৰ কবিতা। অসমীয়া সাহিত্যৰ এটি অনুপম চনেট কবিতা হ'ল হেমচন্দ্ৰ গোস্বামীৰ এই 'প্ৰিয়তমাৰ চিঠি'। কবিতাটিত অতিশয়োক্তি আৰু হাস্যৰসৰ সুন্দৰ সমন্বয় ঘটিছে। কবিতাটিত কেন্দ্ৰীয় আবেগৰ অনুকুলে ছন্দৰ প্ৰকাশ বৰ তাৎপৰ্য্যপূৰ্ণ।

'প্ৰিয়তমাৰ চিঠি' চৈধ্যশাৰীৰ এই চনেটটো পেট্ৰাৰ্কৰ দৰে 'অষ্টপদিকা' আৰু 'ষষ্ঠপদিকা' এই দুভাগত বিভাগ হৈছে। পেট্ৰাৰ্কীয় চনেটৰ দৰে ইয়াতো প্ৰথম আঠ শাৰীৰ ভাবে পিছৰ ছ' শাৰীত বিস্তৃতি লভিছে আৰু সমগ্ৰ কবিতাটোৰ মাজেদি 'প্ৰিয়তমাৰ চিঠি' বিষয়ক অখণ্ড ভাৱটো প্ৰৱাহিত হৈছে।

সকলোবোৰ কবিতাৰ বিশ্লেষণ সম্ভৱ নহলেও এটা এটাকৈ বিশ্লেষণ কৰি চালে দেখা যাব যে গোস্বামীদেৱ প্ৰতিভাশালী ৰোমাণ্টিক কবিয়েই আছিল, ৰোমাণ্টিক চেতনা তেওঁৰ আছিল অপাৰ। ৰোমাণ্টিক ভাৱাবেশ প্ৰকাশৰ কাৰণে উপযুক্ত শব্দ খণ্ডবাক্য বা ছন্দৰ সুপ্ৰয়োগো তেওঁ আয়ত্ব কৰিব পাৰিছিল। অসমীয়া সাহিত্যৰ 'জেনাকী-যুগৰ' বাৰ্তা বাহক হিচাপে হেম গোস্বামীৰ কবিতাই চিৰকাল কবি সাহিত্যিকৰ চিত্তৰ এচুক চুই যাব পাৰিব। হেমচন্দ্ৰৰ কবিতাত ভাৱ-ভাষা, ছন্দ সকলোতে নিজস্ব বৈশিষ্ট্য পৰিস্ফুট॥

❑

(সহায় ল'ই)

# দুটি স্কেচ

অৰ্পনা ঠাকুৰীয়া
স্নাতক ৩য় বৰ্ষ (কলা)

১
হাঁহিৰে মোক নোজোকাবা বন্ধু
তোমাৰ হাঁহিত আৰু
জোনাক নসৰে
জোনাকৰ সলনি, তোমাৰ মুখত কেৱল
দেখিছোঁ, প্ৰতিশোধৰ দাবানলেৰে অংকিত
ৰঙা চকুৰ জীয়া ইতিহাস।

২
আশাবোৰ সদায় নিজীৰ বিফল সপোন
কেৱল হতাশাৰ বিমূৰ্ত্ত প্ৰতীক,
মাথোন কিবা এটি লক্ষ্যৰ ........
আৰু? ভাববোৰ চিকমিকীয়া ৰঙীণ পানীয়,
ঠিক সেই দুদিনীয়া উপভোগৰ মাদকতাৰ
উপলক্ষ্য।



# মৰম বিচাৰি

মাণিক চহৰীয়া
স্নাতক (বিজ্ঞান) ১ম বৰ্ষ

●

উজাগৰী ৰাতি পাৰ হ'ল
ওঁঠৰ হাঁহিটোও হেৰাই গ'ল
মনৰ কথা মনতে ৰ'ল
কিয়বা, পাহৰি গ'ল?

●

ভাৱনাৰ অশ্ৰুসিক্ত নয়ন দুটিয়ে
মোক হাত বাউলি মাতিছে।
মই লিখা গীতকেই
গুণ গুণাই গায়।

●


পাৰ হৈ যোৱা ধুমুহা জাকে লৈ গ'ল
হৃদয়ৰ মৰম বোৰ।
হেৰোৱা মৰম বিছাৰি
হাবা থুৰি খালোঁ।



# মই মৰিলোনে জীয়াই আছোঁ?

মীনাক্ষী ডেকা
স্নাতক ২য় বৰ্ষ (কলা)





- বৰ্ত্তমান ,
মই মৰিলোনে জীয়াই আছোঁ?
কোনেও কিয় জানো
আজিলৈকে এবাৰো সোধা নাই !
ব্যক্তিগত ভাৱে মই বৰ্তমান
এজনী কুষ্ঠ ৰোগী।।

- অস্তমিত সূৰ্য্যটি লুকুৱাৰ পিছত
যেতিয়া এজাক নিৰ্জন সন্ধিয়া
ধৰালৈ নামি আহে;
তেতিয়া, মই নিস্তব্ধতাৰ সতে
অহৰ্নিশে কথা পাতো!

- জাক জাক সংগী পাৰ হৈ যায়
মোৰ কাষেদিয়েই,
কোনেও আজিলৈ এবাৰো সোধা নাই;
মই মৰিলোনে জীয়াই আছোঁ?

- নিস্তব্ধতাৰ আছিল মাথো নিৰ্জনতাৰ শব্দ;
শিলত খোদিত কৰা মোৰ তেজৰ শব্দ
তথাপি সি মোক আজিলৈকে সোধা নাই;
সন্ধিয়া জোনাকৰ তলত বহি
মই এতিয়া কাৰ সতে প্ৰেম কৰো?

- 



# কবিতাৰ মাজে মাজে

আলপনা আহমেদ
স্নাতক তৃতীয় বৰ্ষ (কলা)

১ এমুঠি ধূলি তুলি ললো
আৰু —
ছলাম জনালো পৃথিৱীৰ মানুহক,
এতিয়া পৃথিৱীয়ে মোৰ
অসমাপ্ত কাহিনী লিখি ৰাখিব হৃদয়হীনভাৱে।


২ হৃদয়ৰ কথা নুসুধিবা বন্ধু,
ই যে নিজৰ মাজতেই বুৰ গৈ থাকে।
কেতিয়াবা ই নিজৰ মাজতেই হেৰাই যায়।
আৰু কেতিয়াবা —
নিজকে চিনিব নোৱাৰে।

৩ নিজৰ পৰা দূৰত, তোমাৰ পৰাও দূৰত।
তেতিয়া হ'লে হৃদয় আৰু পৃথিৱীৰ
অস্তিত্ব ক'ত?
আছে কেৱল এক
শূণ্যতাৰ নিস্তব্ধ প্ৰতীক্ষা।

# হৃদয়ে হৃদয়ক বিচাৰোতে

কুমাৰ ভৈৰৱ বৰুৱা
স্নাতক তৃতীয় বৰ্ষ (কলা)


●
ধুমুহাই খেদে ধুমুহাক
উবুৰি খাই পৰে ধূলিবোৰ
সৰি পৰা গছৰ শুকান পাতবোৰ
ইটোৰ ওপৰত সিটো।
● একেবাৰে তলৰটো
মাটিৰ সতে লেপেটা খাই পৰে।
...... মন্থৰ হৈ আহে তাৰ নিশ্বাসবোৰ
আৰু সৰ্বশেষত স্তব্ধ হয় কেকনি।।
● আঃ! ধুমুহাই খেদে ধুমুহাক।।



# নিবিড়তা

তপন শৰ্মা
স্নাতক ৩য় বৰ্ষ (কলা)

আকাশে সীমনাত মেলি দিয়া
নীলিম পাখিবোৰেৰে
প্ৰেয়সীয়ে কবিতা লিখে।
মই তোৰেই সপোন দেখো,
তোকে লৈ কবিতা ৰচোঁ
সময়ৰ বা মাৰলিত
হেৰায় যায় মৰমবোৰ।
অসীম ভাৱনাই
কঢ়িয়াই ফুৰে স্মৃতিবোৰ,
পাহাৰ বোৰে কথা পাতে
নীৰৱতাৰ ভাষাৰে
নিবিড় ভাৱে।
খহি পৰা আশাবোৰ
লুকাই পৰে পাহাৰ তলিত
নীৰৱতাৰ আশ্ৰয় বিচাৰি।



# মৌনতা


মিচ্ ৰূপালীম শৰ্মা
স্নাতক ২য় বৰ্ষ (কলা)

তোমাক সুধিছোঁ,
তুমি তুমিয়েই হৈ আছানে?
এতিয়া মোক সোধাছোন
মই কিন্তুময়েই হৈ আছোঁ।
মই কাহানিও নুবুজিলো
মোৰ হিয়াৰ গুপুত কথা
তুমিও জানো বুজিলা
মোৰ হিয়াৰ গুপুত কথা?
মোৰ দুচকুত লিখা থাকিল অবুজ ভাষা,
হৃদয়ত আঁকা থাকিল অযুত আশা,
সাক্ষী ৰ'ল মাথো মৌনতা ।



# ধুমুহা এজাক আহিছিল

হীৰেণ ডেকা
স্নাতক ২য় বৰ্ষ (কলা)



ধুমুহা এজাক আহিছিল
মোৰ পঁজাটিৰ ফালে;
দুৱাৰ ভাঙি পঁজাটিত মোৰ
প্ৰবেশ কৰিলে।

জাৰৰ জোথৰবোৰ
পঁজাটিৰ পৰা
আঁতৰাই নিলে;
সাপ বেঙ বাহ লোৱা
পঁজাটি মোৰ
প্ৰাসাদ যেন কৰি দিলে।

ৰিৱ্ ৰিৱ্ বতাহে
পৰশ বুলাই
এন্ধাৰ ভৰা কোঠাটি
পোহৰ কৰিলে।
ধুমুহাৰ হাঁহিয়ে
মোকো হহুৱালে,
ধুমুহাৰ নাচোনে
মোকো নচুৱালে।

ভবা নাছিলো ধুমুহাজাক
পাৰ হৈ যাব,
এদিন হহুৱাই,
পুনৰ কন্দুৱাব।
কিন্তু ধুমুহা জাক
পাৰ হৈ গ'ল;
পঁজাটি মোৰ
আগৰ দৰেই হ'ল।



# William Wordsworth : A Nature Poet

**Bhuchandra Nath**
T.D.C.3rd year

As a naturepoet wordsworth has a enormous reputations. He is a great poet of nature. The love of Nature is to be found in all English poets. But wordsworth's treatment of nature differs from the other poets as well as his contemporary. He believed in a divine power, which is wandering all over the things of nature. He felt an incomparable joy and unfounded satisfaction in every aspects of nature- rivers, birds, flowers etc.. He declares that nature is a teacher whose wisdom we can learn, without which any human life is vain and incomplete.

Wordsworth treated nature in three stages. In the First stage nature's sights and sounds make their appeal to his heart and imagination. The love of nature in this stage has been described by the poet in the poem "Tintern Abbey". In the Prelude too, the poet refers to this simple sensual delight in nature.

It held unconscious in intercourse with beautiful as creation, drinking in a pure organic pleasure.

In the second stage Wordsworth treated nature by humanity as something kindlier and more human. He turned to nature for solace and consolation. In "The Prelude" the first emotional feeling of human behaviour is expressed by the poet.

*If in my youth I have been pure in heart*
*If, mingling with the world, I am contant*
*Doth my own modest pleasure, and have lived*

In the third stage, Wordsworth treated nature as a Philosopher. He found a divine spirit in nature and his mind stopped before this living spirit. Wordsworth felt in nature.

*......... a sense sublime*
*Of something for more deeply interfaced*
*A motion and a spirit that impels*
*All thinking thing, all objects of all thought,*
*And rolls through all things.*

The influence of nature on man in the fundamental theme of Wordsworth's polry. In " The Prelude", "Tintern Abbey" and the "Intimation of Immortality ode" nature is seen as being inextricably related to man. "My Heart Leaps" and similar poems, show how nature, by acting upon memory and imagination can effectively bind times together, making life and experience coherent.

In the poems such as "Tintern Abbey" and especially in "The Prelude", The moral aspects of nature is shown clearly. The aspect of unity which should be most closely kept in mind by the readers. The mystical sense of universe in some way is totally interrelated and held together by a common bond, so that man, stars, lakes, flowers, animals, all organic problems is his spirituel separation from this total order, as is made clear in the great "Intimations of immortality ode" and to a lesser extent in "Tintern Abbey"

Wordsworth found simple joy and pleasure in nature. The feeling of pessimism does not oppress the heart of the poet when he is in the presence of the beautiful and joyful aspects of nature. In the words of W.H.Hudson, "Wordsworth finds as never failing principle of joy"

"Here runs races in her mirth, the flowers enjoy the air they breathe, and the waver dance

beside the daffodils";

*The moon doth with delight*
*Look round her when the heavens are bare.*
*are beautiful and fair.*

The heart of the poet leaps up with delight when the beholds daffodils, "his heart with pleasure fills and dances with the daffodils".

Wordworth's representations of nature's mystical and spiritual aspects are quite graphic, vivid and colourful. He can give delicate and subtle expression to the "sheer remanence delight of the world of nature". He feels elemental joy of spring.

*It was an April morning,*
*fresh and clear.*
*The rivulet, delighting in its*
*strength ran*
*with young man's speed.*

He can actualise with the clarity all the fine charms and grandeur of a summer day.

*The northern dawn*
*In clearest air*
*ascending showed far off*
*A surface dappled*
*over with shadows fleeing*
*From brooding clouds.*

**Wordsworth's treatment of nature differs from the other poets as well as his contemporary. He believed in a divine power, which is wandering all over the things of nature. He felt an incomparable joy and unfounded satisfaction in every aspects of nature Rivers, Birds, Flowers etc.**

In the presentation of nature, Wordeworth is fascinated by the sound in the object of nature, just as Shelley was fascinated by the colour in the spectacles of nature. This point has been hinted nicely by Compton-Rickett when he points out, *"Wordworth is the poet of the ear just as Shelley is the poet of the post of the ear just as shelley exhibit the poets enthusiasm for sound in nature".*

*A voice so thrilling never was heard*
*in spring time from the cuskoo bird*
*breaking the silence of the seas*
*Among the farthest he brides.*

Wordsworth faced many criticism. Most of his longing poems has been considered harsh, unnecessary to read. Because he had a tendency to delineate wholly of a petty part. But yet for his selected part of book, we must recognise him as a major poet. Not only in English literature but in the history of world literature.

Another fault of his poetry is his exhibition of idleness. He was unable to exhibit the effective elements due to his business of himself. He interpreted wholly about some trifling things of his own experience of life which are through he considered important but those are unable to provide taste to the readers. Son he appears to be hoping.

It is said that the range of his writing is limited. That he was a poet of both men and nature his attitude towards nature was partial. He represented calm and tranquil rights and scenes of nature. He never presents nature "Red in tooth and claw". Aldons Huxley in his essay "Wordsworth in the tropies" printed in "Do What you will" draws our attention to this fact that "Wordsworth's conception of nature is one sided. He deals only with the trim and well dressed nature as it is in the lake Districts, but he has not one word to say about the malevolent aspect of nature.... nature red in tooth and Claw". Wordsworth rarely presents nature in its simultaneousand roaring aspect. We are deeply impressed and influenced by his calm and tranquil presentations bringing before us.

*The silence that is in the starry sky*
*The sleep that is among the lonely hill.*

But though he is criticised from many sides he will remain a bright star in the world of English Literature. Some critics want to compare his talent with Shakespere, Dante or Milton. However, particularly as a creator of a new attitude towards nature in man's mid he will be eternal.

উপন্যাসিকা

# পানেই বাইৰ গোঁহাই কথা...




শিখাৰাণী দেৱী
স্নাতক ৩য় বৰ্ষ (কলা)

*(পদূলিতে ঃ আঞ্চলিক ভষা হিচাপে মণ্ডলদৈয়া কথিত ভাষাৰো এক সুকীয়া বৈশিষ্ট্য অছে বৈশিষ্ট্য আছে ব্যাস পাৱাৰ 'ঠাব'ৰ। কামৰূপী গোৱালপৰীয়া ভাষাত কম বেছি পৰিমাণে সাহিত্য ৰচনা হৈছে যদিও মণ্ডলদৈয়া ভাষাৰ তেনে ব্যৱহাৰ প্ৰায় চকুত নপৰে। কোনো কোনো গ্ৰাম্য ভাষা প্ৰেমীয়ে নটক-গল্পৰ এটা-দুটা হাস্য-লঘু চৰিত্ৰৰ মুখত ইয়াক ব্যৱহাৰ কৰিছে মাত্ৰ। ই আজিলৈ সুকীয়া স্থান পোৱা নাই। অথচ এই ভাষাৰ বহুত শব্দ আমি পুৰণি সাহিত্যৰ বুকুত বিচাৰি পাওঁ। মণ্ডলদৈ অঞ্চলৰমানুহৰ কথ্য ভাষা সহিত্যিক ভাষা নহলেও ইয়াৰো যে এটা সুকীয়া বৈশিষ্টা আছে সেইটো অনস্বীকাৰ্য। সেয়েহে এই ৰচনা সম্পূৰ্ণ মণ্ডলদৈ অঞ্চলৰ মানুহৰ মৌখিক কথিত ভাষাতেই গঢ় দিবলৈ যত্ন কৰিলোঁ। ৰচনাৰ বিষয়বস্তু আৰু ভাষাৰ সু-সমন্বয় হৈছে নে নাই তাৰ বিচাৰ সহৃদয় পাঠক সকলৰ ওচৰত এৰিলোঁ।)* ●

পানেই বাইক মই ঠিক সম্পূৰ্ণকৈ লগ পোৱা নাই যদিও পানেই বাই, ক'নকাখুৰী, বৰভেগীয়া, খৰেনী বুঢ়মাই, নন্দেশ্বৰহঁতৰ হা-হুমুনিয়াহ, আশা-আকাঙ্খাৰেই আমাৰ সমাজখন ভৰি আছে। চাৰি পাঁচটা পানেই-বৰভেগীয়াক যোগ কৰি একোটা সুকীয়া পানেই বৰভেগীয়া ক'নকাক গঢ়ি তোলা হৈছে। বাক্য ৰীতি বা ব্যাকৰণ ৰীতিৰ বিপৰীতে ইয়াত পানেই বাইহঁতৰ জীৱন ৰীতিহে, আঁকিব চেষ্টাকৰা হৈছে। ●

পানেই বাই মৰিল? কোনদিনা?? কি হৈছিল ???'
"পদ্ধিনা। পুৱা সোময় ৰাতি "
.............

প্ৰাণেইশ্বৰী, গাওঁখানৰ এক্‌বছেৰীয়া ছলিটোৰপে বুঢ়াটোক লেগি চৰখানৰে পানেই বাই। বয়সটোত উপৰা-উপৰিকে কেমান বাৰ হুৰকা বতাহে গতিয়ালা, কেমানবাৰ উঝটখাই বুঢ়া আঙুলি থেথেলা হ'ল, কেমানবাৰ হোলোকে হোলেকে পানী-খালা তাইৰ হেট্‌কেটকে নহ'ল। আৰু ইতা ...........

মনে হাত মেলি পাৱাৰপে পানেই বাইৰ এটাই ৰূপ খাৰগাঁঠিৰ ওপৰত পৰাকে পাতেনীখান বুকতপিন্ধি মূৰত লৱাখানেদি কঁকলত বল পাবালেগি এটা টানকে গাঁঠি দি

মাহেকে পষেকেও তেল কাকেই নেদ্‌খা ঝুনকুটা চুলিকোচাইদি চৰহাকে খোপাটো বান্ধি মনটো ভাল লাগিলি কঠন্দা, গেন্ধেই মালেতী বা ঘণ্টা জবা এটা খোপাত খোহা মাৰি লৈ তৰ তৰকে যায় আছেই পানেই বাই। লক্ষ্য- —।বাটত কোম্বা লগ পাইছি তামোল তাংখুৰ বোলেৰে কলা হেঙেৰা-হেঙেৰী দাঁতগিটা নিকতেই হাঁইছি— মাত আষাৰদিছি আকো তৰতৰকে যায় আছেই পানেই বাই। লক্ষ্য

..........

ডাঁহী গেন্নীৰ ঢেখালত উৱাহ নহৱাকে ঢেংকুৰুচ ঢেংকুৰুচ সেইটো পানেই বাই; বৰ ৰ'দ, আহুধান কেই চৰু উহেই নললি আহাৰ মেহীয়া কাঠিৰ কুকুৰ লৰবানৰা জেকজেকিয়া শঁতাত টান মাৰবু। তাতে এই ম'ৰবা নাজানা গেল্লেখীয়া ছলিৰ পালটোৰ পেও উহা নাপাই — হাত ধৰি দিছি পানেই বাই; ক'নকা খুৰীৰ তাঁতখানত দোলাকনা লাগিল আট লগেইছি পানেই বাই; মাহাজনৰ পথাৰত দুইবিঘা মাটিৰ পেয়াকদিছি ৰোৱেনীৰ লগত থাকোতা নাই পানেই বাইক মাত; আৰু আমাৰ ঘৰত ভাতৰ চৰুটোহে বাকী। গাওঁখানৰ মানুহ কেইঘৰৰ পানেই বাই নহলি হাগা মুতাও নহৱেই।..........................

'হেৰি এই ডাঙাৰ ঝিয়া ; তই বোলে ইতা কিবা ভাউৰীয়া লেখা হৈছা' — ভাদমেহীয়া পিঠি ফালা ৰ'দত পেয়াক কই আহি বোকাই পানীয়ে বহি নবকটেঙাৰ বগা বাকেলি খিনি গুচেই সুধিলা পানেই বাইয়ে। ফলফকাৰেইদি বাৰীখান আছেই যেদিও আয় অৰ্জন নাই। তামোলে-নাৰকল লাগছি কেৰ্কেটুৱাই খাই গেইছি। হাই-চুহ বেলোওতা নাই। আম-কঠল লাগছি গুৰ্খিয়া ছলিয়ে আপিস্তাৰপে ঘিস্তেইপাৰি খাইছি। তিৰী-মুনহি এটায়ো হাক নেদেই ঐইহা হিহাকে। কাঠবাজী বুলিয়ে আগবয়হটো পাৰ কৰা অধ্যাপকেনীয়ে মাঝবয়হত এটা ঝিয়াৰ ছানা পালা। নাউ থল্লা প্ৰাণেইশ্বৰী। পাছে ঝিয়াটো পিতৃ ৰেহীয়া। তাই জন্মৰপে পিতাকটোৰ আজি এটা কালি এটাকে থাকি ছয়মাহৰ ভিতৰতে একদিন কানি সাজবেলা সিফেলীয়া হ'ল। গুৰুগিয়েতিক খুৱাৱাৰ নাউত ৰোৱেতী মাটি খিনিও মন্‌ডলে হাত কৰি ললা। আৰ আধিয়া তাৰ ছিৰাকানি, আৰ পস্তা তাৰ ঝকৰা গোটেই মাকে পাণেইক ডাঙাৰ ক'ল্লা। তিনতেলেনী মাৰি সচৰকে বছৰকে খাবা নাপালিও পানেইৰ শৰীলটো ছানাৰপে লেহলহিয়া আটিল। ধুৱেনী হৱাৰ পিছত কৰপেনো তেজ-মঙহ হোপা আহি গোট খালা, তাইৰ মাগুৰ বন্নীয়া ৰংটো ঝক ঝককে ঝিল্‌কি উঠিল।

গাঁওখানৰ গণক বামুণ মানুহ কেইঘৰক বাৰ্‌হিয়া খল্লিয়ে হালবাবা হালুৱেই লাগেই। সেই বছৰ মাহাজনৰ মাঝু পুতাকে বাৰ্‌হিয়াৰ আগ ধম্‌কেনীতে গুৱেহেটীৰ পে এটা হালুৱেই আন্‌লা। বছৰ-ধন্নীয়াকে খাক্‌বু। তাৰ নাউ কিবা আছিল যেতিও তাৰ ঘৰ বোলে বৰভাগত। তাক সবখানে সেইদেখি 'বৰভেগীয়া' বুলিয়ে মাতবা ধল্লা। মান্‌হুটো উতীয়া ধিতিঙা নহয়। বনগিলাকতো কাইটং-বাইটং নাই। কথা মাতো চেৰেং-বেৰেং নহয়। সি বৰ সোনকালে মাহাজনৰ ঘৰৰ এটা হৈ পৰিল। 'মাহাজনক খন্দিকৰে পাৱেই' গাওঁখানৰ পেটকুৰুন্দীয়া মখাই বাটে-ঘাটে ফাহাফুহাকে গোলমাল কৰবা ধল্লা। সেই চিনিয়ে পানেই বায়ো মাহাজনৰ ঘৰত ভুঁই ৰোবালে সোমাল দিন হাজিৰাকে। বৰভেগীয়াই কেতাবা তাইৰ শৰীলটোক লেগি তলতলকে চাই থাকা তাই দেখা পাৱেই। দোভাত একালচৰে ভুঁইৰুই থাকিলি কঠিয়া আখা ওচৰ চপেই দিয়াৰ চেলুতে কিবা লাজ লাগা কথাগিলাও কৰেই। কাতি মালা, নন্দাপেন্নী বৌ হাতৰ আগতে মাঝে মাঝে ঝোকাৱেই। কটা নিধক! দলেনীত বেৰদি বোকাই-পানীয়ে ঝুল্লি-ঝুপুৰি হৈ আহিলি টানমাৰি খালেইটো চাৱেই। কেতাবা তাংখু একচিট্‌-কাকে লাগা হৱেই। তাকো কেচ্‌চিয়াই হাত পাতি নলৱেই চিটকা মাৰিহে ধৰেই, তাৰ মতলৱ কি আজিক লেগি তাই বুজি নাপাৱা বুলি ভাৱছি হবলে—। খংটো টিঙিচ্‌কে উঠিলিয়ে তাক এক ঝাৰণ দিবা পাৰেই। পিছে তাই সহি থাকেই। তাই গম নাপাৱাকে কোন্‌বা খিনিত ভালকে লাগেই,- - বৰভেগীয়া মান্‌হটো বৰ ভাল। কোঁহ কুহীয়া শৰীলটোৰে বহল কপলৰ গেমথিয়া গেমথি নোহোৱা মান্‌হুটোৱে যেতিয়া হাই-হুইকে নাঙালৰ মুঠিত ধৰি বলধ হালৰ পিছত ঘূৰেই, এক্‌ আঠু পানীত পৰি কঠিয়াৰ ভাৰখান লৈ গোজোং গোজোং কে যায় থাকেই। আঘান মাহা পথৰৰপে পকা ধানৰ ডাঙেৰী কঢ়াৱেই- - তাৰ গোকোন্ধা কলফুল-দেহাই তাল ধৰি নাচেই। তাই নাচাও বুলিও চাই ভাল পাৱেই।

সিনাখানে দিপেৰীয়া ছাগেলী লাৰদি যায় মিঠা আমৰ তলত ক'ন্‌কাৰ আগত চুলি কোচা মেলি দি তাই বৰভেগীয়াৰ কান্দ-কাৰখানা গিলা একফা-ফেপে কৈ গেল।

"হয়এ পাণেই, মান্নাইমাৰী বৰভেগীয়া নষ্টপৰাই তোৰ লগত পেম্‌ কচ্ছি। তোৰনো কেহিনা গিয়ান-বুদ্ধি হবো এই? পাচেতী চাবা লগ ধল্লা নেগেলি, পূজা চাবা লগ ধল্লা নেগেলি ঐ, আউলাপচু ৰাখতো নেগেলি। তইনো এমান কাঠচিতিয়ানে? মোক কলিটো হ'ল হয়!

'তোকনো পিতাৰে গেল্লেখীয়াৰ পালটো লৈ ক'ত যাবা দিলা হয়?

'এ পিতাকৰ কথা থৌদে। গৰ্‌জা দেউতাই বৰ্‌হান দিয়া দেক্‌ছা নিকি? পিতাকে মোক সেইগিলাকত হাক নেদেই নহয়! আৰু মই যাবা নল্লুয়েদে আমাৰ সৰু মাইকেতো লৈ যাবা পাল্লি হয়। তোৰ ৰাৰহেতীয়া নাকটোৱে খালা জান্‌ছা পাণেই! তয়ে ময়ে একে লগৰ, মোৰ ঝিয়াৰে ইতা লায়ক হবাৰ হ'ল আহি। তই ইতাও মুন্‌হি এটা ঘট্‌বা নল্লি। আমি দুখীয়া মান্‌হ অ, পানেই। আমাৰ নিচিনা ঝিয়াকে ভেঁট্‌ ওলাৱা হাতে সুধ্‌বা নাহেই। কঠাল কুচীয়াই সেই তেত্তেয়ে তোক লেগি কমখান পৰি মচ্ছিলনে? তই পিছে হাতঠেং নাপাতিলি। গণ্‌কৰ জাতত সদিয়া পৰি ৰবো। অধ্যাপকৰ বংশত খিয়েতী ৰবো। তোক নিবানো ইতা গণ্‌কৰ লিকিৰা কেইটা আহিল? ৰক্ষা নহৱাকে সিহাঁতৰ চুৱা ওকেটি আছা পাইছানো কি? টাউনে চহৰে বাগেৰি পঢ়িছি সিমানে অজাতিৰ ঝিয়াহে চপেই লৈছি। কোলেজত পঢ়া ঝিয়াগিটাও দেখো অজাতিক লেগিয়ে যাবা লেংকুৰী পকেই আছেই। ক'তনো সিহাঁতৰ পুৰ্‌ব-পুৰুষ মখা নৰ্‌কত পচ্ছি?"

"চাউ পানেই একেটা মাকাৰ নহলো কি হ'ল? তই মোৰ বনীৰ নিচিনা। বৰভেগীয়াৰ কথাতে তই মান্তি হ'উ। মাহাজনৰ ঘৰত থাকা আজি পাঁচ বছৰ হ'ল। ইফালৰ কুটা ডাল সিফাল কৰা নাই। স্বভাও চৰিত্ৰতো ভাল। গোৰ সদিয়াও বোলে ভাল। বাৰী ঝিয়া বিয়া কৰাওতেহে বোলে বাপক হালুৱেই হৈছিল। ই বোলে আগৰটো তিৰীৰে। সতিয়া মাকে খেদিলা বুলিনো ক'ত মাটিৰ ভাগ নাপাৱাকে থাক্‌বু? বাপেই বুলি বৰপুতাকক সোমেনীয়া ভাগ দিবা লাগ্‌বু। আৰু তইতৰ হাতগিখান কি হ'ল? কৰ্‌বি খাবি। পহিলতে দুটাপেট চলি

যাবো। পাছে পৰে গোঁহাই ইচৰে চলি পলি দিলি পেটটো দিবু যেতি দানাও যোগাৰ কৰি দিবুদে।

— ওৰে ৰাতিটো বাগাৰা-বাগেৰি কৰি তাই ক'নকাৰ কথা গিলাককে ভাবি থাকিল। অতো তাই ইতাকলেগি এটা মুন্‌হি ঘটবা ন'ল্লা। ক'ন্‌কাই চিনাজোক লাগাদি নন্দেশ্বৰৰ গাত লাগিয়ে ধল্লা। ছয়সাত খান ৰবমেলেও সিহঁাত দুটাক এৰাবা নল্লা। শেহত ভাউৰীয়া চাই আহি দোভাগ ৰাতি নন্দেশ্বৰৰ ঘৰতে তাই সুমেই থাকিল। শাহুৱাক দেওৰাক নন্দাকে কিলেই পিঠি কুঞা কল্লা। বাহেনী ঝাল্লা— তাই হেট্‌কেট্‌কে নকল্লা। শেহত তিৰী-মুন্‌হি হালক আলাগ চৰু জুব্‌বা দিলা— জুল্লা। তাৰ ফিৰি বছৰতে সৰ'মাই জন্‌মিল, সব্‌খানে চুঙাপিঠা হ'ল। ইতা সাতটা ছলিৰ মাক। ক'নকাই ভালকে কল্লা। গুৰু গিয়েতীৰ' মান্ ৰাখ্‌বা যাওঁতে তাইনো কি দাল পাইছি? একতিলপৰ বইথা নহৱাকে ঘৰে ঘৰে গেবেৰি ওকাটাওতেই আধা বয়স গেল।— অ' দুখীয়া মান্‌হুৰ ঝিয়া কোনোই সুধ্‌বা নাহেই। কঠাল কুচীয়াই বিয়া কৰাবা ওলাৱা আজি দহ বছৰ হ'ল। তাই তাক অজাতি বুলি বাচিলা। পুৰেন চেমীয়া জাতিটো কেংকে এৰি দেই। আজি দহ বছৰে তাইক নিবা এটা গণ্‌কৰ লিকিৰা নোলাল। অজাতিক যাবায় কিজেনি কপলত লেখা আছেই। বৰভেগীয়া! ৰোহ-ঠেহ নাই। পন্তাই ঝকৰাই, শাকে শুক্‌তাই যি দিছি তাকে খাইছি। 'শাকে শুক্‌তাই ভক্ষন সেই পুৰুষৰ লক্ষণ'। অ'তো সি এটা গঢ়ৰ পুৰুষ। পুৱেতনেহীয়া ৰাতিহে তাইৰ চখুহাল ঝাপ খালা।

মাঘৰ দোমাহীত একনুৱা পাবোৱাটো মাৰি তাই বৰভেগীয়াকো ভাত খাবা মাতিলা। কেইবাবাৰো ঝেনেত ঝেনেত শব্দ শুনি বাহিৰৰপে মাকে মাতদিলা "কেইবাৰনো তেলেনী মাৰা ঐ পানেই। সিখিনিপৰৰপে তোৰনো তেলেনী মাৰা হৱায়ে নাইনে?"

"ফোকৌ ফেকৌ মাৰি নাথ্‌কিবিচোন! আজি ভাত খাবা কোন আইভু তই জান্‌ছানে?" তাই মুখ ফুটেই নকলা।

মাঝে পাতলে চুন বিচাৰা চেলুত, পানী খাৱাচেলুত বা এইপিনে গৰু বিচেৰি গেইছিলো — বাৰেৰন্নীয়া সুযোগ উলেই বৰভেগীয়া পানেইৰ ঘৰত যায়। কেতাবা তাইৰ লগত চুপেতি মাৰেই বা কেতাবা মাকৰ লগত চুপেতি মাৰেই। পিছমুহূৰ্ত্ততে খেওমাৰি শাকমুঠা, ঝিকাধুন্দুলী দুটা দিয়াৰ চেলুতে ক'ন্‌কাৰ ওচৰত যায়— চব্‌কথা বাতিয়েই দি আহেই পানেই।— চখুপাৰি দেখ্‌বা নৰা মাহাজনৰ ঘৰখানক ইতা তাইৰ বৰভাল লাগেই। বৰঘন্নীৰ কেটেৰ-ঝেঙেৰ সোপা তাই তল্‌কা মাৰি শুণি ৰৱেই। আৰু বৰভেগীয়াটো ওচৰত থাকিলি তাইৰ দেহাটোত কৰপেনো বলসোপো গোট খাই আহি! দুখ ভাগাৰ একোকে নাল্‌গেই দেখো। ঘৰখানত সচৰে-বছৰে ভেটুৱা মুখত দিয়া পিঠা পুল্লি, খোলা চপেৰি পুল্লি বা হাপেনীয়া পিঠা পুল্লি বা কৰেই গুৰা খুন্দিলি তাই কাণ কাটি একভাগ থৈ দেই। মাকে কেতাবা দেখা পায় কোন মান্‌হুক লেগিনো সাচিচা বুলি কলি তাই একঘাপ ওপৰত কয়— 'মৰখখে ধচ্ছিনিকি? গোটাই হোপা একেলগে খাবা? পাছে পৰে খাবা নালগেই নিকি?" — পাছে পৰে বৰভেগীয়া আহিলি পকা ভৎথা কল এটাৰ লগত কৰেইগুৰা একবাতি, চাহ বাতিৰ লগত কলপাতত পিঠা এটা আৰু খৰমিঠেই। চাহৰ বাতিৰ প্ৰতিটো সোহাত তাইৰ শৰীলটো ঝিকেৰি মাৰি উঠেই।

সিচিনিয়ে বৈহাগৰ বিহুত বৰভেগীয়াই তাইক এটা বিলাউজ দিলা। আৰু তায়ো আত্‌বিতকে পীৰাখান আগবঢ়েই দি আলামবাচা মাঝেলী সূতাৰ মোক্‌চা এখন তাৰ হাতত দিলা আনি। লুপুতকে সেৱা এটা ক'ব্‌বা ইচ্ছা গেইছিল যেতিও সাহে-বিতে কৰবা নল্লা। ঘোঁৰা বান্ধাৰ দেউল চাবা যাবা বৰভেগীয়াই তাইক লগ ধল্লা। ফুটা কপল বেব্‌হেপ পুৱাই তাইৰ লাৰবা নৰা হ'ল। সি পিছে দেউলৰপে ডাঁহীগেঞা বনিয়াই গঢ়াৱা বন্দুকৰ টোটাৰ বালা দুইপাত আৰু আঙ্‌ঠি এটা আনি ফিৰকিদিনা আলগৰপে তাইৰ হাতত দিলা। ঝিলপি একপোৱামানো মাকৰ হাতত দিলা।

—'ইত্তেয়ে এমানখিনি— সোচায়ে বৰ-ভেগীয়া বৰ ভাল। — তাই নিতাল মাৰি বহি ৰল।

বৰভেগীয়াই বহুত দিন কলা-- তাই মাহাজনৰ ঘৰত তাৰ তাত যাচি খাবা লাগেই। তাৰ পিছৰ খিনি সি চত্তেলবু। তাই কোনোপধ্যে সৈমান নহ'ল — "মাহাজনৰ ঘৰত গোবেৰী খাটিখায় আছো হয়, সেইবুলি বৰভেগীয়াক লেগি যায় মাহাজনৰ বাহী চোতাল সাব্‌বা কিহৰ গৰজ পচ্ছি! বৰঘ'ন্নী যিহে পাতেনী খানো ধোবা দিয়া হবো। বৰভেগীয়াৰ লগত লেটিপেটি বুলি জান্‌বা পাৰি ইত্তেইৰপে দুইটাকে কেটেৰ-ঝেঙেৰ কব্‌বা ধচ্ছি। পিছক লেগি কি সাহ কব্‌বা পাৰি। আৰু সৰ'ঘন্নী ঘনেকপতি চাকৰ চাকৰ —। দৰকাৰ হলি এংকে থাকিম।"

'মাহাজননো ক'ত কাবাৰ কোম্বা?'

'কাবাৰ কোম্বা নহৈ ক'তনো আইৰ পুতাক ভাই?

'তোৰ এই স্বভাওতেই এংকে দঙুৱা ভাত খাই মৰি আছা— আজিকলেগি।' —ক'নকাই উভাট-ভাটকে একৰখলা বুল্লা। তাই পিছে যি গোজ পুতি ললা, ললায়ে।

ক'ন্‌কাই জান্‌বা নল্লিও আগবতেৰীয়াকে গোলমাল কৰা আছিল। সৰ'মাইক লৈ আগেবেলাতে ক'ন্‌কাৰ বৈনাকৰ ঘৰৰ লগতে শিলৰ খুটিৰ বুৰাগোঁহাইৰ দেউল চাবা গেল পানেই। ভাঠিবেলা দেউলখোলাতে লাগদিলা বৰভেগীয়াই। সৰ'মাইৰ মাহুৱাকে ব'ক্কে থাক্‌বা ধৰাতো 'মস্কিল হৱাৰ যোবা গাঁওৰ মান্‌হু আইছিয়ে যাবা পাৰিম দে' বুলি তাই বৰভেগীয়াৰ লগ লাগিল। সৰ'মাইক মাহুৱাকে বাতিখান আইভা নেদিলা-- কোম্বাদিনা মোহাকে থৰো নি। তাতে বব্‌হানো আন্‌ছি।

পানেইৰ মনটো উচল-পাচল। বব্‌হান ঝাকে মাঝ বাটতে পালা। এক্কেবাৰে কলহৰ কানে ঢাল্‌চি, হুৰকাৰতাহ চাটিয়ে একোবাৰ উৰেই নেও উৰেই নেও কৰেই, কান তাল মাৰি ধৰা ধেৰকেনী, চখু চাতমাৰি ধৰা খাৰ ঝিলকেণী -- ঘিট্-পল্লয় আন্ধাৰত ঘিদৌমিদৌকে দু-টায়ে ঝোটাপোটা কৰি খাৰ ঝিলকেণীৰ পোহৰত ঘুমাবাৰ পৰত ঘৰ পালা আহি। হৰকলাৰ মুখত ভৰি থওতেহে তাইৰ হদ আহিল। তাইৰ কাণত বাজি উঠিল মাষ্টৰৰ মাঝু পুতাকৰ বিয়াত কইনা আহি যাত্ৰা কলপুলিৰ তল পাওঁতে ঘুমেতীয়া গাইদিয়ে তাই গল ফালি গাইছিল — আগবঢ়াবলৈ মৈবাৰ বিচেনী, ভৰিধুৱাবলৈ পানী ..............।' বৰভেগীয়াই কিৰা বুজি পালা। ভিজা চাদৰ খানেদি তাইৰ মূৰত ওৰহেনি টানি দিলা।

'তই নাহা বুলিহে ভাব্‌ছিলো — এই ডবাপিতা বব্‌হানত। মই সাজতে দিপেৰীয়াৰ ভাতগিতা খাই শেতেলীত প'চ্ছো। চখুইদিও মন্‌বা নৰো। ভাত খা যেদি ৰান্ধবা লাগবু' -- হিহেনীয়া মাকে শেতেলীতে ইকাতি সিকাতিকে বাগেৰি কলা।

'ভোখ লাগা নাই, ভাত খাওঁতে

বেলাগেইছি' — বৰভেগীয়াই শিখেই দিয়া মতে তাই কলা।

'তই ঘুমাৱাখিনিতে হিলহিলকে উৰহিছিয়েই পানেই। বাৰহিয়াটো থাক্‌বাই নৰা যাবো। খোহাকেইটামান দিবা বৰভেগীয়াকে মাতবিচোন।'

'মোক লেগি ভাব্‌বা নালগেই দে চোন। দিনটো উহেনি ধৰি আছেই, মৈঝাতে ঢাৰাখান পাৰি থাকিম।''

●

হয়নে অ ডাঙাৰ ছলি বৰভেগীয়াবোলে পানেইৰ তাত চাপেনীয়া সুমাল?'' — হাউলীগেন্নীৰ কথাষাৰে ফজিৰ পুৱাতে গাওঁখান ৰৌজাল পিতি গেল। 'হয়নে অ' বাপধনৰ মাক' 'ঐ আই আহাছেদী তাইনো—' 'আউলাপচু তাইনো' — এটা দুটাকে গাওঁখানৰ গোটাইকৃখান অধ্যাপকেনী বুৰীৰ চোতালভৰি পৰিল। কোম্বাই কলা —

'পানেয়ে বৰভেগীয়াক কাহালেই কুহলেই হাত ক'ল্লা।

'নহয়েই বাই, তাই সেনে বিধৰ ঝিয়া হলি কঠলকুচীয়াৰ লগতে পলেইগেল হয়'। ই কেচ্‌চিয়াই আবেৰী ঝিয়াটোপাই দাৰু কৰি ভুলালা। সাথেয়াৰ বৈদৰ ঘৰত মণিয়াৰ বাক্‌কে তাক কেইবাদিনো লগ পাইছি বোলে।'

হেনেতে নাকৰ আগকলেগি ওৰহেনি টানি পানেই ঘৰৰ বাজ হল।

'হয় এ বাপেৰ-মাৰেৰ গাৰীভোজ খাইতি, অধ্যাপকৰ বংশত জুই লগাবাহে তই নমৰি আছিলি। এমান যেতি মুনহি ঘট্‌বা হুতাহ লাগ্‌ছি জাত-জাতিয়কৰ মুনহি এটা চপেই নললি কিয়া ঐ টাঙান মান্নাই মাৰী।'

'মই আববচৰা বাব্‌হিয়া ভূঁই ৰোওতেই কথাটো তত কৰচু। মাঝপথৰত বেটী নাটেশ্বৰীৰ কি খ'চ্চা খুন্দা হাঁহি। ঝোকোৱা ঝুকি! বেটীৰ হনহ-ফনহ দিনক দিনে চৰহা হৈ যায়হে আছেই। হয়নে অ মৰ্‌বা নাযানি ইতাগাটো জুৰ পচ্ছিনে? তই বেটী গাওঁখানক লেগি খিয়েতি আনলি। হালুৱেই চপেই। গণকৰ ঘৰত চাকৰ ভেন্নীয়া এটা থাক্‌বা নৰা হ'ল।''-

'হয়নে অ খ'ৰেনী বুঢ়মাই তই এংকে যি গল ফালি মচ্ছা নিজক লেগি চাউচোন তোৰ মাঝু ঝিয়েৰে দেখো গোৰসদিয়া নহৱা মাষ্টৰৰ লগত গেল। থাকা গিতাৰো গুপুনী লীলা গম নাপাও বুলি ভাৱচা? তই বাৰী হৱাৰ পিছত কেইটা বৈদৰ ঠেঙত পচ্ছা আমি জানো নাযানোহে। আৰু বৰ গুণেশ্বৰ পুতেৰেও দেখো গোৰাগোষ্ঠী নহৱা জাতৰ ঝিয়াৰ ঘৰতহে ঢোকা আছেই। অ' চহৰত আছেই কোম্বে তই চিলচিলিয়া। — গণ্‌কৰ মুনহি তাই নঘট্‌লা — গণকৰ লিকিৰা মখাৰ ভেঁট্ ওলচি নিকি — পানেইক দেখা নাপাৱেই। নেমৰি সাং হ'ল? অ' ইতা বৰভেগীয়াক লেগি তাই সুমাওতে তইঁতে সইভা পাৰা নাই। পোৰেণি উঠ্‌ছি। ক'নুকাৰ উভাট ভাৰ বকেনীত খৰেনী বুৰ্‌মাইকে ধৰি এটা এটাকে গোটাইখান চুৰ চুৰ কে অন্তৰ হৈ গেল। এই ক'নকাৰ মুখ জুয়েও নোপোৰেই।

গোঁহাই ঘৰত গামবুৰাই তিন চাৰখান মেজ গোটালা। পানেইৰ ঘৰখানক বদুৱা কল্লা। হালখাহী মাৰি ভোজ দিলি গাওঁৰ বিয়াই-সবাহে যাবা পাব্‌বু। লগত খাবা নৰেই।

'হয়েই পানেই তইঁতহাল মল্লি ছলি পলিয়ে হালখাহী মাৰি ভোজ দিবু যা। খাহীৰ তেল খাবা পালিয়ে তইঁত ভাল হবি। থৈ দি মেলেকীৰ ফোচোঙোত কথা। ভোজ দিয়া টকা গিতাইদি গিৰি ঘৰৰ বয়-বস্তু গোটউ। তেত্তেইহে তোৰ গিৰস্থী চলবু।' — ক'নুকাৰ এটা কথাও দলেই পেলৱা নৰি। বিয়াৰ ভোজ দিবা নৰা দেখি ক'নুকাহাঁতো এক ঘৰীয়া। ক'নুকা আৰু নন্দেশ্বৰ আছেই যেদি কিহৰ ভয়? অধ্যাপকেনী বুঢ়ী নিতাল মাৰি ৰ'ল। পেট্টৰ পোকা দলেই পেলবাটো নৰি। বাৰহিয়াৰ আগে আগে বুৰী একদিন সিফেলীয়া হ'ল। ক'ফৰ হেঁচাত। তাতে গাওঁৰ পেট কুৰুন্দীয়া মখাই বুঢ়ীক বৰকে খুলি খালা। নন্দেশ্বৰহঁাত শংকৰী। ক'নুকাৰ কথামতে পানেই হাতো শংকৰী হ'ল। বুৰীৰ কাম শংকৰী মতেই কল্লা। টকা পইছা খৰচ নহ'ল। বাব্‌হিয়া তিৰিমুনহি দুটায়ে মাহাজনৰ ঘৰত বন কৰ্‌বা সুমাল। সেই বাব্‌হিয়ায়ে একদিন গাটো ঘেলৌ মেলৌ লাগাত পানেই ভূঁইৰোবা নেগেল। বৰভেগীয়াও সোনকালে হাল মেলি অহিল। ক'নুকা আহিল।

●

চখুইদি ধোঁৱা দেখ্‌ছু। মূৰটো ঘূৰেইছি। বাতিয়েইচোওঁ''

'গা ধুইছানে নাই'

'দোমাহীৰ ওচব্‌তে ধোবা লাগ্‌ছিল'

'মান্নাই মাৰী, তোৰ গা-বন্ধন হৈছি। ঐ বৰভেগীয়া নষ্টপৰা কত টুল্‌কা মাৰি আছা। বাপেকী হবি — তাই আৰু নৰ্ল।

'পহিলা ছলি বাপেকৰ ভিঠিত উপেজৱা লাগেই। পূজাটো পাৰ হলিয়ে যেংকে-তেংকে বৰভাগক যাবা লাগবু। গা-খালাচ হৱাৰ পিছত দৰ্‌কাৰ হলি গুচি আহিম' — তাই বৰভেগীয়াৰ ওচৰত মোৰকেনি পিতিলা।

'হবোদে কিবা এটা। পিছে আমাৰ ছলিটো ঝিয়া হবোনে লিকিৰা হবো।

'মই কেংকে কওঁ'

'লিকিৰা হবো তই চাই থাক্‌বি'

'ঝিয়া হলিও লিকিৰা হলিও প্ৰভু ইচবৰ পহিলা কৃপা, হাত পাতি লবাই লাগবু।

'গাত লেঠা থাকিলি পূজা চাবা যাবা নৰি' ক'নুকাই কলা।

●

পূজাৰ পাছতে নন্দেই ক'নকাক গিৰিঘৰ গটেই দি সিহঁাত দুটা বৰভাগক লেগি যাবা ওলাল। ঝিয়া দিনতে ক'ন্‌কা আৰু তাই ৰঙা মাব্‌চাজৰ কাপোৰ দুইযোৰ লগেছিল বৰহুতাহ কৰি। ক'ন্‌কাৰ যোৰত নীলা বানি বুই বগা সুতাইদি বুটা তুলছিল ছলিৰ গু-মুতত পচিল। তাইৰ যোৰত ৰঙা বানিৰে হালধিয়া বুটা তুল্‌ছিল। আজিকলেগি গাত সুমাৱা নাই। শহুৰৰ ঘৰক কইনা যাবো যেতি ......।

'কাপোৰ যোৰেইদি তোক বৰ চিকন দেখা হৈছি এই পানেই' — ক'নুকাই কলা।

সিহঁাত যাবা ওলাওতে গাওঁখানৰ গোটাইমখা মানুহই উবুৰি খাই পৰিল তাইৰ চোতালত। তাইৰ আজিহে ক'ইনা কইনা লাগছি। গাওঁখান এৰি কেংকে যায় ইতা কবাক। হাজাৰ হলিওঁ উপ্‌জা গাওঁৰ মোহ। আৰু কন্‌কাক এৰিনো তাই কেংকে থাক্‌বু! ক'ন্‌কাৰ গলত সাৱতা মাৰি ধৰি তাই একসোতা কান্দিলা। খৰেনী বুৰমাইহঁাতেও কান্দিলা।

বৰভেগীয়াৰ লগত পানেই শহুৰি খট্‌বা গেল।

●

পাঁষেক মানৰ পাছতে গুৱেহেটীৰ কলেজত পঢ়ি থাকা হৰেন কাকাৰ লগত পানেই বাই গাওঁক লেগি ফিৰি আহিল। হৰেন কাকাৰ মাকে আচৰিত হৈ বাইক কিবা সুধ্‌বা খোজাওতেই হৰেন কাকাই হাক দি চাহ-ভাত দিবা দিলা। মাকে কথা মতে ক'ল্লা। পিছত কাকাই কলা সিহঁাত দুয়োটায়ে

বৰভাগক গেইছিল হয় সতিয়া মাকে এটাকো হৰকলাৰ ভিতৰ হবা নেদিলা। পিতাকে ঘ'ন্নাকৰ ভয়তে কানকাপুৰীয়া দি থাকিল। ওচৰে পাজৰে কুৰ্মাৰ ঘৰত কেইদিন মান থাকি ইয়াক লেগি আহো বুলি গুৱেহেটী পালা। গাড়ীৰপে নামি তই একতিল পৰ এইখিনতে বৌচোন, মই পত্কে পেছাপ কৰি আহো।' বুলি সি নহৱা হ'ল। তাই তাতেই তিনদিন বৰভেগীয়া আইভু আইভু বুলি কান্দি-কাটি বৈ থাকিল। সি নাহিল। ৰাতিপুৱা বন্ধু এটাক গাড়ীত তুলি দিবা আহি কাকাই লগ পালা বাইক। কথাগিলা জান্‌বা পাৰি মেচত ভাত পানী খুৱেই ইতা থবা আন্‌চি।

'হয়ে নাটেশ্বৰী পটেশ্বৰী হৱা হ'ল? বাইৰফুটা কপলৰ বাতেৰি পাই গাঁৱৰ সাত শতকুই দাঁত চেলেই হাঁহিলা, তপিলাত চাপিৰেই হাঁহিলা, কতই মুখত হাঁয়ে বিঁয়েকে দুখ ক'ল্লা বাই নিতাল মাৰি থাকিল।

'কনা বিধিয়ে দুখীয়াৰ কপলত সুখ নেল্‌খেই অ' পানেই। বেজাৰ নকৰবি। বৰভেগীয়া নহলিও পেটৰটো আছেই নহয়'-- ক'ন্‌কাই কলা।

পানেই আগৰ নিচিনা হৈ পৰিল। ই ঘৰত সি ঘৰত বন কৰেই ভাত চাহ খাই। কোম্বাই মনেজানি দুই চাৰ টকা দেই লৈ আহেই। আজেৰি পালি ক'ন্‌কাৰ লগত দুখ-সুখৰ কথা পাতেই। তাই বহুত দিন সৰেই লগেই মৰ্‌বা ওলেইছি। নাই, আজিক পতি পাবা নই। পেটৰ ছানাটো ....। বৰভেগীয়া ক'ক ' গেল? সিটো সেনে বিধৰ মান্‌হু নাছিল, নে ক'ন্‌কাই কৱাৰ নিচিনাকে বৈইভা পাল্লি ঘুমাবা বিচাৰা। নাই সি তেনে ঠগ বাজিৰ মুন্‌হি নহয়। যি যেংকে তেংকে এক দিন তাইক বিচেৰী আইভু। য'তে নাথকক কিয়া সি কুশালে থাকক। তাই ৰাইজৰ গোঁহাই ঘৰত দীঘাল দি সেঁৱা কৰেই। বুঢ়াগোঁহাইক গেলি কল একথোকে নৈবদ এখান আগবঢ়ৱেই কালীমাইৰ থানকলেগি ক'লা পাৰোৱা একযোৰ আগবঢ়াৱেই।

পাঁচনেহীয়া ৰাতিৰপে তাইৰ গাটো বেয়া। পুৱা ক'ন্‌কা আহিল।

'ভয় কৰ্‌বা নালাগেইদে। তোৰ গা লক্ষি। এংকে মই সাত্‌টাৰ মাক হলো। যেত্তেই ছলিটো কোলাত লবি চব্ পাহেৰি যাবি। ইচৰে ভালে-কুশলে গাটো খালাচ কৰক।''-- গাওঁৰ বুৰী-বৰীৰে ঘৰখান ভৰি পৰিল। একদিন দুইদিনকে তিনদিনত পৰিল আহি। 'মুন্‌হি মৰেই ৰণত, তিৰী মৰেই পিয়ানত' মাকে কেহুম্বায়ে কৱা কথা আষাৰে পানেইৰ বুকখান কঁপেই দেই যেতিও ক'নকাৰ কথাখিনিয়ে সাহ গোটাৱেই। বৈইদ বেজৰ পানী ঝাৰা, জাবঝাৰা একোৰেই ফইদিয়া নাই। 'একালচৰে পৰি থাকোতে অখিষ্টই হাত কছি; 'নহয়েই শাহানশেলীয়াই লডিচি'; 'হয়ে ঐ আই সাজলবেলা থেকেৰাবাৰী, মানেই ঘাটৰপে একালচৰে গদৌকাই দি আহোতে অখিষ্টই হাত ক'ল্লা ঝিয়াটোক। কেমানদিন কলো সেইতু বাটেইদি এই সোময়ত আহ-যাহ নকৰবি। পিছে ক'ত আমাৰ কথা শুনেই।'' -- বৈইদে ঝাৰি ফুকি বহুত দিলা একো নাই। নিমখৰ চুঙা, হালধিৰ চুঙা, চালৰ কৱা, কলহ-ভেটুৱা চব্খানকে চালা -- কতো ভুলতো সোপদি থৱা নাই।

'তোৰ কিবা হুতাহ লাগি আছিল বাঐ পানেই'-- খ'ৰেনী বুঢ়মায়ে মাত দিলা--।

'পদধ্নিনা দিপেৰীয়া ভেটুৱাত জীয়েই থৱা গৰেই পিপিলা গিতা পুৰি খচ্ছায়ে জিৰা-ঝালুকেইদি পিত্কি পন্তাগিতা খাম বুলি ভাবছিলো।'

পত্খান্‌ত্তে পন্তা গৰেইপোৰা খ'চ্ছা জিৰাঝালুক হাজিৰ হ'ল। দেহাৰ আত্তেনিত দুইকি এক গৰাহ তাই গিল্লা। নাই একো নাই। পাছ দিনাৰ দিনা পুৱে বগাদাৰ দিওতে -- 'লিকিৰাৰ ছানা অ পানেই' -- ক'ন্‌কাৰ মাতত গোটাই মখাই চক্খাই উঠিল। পিছে ছলি হেট্‌কেট্‌কে কৰা নাই। মৰা নে জীয়া-- কোম্বাই বেৰাত কুবালা, কোম্বাই কাঁহৰ বাতি বজালা-- চলিৰ তোহা-তোহা মাতত চব্খানৰে মুখ পোহৰ হ'ল।

পাঁচ দিনিয়া ঝুঝত পানেই আবৌ মৰা লাগ্চি। দেহাৰ সদঙা এৰি শেহপেলেং দি পচ্ছি। নাই কাটা, ঝালুক চোবাৱা ক'নকায়ে ক'ল্লা। ক'ন্‌কাক বাদে চব্খানে ঘৰা ঘৰি গেল। ক'ন্‌কাই কৱায়ে সোচা। লঠ্লঠ্ কৰেই লিকিৰাৰ ছানাটো দেখি তাইৰ গাত বল আহিল।

'বৰভেগীয়া নাথ্কিল কি হ'ল? মাহেকীয়া আহুজটো গেলি আখাৱা খান কৰি নাউটো থবা লাগবু। মাকগটী লিকিৰা লায়কৰ ছলি হবো অ পানেই।' তাইৰ মনৰ কথা কিটাকে ক'ন্‌কাই সৰবজানৰ নিচিনাকেহে জানো কৈ আছেই।

দিপেৰীয়া ভাত খাই তামোল পাগুলেই খ'ৰেনী বুৰ্‌মাই বইছি আহি। ক'ন্‌কা আছেয়ে। সৰ'মাইয়ে হাইহাল খান আগুৰবা পাবা হৱাৰপে তাইৰ চিন্তা নাই।

'চাউচোন এই ক'ন্‌কা ছলিটো দেখো একবাৰ ক'লা একবাৰ ৰঙা হালধিয়া--'

'হয়ে চোন'

'উৱাহটো চাউচোন'

পানেয়ে চালা --'

'মই হদ পাৱা নাইয়েই বুৰ্‌মাই অ ক'ন্‌কা--'

ক'ন্‌কায়ো চালা। নাই উৱাহ গেল--'

'গদৌকাৰ শাহানশেলীয়াই ধৰাটোৱে সোচা--' খ'ৰেনী বুৰ্‌মায়ে কলা। আহুজীয়া চলিটো সাৰতা মাৰি ধৰি তাই এক সোতা কান্দিলা।

দেশাটোত বল-শক্তি পাওঁতে তাইৰ কেইমাহ মান সোময় লগা। ক'ন্‌কায়ে আলপাচন ধৰি থাকিল। তাই আকে পানেই বাই হ'ল। গাওঁত বিয়া সবাহ-ভাওনা গুপুনি তোলেনী বিয়া, পোহন বিয়া, জেউৰীয়া খুৱাৱা ওলেলি তাইৰ গাটো হেমপোৰোচ্কে উঠেই। গুৱেহেটীক লেগি কোম্বাগেলি বৰভেগীয়াক দেখেই নিকি চাবা দেই, হৰেন কাকা আহিলিও বাতেৰি লৱেই। ভগৱান কনাহেনে কলাহে, দেখিও নেদ্খেই নে শুনিও নুশুনেই, নে মৰ-ঘুমেত্তিত পৰি হে আছেই তাই ধৰ্‌বা নৰেই। সোমায় যাৱাৰ লগেলগে তাই বৰ ভেগীয়াৰ নাউত মুখ বেক্তেই থুং কুৰেই দিলা। কাপোৰ বোওতে সুতা চিঙেই দেখি আঙ্ঠিটো সোলকেই থওতে কঁবাত হৰাল, হাপেনীয়া পিঠা পোৰোতে পিতালৰ বালাপাত তপতহৈ হাতখান দাকেই সোলকেই থলা চৌকাৰ উপৰত, পিন্ধিবা পাহেৰি উঠি আহিল-- পিছদিনা হৰেন কাকাৰ মাকৰপে দুইপাত খুজি আনি পিন্ধিলা। সিন্দুৰৰ ফোটাটো দগ্মগ্কে লৈ আছিল যেতিও ইতা সোময়ে নাই তেল-সিন্দুৰ লবা। সেইগিলা বাহাদুৰি কৰ্‌বা পাহাৰাও হ'ল(?)। সিন্দুৰৰ টেমা আৰু আইনা খানে চালপাচেনীত ঠাই ললা।

গাওঁখানৰ চব্ মান্‌হুই তাইৰ দুখৰ ভাগলবা যায়যেতিও ক'ন্‌কাক বাদে কাকো ভাগ নেদেই। চব্খানে কটি মূৰৰ চিন নহৱা দঙুৱা সাপ। দোভাগৰতি তাইৰ ঘৰৰ দুৱাৰত

কোম্বাই হেচেই আহি। তাইৰ ভয় লাগেই। বাপেকৰ দিনৰ দীঘল নেলীয়া দাখানত খামছামাৰি ধৰি প্ৰভু ইচ্‌ৰক সোঁমেৰি, চখুৰ টিপ নামাৰাকে ৰাতিটো কটাৱেই। একদিন নন্দেশ্বৰ ক'নকাক কলা।

'তয়ো আবেৰী, চিঙাপাতেনী গলত আলেই দি বুটি বাহেনী ঝাৰবা নৰা'– ক'নকাই

একদিন থেকেৰা বেন্নীয়ে কলা —

'তই যেদি মন কৰা আমাৰ ছানামোমাৰ তাত তই ধেমেনী চাপবা পাৰা। চাত্তা ছলিৰ বাপেকহে। এংকে জীও টোপোলা বান্ধি থাকাতকে তাৰ তাকে যা। গিবিঘৰো ৰাম ৰামি– ছলিগিতাক সামেৰি ৰাখিলিয়ে হবো,"

'একবাৰ মুনহি ঘটিয়ে যি হোপাআপেলি কেইদিন ৰাখা দেখিম নহয়। তেত্তেই অপয়হ হবো গাওঁখানৰ দেখবি লিকিবা গিতাক" – - থেকেৰা বেন্নী উঠি গেল।

সোচায় গাওঁখানৰ কেৰেখীয়া মখাক মাক-বাপকে আলু খায়ে তুলচি নে কচুখায়ে তুলচি। সিহঁতৰ তাপাত থাকায়ে টান হৈচ্ছি। বাঘৰ আগতেল খাৱাহাতে পানেইক দেখিলিয়েই



কলা।

দুৱাৰ হেচো বন্ধ নহল। তাই ক'নকা হাতক আকো কলা।

'হয়েই পানেই দীঘল নেলীয়া দাখান কাকেৰেক আনি দিছো ধৰেই দেক। ৰাতি দুৱাৰ হেচিলি লাহেকে খুলি গলত পৰাকে ঘা মাৰি দিবি। কোন চোৰ ধৰা পৰবু নহয়।"

ক'নকাৰ কথামতে নন্দেশ্বৰক তাই দা-খান দিলা আনি। সি চিক্‌চিকিয়াকে ধৰেই দিলা। দুৱাৰ হেচো বন্ধ হল।

গেল, সেই হোপায়ে কুলেইচি আৰু মুনহি ঘটি গিৰি পাতৃবা নাযাৱেই বৌ। সেইগিলা অদ্‌কা কথাৰ চাউলচোৱেই নাথকিবিয়েই আই। কেত্তাবা কিবা ঝমক উঠি থাকৃবু আদাৰ ঝাল-পস্তাত গুচাম-- তেত্তেই মোকেহে দুখিবি,"– তাই বেকবেকেই উঠিল।

'হয়নে অ' তোৰ ভালক লেগিহে কৈছোঁ। গাওঁখানত যিহে আই-বাই নামানা চেঙেৰা মখা গজগৰ্জীয়া দি উঠ্‌ছি সিহাতৰ হৈদ্দাপত ইত্তেয়ে থকৃবা নৰা হৈছি। দুৱাৰত দাংদি

সুৰ লগাই ভাউটি দি গাই—

*প্ৰাণেইচৰী বাই চাউলিয়া পিঠা খাই–*
*গিৰিয়াকৰ কান্ধত উঠি দেউল চাবা যায়।*
*দেউলৰপে কি আনলা?*
*বৰভেগীয়াক পিঠিত তুলি ঘৰ সুমালা।*
বা
*প্ৰাণেইচৰী বাই চাউলিয়া পিঠা খাই–*
*গিবাকোৰ কান্ধোত উঠি শহুৰি খাটবা যায়।*
*শাহুই বোলে ক'লা ঔহ্ বগা ঔহ্*
*ঔহ্ পখাৰা ঔহ্,*

*বৰভেগীয়া প্ৰাণেইচৰীক হৰকলাৰ*
*বাহিৰ কৰি থৌ।*
*শেনটো হৈ যায় ফেঁচাটো হৈ ঘু'ল্লা,*
*গুৱেহেটী চহৰত কনা-কনি হৈ ফুলা।*

কোনে শিখালা এইহোপা ইহঁতক! বাইৰ খং টিঙচি-বিঙচি উঠেই। 'হয়ে অ চুৱা খাৱা হাত বাঘৰ নেঙুৰেইদি কান খুজাবা আইছা! মাৰেক চিনি পাৱা নাই। নেগেলিনে অ পোত্‌খোৱা হাত, ঐ টাঙান মান্নাই মাবা হাত, মৰবা লেগি হাথ-ঠেং আছেৰি লৈছা–' তাই উভট্ নাঙেলী মাৰি যিমানে বকেই সিমানে সিহঁাত এক্‌দোপ চৰ্‌হা হৱেই।

বাইৰ বাৰীখান নৱক টেঙা, সঁফিৰাম, কৰ্দ্দেই, জলপেই লেটুক, পৈনাল, আম-কঠল, জামেইদি ভৰা। বাইৰ বাৰীৰ ফল-ফকৰ চোৰ কৰি নাখালি ছলি মখাৰ খখ নপলাৱেই আৰু চোৰ কৰবা যাওঁতেই বছৰটোৰ গোটেই গিতা মাহতে বাইৰ মুখেইদি আখই ফুটা দি ফুটেই –

'প'কবা নেদা কিয়া ঐ মৰখখে ধৰাহাত। খলহিয়া ভূতে ধচ্ছি নিকি এই টাঙান মান্নাই মাবাহাত। নে পেটত বীৰা সুমেইছি। এই শগুনৰ বুকত যাৱাহাতৰ হাতত একো এটা থাক্‌বা নৱা হ'ল। — 'বাইৰ খং তোলাটো সিহঁাতৰ এটা তাম্‌চা।

মই বোলে বাইৰ ছলিটোৰ লগৰে। বায়ে মোক বৰ ভাল পাৱেই। গাৱৰ চেলেইপাঠীয়া মখাৰ লগত মই বোলে নিমিলো। মই বোলে বৰ লায়কৰ ঝিয়া। হৰেন কাকাকো ভাল পাৱেই। সিও শান্ত-শিষ্ট বোলে। তাতে সিয়ে বাইক গুৱেহেটীৰপে আনি যি উপ্‌কাৰ ক'ল্লা তাই পাহেৰবা নৰেই আৰু ভাল পাৱেই হৰেন কাকাৰ ভায়াক নৰেনক। শান্ত শিষ্ট লিকিৰাটোই বাইক নোঝোকাৱেই। কেৰ্কেটুৱা-বাদুলী চেক্‌চেকীয়া আৰু অঘাইটং ছলি পালটোৰ লগত ৰণ কৰি যি গিতা ফল-ফকৰ ৰৱেই আমাক আনি দেই। কেতাবা ছলি মখাৰ অতপলিৰ কথা আমাক সাখিৱাৱেই

চাউ চো এই আই, মোৰ কপলত যি হবা লাগা আছিল সি হৈ গেল। ইতা সেইগিলা আওৰেই কিয়া মোৰ সুখাৱা ঘা খোচেৰি কলাখাৰ দেই, চাউ চো। মইতো সিহঁাতৰ বুকত পীৰা পাৰি খাৱা নাই। সিহঁাতৰ পানীখাৱা পুখুৰীততো বিহ ঢাল্‌ৱা যাৱা নাই-—''।

হৰেন কাকাই বিয়া-বাৰু কৰেই চাকেৰি কৰি গুৱেহেটীতে থাকেই তিৰী-ছলিৰে সতে। মাটি কিনি ঘৰ এটাও বান্ধছি বোলে। পাছ বছৰমান আগৰ কথা। নৰেন হৰেন কাকাৰ তাৰপে আহি মোক কলা –

'হৰেন কাকা আৰু মই ইনাখান বৰভেগীয়াক লগ পাইছিলোঁ।

'ক'ত ? তই কেংকে চিনি পালি?'

'মই তাক দেখা মনত নপৰেই। সি থাকোতে বোলে মই তিন বছেৰীয়াহে আছিলো। সি হৰেন কাকাক দেখা পায়ে চিন পাইছি। সি তাৰ কথা গিলা কলা।'

'তই লৈ নাহিলি কিয়া? সি কি কলা তইঁতক?'

'সি আইভা নৰেই। তাৰ তিৰী-ছলি আছেই। মাহাজনোৰ ঘৰক আহাৰ আগেই সি এটা ঝিয়া বদনামি ক'চ্ছিল। বদনামৰপে সাৰ্‌বা লেগি বাপকে তাক পলুৱাই খেদেইছিল। ঝিয়াক লৈ বোলে তাৰ সৰুৰপে কেলেংকাৰী। ঝিয়াটোৰ গাওঁৰ লিকিৰামখা বোলে জাঙুৰ খাই আছিল– হয় তাক মাৰবু, নহয় ছলি-মাকাৰ দায়িত্ব লবা লাগ্‌বু। বাইক লৈ সি যেত্তেই ঘৰ চাপিলা, সতিয়া মাকে ঘৰ সুম্‌বা নেদিলা। সি ঘৰ চাপা গমপালিয়ে তাক মাৰেই নে তিৰী-ছলি আলেই দেই ঠিক নাই। তাৰ বাপেকে বাৰী তিৰী আনা নাছিল, সি আন্‌বা খোজা ঝিয়াটোহে নীহ কুলীয়াবাৰী আছিল। তাতে সি ঘৰ চাপিলি, খেলে ঘৰখন আলাগ কৰাৰ কথা।'

'সিনাখান সি পেছাপ ক'ৰবা যাৱাটো সোঁচা। পাছে সেই খিন্‌তে ঝিয়াটোৰ কাকিয়াকৰ সমুখত পৰিল। লগে লগে তাক ধৰি বান্ধি নি ছলিয়ে-মাকাই গতেই দিলা। সি ইতাও বৰ ভাগতে থাকেই। ছলি পাঁচটা বোলে। সি ইয়াক লেগি আইভা খোজেই, পিছে তাতে কোম্বাই জান্‌বা পাল্লিয়ে তাক বোলে জীৱে মাৰবু। বাইৰ কথাও সুধ্‌ছিল। মই চৰ কৈছোঁ। সি পুৰুতকে কেতাবা আইভাও পাৰেই।''

'সি আহিলিও আইভুদে। বাইক একো নকৰি– বেজাৰ পাবো। অইনকো নকৰি। যিহে লাউপাত-কছুপাত তিৰীৰ মুখ।''

'তই যেদি আকো তাক লাগ-পা আইভা নাল্‌গেই বুলি কৰিয়েই বাপা।'—

বাইৰ মাতত আমি ডেক্'কী খাই উঠিলো। গোবাৰৰ খদাটো কাষত লৈ তাতি বেৰাৰ সিফালে থিয়া হৈ বায়ে কথাবোৰ শুনি আছেই আমি গমকে নপাও।

'সি ইতা আহি যাৱা দিনাগিটা ঘূৰেই আন্‌বা নৰেই নহয়। মোৰ যাৱা দুখখিনিও সি ইতা আহি সুখ কৰবা নৰেই। এই বুঢ়া বয়হত মুন্‌হি ঘটি কি কৰিম? ডাঙাৰ ঝিয়া তইঁত দুটাই মোৰ কথা এটা ৰাখ্‌বা লাগ্‌বু।'

'তাৰ আৰু এটা তিৰী থাকা কথা আনক নকৰি। আনকি ক'ন্‌কাকো —' বাই গোবাৰৰ খদাটোলৈ অন্তৰ হৈ গেইছিল।

●

আঁতিয়াজ খোৱাৰ কথা। তিন গধুল বেলা বাইৰ উভাট নাঙেলীত গাওঁখানৰ চৰ্‌খানৰে কান থিয়া হ'ল। কতই হৰ কলাৰ মুখত থিয়া দিলা, ক'তই বাইৰ ঘৰক লেগি খোজ ললা। কোন কছুখাৱাই এই সাজল বেলা বাইক ঝোকেইছি। ইত্তেই ঢেকী কুৰেই কুৰেই ঘৰ চাপ্‌চি মাত্ৰ।

"সিতু মৰিল দেখি ছলিৰ পাল চাৰ্‌বা মোৰ ঠেঙত পৰ্‌বা আইছা? এমান যেতি মোক লেগি মোহেই আছিল, অত বছৰে কেংকে খাইছোঁ, কেংকে জীছোঁ, ম'চ্ছুনে আছোঁ খোবৰ লবা হদ আহা নাছিল কিয়া? অ ঘ'ন্নেৰেৰ ভইত টুল্‌কা মাৰি আছিলি? বাপেৰেৰ মূৰত বদ্‌নাম দিবা তোৰ লাজ লাগা নাছিল? — গণকৰ লিকিৰা হৈ লগুণ চিঙি নাঙালৰ মুঠিত ধৰ্‌বা সাহ হৈছিল, আৰু বাৰী তিৰীটোক আলেই দিয়াৰ ভয়ত পলেই আহি মাহাজনৰ চুৱাচেল্‌কিৰা লাজলাগা নাছিল, চাল্লা নিধক! এটা তিৰী থাকোতে মোৰ লগত ভাউৰীয়া খেল্‌বা কিয়া আইছিলি এই ভিঠিউঠা! ............ যিনাখানে নৰেন বাপাই ডাঙাৰ ঝিয়াৰ আগত কলা তোৰ আৰু তিৰীচলি আছেই তেত্তেই বয়হটোক লেগি ফোটাফালি মুচি বাৰী ভাত খাইছোঁ! এই বুঢ়া বয়হত মই তোৰ ছলিৰ গু-মূত ওকেট বা নবো, বান্দী বাবাও নবো। বাহেনীৰ কুৰ নাখা যেতি আহাবাটে ওলেই যা নিধক। .........

তাই চোতালত বহি আতাহ পাৰি পাৰি কান্দ্‌ছিল। চৰ্‌খানে বুজি পালা ইত্তেই ওলেই যাৱাটো বৰভেগীয়া।

নৰেন আৰু মই বহুত দিন বাইৰ কাষ চাপিলোঁ তাই ইতাও বৰভেগীয়াৰ ওচৰক যাক – পিছে সাহে বিতে এক্‌দিনো কৰা ন'ল্লু!

পানেই বাই আকো পানেইবাই হৈ পৰিল।

জীৱনটোকলেগি বিচকিনা উপেজিল। ভোকেলীৰ পিঠিত কোম্বা কেহিম্বা লোম গজেইনে? মই মল্লি তইঁতেই চোচোৰেই নি

গদৌকাত থৈ আইভি এই শ'টো। খাবা নাপাৱা কাউৰে-শগুণে খাবো। বাইৰ গাত বয়হৰ দাগ পৰিল। গাল-মুখৰ ছাল সোৰপোটা সোৰপুটি পৰিল। আগৰ নিচিনাকে মৰবল দি বন কৰ্‌বাও নৰা হ'ল। মোৰনিচিনা ফুটাকপল সাতে-শতৰুৰো নহক ঐ ডাঙাৰ ঝিয়া। উপেজিয়ে বাপেইৰ মূৰখালো, মাইৰ মূৰখালো, ছলিৰ মূৰ খালো, পৈ থাকিও বয়হটো বাৰী ভাত খালোঁ, কণা বিধিয়ে মোৰ কপলত সুখ নেল্‌খিলা। বায়ে কেতাবা বেজাৰত হুম্‌না কাঢ়েই।

বাই সুস্তেপি লাগি বহি থাকা বিধৰ নহয়। ইঘৰে সিঁঘৰে যায় হৌ-হৌকে কথা কৱেই। বনবাৰী কৰিদি ভাত-চাহ খাই আহেই। তাই ইতা টকাত মাৰি বন নকৰেই। বিড়ী-তাংখু খাবা কেতাবা দুই-চাৰি আনা আৰ তাৰপে খুজিলৱেই। চাহ-মিঠৈইৰ দৰকাৰেই নাই। যাৰ ঘৰতে বইছি তাৰ ঘৰতে খাইছি। মূৰত লৱা,পাতেনী মাষ্টৰেনী, ডাঁহীগেন্নীয়ে ঘৰত পিন্ধবা নৰা হলি তাইকে দেই। কোম্বাই কিবা ভুল কচ্ছি ভেহ্‌কি মাৰি বায়ে গত লগেই দিছি। পিছে বাঘৰ পিঠল খাৱা ছলি পালটোৰ সমুখত তাই কোনো পধ্যে দেখা নেদেই। তাইৰ যাৱাদিন গিলাকৰ কথা মনত পল্লি গাটোত কচুলা উঠা দেই।

দিন বাগেৰি থাকিল।

●

হয়এ সেতু ডাঙাৰঝিয়া নহনে? মনবাও নৰো।'

'অ' পিছে তই কক গেইছিলি বুবমাই থেকেৰাবেন্নি বুবমাইৰ মাতত থমুকি ৰৈ মই কলোঁ।

'এ, নকবিদে ঐ আই, হাঁহ চাত্তাই ঘেট্‌ ঘেটেই খুলি খাই মাচ্ছি। গুদা এটা নাই। এই গিৰিন্দক কেমান কাবৌ ক'য়ু মিল'ৰপে গুদা চাট্টুমেনি আনি দি, গাতে নিবিন্ধিলা। বেটাৰ নাক কাটা যায়। ডিমাগিটা খাবাৰ পৰত গোটাই গোটাই গিল্‌বা লাগেই।''

'মিলতনো ক'ত গুদা পাবো বুঢ়মাই। যাৱাবাৰ খৰত দেখো কোনোয়ে ধান নাপালা। ডাখেৰী সুধা হৈয়ে থাকিল। চব্‌খানে কিনি খাৱাহে।''

"হওঁতে হয়। গাওঁখানত দেখ্‌খানত কি যি বীৰা সুমাল। যায় চিনি খৰতে খেতি নহ'ল। এই চিনি আকো বৈহাগৰ দিনৰপে বানপানী। কঠিয়াৰ সচ্‌ মাল্লা। আমাৰ নিচিনাগিলা বাচি থাক্‌বায়ে নৰিম এই আই। টাউনীয়া গিলাকৰ কথা বেলেগ। টকা থাকা মানুহ,কিনিয়ে খাবো।

'পিছে বুৰমাই গাওঁৰ মখাই খেতি নকল্লি সিহঁাতে ক'ৰপে কিনি খাবো?'

'কথাটো হয়! তইনো কানি সাজবেলা ক'ৰপে আহিলি?'

'মুমি হাত্তাক গেইছিলোঁ যি আহায়ে নাই নহয়। ছলি গিতাই আইভা নেদেই। আজি কোনোমতে সিহঁাতক ভুৰকেই থৈ আইছু।'

'তই পিছে গম নাপা? পানেই মৰিল নহয়!'

'পানেই বাই মৰিল? কোন্‌দিনা?? কি হৈছিল??

"পদ্‌ধিনা, পুৱা সোময় ৰাতি। চথেই দিনা পুৱাৰপে পেট্‌টো বিহেই আছিল বোলে। বেলা ভাটী দেওতে তেজেইদি হাগিলা, বাতিয়ালা,অখল হোপা ওলাৱাত ভালে হ'ল। পিছে পদ্‌ধিনা গধুল বেলা আকো হাগিলা-বাতিয়ালা। কেৱল কোঁহা কুঁহি তেজ। মাঝ ৰাতি নৰেন হাত ডাক্তৰ আন্‌বা গেল, পিছে নাহিল। আৰবছৰা যি ডাক্তৰক মাঝৰাতি কোম্বাই বেমাৰী চাবালেগি বুলি উলেই আনি মাৰ্‌চ্ছিল, তেতিয়াৰপে বোলে ডাক্তৰ ৰাতি বেমাৰী চাবা ক'তো নাযায়। তাতে একুপিনেও গাওঁৰ ভিতৰক ৰিকৃচা-মটৰ আনবা নৰি খৰাৰ উৎপাতত। খল্লিৰ দিনত চৰকাৰে যি গিটা টকা দিবু বাট ভাল কৰ্‌বা, কেচ্‌চিয়া হাতে সজ্জ কামত নলগেই তিৰী-ছলি পুইভু! পুহেতনিহা ৰাতি নৰেন হাতে সাঙি কৰিয়ে ডাক্তৰখানাক নিবা জোগাৰ ক'ল্লা। পিছে পানেইৰ জীউ গেল।

'মৰ্‌বাৰ পৰত তোক চাবা বিচেৰছিল। সেহেই সেহেই ডাঙাৰ ঝিয়া ডাঙাৰ ঝিয়া কৰি আছিল। নৰেনে মুখত পানী দি থাকোতেই জীউ গেল। তহঁত দুটাক তাই কমখান মৰম কচ্ছিলনে? তই পিছে জাৱ এডাল লবি। কেওকিছু নহৱা মানুহ, ৰেহকবৱা পাৰেই। নৰেনকো কৈছোঁ। আৰু হেৰি, তহঁতে যি কিবা কালাৰ এটা পাতবা মাটি বিচেৰী ফুচ্ছিলি, তাইৰ ঘৰৰ ভিঠিটো দি থৈ গেইছি।

'পানেই বাই –' মোৰ বুক খানে হাহাকাৰ কৰি উঠিল।

'বৰভেগীয়াই বোলে নৰেনক কৈছিল – পানেইৰ কিবা হলি যেংকে-তেংকে তাক খোৱৰ দিবা। নৰেনে বেৰেপ্‌ পুৱায়ে যায় তাক লৈ আহিল। নৰেনেই বেটা হৈ তাইৰ কাম ধচ্ছি।

'বেচেৰী পানেই বাই! প্ৰভু-ইচৰ, পিথিৱীত তাই একো সুখ-শান্তি নাপালা। চৰ্‌গক লেগি তাইক নি প্ৰভু।'' ....

পানেই বাই, তোৰ কথা মতেই এয়া তোৰ ভিঠি উঠা গিৰ্‌স্থীৰ কথা লেখিলো। তই ক'ত আছা মই দেখা নাই। মই পিছে তোৰ ভাউৰীয়া লেখা নাই। তই বেয়া নাপাবি। কেংকেনো ভাউৰীয়া লেখো – ভাও দি দি তই দেখো ধোঁহা হৈ উৰি গেলি গদৌকাৰ শাহান শালীৰপে। মই গোঁহাই কথাহে লেখ্‌ছো এয়া। তোক ঝোকেই টামচা চাৱা বাঘৰ তেল খাৱা কেৰেখীয়া মোখাই তেত্তেইহে তোৰ হা-হুম্‌না হোপা বুজি পাবো! সিহঁাতে তেত্তেইহে সিহঁাতৰ ছলি-পলিক তোৰ কথাগিলা কবা পাৰবু!

মই বেয়া কৰচ্ছু নিকি?

তই বেয়া পাইছা নিকি??

গাওঁৰ ছলি মখা ইতা শান্ত হ'ল। তোক আৰু কোনোই নোঝোকাৱেই – তই ভাবাৰ নিচিনা তোৰ ঘৰৰ ভিঠিনুঠৈই বাই – গুতলিও নহৱেই। নৰেন, মই আৰু গাওঁৰ বাংবাং কে ঘুৰি ফুৰা চেঙেৰা মোখা লগলাগি তোৰ ঘৰৰ ভিঠিত কালাব্‌ ঘৰ পাতিম। ঝিয়া লিকিৰা মোখা সৈমান হৈইছি। তোৰ বংশৰ ভিঠি নুঠেই বাই – গাওঁৰ ছলি মোখা জানো তোৰ ছলি নহয়? – আমি তোৰ ভিঠিত দিন-ৰাতি মাহ বছৰ-যুগ হাঁহি-খিকিন্দেলী কৰি থাকিম। – কোৰ্‌হাল কৰি থাকিম!' তই বেয়া পাবি নিকি???

●

(১) শিলৰ খুটিৰ বুঢ়া গোঁহাই —

আউলাচৌকা জনাৰাম চৌকা পথত পোৱা এটা শিৱ-মন্দিৰ। শেষ বহাগত বিৰাট দেউল হয়। উক্ত দিনা ধুমুহা-বৰষুণ হয় বুলি বৰ্তমানেও লোক বিশ্বাস চলি আছে। ছোৱালী পলাই যোৱাটোও একপ্ৰকাৰ পৰম্পৰাগত সুযোগ।

(২) গদৌকা —

ৰঙা মাটি পুণিয়া চ'ক (ৰাষ্ট্ৰীয় পথত সংযোগ) পথত পোৱা এখন পুৰণি শ্মশান। তাত- ভুতৰ বাহ বুলি আজিও প্ৰসিদ্ধ।

●

# পৰমাণু বিজ্ঞানী ৰাদাৰফৰ্ড

অনিল ভূঞা
স্নাতক তৃতীয় বাৰ্ষিক (বিজ্ঞান)

মানৱ সভ্যতাৰ অগ্ৰগতিৰ দ্বাৰ যিসকল বিজ্ঞানীয়ে মুকলি কৰি থৈ গৈছিল সেইসকলৰ ভিতৰত 'লৰ্ড ৰাদাৰফ'ৰ্ডৰ নাম বিজ্ঞান জগতত সকলোৰে জ্ঞাত। সময়ৰ আগচুলিত খামুচি ধৰি জীৱনৰ প্ৰতিটো মুহূৰ্তক সাৰ্থক ৰূপত প্ৰকাশি বিশ্ববৰেণ্য বিজ্ঞানী হোৱা এৱেই হৈছে 'ৰাদাৰ ফ'ৰ্ড'। পাৰমাণৱিক গৱেষণাৰ বেলিকা ৰাডাৰফ'ৰ্ডে নৱ জাগৰণৰ ঢল বোৱালে। নোবেল বঁটাকে ধৰি নানান সন্মান আৰু পদকেৰে বিভূষিত হোৱা ৰাদাৰ-ফ'ৰ্ড কুৰি শতিকাৰ শ্ৰেষ্ঠ বিজ্ঞানী সকলৰ ভিতৰত অন্যতম।

১৮৭১ চনত নিউজিলেণ্ডৰ নেলচন নগৰত লৰ্ড ৰাদাৰফ'ৰ্ডে জন্ম গ্ৰহণ কৰে। তেওঁৰ দেউতাকে কাঠ আৰু শণ মিল চলাই কাৰবাৰ কৰিছিল। বেহা-বেপাৰৰ ঘৰুৱা পৰিবেশৰ মাজত তেওঁ আছিল সম্পূৰ্ণ বেলেগ প্ৰকৃতিৰ ল'ৰা। তেওঁ বৰ নিৰ্জু স্বভাৱৰ ল'ৰা আছিল। পঢ়া কোঠাটোৰ মাজত সোমাই চিন্তা চৰ্চাত আপোন পাহৰা হৈ থকা শিশু ৰাদাৰ ফ'ৰ্ডে নিচেই কোমল বয়সৰ পৰাই সৃজনীশীল প্ৰতিভাৰ পৰিচয় দিছিল। মাত্ৰ ছবছৰ বয়সতে পানীৰে চলাব পৰা চকা সাজি সকলোকে স্তম্ভিত কৰিছিল। সেইদৰে মাত্ৰ ন-বছৰ বয়সতে এটা কেমেৰা সাজি তাৰে সমনীয়াৰ ছবি লৈ লগৰ ছাত্ৰৰ উপৰিও শিক্ষককো তবধ মনাইছিল। এনেদৰে পঢ়া-শুনাৰ লগতে নানাবিধ যন্ত্ৰ সাজি ভাল পোৱা কিশোৰ ৰাডাৰফ'ৰ্ডে কেতিয়াবা কেতিয়াবা বাতৰি কাকত বিক্ৰী কৰিও সা-সঁজুলি কিনাৰ খৰছ উলিয়াইছিল। ৰাদাৰফ'ৰ্ডৰ নিজ হাতেৰে সাজি লোৱা কেমেৰাৰে মাকৰো ছবি লৈ পঢ়া কোঠাত আঁৰি থৈছিল। ছবিখনলৈ তন্ময় হৈ চাই থাকি "পোণাটিৰ প্ৰতিভাক প্ৰকাশ হ'ব পৰাকৈ আমি যে একো সুবিধা দিব পৰা নাই" — বুলি মাকে আক্ষেপ কৰোঁতে ন- বছৰীয়া ৰাদাৰফ'ৰ্ডে মাকৰ হাত দুখনত ধৰি হাঁহি হাঁহি কৈছিল —"চিন্তা নকৰিবি মা, খাটিব জানিলে মা সুবিধাবোৰ আপোনা আপুনি আহিব নহয়।"

> **একোটা পৰমাণুক ভাঙি টুকুৰা টুকুৰ কৰি তাৰ পৰা যে বহুত শক্তি পাব পাৰি এই বতৰা ৰাদাৰফ'ৰ্ডে পোন-প্ৰথমে বিলাই বিশ্বৰ বুকুলৈ আলোড়ন আনিলে। তেওঁ কৈছিল – ".... এক পাউণ্ড ৰেডিয়াম পদাৰ্থৰ পৰা দহ হেজাৰ অশ্বশক্তি পাব পাৰি।**

ৰাদাৰফ'ৰ্ডৰ আত্মবিশ্বাস আছিল বাবেই শিশু বয়সতে এনেকৈ মাকক আশ্বাস দিব পাৰিছিল। বাদাফ'ৰ্ডৰ অসাধাৰণ প্ৰতিভা আৰু ব্যক্তিত্বৰ প্ৰভাৱত সকলো বাধা বিঘিনি আঁতৰিল। সুখ্যাতিৰে সাধাৰণ শিক্ষাখিনি লোৱাৰ পিছত তেওঁ সোতৰ বছৰ বয়সতে প্ৰতিভা বৃত্তিলৈ ক্ৰীষ্টচাৰ্চলৈ গৈ কেণ্টাৰবাৰী কলেজত নাম লগালে। ১৮৯২ চনত তাৰপৰা তেওঁ সুখ্যাতিৰে স্নাতক হৈ ওলাল। অসাধাৰণ মেধাশক্তিৰে তেওঁ প্ৰতিভা বৃত্তি লৈ কেম্ব্ৰিজত অধ্যাপক জে. জে থম্‌ছনৰ লগত পোন প্ৰথম বিদ্যুৎ চৌম্বকীয় গৱেষনাৰ কাম আৰম্ভ কৰিলে। তেওঁ বিজ্ঞানী জীৱনৰ পাতনি মেলিয়ে গৱেষণাৰ যাদুৰে সকলোকে মোহিবলৈ বেছিদিন নেলাগিল। কেইদিন মানৰ ভিতৰতে চুম্বক সং-সূচক যন্ত্ৰ এটা সাজি উলিয়াই সকলোকে স্তম্ভিত কৰিলে। সেই সময়তে ৰঞ্জন ৰশ্মি আৰু ইউৰেনিয়ামৰ তেজষ্ক্ৰিয় ৰশ্মি আবিষ্কাৰে চাৰিওফালে খলক লগোৱাৰ লগে লগে ৰাদাৰফ'ৰ্ডৰ সৃষ্টিশীল মনতে তোলপাৰ লগালে। তেওঁ প্ৰথমে এক্স ৰশ্মিয়ে গেছৰ ওপৰত কেনে ধৰণৰ প্ৰভাৱ পেলাব পাৰে তাৰ গৱেষণাত লাগিল। ইয়াৰ পিছত তেওঁ ৰেডিয়ামৰ পৰা ওলোৱা তেজষ্ক্ৰিয় ৰশ্মিৰ ওপৰত গৱেষণা কৰিবলৈ ধৰিলে। তেনেতে গুণীৰ গুণৰ স্বীকৃতি স্বৰূপে মেকগীল, বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ অধ্যাপক আসনৰ বাবে তেওঁলৈ আমন্ত্ৰন আহিল। আশাভৰা মন লৈ পৰম আনন্দৰে তেওঁ ১৮৯৮ চনত গৱেষণাৰ সুযোগ লবলৈ কানাডালৈ গুছি গ'ল।

অধ্যাপকৰ আসনত বহিয়েই তেওঁ একানপতীয়াকৈ ৰেডিয়াম পদাৰ্থ আৰু তাৰপৰা ওলোৱা তেজষ্ক্ৰিয় ৰশ্মিৰ ওপৰত গৱেষণা কৰি নিচেই ক'ম দিনৰ ভিতৰতে 'আলফা'($\alpha$) আৰু 'বিটা' ($\beta$) নামৰ তেজষ্ক্ৰিয় ৰশ্মিৰ বতৰা বিলালে। ইয়াৰ পিছত ৰাদাৰফ'ৰ্ডৰ পাৰমাণৱিক গৱেষণা সাধানাই, মহান ৰূপ ললে। একোটা পৰমাণুক ভাঙি টুকুৰা টুকুৰ কৰি তাৰ পৰা যে বহুত শক্তি পাব পাৰি এই বতৰা ৰাদাৰফ'ৰ্ডে পোন-প্ৰথমে বিলাই বিশ্বৰ বুকুলৈ আলোড়ন আনিলে। তেওঁ কৈছিল – "..... এক পাউণ্ড

ৰেডিয়াম পদাৰ্থৰ পৰা দহ হেজাৰ অশ্বশক্তি পাব পাৰি। মানুহৰ ভুলৰবাবে এই শক্তিয়ে বিশ্বক চাৰখাৰ কৰিব পাৰে .....। এই শক্তিৰ ব্যৱহাৰ কৰিব জানিলে গোটেই বিশ্বক নদন-বদন লখিমী পৃথিৱী হিচাপে গঢ়ি তুলিব পাৰি।''

ৰাদাৰফ'ৰ্ডৰ বৌদ্ধিক চিন্তাৰে ভৰা উৰ্বৰ মগজুৰ পৰা ওলোৱা এনেহেন শক্তিকামী কথাবোৰ বেচ মন কৰিবলগীয়া।

১৯০৪ চনত, তেজষ্ক্ৰিয় ৰশ্মিৰ ওপৰত ৰাদাৰ্ফ'ৰ্ডে এখন অতি মূল্যবান পুথি উলিওৱাৰ লগে লগে চাৰিও ফালে তোল -পাৰ লাগিল। চাৰিওফালৰপৰা তেওঁক দেখা কৰিবলৈ লোকৰ তোলপাৰ লাগিল। নানা ঠাইত বক্তৃতা দিবলৈ তেওঁলৈ নিমন্ত্ৰণ আহিবলৈ ধৰিলে। তাৰোপৰি বহুতো পুৰস্কাৰেৰে ৰাদাৰফ'ৰ্ডৰ কোলা ভৰি পৰিল। যিজনে স্নাতক হোৱাৰ পিছতে শিক্ষকতা কৰিবলৈ গৈ শ্ৰেণীত সোমাই পঢ়াব নোৱাৰি ঘামি-জামি ওলাই আহিবলগীয়া হৈছিল, যিজনে মণ্ট্ৰীললৈ আহিও বক্তৃতাৰে ছাত্ৰক আকৰ্ষণ কৰিব পৰা নছিল, সেইজনৰ গৱেষণাৰ সাধনাৰে আৰু তাৰ বতৰাৰে বিশ্বৰ কৈটি কৌটি আবাল-বৃদ্ধ বণিতাৰ মন প্ৰাণ মুহিব পৰাটো কম কথা নহয়। ৰাদাৰফ'ৰ্ড গৱেষণাৰ মানুহ। যোগ্যজনে যথাস্থানত থিতাপি লোৱাৰ সুবিধা পোৱাৰ কাৰণে প্ৰতিভা বিকশি উঠিল।

১৯০৭ চনত ৰডাৰফ'ৰ্ডে মাঞ্চেষ্টাৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু তাৰ পদাৰ্থ বিজ্ঞানাগাৰৰ সঞ্চালকৰ দায়িত্ব ল'ব লগা হ'ল। নতুন ঠাইৰ সকলো সুবিধা ভোগ কৰি পূৰ্ণ উদ্যমেৰে তেজষ্ক্ৰিয় ৰশ্মিৰ গৱেষনাত তেওঁ জীৱন সঁপি দিলে। এই গৱেষণাৰ নানা বতৰাৰে বিশ্বক চমক লগোৱাৰ কাৰণে ১৯০৮ চনত ৰাদাৰফ'ৰ্ডক নোবেল বঁটা সন্মানেৰে বিভূষিত কৰা হ'ল। এনেহেন সন্মানৰ অধিকাৰী হৈয়ো তেওঁ সাধাৰণ ভাৱে দিন কটাবলৈ ধৰিলে। তেওঁৰ সৃষ্টিশীল মন আৰু নিপুণ হাতৰ পৰশত মাঞ্চেষ্টাৰ পদাৰ্থ বিজ্ঞানাগাৰত নানা বিজ্ঞানৰ বস্তু আৱিষ্কাৰ হ'বলৈ ধৰিলে। ই বিশ্বৰ সকলো পদাৰ্থবিজ্ঞানীৰ বাবে অতি লোভনীয় বিজ্ঞানাগাৰ হৈ পৰিল।

এইজন মহান বিজ্ঞানীক ১৯১১ চনত 'নাইট' সন্মানেৰে বিভূষিত কৰা হ'ল। ৰাডাৰফ'ৰ্ড সবাৰো নমস্য লৰ্ড ৰাদাৰফ'ৰ্ড হিচাপে চূড়ান্ত সন্মানৰ অধিকাৰী হ'ল।

১৯১৪ চনত প্ৰথম মহাসমৰ আৰম্ভ হোৱাৰ লগে লগে আন বহুতো বিজ্ঞানীৰ দৰে তেওঁৰ মৌলিক গৱেষণাতো বাধা পৰিল। দেশৰ স্বাৰ্থৰ খাতিৰতে মৌলিক গৱেষণা এৰি চাবমেৰিণৰ সন্ধান বিষয়ক প্ৰতিধ্বনিৰ ওপৰত গৱেষণা চলাবলৈ বুলি তেওঁ টালি- টোপোলা বান্ধি সামৰিক গৱেষণাগাৰলৈ ঢাপলি মেলিবলগীয়া হ'ল। ১৯১৮ চনত তেওঁ পুনৰ মনৰ হেঁপাহেৰে মৌলিক গৱেষণা কৰিবলৈ সুবিধা পালে। ১৯১৯ চনত তেওঁ কেম্ব্ৰিজৰ কেভেন্দিছ বিজ্ঞানাগাৰৰ মুৰব্বী অধ্যাপকৰ আসনত বহিল। এইবাৰ তেওঁ আৰম্ভ কৰিলে পাৰমাণৱিক গঠনৰ ওপৰত এলানি অতি লাগতিয়াল গৱেষণা। প্ৰিয় গৱেষক নেইলছ ব'ৰে তেওঁৰ দিহা পৰামৰ্শমতে গৱেষণা কৰি নিউক্লিয়াছৰ চাৰিওফালে ঘূৰি থকা ইলেক্ট্ৰনৰ অধিবৃত্তৰ ওপৰত নতুন আৰ্হি এটা ডাঙি ধৰিলে। ইয়াকে 'ব'ৰ ৰাদাৰফৰ্ড আৰ্হি বোলা হয়। এই আৰ্হিকে আজিও পাৰমাণবিক গঠনৰ বেলিকা গ্ৰহণ কৰি থকা হৈছে।

১৯৩১ চনত নতুন বছৰৰ শুভেচ্ছা হিচাপে লৰ্ড ৰাদাৰফৰ্ডক 'বেৰণ' উপাধিৰে বিভূষিত কৰা হ'ল। লৰ্ড ৰাদাৰফ'ৰ্ড আছিল নেলচন চহৰৰ গৌৰৱ। সেয়েহে তেওঁক ওপজা ঠাইৰনামেৰে 'নেলচন লৰ্ড ৰাদাৰফৰ্ড' সন্মানো প্ৰদান কৰা হ'ল।

১৯৩২ চনৰ এটা বিশেষ দিন। সেইদিনা ৰাদাৰফ'ৰ্ডে গৱেষক ছাত্ৰ দুজন 'ওৱাল্টন' আৰু 'ক্ৰকফট'ৰ সৈতে লগলাগি লিথিয়াম পৰমাণুক হিলিয়াম নিউক্লিয়াছলৈ ভাঙি তাৰ পৰা ছশ হাজাৰ ভল্ট শক্তি উলিয়াবলৈ সক্ষম হ'ল। এই বতৰাই বিশ্বৰ চুকে-কোণে আলোড়ন আনিলে। বিশ্বৰ বুকুত আৰম্ভ হ'ল ''পৰমানু যুগ''। দুখৰ বিষয় যে ইয়াৰ ৪ বছৰ পিছতে ১৯৩৭ চনত লৰ্ড ৰাদাৰফ'ৰ্দে হঠাতে হৃদ ৰোগত আক্ৰান্ত হৈ মৃত্যুক আঁকোৱালি লব লগা হ'ল। পৰমাণৱিক যুগৰ সৃষ্টিকৰ্ত্তাজনক হঠাতে হেৰুৱাই হাজাৰ হাজাৰ বিজ্ঞানীয়ে চকুলো টুকিলে। সকলোৱে মৰ্মে মৰ্মে উপলব্ধি কৰিলে— ''অসীম সাহস, অদম্য শক্তি, অদ্ভুত প্ৰেৰনা, অসাধাৰণ প্ৰতিভা আৰু কৰ্ম শক্তিৰে জীপ দি তোলা হাজাৰ হাজাৰ সৃষ্টি কাৰ্মী ডেকা বিজ্ঞানীৰ আশাভৰা হাঁহিটি নোহোৱা হ'ল। ইমানবোৰ গুণৰ অধিকাৰী হৈয়ো লৰ্ড ৰাদাৰফ'ৰ্ড আছিল– এজন অতি সাধাৰণ লোক। ইয়েই আছিল– আমাৰদৰে অনুগামী বিজ্ঞানীৰ বাবে প্ৰেৰণাৰ উৎস''।

মান মৰ্য্যাদাৰ প্ৰতি অকণো মোহ নোহোৱা অসাধাৰণ ব্যক্তিজন নিচেই সাধাৰণ ব্যক্তি হিচাপে সাধাৰণ মানুহৰৰ লগত মিলি যাব পৰাটো মন কৰিবলগীয়া। আনহে নেলাগে ১৯২৫ চনত তেওঁ যেতিয়া জন্মভূমি নিউজিলেণ্ডলৈ যায়, তেতিয়া তাৰ লৰালি কালত পঢ়া স্কুলৰ শিক্ষক আৰু সাধাৰণ মানুহবোৰৰ লগতে ৰংধেমালি কৰি মিলি গৈছিল। এনে লাগিছিল নোবেল বঁটা, নাইট, বেৰণ উপাধি আৰু বহুতো সন্মানেৰে বিভূষিত বিশ্ববৰেণ্য লৰ্ড ৰাদাৰফ'ৰ্ড নহৈ তেওঁ যেন অঞ্চলটোৰ নিচেই নিমাখিত এজন সাধাৰণ ব্যক্তিহে। এনেকৈ সাধাৰণভাৱে জীৱনযাপন কৰা আৰু সাধাৰণ মানুহৰ লগত মিলিব পৰা মহৎ গুণৰ অধিকাৰী বিশ্ববৰেণ্য লৰ্ড ৰাদাৰফ'ৰ্ডৰ ৬৬ বছৰীয়া জীৱনৰ প্ৰতিটো খোজৰ বুলনি সকলোৰে বাবে চিৰদিন আশাৰ আৰু প্ৰেৰণাৰ প্ৰতীক হৈ ৰ'ব। ●

**১৯৩২ চনৰ এটা বিশেষ দিন। সেইদিনা ৰাদাৰফ'ৰ্ডে গৱেষক ছাত্ৰ দুজন 'ওৱাল্টন' আৰু 'ক্ৰক্‌ফট'ৰ সৈতে লগলাগি লিথিয়াম পৰমানুক হিলিয়াম নিউক্লিয়াছলৈ ভাঙি তাৰ পৰা ছশ হাজাৰ ভল্ট শক্তি উলিয়াবলৈ সক্ষম হ'ল। এই বতৰাই বিশ্বৰ চুকে কোনে আলোড়ন আনিলে. বিশ্বৰ বুকুত আৰম্ভ হ'ল ''পৰমাণু যুগ''**

গল্প

# তেওঁক বিচাৰি



লুটফুৰ জামান
স্নাতক ৩য় বৰ্ষ

প্ৰকাণ্ড এছটা ডাৱৰে জোনটো ঢাকি ধৰিলে। তাৰ চৌপাশে আৰু অনেক ডাৱৰৰ খণ্ড থুপ খাইছে। মোৰ পিছপিনে কাৰোবাৰ ভৰিৰ শব্দ শুনিবলৈ পালোঁ; ঘূৰি চাই দেখিলোঁ কোনোবা এটা যেন বাৰাণ্ডলৈ ওলাই আহিছে। আগন্তুক মোৰ সমান্তৰাল ভাৱে মোৰ পিনে পিঠি দি ঠিয় হৈ ৰ'ল। তেওঁ যেন দূৰৈত কিবা এটা চাবলৈ ধৰিলে। চাবলৈনো আছে কিটো; ডাৱৰৰ দুআঙুলীয়া ফাঁকেৰে উফৰি অহা জোনৰ আভাত পাহাৰৰ দাঁতিৰ জেপোহাবোৰ একোটা মৰাশৰ দৰে থিয় হৈ আছে। পোহৰ সৰহীয়া হলে তেওঁ দেখিলেহেঁতেন তেওঁৰ বাওঁপিনে থকা পথাৰখনৰ শুকান নৰাবোৰ আৰু তাৰ ওপৰত ভাঁহি ফুৰা আহিণৰ পাতল কুঁৱলী আৰু সোঁ পিনে বিস্তীৰ্ণ জলাহ ভূমি।

এজাক বতাহ তেওঁৰ গা চুই মোৰ নাকত লাগিল। সম্ভৱত তেওঁ গ্ৰৰিয়া আঁতৰ ব্যৱহাৰ কৰে। মই চকী এখন টানি লৈ বহি পৰিলোঁ। আন সময়ত হোৱা হলে ময়েই কথাৰ মহলা আৰম্ভ কৰিলোহেঁতেন আৰু পাকে প্ৰকাৰে মোৰ নান্দনিক অনুশীলনৰ কথা জাহিৰ কৰিলোহেঁতেন। পিছে আজি এতিয়ালৈকে সেইটো নকৰাৰ কাৰণ দুটা আছে, এটা হ'ল আগন্তুক মোৰ সম্পূৰ্ণ অচিনাকি আৰু আনটো হ'ল আজি মই এক অস্থিৰ অৱস্থাত আছোঁ। প্ৰতিহিংসাৰ বাসনাই মোক মুক কৰি তুলিছে। তাৰ সন্ধানত ওলাই পৰিছোঁ মই! লাগিলে সি পৃথিৱীৰ য'তেই নাথাকক মই তাক বিচাৰি উলিয়ামেই; নিৰ্জন দ্বীপ অথবা পৰ্বতৰ গুহাত লুকায়ো সি সাৰিব নোৱাৰে। তাক মই নেলু চেপি হত্যা কৰিম। তাৰ কোনো ক্ষমা প্ৰাৰ্থনাই মই নুশুনো। মই যোপাইছোঁ। কম্পিউটাৰৰ ফ্লপিৰ দৰেই একেটা চিন্তাই নিৰ্দিষ্ট, সময়ৰ অন্তৰে অন্তৰে মোৰ মস্তিষ্কত ক্ৰিয়া কৰে, হত্যাৰ আদিম বাসনাত মই উত্ৰাৱল হৈ পৰো আৰু প্ৰতিহিংসা বাস্তৱায়িত কৰাৰ আঁচনি কৰোঁ। আকাশত এতিয়া আৰু জোনাক নাই। আন্ধাৰৰ বাবে একোকে দেখা নাযায়।

— এনে সময়ত এটা চিগাৰেটৰ বৰ প্ৰয়োজন নহয়নে ডাঙৰীয়া; নিৰৱতা ভংগ কৰি আগন্তুকে মন্তব্য প্ৰকাশ কৰিলে।

— মই ধুম-পান নকৰো। মই কিছু গৰ্বেৰে প্ৰত্যুত্তৰ দিলোঁ। আগন্তুকে কথাৰ পাতনি মেলাত মই একপ্ৰকাৰ ভালেই পালোঁ। কিয়নো, ইমান নীৰৱতা মোৰ দৰে কথা চহকী এজনৰ পক্ষে অসহনীয় হৈ আহিছিল, তাতে দুজন ব্যক্তি ইমান ওচৰা ওচৰিকৈ থকাৰ পিছতো। মই এজন কবি, সাহিত্য সাধনা কৰোঁ। এইপিনে ফুৰিবলৈ আহিছিলোঁ, ৰাতি হোৱাত ইয়াত থাকি গলোঁ। মই চমুকৈ মোৰ পৰিচয় দাঙি ধৰিলোঁ। আগন্তুকে মোৰ প্ৰতি সিমান এটা আগ্ৰহ দেখুৱা যেন বোধ নহ'ল। মই পেটে পেটে ক্ষুন্ন হলো।

— বৰ ভাল কথা, সুন্দৰ আৰু সৌন্দৰ্য্যৰ

পূজাৰী, কবি সহিত্যিক সকলৰ প্ৰতি মোৰ এটা গোপণ শ্ৰদ্ধা আছে। আগন্তুকৰ উপাধিটো মোৰ ভাল লাগিল যদিও তেওঁৰ আচৰণত তেনে কোনো শ্ৰদ্ধাৰ ভাৱ প্ৰকাশ নাপালে। আপুনি চৰাই ভাল পায়? আগন্তুকৰ মোৰ প্ৰতি পোনপটীয়া প্ৰশ্নবান।

— এৰা বৰ ভাল পাওঁ; আৰু মজাৰ কথা কি জানে মোৰ বেছি ভাগ সাহিত্য সৃষ্টিৰে মূল ভিত্তি হ'ল চৰাই; বালিমাহী পাটমাদৈ, ইত্যাদি। মোৰ দু-ওঠত আত্মপ্ৰমোদৰ হাঁহি বিৰিঙিল।

— তেনেহলে আপুনি নিশ্চয় আলফ্ৰেদ হিচকক আৰু ৰিচাৰ্ড বাখৰ ৰচনা পঢ়িছে? হিচককৰ সেই যে এক্কাৰৰ লগে লগে সাগৰত যেতিয়া জোঁৱাৰ উঠে, উপকুলৰ পৰা জাকে জাকে গঙাচিলনী আহি আকাশ ভৰি পৰা আৰু উন্মাদ প্ৰায় হৈ মানুহৰ ঘৰদুৱাৰ আক্ৰমণ কৰি বিধ্বস্ত কৰি তোলা আকাশে বতাহে সিহঁতৰ ডেউকাৰ সোঁ-সোৱণি আৰু দৰজা-খিৰিকিত অবিশ্ৰান্ত আঘাতৰ ধক ধক শব্দ...; আৰু বাখৰ সেই ছিগলটো যিয়ে তুচ্ছতা, উপহাস কদৰ্য্যতা আওকান কৰি জ্ঞানৰ জ্যোতিৰে বিশালতা আৰু প্ৰভাতৰ এটি অনন্ত প্ৰদীপৰ পিনে ডেউকা কোবাই ঢাৱমান হৈছিল। বৰ প্ৰতীক ধৰ্মী নহয়নে বাৰু? তেওঁ মোৰ পিনে মুখ নুঘূৰোৱাকৈয়ে এটা কবিতাৰ দৰে আওঁৰাই গৈছিল।

— এৰা, এৰা, মই মোৰ অজ্ঞতা ঢাকি ৰাখিবলৈ এনেদৰে শলাগিলোঁ। যেন সেইবোৰ ৰচনা মই আগতে অধ্যয়ণ কৰিছোঁ। আচলতে মই হিচকক বা বাখৰ নামেই শুনা নাই।

প্ৰথমতে সৰু সৰুকৈ পিছত ডাঙৰকৈ আকাশত গৰ্জন হ'ল। এজাক বৰষুণ হ'ব ....। মোৰ ভাৱ শেষ নহ'লেই এটোপাল বৰষুণৰ পানী মোৰ ভৰিৰ বুঢ়া আঙুলিত পৰিল আৰু তাৰ পিছত অলেখ বৰষুণ টোপালৰ শোভাযাত্ৰা। এজাক শৰতৰ বৃষ্টি! ৰোমাঞ্চিত হৈ পৰিলোঁ মই।... আগন্তুক নিৰ্লিপ্ত ভাব-লেশহীন ছাঁগে...।

— প্ৰকৃতিৰ অপৰিবৰ্তনীয়তাত পৰিবৰ্তনীয় আমি মানুহবোৰ পিছে; চাওঁকচোন সময়ৰ এটি ক্ষুদ্ৰ পৰিসৰত অমি উপলক্ষ্য কৰিলোঁ প্ৰকৃতিৰ এক অনুপম পৰিবৰ্তন। এই যে জোনাক, ডাৱৰৰ খেলা আৰু অৱশেষত বৰষুণ। নহয়নে?

— এৰা; আপোনাৰ শব্দ চয়নত দেখিছোঁ নতুনত্ব আছে। মই মোৰ অহমিকা বাদ দি তেওঁক প্ৰশংসা কৰিলোঁ; কাৰণ মই অভিভূত হৈ পৰিছিলো। আপুনি নিশ্চয় এজন কবি?

প্ৰচণ্ড শব্দ কৰি আকাশৰ একোনত এডাল শুকান অকোঁৱা-পকোৱা গছৰ ডালৰ দৰে জিলিকি উঠিল। বিজুলীৰ ৰেখা। বিজুলীৰ পোহৰত মই তেওঁৰ পিছফালটো দেখা পালোঁ, চুলিবোৰ কেকোৰা কান্ধলৈকে বৈ পৰা, কামিজটো নিশ্চয় ক'লা বা বাদামী ৰঙৰ। ঢেৰেকণীৰ শব্দত তেওঁ কিজানি উচপ খাই উঠিছিল; ভৰিৰ বিষো উঠিছিল হ'বপায় ..... চকীখন টানিলৈ তেওঁ মোৰ পিনে মুখ কৰি বহি পৰিল। নহয়, উগ্ৰপন্থী; আৰু এজন মানুহক বিচাৰি মই এইখিনি পাইছোঁহি। তেওঁৰ অপ্ৰত্যাশিত উত্তৰত মই হতভম্ব হলোঁ। অজান আশংকাত মোৰ শিৰা উপশিৰা কোঁচ খাই আহিল। এই গহীন নিশা পৰিদৰ্শন গৃহটোত তেওঁ আৰু মই; আৰু কোনো নাই। নিশ্চয় তেওঁ বিচৰা মানুহজন ময়েই আৰু মোক অনুসৰণ কৰি তেওঁ এইখিনি পাইছেহি, আৰু কেইটামান অনুপলহে হয়তো মই জীয়াই থাকিম। শেষ বাৰৰ বাবে প্ৰকৃতিৰ ৰূপসুধা পান কৰাৰ উদ্দেশ্যে মই বাহিৰলৈ চালোঁ। অন্ধকাৰ, জৰ জৰ চপ চপ...... আবিৰাম বৰষুণৰ শব্দ। মই কপালত হাত দিলোঁ, বিন্দু ঘামৰ কনিকা লাগি আহিল।

— আপোনাৰ খোৱা পিন্ধাৰ অভাৱ নাই নিশ্চয়। তেওঁ প্ৰশ্নটো এনেদৰে সুধিছে যেন তেওঁৰ মোৰ প্ৰতি একো বিদ্বেষ্যৰ নাই। সহজ হোৱাৰ চেষ্টা কৰি মই উত্তৰ দিলোঁ। — নাই ।

— আপুনি ব্যক্তিগত জীৱনত সুখীনে?

— কব নোৱাৰোঁ ।

— এই ধৰক আপুনি এটা ৰত্ন গহ্বৰৰ সন্ধেদ পালে; কোনোবা স্বৰ্গদেউৰ মৈদাম; য'ত পেৰাই পেৰাই সমাধিস্থ হৈ আছে সোণ, মণি, মুক্তা, হীৰা-জহৰত। আপুনি সেই সম্পদৰ গৰাকী হলে কি কি কৰিব? মানে কেনেদৰে ব্যৱহাৰ কৰিব?

— সোণ,মণি..মুক্তা..হীৰা.. জহৰত! ম... মই দুখীয়াক বিলাই দিম, পান্থশালা, অতিথিশালা নিৰ্মাণত খৰছ কৰিম, পঢ়াশালি নিৰ্মাণ কৰিম.. আৰু..।

— আৰু নিজৰ বাবে একো নকৰে নেকি?

— অ' মোৰ বাবে এটা ঘৰ সজাৰ ইচ্ছা আছে। সৰুতে নৈ পাৰত বালিঘৰ সাজোতে লগৰীয়াবোৰৰ মোৰ আটোমটোকাৰী বালি ঘৰটো দেখি ঈৰ্ষা উপজিছিল। তেনে ৰতন সম্পদৰ অধিকাৰী হলে মই এটা ভাল ঘৰ সাজিম। আপুনি একা?

— মোৰ কোনো ধনৰ প্ৰয়োজন নাই। তেনে সম্পদ মই গ্ৰহণ নকৰোঁ।

— আনক হলেওঁ দিব পাৰিব।

— সেই প্ৰসংগটো বাৰু এৰা যাওক। মই যে কৈছিলোঁ কাৰোবাক হত্যা কৰিবলৈ আহি এই খিনি পোৱা বুলি ........। মোৰ কপালৰ ৰেখা আকৌ ধুপ খালে। ....... তেওঁৰ চুলিবোৰ আধাপকা, আধাকেঁচা দীঘল; চকু দুটা ঢুল ঢুলীয়া। তেওঁ কৃষ্ণকায়ো নহয় শ্বেতকায়ো নহয় অথবা দুয়োটায়ে হয়। ভৰিৰ পতা দুখন বহল বহল; খোজ কাঢ়িলে পাটি হাঁহ এজনী যোৱা যেন লাগে। মানুহজন নাঙঠ।

— কি কলে নাঙঠ! মই আচৰিত হলোঁ, কিন্তু সাহস পালোঁ এইবুলি যে, তেওঁ বিচৰা ব্যক্তিজনৰ লগত মোৰ শাৰিৰীক মিল নাই।

—ও নাঙঠ! কিন্তু আনক কাপোৰ পিন্ধাৰ উপদেশ দিয়ে। চকুত প্ৰচণ্ড সন্মোহিনী শক্তি; যাৰ বাবে তেওঁক বিনাশ কৰিবলৈ যোৱাজনো তেওঁৰ অনুগত হৈ পিছে পিছে চুচৰি ফুৰে।

— মই যেন একো বুজা নাই!

— বুজিবলৈ একো নাই। বিপদত তেওঁ আশ্ৰয় লয় তোমাৰ কল্পনাৰ সেই চিকুন ঘৰটোত। আগন্তুকৰ কথাবোৰ অপ্ৰাসংগিক, কিবা আঁত নোহোৱা, দুৰ্বোধ্য; তথাপিও মই যেন কিবা প্ৰাসংগিকতা, অৰ্থ বিচাৰি পাইছোঁ। তেওঁৰ সংপৃক্ত হিয়াৰ উকমূকনি শুনিছোঁ!

বৰষুণ জাক শেষ হৈছিল যদিও গছৰ পাতৰ পৰা নিগৰি পৰা দুই এটোপাল পানী তেতিয়াও পৰি আছিল টুপ টুপ। ডাৱৰৰ ওৰণি গুচাই আকাশত আকৌ জিলিকিছিল জোনটো; সেই একেটা জোন।

— তোমাৰ প্ৰতিশোধ নোলোৱা? তলমূৰকৈ থাকিয়েই তেওঁ সুধিলে ।

— তুমি কেনেকৈ জানিছা?

— দুবছৰ আগেয়ে বুলি তেওঁ মুৰটো ডাঙিলে, লগে লগে খং আৰু আশ্চৰ্য্যত মোৰ মুখৰ মাত হৰিল, কাৰণ সেইজনেই আছিল মোৰ পিতৃহন্তা। যাক হত্যাৰ কৰিবলৈ মই ইমান দিনে বিচাৰি ফুৰিছিলোঁ।

আগন্তুক থিয় হ'ল। কঁকালৰ পৰা নিশব্দে এখন চুৰি উলিয়ালে। বৰ চোকা চুৰি আছিল সেইখন; কাৰণ খাপৰ পৰা উলিওৱাৰ লগে লগে সেইখনে তিৰবিৰাইছিল। তেওঁ সেইখন মোৰ হাতত গুজি দিলে আৰু বুকুখন মুকলি কৰি আগবাঢ়ি আহিল মোৰ পিনে। মই চুৰিখন একমুহূৰ্ত ডাঙি লৈ পিছত মাটিত পেলাই দিলোঁ আৰু বন্ধু বুলি তেওঁক দুহাতেৰে সাৱটি ধৰিলোঁ।

— মই তোমাৰ বন্ধু নহওঁ; পৰম শত্ৰু; হত্যা কৰা মোক। প্ৰতিশোধ লোৱা তোমাৰ পিতৃ হত্যাৰ।

— হত্যা কৰিম! পিছে তোমাক নহয়। তাক আমি দুয়োৱে হত্যা কৰিম। তাৰ চুলিবোৰ আধা পকা, আধা কেঁচা দীঘল, চকুদুটা ঢুলঢুলীয়া.... আৰু নাঙঠ!

— নাঙঠ !

— ও নাঙঠ আমি জোৰেৰে আলিঙ্গন কৰিলোঁ !

●

# EDUCATIVE VALUE OF N.S.S.

**R.Baruah**, M.A.(Double), B.T,LL.B.
Lecturer Pol. Sc. (Retd.)

National service scheme is a scheme of social service sponsored by the ministry of human resource development, Department of youth affairs and sports, programme adviser's cell (N.S.S), New delhi.

N.S.S. was introduced in 1969, the birth centenary year of Mahatma Gandhi. The Silver Jubilee of N.S.S. is ever fulfilling its overall as well as specific objectives through its regular or normal activity and special camping programme since 1973.

Keeping in view the changing emphasis on programme content, the action plan is revised from time to time. Model action plan for the N.S.S. units has been received incorporating new dimensions circulated through the universities and+2 stage in the year1987-88 which has only in 91-92.

Now it is the time to evaluate the impact of N.S.S. On youths as well as on the community. It is needs to be mentioned that N.S.S. is growing through practical experience having interaction between the educated youths and the community.

We are much concerned with educative value of N.S.S. Keeping in mind the following ideals of N.S.S..

**1)** The N.S.S. volunteers must have acquaintance with the realities of life while studying in college making their vacation & leisure period meaningful.

**2)** The N.S.S. volunteers will try to serve the community as well as nation, especially to help the weaker sections to solve their never ending problems with a limited resource.

**3)** They should learn in real sense the "Dignity of labour."

**4)** The last but not least rather more important factor is the acquiring of proper knowledge to serve the society in the long run through N.S.S.

## a SELF REALISATION

Most of the youths are in doubt about their own energy and tremendous potentialities. It is not their own fault. Society has not given them the scope to think over self realisation. They are always dependent on their guardian or luckily on any while colour job. For want of the two factors above, they are helpless, frustrated and as a result they act and react against the society or authorities for not giving them employment etc. Country like India. Cannot provide job for all educated youths. However, self-employment is still open.

From an international statistical data, it reveals that out of 250 persons only one is fortunate enough who can avail higher education or college education keeping back the other 249 persons. How ever, in most of the developed countries even, youths prefer vocational education according to their own choice especially the average youths.

Now, the youths should have self-realisation. They are in a better position in comparison to the uneducated youths.

The educated youths are to apply their own conscience to do the needful for self realisation. Through out the year, the NSS volunteers involve themselves in orientation, training prog-ramme of normal and special camping activities where they find enough scope for self realisation, some times under adverse situation.

Self realisation is supplemented by self-confidence and self-reliance. Until and unless, a volunteer has such quality, he can not serve the society. N.S.S is in a position to over come such situations. Once a N.S.S. volunteer is always a volunteer. Thus, self-analysis is a must which is taught in N.S.S.

## b LEADERSHIP

N.S.S. is the best field of growing leadership which is most essential in the youths. To be a good leader, he must be a good worker. Leader ship is "Given" and not acquired. The co-workers should choose the leader not only on majority but also on almost

unanimously. These leadership last long and leads the whole team in right direction. ADHINAYAK or N.S.S. student leader is selected in this way. Most of the N.S.S. volunteers are good workers in their own locality. Further more, they are office bearers of the voluntary organisations. Thus, leadership building is one plus point of N.S.S.

### c ACQUIRING GENERAL KNOWLEDGE

Desire to know a lot besides text books among the students is not encouraged among the youths. Never the less, the N.S.S. volunteers get the opportunity to know from different sources especially in the special camps where discussions are held with almost all the developmental developments and individuals of strong personality.

Personnels of departments like, Health, Agriculture, Industry, Human Resource development, Social forestry, Environment Enrichment and conservation, etc. Offers valuable concepts with demonstration.

The youths can express their own views or the burning problems of the society participations in the concerning topics in the form of discussion with the departmental experts. Thus, the youths can increase their knowledge on the matters of day to day life for future life.

### d MITIGATION OF STUDENT UNREST

Though student unrest is not desired, yet it cannot be totally eliminated from the society. The question rests on the environment, cause, response and action taken for student unrest. N.S.S.volunteers are not to be one party in a conflict issue. NSS will scrupulously avoid conflict as there are so many issues or subjects which can be done without controversy. Society desires a peaceful solution. If the issue is dealt with sympathetically student unrest will come down. Students are basically fair and optimistic. They are to be encourage for attempts in rightway. It is the duty of each and every volunteer to see that unruliness cannot prevail either in educational institution or in public ield. Problems can not be served in a chaotic condition of society. N.S.S. will try to mobilise the student against Indiscipline if any at any cost through the active participation in need based social service progr-ammes. Creation of a good environment is one goal.

### e TO KNOW THE SOCIETY

The students should know the realities of social life. From the very day of admission in to N.S.S. The volunteers are to deal with the day to day problem of life to know the society through orientation, training, normal as well as special camping programmes. A concept of society and social problems will come in to light through activity. It's the1st priority in social-life

### f. CONCEPT OF SOCIAL SERVICE

The concept of social service in N.S.S. is "OF" the youth "BY," the youth and " For" the youth as well as for community. This service is something more than SRAM DAN. It is activity based service both physical and mental. In the course of study, using holiday and leisure purposefully, social service is done. It will carry educative value to the students. On the other hand, Society will be benefited in the sense that the local youths in particular and public in general will be encouraged. Thus, the N.S.S. social service will help both students and community.

### g PROPER USE OF THE TERM DIGNITY OF LABOUR

In N.S.S., "Dignity of Labour" is not a slogan. It is the words of heart. Volunteers involve in constructive work, learn some thing, encourage others to work and get pleasure. Volunteers learn what Dignity of Labo-ure. Volunteers learn what Dignity of Laboure is and how to use it in social work. Educated youths should accept it in practice without any reservation. Youths should practice of Dignity of Labour knowledge and practice of Dignity of Labour as an ideal citizen. The planners of N.S.S. have given more stress on it to relay the message to all the youths of the country.

### h INTER ACTION OF STUDENT & COMMUNITY

N.S.S. seeks the development of total personality in a student. On the other hand N.S.S. is an education through community service. Thus, there is an inter action between the student and the community. It is a harmonious relation of learning by doing.

In conclusion, we may say that N.S.S. is an education in real sense. Its educative value will strengthen the personality of the youths as well as the environment of the society for national integration and brother hood in the state. Let us have a society with high hope through youth energy in a systematic way of National Service Scheme.

•

# THE YOUTH CAMPAIGN

Prabin Kumar Sarma.
EX-STUDENT (ENG.DEPT)

The youth campaign goes ahead
And ahead, to hold a rally
To create moral awareness
Specially among people.

Rising problems day by day
Spreading frustation,
Drug-addiction, demoralisation,
Value of tension,
debasement of mankind.

The campaign goes faster to build
with skilful hand of youths
To restrain the infectious diseases
And to find purity,
fraternity and cooperation.

# IF YOU COME

Hiren Deka
T.D.C. 2ND.YEAR (ARTS)

The wind is blowing
Kissing the sea,
The sea is playing
like a bee.
Birds are flying
east and west,
They are going
to their nests
The cattle and the workers
have gone ,
The green field
Is sleeping in the Moon.
All have gone
but you ?
my Mind is waiting
for your love.

অগল্প

# অসংলগ্ন

শৈলেন্দ্র কুমাৰ শৰ্মা বৰুৱা
প্ৰাক্তন ছাত্ৰ

০০০০০০ ৰাতিপুৱা শুই উঠি মুখ হাত ধোৱাৰ পিছত চাহ কাপ খাই কিবা এখন কিতাপ আলোচনী নাইবা বাতৰি কাকত পঢ়াতো মোৰ দৈনন্দিন গতানুগতিক কাম। আজিও চাহকাপ খোৱাৰ পিছত কিতাপ এখন উলিয়াই ল'লো নতুনকৈ আনিছোঁ কিতাপখন – নাথুৰাম গডচেৰ ''স্বীকাৰোক্তি''। পঢ়িবলৈ মনটোৱে লপ্ লপাই আছে।

০০০০০০০ ঠিক পঢ়িবলৈ আৰম্ভ কৰিছোঁ – এনেতে কলিংবেলৰ আৱাজ। দুৱাৰখন খুলি দিয়েই চকুত পৰিল – মুখত মিঠা হাঁহি এটালৈ ঠিয় হৈ আছে – ভাইটি জয়ন্ত। মই কিবা কোৱাৰ আগতেই কৈ উঠিল-

''আপোনাক অলপ আমনি দিবলৈ আহিলোঁ।''

মইয়ো অলপ কৃত্ৰিম খং দেখুৱাই, তাক বহিবলৈ দিলোঁ। কুশল বাৰ্তা লোৱাৰ পিছত জয়ন্তই মোৰ ওচৰলৈ অহাৰ কাৰণতো ক'লে। সি এইবাৰ মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখন সম্পাদনা কৰিব। আলোচনীত প্ৰকাশৰ বাবে মোৰ পৰা এটা লিখনী লাগে। অনুৰোধটোৱে মনটো পুলকিত কৰি তুলিলে। হঠাতে মনটোৱে অতীতলৈ উৰা মাৰিলে। মইয়ো এদিন এইখন মহাবিদ্যালয়ৰ আলোচনী সম্পাদনা কৰিছিলোঁ। সঁচা, কি মধুৰ সেই স্মৃতি। ০০০০

''দিবনে নিদিয়ে''?

তাৰ মাতষাৰত সম্বিৎ ঘূৰাই পালোঁ। ০০০ মই ক'লো

– ভাবি চাওঁ।

– কাইলৈ ঠিক তিনিটা বজাত আহিম বুলি কৈ সি মোৰ পৰা বিদায় ল'লে।

চিন্তাত পৰিলোঁ। কি দিম, কি লিখিম। প্ৰায় প্ৰতি বছৰেই এইদৰে অনুৰোধ আহে। মই কৌশলেৰে অনুৰোধ ৰক্ষা নকৰাকৈয়ে চলি আছিলোঁ। আচলতে মই মোৰ নিজৰ নামত নিলিখো। এটা উপনামতহে প্ৰকাশ কৰোঁ। কিন্তু ইয়াততো নিজৰ নামত লিখিব লাগিব। ইফালে সি জোক লগাদি লাগিছে। শেষত সিদ্ধান্ত ল'লো – কিবা এটা দিম। কিন্তু কি দিম ০০০। এটা প্ৰেমৰ গল্প ০০০০ ০। নে দাঁত ভঙা শব্দৰে দুৰ্বোধ্য কবিতা ০০০০০০। নে এটা অৱ তৱ পৰা সংগ্ৰহ কৰি লিখা প্ৰবন্ধ।

০০০০০০০ ওহো ০০০ এইবোৰ একো নিলিখো। মই সঁচা কাহিনী লিখি ভাল পাওঁ। সেয়ে বহুতে মাজে সময়ে মোক বেয়া পায়।

তথাপি ঠিৰাং কৰিলোঁ ০০০০০ ০০ অলপ পিছতেই মই বাহিৰলৈ ওলায় যাম ০০০০০০০। বাহিৰত থকা সময়ছোৱাত যাক লগ পাওঁ ০০ ০০০০০ যি দেখো ০০০০০০০ যি শুনো ০০০০০০০ তাকে লিখিম।

খোজ কাঢ়িয়েই চহৰলৈ গতি কৰিলোঁ। সকলো ব্যস্ত। বিভিন্ন প্ৰয়োজনত সকলো ওলাই আহিছে। মোৰ উদ্দেশ্যৰ কথা মনত অহাৰ লগে লগেই মনতে হাঁহি উঠি গ'ল। নিজকে এটা মুৰ্খ যেন লাগিল। ০০০ সেই মুহূৰ্ত্তে মাত এষাৰ শুনিলোঁ।

– কি হে শৈলেন কি খবৰ?

চাই দেখিলোঁ অধ্যাপক বুধিন হাজৰিকা।

– ভালে আছোঁ ০০০০।

চাৰৰ লগত মোৰ এক আত্মীয়তা আছে। ল'গ পালে কিছু সময় কথা পাতো। আজিও ব্যতিক্ৰম নহ'ল। ০০০০ নতুনকৈ অসমীয়া যুৱকজনে খোলা চিলাৱায় হোটেলৰ দুখন চকী দখল কৰিলোঁ। চাহত চুমুক দি দি

কথাৰ পাতনি মেলিলোঁ।

কথা প্ৰসংগত মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীৰ কথা ওলাল। চাৰো এটা বছৰ (১৯৮৯–৯০) আলোচনীৰ তত্ত্বাৱধায়ক আছিল। চাৰে গৌৰৱেৰে ক'লে

– মোৰবাৰত সম্পাদিকা মমতাজ খানমে নতুনত্বৰ দিশত অভিলেখ স্থাপন কৰিছিল।

০০০০০ কথাষাৰ অৱশ্যে ১০০% ভাগেই শুদ্ধ। আলোচনীখনৰ সকলো দিশতেই নতুনত্ব আছিল। তাতোকৈ অভিনবত্ব আনিছিল আলোচনীৰ উদ্বোধনী অনুষ্ঠানটিয়ে। শঙ্খ, ঘন্টা, ডবা, কাঁহ, উৰুলি আৰু পুষ্পবৃষ্টিৰ মাজতে আলোচনীখন উন্মোচন কৰিছিল, আধুনিক মঙলদৈ মহাবিদ্যালয়ৰ খনিকৰ প্ৰাক্তন অধ্যক্ষ প্ৰবোধ গোস্বামীদেৱে। সেই অনুষ্ঠানত উপস্থিত আছিল, মঙলদৈ মহাবিদ্যালয় আলোচনীৰ প্ৰথম গৰাকী সম্পাদকৰ পৰা সেই সংখ্যাৰ সম্পাদিকালৈ। ভাষণত শ্ৰদ্ধেয় প্ৰবোধ গোস্বামী চাৰে কোৱা মনত আছে –

"০০০০০০ ইমান দিনে প্ৰকাশ হৈ থকা আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনক সম্পাদিকাই আজি এক সুকীয়া মহত্ব, সুকীয়া মৰ্য্যাদা আৰু সুকীয়া ৰূপ প্ৰদান কৰিলে ০০০০। মই আশা ৰাখিছোঁ ০০০ এই অনুষ্ঠানৰ যেন ধাৰাবাহিকতা ৰক্ষা কৰা হয়।"

কিন্তু চাৰৰ আশা পূৰণ কৰা নহ'ল। মই হাজৰিকা চাৰক প্ৰশ্ন কৰিছিলোঁ ০০০ সকলো দিশতে নতুনত্ব আনিও এটা সংখ্যাৰ সম্পাদকে যদি এনে অনুষ্ঠান কৰিব পাৰে ০০০ বাকীসকলে কিয় নোৱাৰে। অলপ ভাবি চাৰে ক'লে–

– পাৰে, লাগে মাথো গভীৰ আন্তৰিকতা নিষ্ঠা সততা নতুনত্ব অনাৰ হেপাঁহ আৰু কৌশল।

০০০০০

তাৰ পিছত চাৰৰ পৰা বিদায় লৈ ৰিক্সা এখনত বহি পৰিলোঁ। লক্ষ্য মোৰ শ্ৰদ্ধাৰ দাদা ০০০ প্ৰভাত নাৰায়ণ চৌধুৰী। মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদক। এতিয়াও মৌজাৰ কাম, সাংসাৰিক লেঠাৰ মাজতো মঙলদৈ মহাবিদ্যালয়ৰ প্ৰতিটো খবৰ ৰাখে। বৰ ভাল পায় মহাবিদ্যালয়খনক।

মোক দেখাৰ লগে লগেই কৈ উঠিল ০০০০

– কি আগৰিত সংযোগহে ০০০ তোমাৰ কথা মই অলপ আগেয়ে ভাৱিছিলোঁ। ভালেই হ'ল, তুমি আহিলা।

বহিবলৈ দি প্ৰভাতদাই মোক ক'লে

– আমি সকলোবোৰ প্ৰাক্তন সম্পাদকে এটা বৰ ডাঙৰ অপৰাধ কৰিছোঁ।

মই উচপ খাই উঠিলোঁ। আলোচনী সম্পাদনা কৰা আজি ইমান বছৰ হৈ গ'ল, এতিয়া আকৌ কি অপৰাধ ওলাল। প্ৰভাতদাই হাতত এখন পুৰণি আলোচনী লৈ আহি মোক দিলে। হাতত লৈ চকুত পৰিল –

"মঙলদৈ মহাবিদ্যালয় আলোচনী" সম্পাদক ঃ অৰুন চন্দ্ৰ দাস। বেটুপাত লুটিয়াই চালো ০০০ অষ্টম সংখ্যা ০০০ ১৯৬৭–৬৮ চন। উপদেষ্টা ঃ অধ্যাপক জীৱন চন্দ্ৰ শৰ্মা।

প্ৰশ্নবোধক চাৱনিৰে মই প্ৰভাতদাৰ ফালে চালোঁ।

প্ৰভাতদাই ক'লে ০০০০

– চোৱাচোন এতিয়া, আলোচনী সম্পাদক বিলাকৰ প্ৰকাশিত নামৰ তালিকা।

আচৰিত হৈ গ'লোঁ ০০০ সচাঁকৈ সেই সংখ্যা আলোচনীৰ নামেই উল্লেখ নাই। ব্যক্তিগত ভাৱে মই সেই সংখ্যা আলোচনী প্ৰকাশ হোৱা নাই বুলি ভাবি আছিলোঁ।

মনত গভীৰ বেদনা অনুভৱ হ'ল। কিয় এনেকুৱা হ'ল ০০ কাৰ ভুলৰ বাবে এনেকুৱা হ'বলৈ পালে ০০০ এগৰাকীৰ অৱদানক আমি মঙলদৈ মহাবিদ্যালয়ৰ ইতিহাসৰ পৰা আঁতৰাই পেলাইছোঁ। যাৰ বাবেই প্ৰতিবছৰৰ প্ৰকাশিত আলোচনীৰ সংখ্যাটো ভুল হৈ প্ৰকাশ পাই আছে। যিয়েই নহওঁক ভুলটো অৱশেষত ধৰা পৰিল।


০০০০০ এতিয়া অৰুন চন্দ্ৰ দাস ক'ত আছে নেজানো। আশাকৰোঁ ভগৱানে তেখেতক কুশলে ৰাখিছে। তেখেতক ল'গ নাপালেও ০০০ আমাৰ আটাইৰে অনিচ্ছাকৃত ভুলৰ ক্ষমা বিছাৰিছোঁ। ভুলটো শুধৰাবলৈ পাই, নিজকে মুক্ত অনুভৱ কৰিছোঁ।

প্ৰভাতদাৰ পৰা বিদাল লৈ ঘৰমুৱা হ'লো। কাইলৈ জয়ন্ত আহিব। কি দিম ০০০। একো দেখোন বিচাৰি নাপালোঁ। মনতে ভাবিলো, অসত্য আৰু কল্পনাৰ ৰহন সানি কিবা এটা দিম নে ০০০০০ আজিৰ দিনটোৰ সঁচা কথাখিনিকে জুকিয়াই দিম।

ওঁহো ০০০ ঠিৰাং কৰিলোঁ ০০০ ০০ জয়ন্তক সত্য কথাখিনিকে দিম। ❑

কবিতা





# দুঃসময়

গীতা বৰুৱা
স্নাতক, ২য় বৰ্ষ (কলা)

●

আকাশৰ তৰাবোৰ
দুখৰ তৰা হ'ল,
আকাশখন গোমা হৈ ৰ'ল।

●

জোনাকবোৰ
আউসী হ'ল,
শেৱালীবোৰ মৰহি গ'ল।
দেশৰ ধৰণীবোৰ
শ্বহীদ হ'ল,
আইৰ বুকু উদং হৈ ৰ'ল।

●

তেজেৰে বাউলী হ'ল
অসমীৰ বুকু .......
স্বপ্ন ভাঙিল নিশাৰ
উচপ খাই উঠিল সোণ মইনা।
উজাগৰী নিশা আগবাঢ়ে
এটি উজ্জ্বল,
ধৱল পুৱাৰ প্ৰতীক্ষাত।

●

# বিক্ষত

কামিনী শৰ্ম্মা
স্নাতক, ৩য় বৰ্ষ (কলা)

●

সিদিনা,
তোমাৰ তালে গৈছিলোঁ।
বৰ্ষামুখৰ গোমা আকাশৰ তলত
পাম আৰু দেবদাৰুৰ সতে,
প্ৰাণ খুলি প্ৰাণৰ কথা পাতিলোঁ।


এনেকৈয়ে,
পল অনুপল কৰি গুছি গ'ল
জীৱনৰ প্ৰতিটো স্বৰ্ণময় মুহূৰ্ত !

এতিয়া,
মোৰ বন্ধ কক্ষত মোৰ সতে
মুক বেদনাত স্তব্ধ হৈ যাব খোজে
মোৰ কলিজাৰ স্পন্দন !
স্মৃতি এতিয়া এখনি ধূসৰ ছবি।

●



# এন্ধাৰৰ সিপাৰে



জীৱন শৰ্মা
উঃ মঃ, ২য় বৰ্ষ (কলা)

মুখ থেকেচা খাই
পৰি ৰ'ল,
সুকোঁমল হৃদয়ৰ ৰঙীন আশা,
হিংস্ৰতাৰে ৰুদ্ধ কৰা হ'ল
সত্যৰ বতৰা অনা
বিক্ষুব্ধ ভাষা ।

হলেও থমকি ৰোৱা নাই গতি
সাহসিকতাৰ প্ৰতীক হৈ
খোজ দিছে এটি দুটি
অমৃত লাভৰ কাৰণেই
হলাহল পানৰ
এই প্ৰস্তুতি।।

# নিসংগতাৰ গান

জুনুমণি ডেকা
স্নাতক, ৩য় বৰ্ষ

শংকা সম্বলিত ক্ষণবোৰেৰে
আগবাঢ়িছিল মোৰ মন।
তোমাৰ প্ৰেমৰ ৰঙা দলিচা গচকি
অন্তৰাত্মাই বিচাৰিছিল
মধুৰতা
কিন্তু !
এতিয়া মাথো —
জীৱনৰ বালি চাপৰিত
আশাৰ মৰীচিকা খেদি
মই গাইছোঁ মোৰ
নিসংগতাৰ গান ।।





# পখিলা

জয়ন্ত চহৰীয়া
স্নাতক, তৃয় বৰ্ষ (কলা)



● নিশাৰ তীব্ৰ বৰষুণৰ গৰ্জনত
মোৰ হৃদয়েও
ডেউকা জপাই
ঢপ্ ঢপ্ ঢপ্ ব্ৰজপাত পৰিছিল;
দুটি বৰফৰ টুকুৰাৰ মাজত।
এটি সেউজী পাতৰ আঁৰত ৰৈ
বৰষুণ জাক
যোৱাৰ ফালে চাই
আৰু
অৰুণৰ অম্লান ৰাতিপুৱাৰ
প্ৰতীক্ষাত আছিলোঁ।

● এতিয়া মিছিকিয়া হাঁহিৰে
প্ৰেমৰ সৰগ ৰচিছোঁ,
নিশাৰ ৰাজহাড়ৰ কম্পন
কাটি কৰি,
সাতোৰঙী পোহৰৰ স'তে
কত খেলা কৰি
হঠাৎ ডিঙিত যেন ৰুদ্ধ;
ফেঁহু চৰাইৰ ঠোঁটৰ হেচাত
চকু দুটি চিটিকি গৈছে
দেখিছোঁ কেৱল
টুকুৰা টুকুৰ;
পৃথিৱীলৈ উৰি যোৱা
মোৰ ৰংচঙীয়া পাখিৰ।

● ফুটুকা ফুটুকী খণ্ডবোৰ।

# খুউঁৰ সম্ভৱ তুমি এদিন আহিবা

মহঃ তবিবৰ ৰহমান
উঃ মাঃ, ২য় বৰ্ষ (কলা)




খুউঁৰ সম্ভৱ তুমি এদিন আহিবা,
মোক কোনো সহাৰি নিদিয়াকৈ,
মনৰ আবেগতে
নিজক পাহৰি,
ধুমুহা অহা দি আহিবা ভীষণ বেগেৰে লৰি।
খুৰ সম্ভৱ তুমি এদিন আহিবা। নিশ্চয় আহিবা,
ধুমুহাৰ কোবত যেনেকৈ,
গছ-লতাবোৰ আন্দোলিত হয়,
তেনেকৈ হয়তো মোৰ,
ভগ্ন হৃদয় পুণৰ আন্দোলিত হ'ব।
খুৰ সম্ভৱ তুমি এদিন আহিবা, নিশ্চয় আহিবা।
বেদনা ভৰা হৃদয় লৈ,
মোক সঁহাৰি নজনোৱাকৈ,
দূৰতে মিলি যাম,
আমি দুয়ো আনন্দত আত্মাহাৰা হৈ।

# অন্ধকাৰ

মৃণাল কুমাৰ ৰাজবংশী
স্নাতক, ১ম বৰ্ষ (কলা)

অন্ধকাৰ ০০০০০০
সেই দুৰ্গম গলিটো,
সেইফালে নাযাবা।
ৰক্তাক্ত ০০০০০০
সেই পথছোৱা।
ভৰি দিলেই পিছল খাই যায়;
কত জন দুৰ্ভগীয়া বলি হৈছে
সেইজাক পাষণ্ডৰ হাতত।
মানৱীয় অনুভূতি সিহঁতৰ আজি নাই।
সিহঁত (?) বৰ নিষ্ঠুৰ।
অন্ধকাৰ ০০০০০০
সেই দুৰ্গম গলিটো,
সেইফালে নাযাবা।



# ভাৰতৰ নতুন অৰ্থনৈতিক নীতি ঃ ইয়াৰ সমস্যা আৰু সম্ভাৱনা

শৰৎ চন্দ্ৰ শৰ্মা, এম-এ-বিটি,
প্ৰবক্তা, অৰ্থনীতি বিভাগ

১৯৯১ চনৰ ১ জুন তাৰিখে কংগ্ৰেছ (ই) দলে ভাৰতৰ শাসনত অধিষ্ঠিত সময়ত দেশখনে এক ভয়ানক অৰ্থনৈতিক সংকটৰ সন্মুখীন হয়। ইয়াৰ পূৰ্ববৰ্ত্তী চন্দ্ৰ শেখৰ চৰকাৰে নিৰুপায় হৈ ভাৰতৰ বহু পৰিমাণৰ সোণ বিদেশত বন্ধক কত দি বিদেশী মুদ্ৰা সংগ্ৰহ কৰিবলৈ বাধ্য হৈছিল। ১৯৯১ চনৰ জুন মাহত মাত্ৰ দুসপ্তাহ তেল আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী আমদানি জোখাৰে মাত্ৰ ২৪০০ কোটি টকাৰ বৈদেশিক মুদ্ৰা জমা আছিল। এই সংকটৰ বাবে ১৯৯১ চনৰ বাজেট ফেব্ৰুৱাৰী মাহত উথাপন কৰিবলগীয়া আছিল, কিন্তু সম্ভৱ ন'হল। ১৯৯০ চনৰ ১ এপ্ৰিলৰ পৰা ৮ম পাঁচবৰ্ষীয়া পৰিকল্পনা আৰম্ভ কৰিবলগীয়া আছিল কিন্তু এনে সংকটৰ বাবে আৰম্ভ কৰিব নোৱাৰিলে। ইফালে ভাৰতত বিদেশী মুদ্ৰাৰ জমা কমি যোৱাৰ্লৈ লক্ষ্য ৰাখি বিদেশত থকা ভাৰতীয় সকলে তেওঁলোকৰ বিদেশী মুদ্ৰা উইলয়াই নিবলৈ ধৰিলে। চৰকাৰে বিদেশী বিত্তীয় অনুষ্ঠান সমূহৰ পৰা লোৱা হস্রকালীন ঋণ পৰিশোধ কৰিব নোৱাৰা অৱস্থাত পৰিল। এনে পৰিস্থিতিত ভাৰত চৰকাৰে দেশৰ অৰ্থনীতি পুনৰ সৰ্জীৱিত কৰিবলৈ কিছুমান কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হ'ল।

এই সময়ত চোভিয়েট ৰুচিয়াকে ধৰি পূৱ ইউৰোপৰ কিছুমান দেশ বজাৰ ভিত্তিক মুক্ত অৰ্থনীতিলৈ ঘূৰি আহিল। ভাৰতেও এনে অৱস্থাত আৰ্থিক নিয়ন্ত্ৰনৰ অসাৰতালৈ লক্ষ্য ৰাখি নিয়ন্ত্ৰন সমূহ হ্ৰাস কৰি বজাৰ ভিত্তিক অৰ্থনীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰাটোকে বাস্তৱ পন্থা বুলি অনুভৱ কৰিলে। ইয়াৰ মুক্ত অৰ্তনীতি গ্ৰহণৰ বাবে আন্তৰ্জাতিক মুদ্ৰাভাণ্ডাৰ আৰু বিশ্ববেংকেও হেঁচা দিলে, যাতে ভাৰতৰ অধিক বৈদেশিক বিনিময় মুদ্ৰা সংগ্ৰহৰ পথ প্ৰশস্ত হয়। এনে পৰিস্থিতিত নতুন চৰকাৰ খনে অৰ্থনৈতিক ভাৰসাম্য আনিবলৈ বিভিন্ন ব্যৱস্থা যেনে ঃ

(১) মুদ্ৰাৰ মূল্য হ্ৰাস
(২) নতুন ঔদ্যোগিক নীতি গ্ৰহণ
(৩) নতুন বানিজ্যনীতি গ্ৰহণ আৰু
(৪) ১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনৰ বাৰ্ষিক বাজেটত কিছুমান নীতি গ্ৰহণ কৰে।

এই সামগ্ৰিক ব্যৱস্থা সমূহক নতুন অৰ্থনৈতিক নীতি বোলা হয়। নীতি সমূহ তলত আলোচনা কৰা হ'ল।

## মুদ্ৰাৰ মূল্য হ্ৰাস ঃ

মুদ্ৰা বজাৰত ভাৰতীয় টকাৰ মূল্য, ১৩/১৯৯১ তাৰিখে ৮২৬% ৰ পৰা ৮৮% ৰ হ্ৰাস কৰে আৰু পুনৰ তিনিদিন পিছত ইয়াক ১০%ৰ পৰা ১০৯৬% পৰ্য্যন্ত হ্ৰাস কৰে। বৈদেশিক মুদ্ৰাৰ নাটনি গুচাবৰ বাবে আৰু ৰপ্তানি বাণিজ্যৰ উন্নয়নৰ অৰ্থে মুদ্ৰাৰ মূল্য হ্ৰাস কৰিবলগীয়া হয়। ইয়াৰ ফলত আন্তৰ্জাতিক মুদ্ৰা নিধিৰ পৰা অধিক বৈদেশিক মুদ্ৰা ঋণ হিচাপে আহৰণ কৰাৰ পথ সুগম হ'ল।

## নতুন উদ্যোগিক নীতি ঃ

ভাৰতৰ চৰকাৰে ঔদ্যোগিক বিকাশৰ অৰ্থে ২৪/৭/৯১ তাৰিখে নতুন ঔদ্যোগিক নীতি ঘোষণা কৰে। দেশৰ অৰ্থনৈতিক সংগঠন সমূহক প্ৰতিযোগিতামূলক আৰু গতি-শীল কৰাই এই নীতিৰ লক্ষ্য। এই নীতিৰ মূল লক্ষ্য সমূহ হ'ল ঃ

(ক) ঔদ্যোগিক অনুজ্ঞানীতিৰ সংস্কাৰ
(খ) বৈদেশিক মূলধন বিনিয়োগৰ নীতি
(গ) বৈদেশিক প্ৰযুক্তি সম্পৰ্কীয় নীতি
(ঘ) ৰজাহুৱা খণ্ড সম্পৰ্কীয় নীতি
(ঙ) একচেতিয়া প্ৰতিবন্ধক বাণিজ্য আইন সংশোধন

### (ক) ঔদ্যোগিক অনুজ্ঞানীতিৰ সংস্কাৰ

উদ্যোগ স্থাপনৰ ক্ষেত্ৰত চৰকাৰী অনুজ্ঞাৰ (licence) প্ৰৱৰ্তন কৰা হৈছিল, যাতে দেশৰ সীমিত মূলধনৰ পূৰ্ণ প্ৰয়োগ হয়,উদ্যোগ সমূহ চৰকাৰী নীতি মতে দেশৰ বিভিন্ন স্থানত প্ৰতিষ্ঠা হয় আৰু সম্পদ কেন্দ্ৰীভূতহৈ অলপ সংখ্যক লোকৰ হাতলৈ নাযায়। কিন্তু চৰকাৰী নীতি কাৰ্য্যকৰী ন'হল। চৰম দুৰ্নীতিয়ে গা কৰি উঠিল। উদ্যোগ স্থাপনত বাধা পৰিল। অকল ধনী লোকে অসৎ উপায়েৰে অনুজ্ঞালৈ একচেতিয়া ভাৱে দেশৰ জনগণক শোষণত লাগিল। সেয়ে চৰকাৰে বিশেষ ওঠৰতা উদ্যোগ ভিন্ন, বাকী ক্ষেত্ৰত অনুজ্ঞা ব্যৱস্থাৰ অৱসান ঘটালে।

### (খ) বৈদেশিক মূলধন বিনিয়োগ নীতি

উচ্চ গুৰুত্ব প্ৰাপ্ত খণ্ডত বিদেশী কোম্পানীক ৫১ শতাংশ পৰ্য্যন্ত মূলধন বিনিয়োগ কৰিবলৈ দিয়া হ'ব। আশাকৰা হৈছে যে তেওঁলোকে প্ৰযুক্তিবিদ্যা,ক্ৰয় বিক্ৰয়ৰ দক্ষতা,সুদক্ষ পৰিচালনা আদি ভাৰতলৈ আনিব আৰু ৰপ্তানি বৃদ্ধিত সহায়ক হ'ব। আগতে বিদেশী কোম্পানীক ৪০ শতাংশ পৰ্য্যন্ত মূলধন দিয়া হৈছিল, বৰ্তমান ইয়াৰ পৰিমাণ ৫১% ভাগ বৃদ্ধি কৰাৰ ফলত বিদেশী বিনিয়োগকাৰীয়ে অধিক বিস্বাসে ভাৰতত মূলধন খটুৱাবলৈ আহিব, বুলি আশা কৰা হৈছে।

### (গ) বৈদেশিক প্ৰযুক্তি সম্পৰ্কীয় নীতিঃ

ভাৰত চৰকাৰে উচ্চ গুৰুত্ব প্ৰদান কৰা ক্ষেত্ৰ সমূহত বিদেশী প্ৰযুক্তি এই দেশলৈ আমদানি হোৱাত বাধা নিদিয়ে। ইয়াৰ বাবে আগতীয়া চৰকাৰী অনুমোদনৰ আৱশ্যক নহ'ব। আশাকৰা হৈছে যে ইয়াৰ ফলত বিদেশী প্ৰযুক্তি ভাৰতলৈ অহাত আৰু ইয়াত উদ্যোগ স্থাপনত পলম নহ'ব। অৱশ্যে তাৰ বাবে ভাৰতক ১ কোটি টকা আৰু ভাৰতত বস্তু বিক্ৰীৰ বাবদ ৫% ৰাজহ আৰু বিদেশলৈ কৰা ৰপ্তানিৰ বাবে ৮% ৰাজহ দিব লাগিব।

### (ঘ) ৰাজহুৱা খণ্ড সম্পৰ্কীয় নীতি ঃ

চৰকাৰে বাজহুৱা খণ্ডৰ অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণ আনবিক শক্তি উৎপাদন আদি আঠোটা উদ্যোগ পৰিচালনা কৰিব, বাকীবোৰ উদ্যোগ ব্যক্তিগত খণ্ডই প্ৰতিষ্ঠা কৰিব পাৰিব। ১৯৫৬ চনৰ উদ্যোগ নীতি মতে চৰকাৰে ১৭ টা

উদ্যোগ নিজ হাতত ৰাখিবলৈ প্ৰস্তাৱ চৰকাৰে গ্ৰহণ কৰিছিল। ৰাজহুৱা খণ্ডৰ অধিকাংশ উদ্যোগ দেশৰ বাবে হাড় মাল হৈ পৰাৰ ফলত, নতুনকৈ চিন্তা কৰাৰ আৱশ্যক হ'ল। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ মূলধন অংশ, মিউচুৱেল ফান্দ,চৰকাৰী বিত্তীয় অনুষ্ঠান, জনসাধাৰণ আৰু কৰ্মচাৰী সমূহক বিক্ৰী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

**(ঙ) একচেতিয়া প্ৰতিবন্ধক বাণিজ্য আইন সংশোধন**

এক চেটিয়া, নিয়ন্ত্ৰনমূলক আইনৰ সংশোধন (MRTPACT) পূৰ্বতে যিবিলাক কোম্পানীৰ মূলধন ১০০ কোটি বা তাতকৈ বেছি আছিল, সেই কোম্পানীসমূহে একচেটিয়া নিয়ন্ত্ৰন মূলক আৰু অন্যায়মূলক বাণিজ্য আইনৰ বাধা নিষেধ মানি চলিব লাগিছিল। ইয়াৰ ফলত দেশত উদ্যোগ স্থাপনৰ গতিশীলতা ব্যাহত হয়। সেয়ে এই আইনৰ সীমা সঙ্কুচিত কৰি যাতে বৃহত কোম্পানী সমূহে অন্যায় ভাৱে দাম বৃদ্ধি কৰি গ্ৰাহকক প্ৰতাৰণা কৰিব নোৱাৰে, তাক চোৱা চিতা কৰিবলৈ দিয়া হ'ল। গ্ৰাহকৰ আপত্তিৰ ভিত্তিত চৰকাৰে এনে উদ্যোগ সমূহৰ বিৰুদ্ধে কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

## ১৯৯২ চনৰ বাজেটত গ্ৰহণ কৰ নীতি

১৯৯২-৯৩ চনৰ কেন্দ্ৰীয় চৰকাৰৰ বাজেট এক বিত্তীয় সংকটৰ পটভূমিত প্ৰস্তুত কৰা হয়। আন্তৰ্জাতিক মুদ্ৰানিধিৰ ঋণ পোৱাৰ যোগ্যতা আগত ৰাখি বিত্তীয় ঘাটিৰ পৰিমাণ ৩৭.৭৯২ কোটি টকাৰ পৰা ৩৪.৪০৮ কোটি টকালৈ কমোৱা হয়। বিত্তীয় ঘাটি বুলিলে আন্তৰ্ৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ মতে, মুঠ খৰচ বিয়োগ ৰাজহ প্ৰাপ্তি বিয়োগ ঋণ আদায় বিয়োগ অন্যান্য প্ৰাপ্তিৰ সমান। বিত্তীয় ঘাটি ১৯৯০-৯১ চনত মুঠ ৰাষ্ট্ৰীয় উৎপাদনৰ ৮.৭%, ১৯৯১-৯২ চনত ৬.৫% আৰু ১৯৯২-৯৩ চনৰ বাজেটত ৫% হব বুলি ধৰা হৈছে। এই দৰে ক্ৰমাৎ ঘাটিৰ পৰিমাণ কমালে মুদ্ৰাস্ফীতি হ্ৰাস পাব আৰু দেশত অৰ্থনৈতিক অৱস্থাৰ অস্থিৰতা নোহোৱা হ'ব। ঘাটি বাজেটেই দেশত হোৱা মুদ্ৰাস্ফীতিৰ এক অন্যতম কাৰণ। দেশত হোৱা মুদ্ৰাস্ফীতিৰ বাবে মুদ্ৰাৰ মূল্য হ্ৰাস আদি অনেক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লগীয়া হয়।

**ৰাজ সাহায্য হ্ৰাস ঃ**

বজাৰ মুখী অৰ্থনীতি গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ক্ষেত্ৰত দি অহা ৰাজ সাহায্য কমোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ল।

## মুক্ত বিনিময় পৰিচালনা (LERMS)

এই বাজেট অনুসৰি কোনো লোকে বিদেশলৈ ভাৰতীয় মুদ্ৰা পঠাব লাগিলে তাৰ ৪০% চৰকাৰী হাৰত আৰু বাকী ৬০% বজাৰ দৰত ৰূপান্তৰ কৰিব পাৰিব। বৰ্ত্তমান এই ব্যৱস্থাৰ সংশোধন ঘটাই ১০০% মুদ্ৰাকেই বজাৰ দৰত ৰূপান্তৰ কৰাৰ ব্যৱস্থা কৰা হ'ল। ইয়াত চৰকাৰী বাধা নিষেধ আঁতৰোৱা হ'ল। চৰকাৰী বাধা নিষেধৰ সুবিধা লৈ একশ্ৰেণী চৰকাৰী বিষয়াই মুদ্ৰা ৰূপান্তৰক কেন্দ্ৰ কৰি ভিতৰুৱা দুৰ্নীতিত নামিছিল। এতিয়া সেই দুৰ্নীতিৰ অৱসান ঘটিল।

## বৈদেশিক মূলধনী বিনিয়োগ

বিদেশী বিনিয়োগকাৰীয়েও এই দেশত কোম্পানীৰ ঋণ পত্ৰ আৰু কোম্পানীৰ অংশ কিনিব পাৰিব অৱশ্যে তাৰ বাবে চৰকাৰক আয়কৰ আৰু মূলধনৰ বৃদ্ধিৰ বাবদ (Capital Gains Tax)কৰ শতকৰা১০ ভাগকৈ চৰকাৰক দিব লাগিব।

## সোণ অনাৰ সুবিধা

ভাৰতীয় বংশোদ্ভৱ বিদেশী সকলৰ প্ৰতিজনে ৫ কিলোগ্ৰামকৈসোণ ভাৰতলৈ আনিব পাৰিব, অৱশ্যে প্ৰতি ১০গ্ৰাম সোণৰ বাবদ বৈদেশিক মুদ্ৰাৰ হিচাবত ২২০ টকাকৈ কৰ দিব লাগিব।

## নতুন আমদানি ৰপ্তানি নীতি(EXIM Policy)

১৯৯২চনৰ ৩১ মাৰ্চত চৰকাৰে পাঁচ বছৰীয়া নতুন আমদানি আৰু ৰপ্তানি নীতি ঘোষণা কৰে। এই নীতি অনুসৰি ভোগ্য বস্তু ২৮ বিধ আৰু অন্যান্য ৭০ বিধ সামগ্ৰীৰ বাহিৰে, আন সামগ্ৰী সমূহ আমদানিত বাধা নাথাকিব। তৈয়াৰ নকৰা ৰেচম, কেইবিধ মান খনিজ সম্পদ, মাহ, সামৰিক সামগ্ৰী, গাখীৰ নাৰিকল,কোপ্ৰা আদি সামগ্ৰীৰ ক্ষেত্ৰত অনুজ্ঞা লৈ ৰপ্তানি কৰিব পাৰিব। ৰপ্তানিৰ বাবে অনা কেঁচা সামগ্ৰী অনাত কৰ নাথাকিব। ৰপ্তানি বৃদ্ধিৰ অৰ্থে চৰকাৰী বাধা নিষেধ কমোৱা হ'ল। বিশেষকৈ মূলধনী সামগ্ৰী আমদানিৰ ক্ষেত্ৰত চৰকাৰে উৎসাহ প্ৰদান কৰিব। ভোগ্য বস্তু আমদানিত বাধা আৰোপ কৰা হৈছে। এই নীতি অনুসৰি ৰপ্তানি মূলক উদ্যোগ সমূহক বিশেষ সুবিধা প্ৰদান কৰিবলৈ চৰকাৰে প্ৰস্তাৱ গ্ৰহণ কৰে।

## নতুন অৰ্থনৈতিক নীতিৰ সমস্যা আৰু সম্ভাৱনা

নতুন বজাৰ ভিত্তিক অৰ্থনীতি ভাৰতে গ্ৰহণ কৰাৰ ফলত এক নতুন প্ৰতিযোগিতা মূলক, মুক্ত অৰ্থনীতিৰ বিকাশৰ পথ মুকলি হ'ল, অনুজ্ঞা আদি বা অঙ্কিত কৃত্ৰিম নিয়ন্ত্ৰ নৰ অৱসান ঘটন। এই নীতিয়ে অধিক মূলধন বিনিয়োগৰ বাট মুকলি কৰিলে। নতুন নীতিৰ ফলত বিদেশী মূলধনৰ বিনিয়োগ বাঢ়িব আৰু অব্যৱহৃত হৈ থকা প্ৰাকৃতিক সম্পদ সমূহৰ ব্যৱহাৰ বাঢ়িব আৰু নিয়োগ তথা দেশৰ জন সাধাৰণৰ আয় বাঢ়িব। দেশত দৰিদ্ৰতা নিৰ্মূলৰ বাবে আচনি সমূহত কোনো বাধা নপৰিব। ৰাজহুৱা বিতৰণ ব্যৱস্থা অধিক শক্তিশালী কৰা হ'ব। কৃষিত অধিক বিনিয়োগ,শিক্ষা,স্বাস্থ্য আদিৰ উন্নয়নত চৰকাৰে গুৰুত্ব প্ৰদান কৰিব। ক্ষুদ্ৰ উদ্যোগৰ বিকাশ অধিক কৰা হ'ব। বৰ্তমান নতুন উদ্যোগ নীতিৰ ফলত পৰ্য্যাপ্ত পৰিমাণে বিদেশী মুদ্ৰা ভাৰতে সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে।

নতুন অৰ্থনৈতিক নীতিয়ে মুদ্ৰাস্ফীতিৰ পৰিমাণ বঢ়াব, চাকৰি কমিব, ৰাজহুৱা খণ্ডৰ কৰ্মচাৰী চ্যুৎ হব, আন্তৰ্ৰাষ্ট্ৰীয় বিত্তীয় অনুষ্ঠান সমূহৰ পৰা কৰা ধাৰৰ বাবে দেশত দুৰ্দিন আহিব আদি সমালোচনা কৰা হৈছে।

ভাৰতৰ অৰ্থনীতি বৰ্তমান অৱস্থাত পূৰ্বৰ তুলনাত যথেষ্ট শক্তিশালী। বিশ্ববেংক আৰু আন্তৰ্ৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ সদস্য ৰাষ্ট্ৰ আৰু ইয়াত ভাৰতৰ অংশও পৰ্য্যাপ্ত। গতিকে ব্যক্তিগত দেশৰ পৰা ধাৰ কৰাতকৈ অনুষ্ঠানৰ পৰা ধাৰ কৰা ভাল বুলিবই লাগিব। অনুজ্ঞা নীতিৰ কঠোৰতা কমোৱাৰ ফলত সুবিধা ভোগী বৃহৎ উদ্যোগী আৰু চৰকাৰী পালি পহৰিয়াই অন্যায় কৰি ধন গোটোৱাত অসুবিধাত পৰিল। ৰাজহুৱা খণ্ড সমূহত বিনাশ্ৰমে যাই থকা চাকৰিয়াল সকলে চাকৰি যোৱাৰ ফলত শঙ্কিত হৈছে। দেশৰ দৰিদ্ৰ সকলৰ পৰা কৰ আদায় কৰি উৎপাদনহীন কৰ্মচাৰীক সদায় পোহপাল দিয়া সম্ভৱ নহয়। দেশৰ মুদ্ৰাস্ফীতি কমাব পাৰিলে দেশৰ দুখীয়া সকল উপকৃত হব; অৱশ্যে ধনী ব্যৱসায়ী সকলৰ অধিক ধন সংগ্ৰহ কৰা টান হ'ব। ধনী বেপাৰী সকল ইয়াৰ বাবে শঙ্কিত হৈছে।

গতিকে দেখা যায় নতুন অৰ্থনীতিৰ পৰা অপকাৰ নহব বৰং সুদূৰ প্ৰসাৰী বাস্তৱ নীতিৰ ফলত দেশৰ অৰ্থনীতি সবল হ'ব। ❑

একাংকিকা নাট

# ধৰ্ষিতা স্বদেশ

টংকেশ্বৰ বৰুৱা
স্নাতক (বিজ্ঞান), তৃতীয় বৰ্ষিক

**কুশী-লৱ ঃ**

ৰজা দুঃসময় ঃ পৰিধানত ক'লা সাজ।

মন্ত্ৰী দুৰ্নীতি ঃ এক ৰঙৰ সাজ।

উন্মাদ বিবেক ঃ পৰিধানত ফটা ছিটা সাজ ঊৰ্দ্ধাংশ অনাবৃত।

পিতামহ সুসময় ঃ এক ৰঙৰ সাজ।

দেৱী সৰস্বতী ঃ পৰিধানত বগা সাজ।

ধৰ্ম ঃ উলঙ্গ প্ৰায়। নিম্নাংশত চুটি সাজ।

মানৱ ঃ উলঙ্গ প্ৰায়। নিম্নাংশত চুটি সাজ।

ৰাজকুমাৰী সুনীতি ঃ বিষাদগ্ৰস্তা। পৰিধানত ফটা ছিটা সাজ।

**মঞ্চ নিৰ্দেশনা ঃ**

*(পট উঠাৰ লগে লগে মঞ্চত দেখা যাব দুসময়ক কেন্দ্ৰ কৰি ঘড়ী কাটাৰ দিশত ঘূৰি থাকিব সৰস্বতী, ধৰ্ম আৰু মানৱ। সৰস্বতীৰ গতি দ্ৰুত হ'ব। ধৰ্মৰ গতি কিছু লেহেম আৰু মানৱৰ গতি একেবাৰে লেহেম। সুসময়ৰ অৱস্থান হ'ব মঞ্চৰ একেবাৰে সোঁফালে ডাউন ৰাইট পজিচনত। ৰাজকুমাৰী সুনীতিৰ অৱস্থান হ'ব মঞ্চৰ একেবাৰে বাওঁফালে লেফ্‌ট পজিচনত। উন্মাদ বিবেক আৰু মন্ত্ৰী দুৰ্নীতিয়ে যে ক্ৰমে ডাউন চেণ্টাৰ আৰু ডাউন লেফ্‌ট পজিচনত অৱস্থান কৰিব। বিবেকে দুইহাত বন্ধ ভঙ্গীত আঠু কাঢ়ি থাকিব। কিছুসময় ঘূৰাৰ পিছত সৰস্বতী, ধৰ্ম আৰু মানৱৰ গতি স্তব্ধ হৈ যাব)*

ৰজা দুঃসময় ঃ ই কি? সময় থমকি ৰ'ল কিয়? এইৰজা দুঃসময়ৰ ৰাজত্ব কালত সময় কেতিয়াও গতিৰুদ্ধ হ'ব নোৱাৰে। মহামন্ত্ৰী দুৰ্নীতি, পুনৰ গতিশীল কৰি দিয়া সময়ক।

*(ৰজা বৃত্তটোৰ মাজৰ পৰা সম্মুখৰ ফালে ওলাই আহি চেণ্টাৰ পজিচনত অৱস্থান কৰাৰ লগে লগে সৰস্বতী, ধৰ্ম আৰু মানৱে চিটিকি যোৱাৰ দৰে গৈ ক্ৰমে ৰাইট, আপ ৰাইট আৰু আপ লেফ্‌ট পজিচনত অৱস্থান কৰিব। লগে লগে বিবেকে হাতৰ শিকলি চিঙি পেলোৱা ভঙ্গীৰে থিয় হ'ব।)*

বিবেক ঃ হিঃ হাঃ হাঃ হাঃ .......।

ৰজা ঃ মহামন্ত্ৰী দুৰ্নীতি, ই কোন? অট্টহাস্যৰ কাৰণ কি?

মন্ত্ৰী ঃ ই বিবেক মহাৰাজ। ই আজি উন্মাদ। ই অপাৰাধী। ইয়াৰ বাবেই সময়ৰ গতি স্তব্ধ হৈছে মহাৰাজ।

ৰজা ঃ ও বুজিছোঁ, এই উন্মাদে নিশ্চয় কিবা গুৰুত্বৰ অপৰাধ কৰিছে, যাৰ বাবে সময় হৈছে আজি গতিৰুদ্ধ।

মন্ত্ৰী ঃ আপোনাৰ অনুমান সঁচা মহাৰাজ। এটা দুটাকৈ মুঠ পাঁচটা অপৰাধত অভিযুক্ত এই বন্দী। মহাৰাজৰ অনুমতি পালে .........!

ৰজা ঃ অনুমতিৰ কোনো প্ৰয়োজন নাই মন্ত্ৰীবৰ, মোৰ ৰাজ্যত এটি বেজি চোৰো বিনা বিচাৰে সাৰি যাব নোৱাৰে, তেনেস্থলত পাঁচোটাকৈ অপৰাধ কৰি বিবেক কেনেকৈ সাৰি যাব মন্ত্ৰীবৰ। নিৰ্ভয়ে ব্যক্ত কৰা কি অপৰাধ সংঘটিত কৰিছে এই বন্দী উন্মাদে।

মন্ত্ৰী ঃ বন্দীৰ প্ৰথম অপৰাধ ৰাজ উদ্যানত নিৰ্মিত আপোনাৰ পিতামহ সুসময়ৰ শিলামূৰ্ত্তিটো ধ্বংস কৰাৰ প্ৰচেষ্টা।

ৰজা ঃ কি? পিতামহৰ স্মৃতি ৰক্ষাৰ্থে নিৰ্মিত মূৰ্তি ধ্বংসৰ প্ৰচেষ্টা কৰিছে এই বন্দীয়ে।

মন্ত্ৰী ঃ অকল প্ৰচেষ্টাই নহয় মহাৰাজ। মূৰ্তিটো নষ্ট কৰি পেলাইছে।

ৰজা ঃ হৈছে মন্ত্ৰীবৰ। পিতামহৰ চকু নষ্ট কৰাৰ উপযুক্ত পুৰস্কাৰ ই পাব। ইয়াক মই চকু কঢ়াই মাৰিম। বন্দীৰ আৰু কিবা অপৰাধ আছে মন্ত্ৰীবৰ?

মন্ত্ৰী ঃ বন্দীয়ে দেশৰ বিদ্যা মন্দিৰটো জ্বলাই ভস্মী-ভূত কৰিছে মহাৰাজ।

ৰজা ঃ যি বিদ্যামন্দিৰে তমসাচ্ছন্ন মোৰ প্ৰজাক জ্ঞানৰ আলোকেৰে আলোকিত কৰি আহিছে, সেই বিদ্যামন্দিৰ জ্বলাই দিয়াৰ দুঃসাহস কৰিছে এই উন্মাদে। ইয়াক কাটি টুকুৰা-টুকুৰ কৰি মঙহবোৰ শিয়াল কুকুৰৰ মাজত বিলাই দিম। কোৱা মন্ত্ৰীবৰ এই উন্মাদে আৰু কি সৰ্বনাশ কৰিছে?

মন্ত্ৰী ঃ বন্দীৰ তৃতীয় অপৰাধ আৰু গুৰুতৰ মহাৰাজ। অপৰাধীয়ে দেশৰ মছজিদ আৰু মন্দিৰ দুয়োটাকে ধ্বংস কৰিছে।

ৰজাঃ যি মন্দিৰ মছজিদৰ আবেগৰ মাজত এই ৰজা দুঃসময়ৰ ৰাজপাট সুৰক্ষিত সেই মন্দিৰ মছজিদ ধ্বংস কৰি এই বন্দীয়ে মোৰ কলিজাত আঘাত হানিছে মন্ত্ৰীবৰ। ইয়াক মই জীৱন্তে কবৰ দিয়াম। বন্দীৰ আৰু কিবা অপৰাধ?

মন্ত্ৰী ঃ আছে মহাৰাজ। বন্দীয়ে আপোনাৰ ৰাজসভাৰ শ্ৰেষ্ঠ পণ্ডিত মানৱক চুৰিকাঘাত কৰি হত্যা কৰিছে।

ৰজা ঃ যোৱা, ইয়াক মোৰ অন্ধকাৰ পোতাশালত বন্দী কৰি থোৱাৰ ব্যৱস্থা কৰা। ইয়াক শূলত দি প্ৰাণদণ্ড দিয়া হ'ব। যি মানৱৰ ছত্ৰছায়াত বৰ্তি আছে ৰজা দুঃসময়ৰ কিঞ্চিত মানৱীয় স্বীকৃতি, তাকো শেষ কৰাৰ ষড়যন্ত্ৰ এই উন্মাদৰ। যোৱা পলম নকৰিবা।

মন্ত্ৰী ঃ বন্দীৰ আটাইতকৈ গুৰুতৰ অপৰাধটোৱেই ব্যক্ত কৰা হোৱা নাই মহাৰাজ।

ৰজা ঃ মোক আৰু অধৈৰ্য্য নকৰিবা মন্ত্ৰীবৰ। শীঘ্ৰে কোৱা এই উন্মাদে আৰু কি সৰ্বনাশ কৰিছে।

মন্ত্ৰী ঃ মহাৰাজ, অপৰাধীৰ পঞ্চম চিকাৰ ৰাজবংশ।

ৰজা ঃ ৰহস্য এৰা মন্ত্ৰীবৰ। খোলাখুলিকৈ কোৱা কি সৰ্বনাশ কৰিছে ৰাজবংশত এই বন্দী উন্মাদে।

মন্ত্ৰী ঃ আপোনাৰ কন্যা ৰাজকুমাৰী সুনীতিক এই বৰ্বৰে ধৰ্ষণ কৰিছে মহাৰাজ।

ৰজা ঃ এয়া মই কি শুনিছোঁ মন্ত্ৰীবৰ? দেশৰ সুৰক্ষিতা ৰাজকুমাৰীৰ সতীত্ব কাঢ়ি নিলে এজন উন্মাদে। দেশৰ হাজাৰ হাজাৰ সেনাবাহিনী কি মৰটোপনিত? সৰ্বনাশকাৰীৰ ডিঙিৰ ওপৰত মূৰটো এতিয়াও কিয় থিয় হৈ আছে মন্ত্ৰীবৰ?

মন্ত্ৰী ঃ সেয়া পিতামহৰ অনুগ্ৰহতেই হৈছে মহাৰাজ। পিতামহৰ নিয়ম মতে বিনাবিচাৰে অপৰাধীক প্ৰাণদণ্ড বিহাৰ অধিকাৰ আপোনাৰ নাই মহাৰাজ।

ৰজা ঃ ও ঠিক বুজিছোঁ। পিতামহৰ নিয়মেই সকলো সৰ্বনাশৰ মূল। যোৱা ইয়াক এটা এটাকৈ অঙ্গক্ষত কৰি হত্যা কৰাৰ দিহা কৰা।

উন্মাদ বিবেক ঃ বন্দীৰ এটা অনুৰোধ আছে মহাৰাজ।

ৰজা ঃ মন্ত্ৰীবৰ। শীঘ্ৰে মোৰ আদেশ কাৰ্য্যকৰী কৰা।

মন্ত্ৰী ঃ অপৰাধীৰ অনুৰোধ শুনাটো যে ৰজাৰ কৰ্তব্য মহাৰাজ। এয়াও যে নিয়মৰে কথা।

ৰজা ঃ বাৰে বাৰে মোক কিয় নিয়মৰ শিকলীৰে বান্ধিব খুজিছা মন্ত্ৰীবৰ অপৰাধীৰ অনুৰোধো কি মই ৰক্ষা কৰিব লাগিব। মূৰ্খ পিতামহৰ নিয়মেৰে মোৰ নিজৰ ভৰিত নিজে শিকলী পিন্ধাব নোৱাৰো মন্ত্ৰীবৰ। আঁতৰ কৰা এই উন্মাদক মোৰ সন্মুখৰ পৰা।

পিতামহ ঃ নিয়ম ভঙ্গৰ প্ৰচেষ্টা নকৰিবা বৎস। প্ৰজাৰ শাপত অভিশপ্ত হ'বা।

উন্মাদ ঃ হিঃ হাঃ হাঃ........। শুনিছে মহাৰাজ সেয়া কাৰ মাত? পিতামহ সুসময়ৰ মাতটোও জানো বুজি পোৱা নাই। হিঃ হাঃ হাঃ ....!

ৰজা ঃ বন্ধ কৰ, তোৰ অট্টহাস্য। ক তোৰ কি কবলগীয়া আছে।

উন্মাদ ঃ কম মহাৰাজ, সকলো কম। কিয় এটা এটাকৈ পাঁচোটা অপৰাধ সংঘটিত কৰিছোঁ। কিয় কাঢ়ি লৈছোঁ পিতামহৰ চকুৰ দৃষ্টি। কিয় জ্বলাই দিছোঁ বিদ্যা মন্দিৰ। ধ্বংস কৰিছোঁ কিয় মন্দিৰ আৰু মছজিদ। আপোনাৰ ৰাজসভাৰ শ্ৰেষ্ঠ পণ্ডিত মানৱৰ কলিজাৰ তেজেৰে কিয় ৰাঙলি কৰিছোঁ এই দুই হাত। কিয় দেশৰ অনাঘাত পুষ্প সদৃশ ৰাজকুমাৰী সুনীতিৰ মৌৰস পান কৰিছোঁ।

ৰজা ঃ আস! বন্ধ কৰ তোৰ বলিয়ালি।

উন্মাদ ঃ শুনক মহাৰাজ, আপোনাৰ পিতামহ সুসময়ৰ ৰাজত্ব কালত দেশৰ ইমূৰৰ পৰা সিমূৰলৈ ডেউকা কোবাই উৰিছিল শান্তিৰ কপৌজাক। অহিংসাৰ ভয়ত হিংসাই ঠকঠককৈ কঁপিছিল। মৰম, চেনেহ আৰু প্ৰীতিৰ বান্ধোনে আটি আটিকৈ বান্ধিছিল দেশৰ প্ৰজাৰ আনন্দোচ্ছল মনবোৰ। কিন্তু আপোনাৰ দেশত আজি জুই জ্বলিছে মহাৰাজ। সেই সৰ্বনাশী অনল শিখাই সকলোকে এফালৰ পৰা গ্ৰাস কৰি নিব লাগিছে। এইফালে চাওঁক মহাৰাজ, সৌৱা ভাতৃবধৰ যন্ত্ৰত সৃষ্ট তেজৰ নৈখন কেনেকৈ ফেনে-ফোটোকাৰে বাঢ়িব লাগিছে। সেই ৰক্তবানত সৰ্বস্ব হেৰুৱাই আপোনাৰ প্ৰজাগণে হাঁহাকাৰ কৰিব লাগিছে মহাৰাজ। এইবোৰ পিতামহ সুসময়ে কেনেকৈ চাই থাকিব মহাৰাজ। সেয়ে

মই তেওঁৰ চকু দুটি নষ্ট কৰি পেলাইছোঁ?

ৰজা ঃ মন্ত্রীবৰ! বন্ধ কৰাৰ ব্যৱস্থা কৰা এই বলিয়াৰ প্রলাপ।

পিতামহ ঃ লাভ নাই বৎস। বিবেকৰ মুখ বন্ধ তুমি কৰিব নোৱাৰা। তোমাৰ অত্যাচাৰত জৰ্জৰিত হৈয়ে বিবেক আজি উন্মাদ। বিবেকে ঠিকেই কৰিছে বৎস। দেশৰ প্রজাগণ আজি যেন সর্পফনাৰ তলত আশ্রিত এজাক বিহঙ্গ। এইবোৰ দর্শনৰ অনুভূতি মোৰ বাবে বৰ কষ্টকৰ আছিল বৎস। এতিয়া মই অন্ধ। এতিয়া মই তৃপ্ত।

*(চকুত হাত থৈ সম্মুখেৰে লাহে লাহে পাৰ হৈ যায়।)*

উন্মাদ ঃ হিঃ হাঃ হাঃ .............!

ৰজা ঃ বন্ধ কৰ! বন্ধ কৰ তোৰ অট্টহাস্য।

উন্মাদ ঃ শুনক মহাৰাজ। কিয় মই আপোনাৰ বিদ্যা মন্দিৰটো ধ্বংস কৰিছোঁ। মানুহ উৎপাদনৰ কাৰখানা দেশৰ বিদ্যামন্দিৰটোত কিবা বিজুটি ঘটিছে মহাৰজ। মানুহ উৎপাদনৰ পৰিবৰ্তে তাত আজি কালি কিছুমান নেজাল পশু উৎপাদন হয়। সেই পশুজাকৰ উৎপাতত তৃণ সদৃশ আপোনাৰ প্রজাসৱৰ অৱস্থা দেখিলে শিলেও চকুলো টুকিব। কিন্তু তাতোকৈও ভয়াবহ কথা হৈছে মহাৰাজ! সেই পশুজাকৰ অযত্ন পালিত নেজ ডালত আজি পোক লাগিছে। তাৰ পৰা ওলোৱা দুৰ্গন্ধই বিদ্যামন্দিৰৰ চাৰিওফালৰ বাতাবৰণ দুৰ্গন্ধময় কৰি তুলিছে মহাৰাজ। সেয়ে মই বিদ্যামন্দিৰটোত জুই লগাই দিলো। হিঃ হাঃ ..!

ৰজা ঃ মন্ত্রীবৰ!

সৰস্বতী ঃ বিবেকে একো ভুল কৰা নাই ৰাজন। ধৰালৈ মোৰ আগমন বিন্দুমাত্রও সফল হোৱা নাই। জ্ঞান লাভৰ বাবে আদৰি আনি মোক ধৰাৰ বুকুলৈ, বিদ্যামন্দিৰৰ চাৰিবেৰৰ মাজত আবদ্ধ কৰি, তোমালোকে মোক অপমান কৰিছা ৰাজন। দীক্ষা লৈ মোৰ চৰণত তোমালোক লিপ্ত হৈ পৰিছা দুৰ্নীতি আৰু ভ্রষ্টাচাৰত। মনত ৰাখিবা ৰাজন, চৰিত্র অবিহনে মোৰ দীক্ষা লোৱা পাপ। পাপীৰ মহাৰ্ঘ দেৱীৰ কাম্য নহয়।

*(হাত দুখন দাঙি সম্মুখেৰে পাৰ হৈ যায়।)*

উন্মাদ ঃ হিঃ হাঃ হাঃ হাঃ ..........।

ৰজা ঃ মন্ত্রীবৰ! উন্মাদৰ কোনো কথাই শুনাৰ আৰু মোৰ ধৰ্য্য নাই।

উন্মাদ ঃ ইমান উত্তেজিত হৈছে কিয় মহাৰাজ? শুনক কিয় ধ্বংস কৰিছোঁ আপোনাৰ নির্মিত মচজিদ আৰু মন্দিৰ। আবদ্ধ কৰি ধৰ্মক মন্দিৰ মছজিদৰ চাৰিবেৰৰ মাজত আপুনি তেজৰ ফাকু খেলিছে মহাৰাজ। সংকীর্ণ কৰি মানুহৰ উদাৰ হৃদয়ক ধর্মৰ বিষমন্ত্রেৰে, হিন্দু মুছলমানৰ মাজত সিচি দি বিভেদৰ সর্বনাশী বীজ আৰু কিমানদিন ৰাজপাট সুৰক্ষিত কৰিব মহাৰাজ।

ৰজা ঃ মন্ত্রী !

ধৰ্ম ঃ চিঞৰি লাভ নাই মুৰ্খ। মন্দিৰ মছজিদ ধ্বংস কৰি বিবেকে উচিত কামেই কৰিছে। নৈতিকতা, মানৱতা, উদাৰতাৰে পৰিপূর্ণ মানুহৰ অন্তৰত সদা বিদ্যমান মই ধর্ম। ৰাজনীতিৰ পাশা খেলৰ আহিলা কৰি মোক, কলংকিত কৰাৰ প্ৰয়াস নকৰিবা মুৰ্খ।

*(লাহে লাহে সন্মুখেৰে পাৰ হৈ যায়।)*

উন্মাদ ঃ হিঃ হাঃ হাঃ হাঃ ...........।

ৰজা ঃ বন্ধ কৰ! বন্ধ কৰ! তোৰ অট্টহাস্য মোৰ সহ্য নহয়।

উন্মাদ ঃ শুনক মহাৰাজ। কিয় হত্যা কৰিব লগা হ'ল আপোনাৰ ৰাজসভাৰ সুপণ্ডিত মানৱক। ৰাজসভাত আজি কালি মানৱ অকলশৰীয়া মহাৰাজ। মানৱৰ বাহিৰে অপোনাৰ ৰাজসভাৰ এজন পণ্ডিতৰো মূৰ নাই মহাৰাজ। সিহঁতৰ আছে মাথো ধাৰলৈ একোখন বহল মুখ আৰু একোটা বিশাল বিশাল পেট। অপোনাৰ মূৰেৰেই চালিত হয় সেইসব পণ্ডিত প্রৱৰ। সিহঁতৰ বিবেকবোৰো আজি আপোনাৰ ওচৰত বন্ধকত। সেইবোৰ পশুৰ শিঙৰ খোচত মানৱৰ অপমৃত্যু হোৱাটো মই নিবিচাৰো মহাৰাজ। সেয়ে মানৱক হত্যা কৰি সেই তেজেৰে মই উদৰ পুৰাইছোঁ। হিঃ হাঃ হাঃ ........।

ৰজা ঃ মন্ত্রীবৰ, ই উন্মাদেই নহয় ৰাক্ষসো। ই নৰৰক্ত পান কৰিছে।

মানৱ ঃ ৰাক্ষস নহয় মহাৰাজ। সেয়া আপোনাৰ হাতত লাঞ্চিত হৈ উন্মাদ হোৱা বিবেক। আপোনাৰ ৰাজসভাত মোৰ উপস্থিতি আজি কোনেও নিবিচাৰে মহাৰজ। সকলোৱে মোক এঘৰীয়া কৰিছে। ৰাজসভাৰ পণ্ডিত সকলৰ আৰু দুখনকৈ ঠেং গজিছে। চাৰিখন ঠেঙেৰে সিহঁতে এতিয়া জন্তুৰ দৰে খোজ কাঢ়িবলৈ শিকিছে মহৰাজ। সেইবোৰ দেখি লাজতে মই বিবেকৰ উদৰত মুখ লুকুৱাইছোঁ।

*(লাহে লাহে সমুখেৰে পাৰ হৈ যায়।)*

উন্মাদ ঃ হিঃ হাঃ হাঃ হাঃ ..........।

ৰজা ঃ মন্ত্ৰীবৰ! বন্ধ কৰি দিয়াৰ ব্যৱস্থা কৰা এই বলিয়াৰ প্ৰলাপ।

উন্মাদ ঃ ইমানবোৰ অপৰাধৰ কথা স্বীকাৰ কৰাৰ পিছত আৰু মাত্ৰ এটা অপৰাধৰ স্বীকাৰোক্তিৰ সুবিধাকণ নিদিবনে মহাৰাজ? শুনকচোন কিয় ধৰ্ষণ কৰিব লগা হ'ল আপোনাৰ একমাত্ৰ দুহিতা ৰাজকুমাৰী সুনীতিক।

ৰজা ঃ মন্ত্ৰীবৰ! মোৰ তৰোৱালখন দিয়া! নিজ হাতে বন্ধ কৰি দিও এই উন্মাদৰ প্ৰলাপ।

ৰাজকুমাৰী ঃ এজনী সামান্য ছোৱালীৰ ধৰ্ষণৰ বাতৰিত ইমান কিয় বিচলিত হৈছা পিতা? দেশৰ হাজাৰ হাজাৰ ধৰ্ষিতা গাভৰুৰ চকুপানীৰ লগত ৰাজকুমাৰীৰ চকুপানীৰ পাৰ্থক্য ক'ত পিতা? তোমাৰ কামাগ্নিত দগ্ধ হাজাৰ হাজাৰ গাভৰুৰ যন্ত্ৰনাকাতৰ চিঞৰ নুশুনা কান দুখনেৰে তুমি জানো ধৰ্ষিতা তোমাৰ একমাত্ৰ দুহিতাৰ বেদনা কাতৰ চিঞৰ শুনিছা। এতিয়া আৰু বিবেকক দোষ দি লাভ নাই। তোমাৰ হাজাৰ কুকৰ্মৰ ফল ভোগ কৰিছে তোমাৰ দুহিতাই। তোমাৰ হাতত ধৰ্ষিতা হাজাৰ হাজাৰ গাভৰুৰ অভিশাপত অভিশপ্তা আজি ৰাজকুমাৰী সুনীতি। বিবেকৰ দন্ত আৰু নখৰ আচোঁৰে বিদীৰ্ণ কৰা বুকুৰ গভীৰ আচোঁৰৰ যন্ত্ৰনাই মোক অকনো বেদনা কাতৰ কৰি তোলা নাই পিতা। মই চিন্তিত হৈছোঁ মোৰ মাতৃ স্বদেশৰ বাবে।

ৰজাঃ কি বিপদত পৰিছে মোৰ স্বদেশ। তেওঁৰতো মই সকলো খবৰেই ৰাখিছোঁ।

ৰাজকুমাৰী ঃ তুমি মোৰ মাতৃৰ অকণো খবৰেই ৰখা নাই পিতা। ভোগ বিলাসত মত্ত হৈ তুমি পাহৰি পেলাইছা মোৰ মাতৃ স্বদেশক। শুনা পিতা, অকল তোমাৰ দুহিতাই আজি ধৰ্ষিতা হোৱা নাই, ধৰ্ষিতা হৈছে মোৰ মাতৃ স্বদেশো।

ৰজা ঃ কি? ধৰ্ষিতা হৈছে মোৰ স্বদেশ! এই উন্মাদে তেনেহলে ....।

ৰাজকুমাৰী ঃ বিবেকে নহয় পিতা। তোমাৰ অগোচৰে তোমাৰ অনুচৰ বৰ্গৰ হাততেই ধৰ্ষিতা হৈছে মোৰ মাতৃ। সিহঁতৰ পাপবীৰ্য্য ধাৰণ কৰি মাতৃআজি সগৰ্ভা। সেই জাৰজ সন্তানৰ জন্ম হলে মাতৃ হয়তো জীয়াই নাথাকিব পিতা। মাতৃক ৰক্ষা কৰাৰ ব্যৱস্থা কৰা পিতা!

ৰজা ঃ নাই নাই মোৰ মূৰটোৱে একো কাম নকৰা হৈছে। মোৰ মূৰটো আচন্ন্ৰাই কৰিছে। মোক.....

*(ৰজা ঢলি পৰে, সুনীতি পিতাকৰ ওচৰলৈ আগবাঢ়ি যায়)*

ৰাজকুমাৰী ঃ পিতা! পিতা!

মন্ত্ৰী ঃ ৰাজকুমাৰী! তোমাৰ পিতা ৰজা দুঃসময় আৰু নাই।

ৰাজকুমাৰী ঃ মোৰ এতিয়া কি হব মন্ত্ৰীবৰ। বিবেকৰ হাতত ধৰ্ষিতা মই। আনহাতে মোৰ মাতৃ স্বদেশো ধৰ্ষিতা। এটা উপায় দিয়ক মন্ত্ৰীবৰ!

মন্ত্ৰী ঃ চিন্তা নকৰিবা ৰাজকুমাৰী। বিবেকৰ হাতত ধৰ্ষিতা তুমি। তুমি নোহোৱা কলংকিতা। বিবেকৰ বীৰ্য্য ধাৰণ কৰি তুমি হবা সুদিনৰ মাতৃ। তোমাৰ গৰ্ভত সুদিনৰ জন্ম সমাগত ৰাজকুমৰী।

ৰাজকুমৰী ঃ কিন্তু মাতৃ স্বদেশ। তেওঁ যে ধৰ্ষিতা সন্তান সম্ভৱা। তেওঁৰ কি হব মন্ত্ৰীবৰ?

মন্ত্ৰী ঃ স্বদেশৰ গৰ্ভত স্থিতি লৈছে দুঃসময়ৰ ঔৰসজাত সন্তান দুৰ্দিনে। সেই সন্তান ভূমিষ্ঠ হলে বৰ ভয়ানক কথা হ'ব ৰাজকুমাৰী। স্বদেশৰ জাৰজ সন্তান জন্ম হলে সেই সন্তানৰ হাততেই পুনৰ ধৰ্ষিতা হ'ব স্বদেশ, মাতৃ তোমাৰ।

ৰাজকুমাৰী ঃ তেনেহলে উপায় মন্ত্ৰীবৰ?

মন্ত্ৰী ঃ উপায়! উপায় ময়ো দেখা নাই ৰাজকুমাৰী।

উন্মাদ ঃ উপায় আছে ৰাজকুমাৰী! উপায় আছে মন্ত্ৰীবৰ। সেই জাৰজ সন্তানৰ আগমনক বাধা দিবলৈ স্বদেশৰ গৰ্ভপাত কৰিব লাগিব।

মন্ত্ৰী ঃ
ৰাজকুমাৰী ঃ স্বদেশৰ গৰ্ভপাত!

উন্মাদ ঃ ও, স্বদেশৰ গৰ্ভপাত। নহলে যে অন্য উপায় নাই ৰাজকুমাৰী। যি কোনো উপায়ে দুৰ্দিনৰ জন্মৰোধ কৰিবই লাগিব। নহলে যুগে যুগে ধৰ্ষিতা হ'ব মাতৃ স্বদেশ। চিৰদিন উন্মাদ হৈ ৰব এই বিবেক। দুৰ্দিনৰ জন্মৰোধ কৰাৰ পিছত সুনীতিৰ গৰ্ভত যিদিনা জন্ম হ'ব সুদিনৰ, সিদিনাহে পুনৰ সুস্থ হব এই উন্মাদ বিবেক। তেতিয়া দুঃসময়ৰ সমাধিত থিয় হৈ বিবেকে আনন্দেৰে হাঁহিব হিঃ হাঃ হাঃ হাঃ .....

*[ লগে লগে বিবেকে চেণ্টাৰ পজিচনত অৱস্থান কৰিব। বিবেকৰ চাৰিওফালে ঘড়ী কাটাৰ দিশত ঘূৰিবলৈ আৰম্ভ কৰিব ৰাজকুমাৰী, মন্ত্ৰী আৰু ৰজাই। ৰাজকুমাৰীৰ গতি হব দ্ৰুত। মন্ত্ৰীৰ গতি একেবাৰে লেহেম হব। কিছুসময় এইদৰে ঘূৰাৰ পিছত লাহে লাহে পট নামি আহিব। ]*

## যৱনিকা

গল্প

# আকিঞ্চন




ডিম্বেশ্বৰ বৰুৱা

চন্দ্ৰা বাইদেউহঁতৰ প্ৰকাণ্ড পকী ঘৰটোৰ লগতে লাগি থকা পকা মজিয়াৰ অসম আৰ্হিৰ ঘৰটোত বাসকৰা মোৰ প্ৰায় পাঁচবছৰ হ'ল। সৰু চহৰখনৰ মাজ মজিয়াতে অৱস্থিত কলেজখনৰ চাকৰিত জইন কৰিয়েই এটা সমস্যাৰ সমুখীন হৈছিলোঁ। সমস্যাটো আছিল এটা ভাড়া ঘৰক ল'ই। এটা ভাড়াঘৰ বিচৰাৰ তিক্ত অভিজ্ঞতাখিনি পোৱাৰ পিছত এদিন চন্দ্ৰাবাইদেউহঁতৰ ঘৰটো পালোঁ। বহু অনুসন্ধানৰ পিছত হঠাতে ঘৰটো বিচাৰি উলিয়াই হাততে সৰগখন ঢুকি পোৱা যেন অনুভৱ কৰি প্ৰয়োজনীয় বস্তুখিনি ল'ই ঘৰটোত সোমাই পৰিলোঁ। লগত ৰন্ধা-বঢ়া আৰু বজাৰ আদি কৰাৰ সুবিধাৰ বাবে চম্পক নামৰ ল'ৰাটো। তাক গাঁৱৰ পৰা কোনো মতেহে লৈ আহিছোঁ। অৱশ্যে কোনো অসুবিধা বা অশান্তি নোহোৱাকৈয়ে চম্পকৰ সতে এই ভাড়াঘৰটোত সময়বোৰ আনন্দেৰে পাৰ কৰি দিছোঁ। বন্ধবাৰত বা সন্ধিয়া সময়ত মোৰ তাতৈ বন্ধু-বান্ধৱ আহে। ৰাজনৈতিক ক্ষেত্ৰৰ পৰা ক্ৰীড়াঙ্গণলৈকে বিভিন্ন কথাৰ মহলা চলে। চম্পকে সময় মতে চাহ-তামোলৰ যোগান ধৰে। কোনো আমনিবোধ নকৰাকৈয়ে আজি একেৰাহে ইমান দিন এইঘৰটোতে বাসকৰি গতানুগতিক চাকৰি জীৱনটো কটাইছোঁ।

মোৰ ভাড়াঘৰৰ মালিকনী চন্দ্ৰামিতা বৰুৱা। তেওঁ স্থানীয় ছোৱালী কলেজ খনৰ প্ৰবক্তা আৰু এইসৰু চহৰখনৰ সৰবৰহী মহিলা। সকলোৰে মাজত চন্দ্ৰা বাইদেউ

নামেৰেহে জনপ্ৰিয় বাইদেউ সৰ্বভাৰতীয় ৰাজনৈতিক দল এটাৰো সক্ৰিয় সদস্যা। বাইদেউহঁতৰ লগত মোৰ তেনে কোনো বিশেষ সম্বন্ধ নাই। তেওঁলোকৰ ঘৰটো ভাড়া লৈছোঁ; ইয়াতে বাস কৰিছোঁ, খোৱা লোৱা কৰিছোঁ আৰু চাকৰি কৰিছোঁ। মুঠতে এক প্ৰকাৰ স্বাধীনচিতীয়াভাৱে আছোঁ। তথাপি চন্দ্ৰা বাইদেউহঁত আৰু মোৰ মাজত ভাড়াঘৰৰ মালিক আৰু ভাড়াতীয়াৰ মাজৰ প্ৰভেদটো বৰ প্ৰকট নহয়। দিনবাগৰাৰ লগে লগে তেওঁলোকৰ লগত মোৰ সম্পৰ্কটো বৰ মধুৰহে হৈ উঠিছে। পেছাত বাইদেউ আৰু মই একে শ্ৰেণীৰেই। সেয়েহে আমাৰ সম্পৰ্ক বৰ ওচৰ চপাটোৱেই স্বাভাৱিক। চন্দ্ৰাবাইদেউ জ্যেষ্ঠা প্ৰবক্তা হেতুকে তেওঁক মই যথেষ্ট সমীহ কৰি চলো। শৈক্ষিক দিশৰ আলোচনা বিলোচনাত তেওঁৰ পৰা মই যথেষ্ট লাভৱানেই হৈছোঁ। অৱশ্যে তেওঁৰ ৰাজনৈতিক জীৱনটো সম্পৰ্কে মোৰ একোকে'ৰ লগীয়া নাই।

চন্দ্ৰা বাইদেউৰ সৰু পৰিয়ালটোত সদা বিৰাজমান এটা সুষ্ঠ আৰু সুন্দৰ পৰিবেশে মোক বৰ আপ্লুত কৰে। দুটা ল'ৰা ছোৱালী আৰু চৰকাৰী উচ্চ-পদস্থ বিষয়া বাইদেউৰ গিৰিয়েক; মাথো এই চাৰিটা পৰিয়ালেৰে প্ৰকাণ্ড কম্পাউণ্ডটোৰ ভিতৰত থকা ঘৰখন সচাঁকৈয়ে সদায় হাস্য-মধুৰ পৰিবেশেৰে জীৱন্ত হৈ থাকে। ঘৰখনৰ এই পৰিবেশটো বৰভাল লাগে বাবেই মোৰ আজৰি সময়ৰ বেছিখিনিকেই চন্দ্ৰাবাইদেউহঁতৰ লগতে বহি কটাই দিওঁ। বাইদেউৰ ল'ৰা-ছোৱালী দুটাৰ লগত হাঁহি-ধেমালি কৰোঁ। সিহঁতৰ সতে দূৰদৰ্শনৰ বিভিন্ন কাৰ্য্যসূচী চাওঁ; কেছেটৰ হিন্দী আৰু পপ্ সঙ্গীত শুনো। মাজতে চন্দ্ৰা বাইদেউ সোমাই আহি পৰিবেশটো আকৌ গভীৰ কৰি তোলে। কলেজৰ ইটো সিটো কথা, কলেজৰ ছাত্ৰী-বিলাকৰ কথা; মাজতে আকৌ ছেগ্ উলিয়াই নিজৰ দলৰ বিভিন্ন কাৰ্য্যসূচী, দলৰ অৱস্থিতি আদি বিভিন্ন কথাৰে মুহূৰ্তটো গাম্ভীৰ্য্যপূৰ্ণ কৰি তোলে। এনেকৈয়ে নিত্যনৈমিত্তিক সময়বোৰ পাৰ কৰি দিছোঁ।

চন্দ্ৰা বাইদেউৰ গিৰিয়েকক মই ভিনদেউ বুলিয়েই সম্বোধন কৰোঁ। চৰকাৰী বিষয়া হ'লেও ভেমবিহীন সহজ-সৰল ভিনদেউ মানুহজনক মোৰ বৰ ভাল লাগে। মোকো তেওঁ ডেকা ল'ৰা বুলি বৰ মৰম কৰে। নিজৰ কৰ্মস্থান এই চহৰখনৰ পৰা বহু দূৰৈত হোৱা বাবেই নিজৰ ঘৰখনত ভিনদেউ নিগাজিকৈ থাকিবলৈ পৰা নাই। প্ৰতি শনিবাৰে সন্ধিয়া আহি তেওঁ ঘৰখনত সোমায় আৰু কোনোমতে দেওবাৰৰ দিনটো ঘৰতে থাকি সোমবাৰে কাহিলি পূৱাতে উঠি লৰা-লৰিকৈ ৰাজ্যিক পৰিবহন নিগমৰ বাছখনত উঠি কৰ্মস্থলীলৈ ৰাওনা হয়। সপ্তাহটোৰ মূৰত ভিনদেউ ঘৰ আহি পোৱা মাত্ৰকেই ঘৰখন আৰু অধিক প্ৰাণচঞ্চল হৈ উঠে। ভিনদেউ মানুহজন বৰ ৰসিকো। চৰকাৰী বিভিন্ন কামৰ বোজাটো এদিনৰ কাৰণে এৰি থৈ আহি মধুৰ পৰিবেশত সময়খিনি পাৰ কৰি দি আনন্দ পায়। আহাহে ডেকা অধ্যাপক বুলি মোকো তেওঁলোকৰ মাজলৈ আমন্ত্ৰণ কৰে। সচাঁকৈয়ে তেওঁৰ স্বভাৱটোৱে মোক বৰ আকৃষ্ট কৰে। তেওঁৰ অভিজ্ঞতাপুষ্ট জীৱনৰ কথাবোৰ শুনি কেতিয়াও আমনি নালাগে। তাতোকৈ অতি ভাল লগা তেওঁৰ সুমধুৰ কথন ভঙ্গীটো। যিকোনো কথাকে তেওঁ বৰ সহজ সৰলকৈ ৰসোত্তীৰ্ণ কৰি তুলিব পাৰে। ভিনদেউ অহা উপলক্ষতে চন্দ্ৰাবাইদেউৱে প্ৰতি দেওবাৰে নিশা বিশেষভাৱে এসাজ খোৱাৰ ব্যৱস্থা কৰে। পৰিয়ালৰ সকলোৱে বিচৰা বাবেই মইও আজি বহুদিন ধৰি এই দেওবৰীয়া বিশেষ খোৱা-লোৱাত ভাগ ল'ই আহিছোঁ।

অনাবিল শস্যৰ পথাৰৰ দৰে সুখ স্বাচ্ছন্দ্যৰে পৰিপূৰ্ণ চন্দ্ৰাৰাইদেউৰ পৰিয়ালটোৰ সান্নিধ্যত থাকি লক্ষ্য কৰিছোঁ, ঘৰখনৰ সকলো ক্ষেত্ৰতে আৰু এজনী মানুহৰ বৰঙণি কোনো গুণে কম নহয়। মই ভাড়াঘৰত সোমোৱা দিনৰে পৰা দেখি অহা এজনী ছোৱালী। অৰ্থাৎ চন্দ্ৰা বাইদেউহঁতৰ ঘৰত কাম কৰা ছোৱালী ৰাধা। তাইৰ মাক-বাপেকে দিয়া নাম ৰাধেশ্বৰী। তাইৰ মালিকনী চন্দ্ৰা বাইদেউৱে শুনিবলৈ শুৱলা হোৱাকৈ ৰাধেশ্বৰীৰ দীঘলীয়া নামটো চুটি কৰি ৰাধা ৰাখিছে। বাইদেউহঁতৰ ইচ্ছাতেই তাইৰ মাক-বাপেকে ৰখা নামটো তল পৰিল। বাইদেউহঁতৰ ঘৰুৱা পৰিবেশ পৰিস্থিতিয়ে ৰাধাৰ বাহ্যিক গাৱঁলীয়া ছাবটো নাইকিয়া কৰি পেলাইছে। ঘৰুৱা কামতো তাই বৰ পকৈত হৈ উঠিছে। ৰান্ধনি ঘৰৰ পৰা, একেবাৰে চন্দ্ৰা বাইদেউৱে মাকতি কাৰখন উলিয়াই নিবলৈ প্ৰকাণ্ড লোৰ গেটটো খুলি দিয়ালৈকে ঘৰখনৰ সৰু-বৰ সকলো কাম বৰ নিয়াৰিকৈ কৰে। তাইৰ কাম-কাজৰ ইমান পৰিপাটিৰ ভিতৰতো কেতিয়াবা কিবা কথাত অলপ ইফাল-সিফাল হ'লেই মালিকনীৰ দুইএটা কঠোৰ মাত নুশুনাও নহয়। তথাপি প্ৰভুভক্তৰ দৰে বিনা-বাক্যে কাম কৰি যোৱাটো তাইৰ স্বভাৱ।

বাইদেউৰ পৰা ৰাধাই ঘৰখনৰ সকলো-খিনি কাম শিকি বুজি লৈছে। কলেজৰ নিয়মীয়া পাঠদান আৰু বন্ধৰ সময়বোৰত দলীয় কাম-কাজ আৰু সভা-সমিতিত প্ৰায়েই উপস্থিতি ৰাখিব লগীয়া হোৱাত চন্দ্ৰা বাইদেউৱে ঘৰখনৰ দায়িত্ব বহুখিনি ৰাধাকে দি যাব লগীয়া হয়। কলেজীয়া ছাত্ৰ-ছাত্ৰী হ'লেও নিজৰ ল'ৰা-ছোৱালী দুটাৰ ওপৰত তেওঁ বিশেষ একো নিৰ্ভৰ নকৰে। ৰাধাইয়ো নিজৰ কাম-কাজৰ দ্বাৰা বাইদেউক বৰ সন্তুষ্টি দিব পাৰিছে।

দিনৰ দিনটো এটাৰ পিছত আন এটা কাম কৰি কটাই ৰাধাই ৰান্ধনিঘৰৰ কামখিনিও অকলেই ভালদৰে চম্ভালিব পাৰে। ৰুচিপূৰ্ণকৈ ৰন্ধা-বঢ়া আৰু পৰিয়ালৰ সকলোটিকে মনে বিচৰাধৰণে পৰিবেশন কৰোৱা, কোনো কথাকেই ৰাধাক এতিয়া আৰু শিকাব নালাগে। সপ্তাহটোৰ প্ৰতি দেওবাৰৰ নিশাৰ বিশেষ ভাতসাজ ভিনদেউৱে বৰ টকালি পাৰি খায় আৰু ৰাধাক বৰকৈ শলাগে। তাই কেৱল মুখত হাঁহিটো বিৰিঙাই ভিতৰলৈ সোমাই যায়। ঘৰখনৰ সকলোবোৰ কাম কৰি অটোৱাৰ পিছতো ৰাধাৰ মুখত দুখ-ভাগৰৰ চিন দেখা পোৱা নাযায়। পিচে, এতিয়া কাম-বনৰ পৰা দিনৰ ভাগত পোৱা অকনমান আজৰিসময় খিনিত আগচোতালৰ বাৰান্দাত বহি ৰাস্তাৰে অহা-যোৱা কৰা মানুহবোৰলৈ চাই গুণ-গুণাই থকা তাইৰ অভ্যাসটোহে নেদেখা হলোঁ। সেইখিনি সময়ত তাইক প্ৰায়ে দেখা পাওঁ পিছফালৰ বাৰান্দাত নিশ্চুপ হৈ বহি উদাস চাৱনিৰে ওখ ওখ গছবোৰৰ বতাহত লৰি থকা পাতবোৰলৈ চাই থাকে। তেতিয়া তাইৰ ৰাংঢালি মুখমণ্ডল সেঁতা পৰি যোৱা চন্দ্ৰগ্ৰহণৰ জোনটোযেন হৈ পৰে। সন্ধিয়া নামি অহাৰ লগে লগে চন্দ্ৰবাইদেউৰ ঘৰখনৰ পৰা দিনৰ নিৰ্জনতাখিনি আঁতৰি যায় আৰু গতানুগতিক

আনন্দ-মধুৰ উথল-মাথল পৰিবেশৰ আগমন হয়। ৰাধাও সেই পৰিবেশৰ লগত মিলি যায়

ৰাধাক দেখা মোৰ যিমান দিন হ'ল, এই সময়খিনিত তাইক সিহঁতৰ গাঁৱৰ ঘৰখনলৈ মাত্ৰ কেইবাৰমানহে যোৱা দেখিছোঁ। তাইৰ বাপেকৰ বছেৰেকীয়া তিথিটোত, গাঁৱৰ মানুহৰ একেবাৰে ওচৰ-চুবুৰীয়াৰ ঘৰত বিয়া-সবাহ হ'লে আৰু কোনোবা মৃতকৰ শ্ৰাদ্ধ আৰু ভোজ-ভাত হলে মাকে আগতীয়াকৈ খবৰ দি থয় আৰু সময়ত ভায়েকটোক পঠিয়াই দিয়ে, তাইক ল'ই যাবলৈ। ভায়েকৰ লগত ৰাধা ঘৰলৈ যায় আৰু এৰাতি বা দুৰাতি থাকিয়েই উভটি আহে। ৰাধাই জানে, তাই নাথাকিলে মালিকনী বাইদেউৰ বৰ অসুবিধা হয়। ৰাধা নথকা দুদিন চন্দ্ৰা বাইদেউৱে ঘৰখনৰ সকলোখিনি কাম কৰিব লগা হয়। সেইটো বুজিয়েই তাই নিজৰ ঘৰখনত মন গ'লেও বেছিদিন নাথাকে। মাকেও কোনো আপত্তি নকৰে। যিমান পাৰে সোনকালে ৰাধাক পঠিয়াই দিয়ে।

ৰাধাৰ মাক পমীলীয়ে তাইৰ একমাত্ৰ জীয়েকক চন্দ্ৰাবাইদেউৰ ঘৰত কাম-কৰা ছোৱালী হিচাপে থৈ মনত একো অশান্তি নোহোৱাকৈ আছে। মাহটো মৰিলেই তাই আহি ৰাধাৰ দৰমহাৰ পইছাখিনি ল'ই যায়হি। সেইখিনিৰে তাই আৰু ৰাধাৰ তলৰ ল'ৰাটো কোনোমতে পোহ গৈ আছে। ৰাধাৰ দৰমহাৰ পইছাখিনি ল'বলৈ আহোতে একোটা কাপোৰৰ টোপোলা আৰু খোৱা বস্তু দুই এবিধো চন্দ্ৰা বাইদেউৰ হাতৰ পৰা পৰম তৃপ্তিৰে গ্ৰহণ কৰি পমীলী ঘৰমূৱা হয়। চন্দ্ৰা বাইদেউৰ পুৰণি ব্ৰাউজ কেইটাৰ কাষত বেজী-সূতাৰে চিলাই কৰি ল'লেই পমীলীৰ গাত হৈ যায়। দুই এখন মেখেলা-চাদৰ বিয়া-সবাহত পিন্ধি যাব পৰাও হৈ থাকে বাবে ধুই-মেলি বাকছৰ ভিতৰত জাপি থৈ দিয়ে। চকত বহা গাঁৱৰে বনমালী দৰ্জিৰ তাত জোখ দি সৰুকৈ চিলাই কৰি আনিলেই চন্দ্ৰাবাইদেউৰ ল'ৰাটোৰ পুৰণি লংপেন্ট-চাৰ্ট কেইটাৰে ৰাধাৰ ভায়েকটোৰ বহুদিন যায়। গিৰিয়েক ঢুকুৱাৰ পিছৰে পৰা পমীলীয়ে এনেকৈয়ে আনৰ ঘৰলৈ নোযোৱাকৈ চলি আছে। পিছে জীয়েকৰ চিন্তাই মাজে সময়ে পমীলীৰ মনটো গধূৰ কৰি নোতোলাও নহয়।

ঃ পমীলীৰ বুকুখন কেতিয়াবা দুৰু দুৰুকৈ কঁপি উঠে আৰু ভাব সাগৰত দূৰ যায়......... তাইয়ো ডাঙৰ হৈ আহিল! ইফালে তাইৰ জহতেই ঘৰখন এক প্ৰকাৰ চলি আছে। যিহঁওক ল'ৰাটোৰ মেট্ৰিক পৰীক্ষাৰ পিছত কিবা এটা কৰিব লাগিব।

সিদিনা ৰাধাৰ মাহিলি দৰমহাৰ পইছাখিনি নিবলৈ আহোঁতে পমীলীয়ে চন্দ্ৰাবাইদেউক ক'লে ঃ বাইদেউ আপোনালোকৰ দয়াতেই মোৰ পৰিয়ালটো কোনোমতে চলি আছে। ছোৱালীজনীক আপোনালোকৰ ঘৰত থব নেপালে কেনেকৈয়ে ল'ৰাটোৰ সতে পোহ গ'লোহেঁতেন! কাপোৰে কানিয়ে তাইকেনো কেনেকৈ সজাই-পৰাই ৰাখিলোহেঁতেন! বাইদেউ, ল'ৰাটোৱে এইবাৰ মেট্ৰিক দিব। পৰীক্ষাত তাক এযোৰ নতুন কাপোৰ দিব পাৰিলে.........!!

চন্দ্ৰা বাইদেউৱে পমীলীৰ মুখৰ পৰা কথাখিনি কাঢ়ি আনি ক'লে হ'ব হ'ব, সেইটো তুমি চিন্তা কৰিব নালাগে। তাৰ পৰীক্ষাৰ পইছা পাতি আৰু এযোৰ কাপোৰ মই দিম বুলিয়েই ভাবি থৈছোঁ।

চন্দ্ৰাবাইদেউৰ পৰা মনে বিচৰা উত্তৰটোকে পাই ৰাধাৰমাক পমীলীৰ চকু দুটা তাই ক'ব নোৱাৰাকৈ এপলক মুদ খাই গ'ল। চন্দ্ৰাবাইদেউৰ পৰা বিদায় লৈ পমীলী ঘৰলৈ গ'ল। এদিন পিছত মিলিটেৰীত চাকৰি কৰি পাঞ্জাৱত থকা গাঁৱৰে মহেন্দ্ৰৰ বিয়া। বাইদেউৰ পৰা অনুমতি ল'ই জীয়েক ৰাধাকো পমীলীয়ে লৈ গ'ল। বিয়াৰ পিছদিনাই তাই ভায়েকৰ লগত আহিব।

এদিন দুদিনকৈ এসপ্তাহ হ'ল। কিন্তু ক'তা? ৰাধা আজিও নাহিল। মাকে কোৱা মতে মহেন্দ্ৰৰ বিয়া ভগা আজি এসপ্তাহ হ'ল। ৰাধা অবিহণে ঘৰখন চন্ডালটো চন্দ্ৰাবাইদেউৰ কাৰণে অসম্ভৱ হৈ পৰিছে। ইটো-সিটো কৈ কামবোৰ কৰি বাইদেউ ভাগৰি পৰে। তাৰ উপৰিও কলেজৰ ক্লাছ কেইটা। দলৰ কাম এই কেইদিন বাদেই দিছে। ঘৰলৈ সোমোৱা বাটৰ প্ৰকাণ্ড লোৰ গেটটো খুলি ঘটংকৈ খিলি লগোৱা শব্দটো শুনিলেই চন্দ্ৰা বাইদেউ আগচোতাললৈ বৰ প্ৰত্যাশাৰে ওলাই আহে। ভায়েকটোৰ লগত ৰাধা আহিল! খন্তেক পিছতে দৰ্জাখন জপাই বাইদেউ ভিতৰলৈ সোমাই আহে। নাই, ৰাধা নহয়; আন কোনোবহে আহিছে।

ক'ব নোৱাৰাকৈয়ে তেওঁৰ কপালৰ ৰেখাবোৰ স্পষ্ট হৈ উঠে। এইখিনি সময়ত বাইদেউৰ ঘৰলৈ সোমাই অহা প্ৰতিজন আন মানুহ যেন তেওঁৰ কাৰণে অবাঞ্চিত। ৰাধাই এইদৰে তেওঁক হঠাতে এটা অনাকাংখিত জ্বলন্ত সমস্যাত পেলাব বুলি কেতিয়াও ভবা নাছিল। তাইৰ অবৰ্তমানে বাইদেউক ঘৰখনত বৰ জুকুলা-জুপুৰা কৰি পেলাইছে। তথাপি চন্দ্ৰা বাইদেউৰ আশাঃ ৰাধা আহিব, তাইতো তেনেকুৱা ছোৱালী নহয়। ঘৰখনৰ কথা তাই ইমান বুজি পায়।

ৰাধা উভটি আহিব; আশাৰে বাট চাই থাকোঁতে হঠাতে ৰাধাৰ মাক পমীলী ওলালহি। চন্দ্ৰাবাইদেউ বৰ কৌতুহলেৰে পমীলীৰ ওচৰলৈ আহি ৰাধা কিয় নাহিল, কেতিয়া আহিব, নে তাইৰ কিবা অসুখ হৈছে, বহুতো প্ৰশ্নৰ অৱতাৰণা কৰিলে। ইমানবোৰ প্ৰশ্নৰ সমুখীন হৈ কিছুসময় তভক মাৰি ৰৈ লাহে লাহে পমীলীয়ে ক'লে ঃ বাইদেউ তাই আৰু আপোনালোকৰ ঘৰত থাকিবলৈ নাহে। মই মহেন্দ্ৰৰ বিয়াৰ পিছদিনাই যেতিয়া ভায়েকৰ সতে আহিবলৈ ক'লো, তেতিয়াহে তাই কথাষাৰ ক'লে। মই তাইক বহুতো বুজালোঁ। কিন্তু তাই নুবুজে। তাইৰ এটাই কথা, তাই এতিয়া বহুত ডাঙৰ হ'ল। তেনেকৈ আনৰ ঘৰত থাকিবলৈ এতিয়া তাইৰ ভাল নালাগে। উপায়ন্তৰ হৈ মই আপোনাক কথাটো জনাবলৈহে আহিলোঁ।

চাহ এবাটি খাই ৰাধাৰ মাক পমীলীয়ে চন্দ্ৰা বাইদেউৰ পৰা বিদায় ল'লে। পমীলীক বিদায় দিবলৈ ওলাই আহি বাইদেউৱে পমীলীৰ প্ৰতিটো খোজলৈ দৃষ্টি ৰাখিলে। গেটটো খুলি তাই লাহে লাহে আঁতৰি গ'ল। দৃশ্যটোত মইও নিমগ্ন হ'লোঁ। মোৰ চকুৰ আগত ভাঁহি উঠিল ভিন্ন আশাৰ তিনিখন মুখ....... চন্দ্ৰাবাইদেউ, পমীলী আৰু ৰাধাৰ; আৰু মোৰ মনত ভাৱৰ বুৰ-বুৰণি উঠিল ঃ সঁচাকৈয়ে ৰাধাতো এতিয়া মই প্ৰথমতে লগপোৱা চন্দ্ৰা বাইদেউৰ ঘৰত কাম কৰা সেই সৰু ছোৱালীজনী নহয়, তাই এতিয়া এজনী শোড়শী গাভৰু!

❑

# MYSTERIES OF LOVE

**Namita Kalita**
H.S.2nd year (Arts)

Love isman'sand woman's deepest need,
It's not the threat of illness or poverty
that crushes the human spirit,
but the fear that there is no one
who truely cares,
no one who truely understands.
Love is sportive electric impulse
Yes, love can do all this,
if the desire is strong enough,
and the motive unselfish
Where enough faith and enough will are exerted
Yes fall in love first with your eyes,
then with your mind,then with yor heart.
Onlythe mind knows how to lead you
into union with the soul of the one you love.

# TO MY LOVE

**Kumari Minakshi Sarmah**
T.D.C. 3rd year (Arts)

In a grove I sat for a while,
Heard a thousand harmonious tunes
Through the roses tuft:
The birds were playing
Flowers enjoyed the fresh breath ofair.
In such an nchanting moment.....
You appeared and sat beside me.
Wandering and wandering
Embracing each other..........
You promised,I'll be always with you.
But.........................?
Now there is neither you nor your oath.
I search for you everywhere.
Cut to the quick at your memory
So I pray to God
Wherever you be, remain in peace.

# Green House effect- It's Impact on Eco-system and Mankind.

**Dr. Amanul Hoque**
Lecturer, Botany Department

Carbondioxide is a natural constituent of the atmosphere. The special properties of $Co_2$ in the atmosphere is such that it tends to prevent long wave radiation from escaping to the outer space from earth and deflected it back to earth. This phenomenon is called green house effect. In simple terms it is the heating effect exerted upon earth by the at mosphere due to absorption and remission of long wave radiation from the earth. For which the earth becomes warmer or cooler due to the effect of sunlight. A part of the solar radiation that comes to the earth is reflected back by the clouds and other factors to the space, the other part of radiation passing through the atmosphere, reaches the earth surface. It has been estimated that the earth atmosphere with $Co_2$ content permits 75% short wave radiation to reach the ground, as $Co_2$ is found to be transparent to short wave solar radiation and the short wave solar radiant energy gets converted to heat. The heated earth is able to re radiate this absorbed energy radiation in longer wave length (i.e. infra red radiation). As $Co_2$ is opaque to infra red radiation, much of this does not pass through the $Co_2$ tayer to outer space but gets absorbed by the $Co_2$ and water vapour in the atmosphere adding heat that has already been present. In an artificially constructed green house, the transparent glass roof and its sides allows easy penetration of short wave radiant energy, but largely absorbs the reradiated long wave radiant energy from the earth and delays its escape from it. A good example of green house effect is noticed in a completely door, window closed automobile car when kept under the sun in a sunny day. Due to this effect in side of the closed vehicle gets super heated.

| Green house gases increase | Atmospheric concentration (ppb v/v) | Annual rate of increase (%) |
|---|---|---|
| Carbon dioxide | 344,000 | 0.4 |
| Methane | 1,650 | 1.0 |
| Nitrous oxide | 304 | 0.25 |
| Methyl chloroform | 0.13 | 7.0 |
| Ozone | variable | --- |
| CFC 11 | 0.23 | 5.0 |
| CFC 12 | 0.4 | 5.0 |
| Carbon tetrachloride | 1.25 | 1.0 |
| Carbon monoxide | Variable | 0.2 |

(Surce: Yojana: Vol 33: 17: 1989)

Due to industrialisation and modernisation of our society with

the increase of human activity, the changes in atmosphere gradually occur. The carbon dioxide concentration in atmosphere is gradually increasing. $Co_2$ is chiefly produced in the combustion of the fuel in homes, factories, power stations etc. It is mostly produced by the combustion of fossil fuel.

A large amount of $Co_2$ gets absorbed in the atmosphere due to burning of fossil fuel, furnaces and due to animal and plant respiration. From fossil fuel alone $2.5 \times 10^{13}$ tones of $Co_2$ is being emitted to the atmosphere annually. Of course not all the $Co_2$ emitted thus, remains in the atmosphere, some parts of it, is absorbed by the greener plants and some parts gets dissolved in the sea water. The gases thus released, trap the long wave radiation emitted from the earth, which ultimately raise the global temperature.

Apart from $Co_2$ there are some other "green house' gases, but major part of the concentration of these gases in atmosphere is $Co_2$. This gas is increasing at the rate of 0.4% annually. The important "green house" gases with their concentration and the rate of annual increase is shown in the Chart above.

Though photosynthesis of green plant balances the ratio of $Co_2$ and $O_2$ of the atmosphere by a large extent, yet concentration of $Co_2$ in atmosphere has increased by 15% within the past 100 Years. It is estimated that by the year 2000 A.D. $Co_2$ content in the atmosphere may go up to 25%. It is also expected to increase further 30% within the next fifty Years.

Carbon dioxide acts like the glass of the green house and tends to warm the air in the lower levels of the atmosphere. So with the increase of $Co_2$ content, appreciable global warming will take place. An augmented warming of the earth would cause melting of polar ice caps such as those found in Antarctica and Greenland, recede of glacier, resulting in rise of the sea level. It has been estimated that if all the ice of earth should melt, sea level will rise nearly 61 meters, For which a global catastrophe will occur inundating almost all land areas of the earth. Coastal cities like Bangkok, Venice will be completely disappeared from this world. Increased $Co_2$ concentration will cause the tropical oceans to be more warmer. Due to this phenomenon rise in sea level may Occur by 50 to 100 cm which may cause flooding the coastal areas like Bangladesh and West Bengal.

> Due to Industrialisation and modernisation of our society with the increase of human activity, the changes in atmosphere gradually occur. The carbon dioxide concentration in atmosphere is gradually increasing.

Inundation of low lying areas will cause intrusion of saline water in to aquifers. Many fresh water ecosystems become saline. For which many species may migrate or be totally extinct. Intrusion of saline water will destroy the commercially important spawning grounds. According to an Yogoslavian marine biologist Mr. Stephan Keckes rising sea due to warming will be able to inundate entire cities from Boston to Bombay. He calculated that due to warming of the global atmosphere, the rise of sea level will be 1.5 to 3.5 meters within three decades. Little could be done for this increase of sea level except preparing for the worst.

There are ample evidences about rise of the global temperature during recent decades. Between 1885 to 1940, mean increase to annual temperature of earth was about 0.9°F. The prediction for global warming put forward at European meeting of climatologists and policy makers stated that by the year 2050, the temperature of the earth could increase by 1.5 to 4.5°C.

The future of global climate depends on the increase of $Co_2$ and other trace gases. The green house effect with the increase of $Co_2$ content will disturb the climate of earth with warming of the earth's atmosphere. Vast changes in rainfall, wind, cloud cover, ocean currents etc will occur. The global impact of these changes will be very high. Due to much warmer tropical ocean there have been likely to have more cyclones and hurri-

canes which may have devastating effects on the coastal areas. Changing climate will effect the ecosystem. The plant species which are responsive to more $Co_2$ concentration or warmer climate and higher rainfall, will flourish and will be predominant over other species. Ultimately some of the species will be disappeared. That will in turn influence over the animal community which gives carnivorous in nature.

The climatic change may have a serious threat to global food production with prolonged droughts, heavier rains, prolonged floods as well as with serious hurricanes and tornadoes.

One of the suggested beneficial aspects with the increase of $Co_2$ concentration is it may increase plant production. An increase in atmospheric $Co_2$ content will influence the photosynthesis and consequently on plant growth especially in hot tropical environments. This potential effect may be exploited by using modified crop varieties and agricultural practices to compensate the adverse effects of temperature rise. Though different techniques are theoretically available to minimise the disturbance of green house effect, it is not a fool proof solution for balanced green house effect. A campaign for global awareness to minimise $Co_2$ level in atmosphere is immediately required as well as people should accept the climatic change and try to adapt with new environment. ❑

# The Oak Tree

Dr. Mahendra Prasad Barooah.
Lecturer: Assamese Department.

Behind the curtain
an oak tree stands
It Vibrates with
Air
Water
And nectar
of the foamy ocean
My swan song
upped the ante
It is now ready
For the journey
The oak tree
Gives me birth
Nay rebirth
My soul is sparked
Ready for purgation
In the tidal flame
That vibrates with
Water
air
of the foamy ocean

# দৃষ্টিকোণ

*দৰঙীবাসী ৰাইজৰ উচ্চ শিক্ষাৰ অতি আশা-আকাঙ্খাৰ ক্ষেত্ৰভূমি মঙলদৈ মহাবিদ্যালয়ৰ সবাতোকৈ পুৰণি আৰু ঐতিহ্যমণ্ডিত অনুষ্ঠান। সোণালী জয়ন্তী বৰ্ষ সমাগত এই পবিত্ৰ বিদ্যামণ্ডিৰটোৰ প্ৰতি শতকৰা এশ জন ব্যক্তিৰেই শ্ৰদ্ধা আৰু শুভাকাঙ্খা আছে, তথাপি ইয়াৰ আভ্যন্তৰীণ আৰু বাহ্যিক দিশৰ কোনো কোনো দিশত কেতিয়াবা আলোচনা-বিলোচনা হোৱাও দেখা যায়। এনে পৰিপ্ৰেক্ষিত্ৰত শিক্ষাষ্ঠান খনৰ শৈক্ষিক দিশৰ ওপৰতে বেছি প্ৰাধান্য দিয়াটো আৱশ্যক। এই সংখ্যা 'মঙলদৈয়ান'ৰ দৃষ্টিকোণ শিতানত সেয়েহে মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষক, বৰ্তমানৰ শিক্ষক, প্ৰাক্তন ছাত্ৰ আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ পৰা মঙলদৈ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ সম্পৰ্কীয় নিজা নিজা দৃষ্টিকোণ আনি প্ৰকাশ কৰিবলৈ যত্ন কৰিলোঁ।*

সম্পাদনা সমিতি

**গনেশ দত্ত**
প্ৰাক্তন সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা



*মঙ্গলদৈ মহাবিদ্যালয়ৰ মুখপত্ৰ মঙ্গলদৈয়ানলৈ মোৰ শুভেচ্ছা জ্ঞাপন কৰিছোঁ। ইয়াত নিশ্চয় মহা-বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ প্ৰতিভা তথা আশা আকাঙ্খাৰ যথাযথ প্ৰতিফলন ঘটিব।*

*মঙ্গলদৈ মহাবিদ্যালয় দৰং জিলাৰ উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল। দৰংবাসী কেইজনমান বিদ্বান তথা বিদ্যানুৰাগী লোকৰ অহোপুৰুষাৰ্থ চেষ্টাৰ ফলশ্ৰুতিত গঢ়ি উঠিছিল মঙ্গলদৈ মহাবিদ্যালয়। মঙ্গলদৈ মহাবিদ্যালয় স্থাপন হোৱাৰ পৰা মঙ্গলদৈ নদীয়েদি বহু পানী বাগৰি গ'ল। সময়ৰ সোঁতত সুৰ মিলাই মঙ্গলদৈ মহাবিদ্যালয়েও সলালে ইয়াৰ আকৃতি আৰু প্ৰকৃতি। তেনেই চালুকীয়া অৱস্থাৰ পৰা আজি ই এক বিশাল ৰূপধাৰণ কৰিছে। আকৃতিৰ পিনৰ পৰা মঙ্গলদৈ মহাবিদ্যালয় আজি অসমৰ ভিতৰতে এখন বৃহৎ শিক্ষানুষ্ঠান। ১৯৫১ চনতে স্থাপিত এই বৃহৎ শিক্ষানুষ্ঠান খনত ছাত্ৰ ছাত্ৰীৰ বৰ্দ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিটো বিভাগতে গুৰু পাঠ্যক্ৰম প্ৰৱৰ্তন কৰাৰ লগতে পৰ্য্যায়ক্ৰমে স্নাতকোত্তৰ শ্ৰেণীৰ শাখাও খুলিব লাগে। উক্ত ব্যৱস্থাৰ প্ৰৱৰ্তনে দৰং জিলাৰ বিদ্যায়তনিক দিশত প্ৰভূত উন্নতি সাধন কৰিব । এইখিনিতেই ইতিমধ্যে মহাবিদ্যালয়খনত বুৰঞ্জী আৰু অসমীয়া বিষয়ত স্নাতকোত্তৰ শ্ৰেণীৰ পাঠ্যক্ৰম মুকলি কৰাৰ বাবে সংশ্লিষ্ট সকলৈ ধন্যবাদ জনালোঁ।*

*আমাৰ মহাবিদ্যালয়খনে যদিও ৪৪ বছৰ অতিক্ৰম*

*কৰিলে তথাপিও কিন্তু আমাৰ মনত এটা প্ৰশ্ন সততে উদয় হয়।সেইটো হ'ল,যদিও মঙ্গলদৈ মহাবিদ্যালয়ত ছাত্ৰ ছাত্ৰীৰ অভাৱনীয় সংখ্যা বৃদ্ধি হৈছে, সেইদৰে ইয়াৰ গুণগত উন্নতি হৈছে জানো ? অৰ্থাৎ চূড়ান্ত পৰীক্ষা সমূহত, বিশেষকৈ বিজ্ঞান শাখাত পৰীক্ষাৰ ফলাফল দুখলগা। ইয়াৰ বাবে মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশকে আমি প্ৰধানকৈ জগৰীয়া কৰিব পাৰোঁ। সেয়ে শৈক্ষিক পৰিবেশ উপযোগীকৰাৰ বাবে আমি কেইটামান ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। যথা—*

*(১) নাম ভৰ্ত্তিৰ ক্ষেত্ৰত এক নিৰ্দিষ্ট নিয়মৰ প্ৰৱৰ্তন কৰি সীমিত সংখ্যক ছাত্ৰ-ছাত্ৰীক নামভৰ্ত্তি কৰিব দিব লাগে।*

*(২) নিয়মিতভাৱে শ্ৰেণীবোৰ যাতে হয় তাৰ বাবে কৰ্তৃপক্ষই বিহিত ব্যৱস্থা কৰিব লাগে।*

*(৩) বৰ্ত্তমানে ছাত্ৰ সমাজৰ বেমাৰ "আন্দোলন সংস্কৃতি" বন্ধ কৰিব লাগিব।*

*(৪) বছৰত কমেও এবাৰ অভিভাৱকৰ সন্মিলন অনুষ্ঠিত কৰি শৈক্ষিক দিশত আলোচনাৰ ব্যৱস্থা কৰিব লাগে।*

*(৫) মাজে সময়ে শিক্ষা বিষয়ক আলোচনা চক্ৰৰ ব্যৱস্থা কৰিব লাগে।*

●

## প্ৰভাত নাৰায়ণ চৌধুৰী

প্ৰাক্তন ছাত্ৰ



*ষাঠিৰ দশকৰ শেষৰ পৰা সত্তৰৰ দশকৰ আৰম্ভণিলৈ আমি মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ আছিলোঁ। সেই সময়ত নৈশ শাখাকে ধৰি মহাবিদ্যালয় খনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৬৫০ মান আছিল। সেই সময়ত দৰং জিলাত (বৰ্ত্তমানৰ) মঙলদৈ মহাবিদ্যালয়েই আছিল একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান। টংলা আৰু ছিপাঝাৰত তেতিয়া দুখন মহাবিদ্যালয় আৰম্ভ হৈছিল যদিও ঘাইকৈ মঙলদৈ মহাবিদ্যালয়ত আছিল এক সুন্দৰ শৈক্ষিক পৰিবেশ।*

*এতিয়া মঙলদৈ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰায় তিনি হাজাৰ বুলি শুনিছোঁ। এতিয়াও কেইবাটাও বিষয়ত গুৰু পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব নোৱাৰাটো পৰিতাপৰ বিষয়। সত্তৰৰ দশকৰ মাজভাগত কেইটামান বিষয়ত গুৰু পাঠ্যক্ৰম খোলাৰ দাবীত ছাত্ৰ ছাত্ৰীসকলে আন্দোলন কৰা মনত আছে। তাৰ বাবে সেই সময়ৰ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰনেতা জয়নাথ শৰ্মাই (বৰ্ত্তমান বিধায়ক) মঙলদৈ মহাবিদ্যালয়ৰ পৰা বিতাৰিত হ'বলগীয়া হৈছিল।*

*বৰ্ত্তমানৰ স্নাতকোত্তৰ পাঠদান অসমৰ কেইবাখনো মহাবিদ্যালয়ত আৰম্ভ হৈছে। আমাৰ মঙলদৈ মহাবিদ্যালয়তো বুৰঞ্জী বিভাগত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ হোৱা বুলি শুনি সুখী হৈছোঁ। প্ৰতিবছৰে ছাত্ৰ-ছাত্ৰীৰ চাহিদাৰপ্ৰতি লক্ষ্য ৰাখি অন্যান্য বিষয়তো স্নাতকোত্তৰ পাঠ্যক্ৰম খোলাৰ প্ৰস্তুতি চলাবলৈ চিন্তা-চৰ্চা কৰাটো নিতান্তই প্ৰাসঙ্গিক।*

*শিক্ষাৰ মানদণ্ড উন্নত কৰিবলৈ মহাবিদ্যালয় খনত এটা শৈক্ষিক পৰিবেশৰ আৱশ্যক। শৈক্ষিক পৰিবেশ অকল কৰ্তৃপক্ষই আনি দিব নোৱাৰে। কৰ্তৃপক্ষ, প্ৰবক্তা আৰু ছাত্ৰ-ছাত্ৰীৰ সন্মিলিত প্ৰচেষ্টাৰেহে এক সুস্থ শৈক্ষিক পৰিবেশ সৃষ্টি হয়।*

*বৰ্ত্তমান সমাজ জীৱনৰ প্ৰতি স্তৰতে ৰাজনীতি সোমাই পৰিছে। শিক্ষানুষ্ঠান সমূহো তাৰ পৰা বাদ পৰা নাই। শিক্ষানুস্থানত অত্যধিক ৰাজনৈতিক প্ৰভাৱে শৈক্ষিক পৰিবেশ নষ্ট কৰে।প্ৰবক্তা সকলৰো ছাত্ৰ-ছাত্ৰীৰ প্ৰতি দায়িত্ব আছে। দূৰ-দূৰণিৰ পৰা ছাত্ৰ-ছাত্ৰী এই মহাবিদ্যালয়লৈ উচ্চ শিক্ষা লভাৰ আশাৰে আহে। প্ৰবক্তা সকলৰ শ্ৰেণীত উপস্থিতি নিয়মিত নহলেও শৈক্ষিক পৰিবেশ নষ্ট হয়। এইবোৰৰ প্ৰতি প্ৰশাসন আৰু ছাত্ৰ একতা সভা সজাগ হোৱা প্ৰয়োজন।*

●

## ড° পূৰ্ণচন্দ্ৰ বৰা (সাহিত্যিক পেন্সনাৰ)

মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন প্ৰবক্তা।



*মঙলদৈয়ানৰ সম্পাদক শ্ৰীমান জয়ন্ত, তোমাৰ ৩০/১১/৯৫ তাৰিখৰ পত্ৰখন পাই তথাস্থিত উত্তৰ কেইটি তলত দিলোঁ।*

*মঙলদৈ মহাবিদ্যালয়ত গুৰু পাঠ্যক্ৰম (Major) ১৯৬৫ চনৰ পৰায়েই আৰম্ভ হৈছে। তেতিয়া অৱশ্যে ইয়াক অনাৰ্চ (honours) বুলি কোৱা হৈছিল।আজিলৈকে যিসকল ছাত্ৰ-ছাত্ৰীয়ে বিশেষ কৃতকাৰ্য্যতা লাভ কৰি ওলাই*

গৈছে, সেইসকলৰ কাৰণে মই সেই মহাবিদ্যালয়ৰে প্ৰাক্তন শিক্ষক হিচাপে গৌৰৱ অনুভৱ কৰোঁ। ভৱিষ্যতৰ ছাত্ৰ-ছাত্ৰী সকলৰ তেনে সফলতাৰ কাৰণেও মোৰ আশীৰ্বাদ আৰু শুভেচ্ছা থাকিল। বৰ্ত্তমান গুৰুপাঠ্যক্ৰম নথকা বিষয়ত গুৰু পাঠ্যক্ৰম আৰম্ভ হলে ভাল হয়। অৱশ্যে এইটো মহাবিদ্যালয় খনৰ আৰ্থিক স্বচ্ছলতাৰ ওপৰত নিৰ্ভৰ কৰিব।

মই মঙলদৈ মহাবিদ্যালয়খনত চাকৰি কৰি থকা অৱস্থাতেই স্নাতকোত্তৰ শ্ৰেণীখোলাৰ বাবে যো-জা কৰা হৈছিল। বৰ্তমান সেয়া কাৰ্য্যত ফলৱতী হোৱাত সন্তোষ পাইছোঁ আৰু অধিক বিষয়ত স্নাতকোত্তৰ শ্ৰেণী খুলিলে আমাৰ এই অঞ্চলৰ স্নাতকোত্তৰ শিক্ষা লাভৰ ক্ষেত্ৰত বঞ্চিত হোৱা ছাত্ৰ-ছাত্ৰী সকল উপকৃত হ'ব আৰু এই অঞ্চল স্নাতকোত্তৰ শিক্ষাৰ ক্ষেত্ৰত অধিক অগ্ৰসৰ হ'ব পাৰিব।

ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়নৰ প্ৰতি হেঁপাহ আৰু শিক্ষক শিক্ষয়িত্ৰী সকলৰ কৰ্তব্য নিষ্ঠাই শিক্ষাৰ পৰিবেশ সুস্থ কৰি ৰাখে। লগতে শিক্ষাৰ মানদণ্ডও বজাই ৰাখে।

মহাবিদ্যালয় খনৰ সকলোলৈকে মোৰ শুভেচ্ছা থাকিল।

**আব্দুল মজিদ,** এম-এ. এল-এল-বি.
প্ৰাক্তন অধ্যক্ষ, মঙলদৈ মহাবিদ্যালয়

কেইটামান বছৰৰ আগতে অসমৰ বিভিন্ন অঞ্চলৰ মহাবিদ্যালয় বিলাক প্ৰতিষ্ঠা হোৱা দেখি মহাবিদ্যালয় Mush room growth হৈছে বুলি মন্তব্য কৰা শুনা গৈছিল। কিন্তু তেনে মন্তব্যক ভ্ৰুক্ষেপ নকৰি শিক্ষাৰ বিকাশৰ গতি দ্ৰুতভাৱেহে অগবঢ়ি আহিল। মহাবিদ্যালয় নোহোৱা অঞ্চল সংকুচিত হৈ পৰিল। ছাত্ৰ-ছাত্ৰীয়ে নিজ নিজ ঘৰৰ পৰা সহজে ঢুকি পোৱা দূৰত্বত মহাবিদ্যালয় নাই বুলি দেখুৱাবলৈ অঞ্চল বিচাৰি নোপোৱা হ'ল।

শিক্ষাৰ ব্যৱস্থা বৃদ্ধি অৰ্থাৎ মহাবিদ্যালয়ৰ সংখ্যা বৃদ্ধি আচলতে সময়ৰ জৰুৰী প্ৰয়োজন আৰু সেই কাৰণেই মহাবিদ্যালয়বিলাক গঢ়ি উঠিছে। মহবিদ্যালয় বিলাক শিক্ষা আৰু উন্নত জীৱনৰ প্ৰতি জন জাগৰণৰ প্ৰতীক স্বৰূপ। ৰাইজে নিজৰ ধন খৰছ কৰি আৱশ্যক অনুযায়ী অঞ্চলে অঞ্চলে মহাবিদ্যালয় আৰু আন পৰ্য্যায়ৰ শিক্ষানুষ্ঠান বিলাক পাতিছে। ৰাইজৰ এই প্ৰচেষ্টা দেশৰ আৰু সমাজৰ বাবে গুৰুত্বপূৰ্ণ সামাজিক অৱদান আৰু তাৰ ফলস্বৰূপে সমাজলৈ আহিছে বৈপ্লৱিক পৰিৱৰ্তন।

বৰ্ত্তমানে গাঁৱৰ সংখ্যা বৃদ্ধি হৈছে, জনবসতি অঞ্চল বৃদ্ধি হৈছে, জনসংখ্যা বৃদ্ধি হৈছে আৰু ভিন ভিন পৰ্য্যায়ৰ শিক্ষানুষ্ঠান যেনে প্ৰাথমিক বিদ্যালয়ৰো সংখ্যা বৃদ্ধি হৈছে। এই দৰে ভৱিষ্যত বংশধৰ সকলৰ বাবে শিক্ষাৰ সুবিধা বাঢ়িছে যদিও দৰঙৰ ভিতৰত ডিগ্ৰী পৰ্য্যায়লৈহে উচ্চশিক্ষাৰ সুবিধা আছে। ডিগ্ৰীৰ শেষ পৰীক্ষা সমাপ্ত কৰি বিশ্ববিদ্যালয়ৰ শিক্ষা লাভ কৰিবলৈ আগ্ৰহী বহু ছাত্ৰ-ছাত্ৰীয়ে থকাখোৱাৰ অসুবিধা আৰু আৰ্থিক অনাটনৰ বাবে দৰঙৰ বাহিৰলৈ গৈ গুৱাহাটী বিশ্ববিদ্যালয়ত বা তেনে ঠাইত শিক্ষা আহৰণ কৰা আশা ত্যাগ কৰিবলগীয়া হয়। গতিকে বিশ্ববিদ্যালয় স্থাপন কৰা সম্ভৱনহলেও দৰঙৰ মহাবিদ্যালয় বিলাকতে বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ শিক্ষাদান কৰা ব্যৱস্থা হোৱাটো ৰাইজৰ বাবে মঙ্গলৰ কথা।

দৰঙৰ মহাবিদ্যালয় বিলাকৰ ভিতৰত মঙ্গলদৈ মহাবিদ্যালয় প্ৰথম প্ৰতিষ্ঠিত আৰু বৰ্ত্তমানে পূৰ্ণাঙ্গপ্ৰাপ্ত এই মহাবিদ্যালয় খনতে বিশ্ববিদ্যালয়ৰ শ্ৰেণী খোলা সম্পৰ্কে বহুবছৰ আগৰ পৰাই চিন্তা চৰ্চ্চা চলি আছিল। বৰ্ত্তমানে সেই চিন্তাচৰ্চ্চা হৰধৰিছে। ইতিমধ্যে বুৰঞ্জী বিষয়ৰ শ্ৰেণী খোলা হৈছে। সময় আৰু সুবিধা অনুযায়ী অদূৰ-ভৱিষ্যতে আন বিষয়বিলাকৰো শ্ৰেণী খোলা হ'ব বুলি বিশ্বাস কৰিব পাৰি।

গোটেই নামনি অসমৰ ভিতৰত এখন বিশ্ববিদ্যালয় হোৱাহেতু ছাত্ৰ-ছাত্ৰীয়ে ডিগ্ৰী পৰীক্ষা শেষ কৰি বিশ্ববিদ্যালয়ৰ শিক্ষা লাভৰ বাবে বহু অসুবিধাৰ সন্মুখীন হয়। নামভৰ্ত্তি আৰু হোষ্টেলৰ সুবিধাৰ ক্ষেত্ৰত অতি ভাৱ হয়। বহু ছাত্ৰ-ছাত্ৰীয়ে পঢ়াৰ সুবিধা নাপাই উচ্চ শিক্ষাৰ আশা ত্যাগ কৰিব লগীয়াও হয়। গতিকে মঙ্গলদৈ মহাবিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণী খোলাৰ আৰম্ভনিয়ে ভৱিষ্যতৰ বছৰি বৰ্দ্ধিত ছাত্ৰ-ছাত্ৰী সকলৰ নতুন সুবিধাৰ সূচনা কৰিছে।

শিক্ষা বিস্তাৰৰ বাবে বৰ্ত্তমানে চৰকাৰে প্ৰাপ্তবয়স্ক সকলৰ শিক্ষাৰ ব্যৱস্থা কৰিছে, প্ৰতি বছৰে শিক্ষাঅনুষ্ঠান চৰকাৰীকৰণ কৰি সুবিধা বঢ়াই আছে। মুকলি বিশ্ববিদ্যালয়ৰ ব্যৱস্থা কৰিছে। গ্ৰাম্য বিশ্ববিদ্যালয়ৰ কথাও উলিয়াইছে। এনে অৱস্থাত মঙ্গলদৈ মহাবিদ্যালয়ত দৰঙৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিশ্ববিদ্যালয়ৰ শিক্ষাৰ ব্যৱস্থা সময় উপযোগী শুভকথা। এই ব্যৱস্থাই ৰাইজৰ বহু অপেক্ষিক কামনাকে প্ৰতিফলিত কৰিছে।

গ্ৰাম্য অঞ্চলৰ পৰিবেশৰ মাজত থাকি ডিগ্ৰী বা বিশ্ববিদ্যালয়ৰ শিক্ষা শেষ কৰা ছাত্ৰ-ছাত্ৰী সকলে অধ্যয়ন কালতো গ্ৰাম্যজীৱনৰ সংস্কৃতিৰ লগত নিজকে অভ্যস্ত কৰিব পাৰে। গতিকে চহৰত থাকি চহৰৰ শিক্ষা অনুষ্ঠানত পঢ়াশুনা কৰা আৰু চহৰীয়া পৰিবেশত গঢ়লোৱা উচ্চশিক্ষিত লোক সকলৰ অতীতত যি চহৰমুখী গতি আছিল সেই গতি লাহে লাহে নাইকীয়া হোৱাৰ সম্ভাৱনাৰ কথাও ভাবিব পাৰি। সেয়ে হলে গ্ৰাম্য অঞ্চলত উচ্চ শিক্ষিত লোকৰো বসতি ঘন হোৱা সম্ভৱ। এই ক্ষেত্ৰতো মহাবিদ্যালয় বিলাকত বিশ্ববিদ্যালয়ৰ শিক্ষিত ব্যৱস্থাই বহুখিনি বৰঙণি যোগাব। অতীতৰ দৰে গ্ৰাম্য সমাজৰ পৰা শিক্ষিত মানুহ হেৰাই যোৱাৰ সম্ভাৱনা হ্ৰাস পাব।

●

**ডঃ লোকেশ্বৰ নাথ**
প্ৰবক্তা, ভূগোল বিভাগ।



মঙ্গলদৈ মহাবিদ্যালয়ৰ প্ৰায়বোৰ বিষয়তে গুৰুপাঠ্যক্ৰম খোলাৰ আৰু এটা দুটাকৈ স্নাতকোত্তৰ বিভাগ খোলাৰ চিন্তা চৰ্চা কোনে ক'ত কেতিয়া কৰিছে মই নাজানো। কিন্তু কোনোবাই চিন্তা-চৰ্চা কৰিছে যদিও সেইদিশত চকুত পৰা ধৰণে অগ্ৰসৰ হোৱা দেখা নাই।

শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ পৰামৰ্শ আগবঢ়োৱাৰ আগেয়ে এই ক্ষেত্ৰত সৰ্ব্বজন স্বীকৃত এটিমান (Standard) বা জোখ থকাটো প্ৰয়োজন। কিয়নো এনে এটা মান থাকিলেহে উন্নত বা হ্ৰাস সম্বন্ধে বুজাত সহজ হয়। এনে মান বিভিন্ন পৰীক্ষাত উত্তীৰ্ণ হাৰৰ কোনো নিৰ্দ্দিষ্ট পৰিমান হ'ব পাৰে নাইবা বৰ্ত্তমান সমাজ ব্যৱস্থাত শিক্ষাৰ্থীয়ে শিক্ষাৰ অন্তত সমাজক যোগোৱা অৱদানৰ ভিত্তিত বনাই লোৱা কোনো মানো হ'ব পাৰে। পিছৰ মান বিধ সদায় আগৰ বছৰবোৰৰ লগত তুলনা কৰি লোৱাটো উচিত। এনে মাপৰ বাবে সমাজবিজ্ঞানীৰ গভীৰ অৰু দীৰ্ঘদিনীয়া অধ্যয়নৰ প্ৰয়োজন। এই মান বস্তুৰ মূল্যসূচীৰ লগত ৰিজাব পাৰি।

শিক্ষাৰ মনদণ্ড হ্ৰাস হোৱা নুবুলি আমি হয়তো ক'ব পাৰো যে বৰ্ত্তমান সমাজ ব্যৱস্থাত আমাৰ শিক্ষা পদ্ধতি বা ব্যৱস্থা থিক সাঁচত গঢ়লৈ উঠা নাই। শিক্ষা ব্যৱস্থাই আমাক এতিয়াও চাকৰিমুখী কৰিয়েই আছে। স্কুল, কলেজৰ সাধাৰণ শিক্ষাৰ উত্তীৰ্ণৰ চাৰ্টিফিকেটৰ ওপৰত গুৰুত্ব দি অহাৰ বাবে আমি শিক্ষাক অধোগামী হোৱা যেন দেখিছোঁ। স্কুল, কলেজৰ সংখ্যা ইমানেই বাঢ়িছে যে এতিয়া স্কুল, কলেজলৈ নোযোৱা লৰা ছোৱালীৰ সংখ্যা তেনেই নগণ্য হৈ পৰিছে। স্কুল, কলেজলৈ অহা যোৱা কৰা এই লৰা ছোৱালী সকলৰ সকলোৰে মেধা বা বুদ্ধি-বৃত্তি যে সাধাৰণ শিক্ষা গ্ৰহণৰ বাবে যথোপযুক্ত এনে নহয়। দেখা যায় প্ৰায় আধা ভাগৰেই এনেধৰণৰ শিক্ষাতে আৱদ্ধ নাৰখি ভিন্নমুখী বৃত্তিমূলক শিক্ষাত তেওঁলোকক খটালে সকলো দিশতে উন্নতি হোৱাৰ সম্ভৱনা। এনেক্ষেত্ৰত আমি ভবা ধৰণে শিক্ষাৰ হ্ৰাস বা অধোন্নতি দেখিবলৈ পোৱা নাযাব।

শিক্ষাৰ উন্নতি বা হ্ৰাস সম্বন্ধে অলোচনা কৰোঁতে আমি অইন এটা কথালৈও মন কৰিব লাগিব। বৰ্ত্তমান আমাৰ সমাজ খনত এনে কিছুমান ক্ৰিয়াই অনবৰত কাম কৰিব ধৰিছে যাৰ ফলত শিক্ষাৰ্থীসকল প্ৰকৃত উদ্দেশ্যৰ পৰা যেন বিচলিত হৈছে। বিভিন্ন সংগঠনৰ প্ৰাদুৰ্ভাৱ আৰু লগতে ব, হৰতাল আদিৰ অপসংস্কৃতিয়ে শিক্ষাৰ পৰিবেশ কলুষিত কৰি তুলিছে। শিক্ষাৰ, পৰিৱেশ বিনষ্ট হোৱাত আজি ছাত্ৰৰ লগত শিক্ষক, অভিবাৰক, চৰকাৰ আৰু প্ৰচাৰ মাধ্যমকে জগৰীয়া কৰিব লগিব। প্ৰত্যেকে যেন নিজ নিজ কৰ্ত্তব্য পালনৰ পৰা বিচলিত হৈছে।

শিক্ষাৰ মানদণ্ড উন্নতি কৰিবলৈ ব্যক্ত কৰাৰ লগতে আমাৰ শিক্ষা ব্যৱস্থাক সমাজৰ চাহিদাৰ লগত খাপখুৱাই তৈয়াৰ কৰাৰো প্ৰয়োজন বোধ কৰিছোঁ। সমাজ যিহেতু পৰিবৰ্তনশীল (Dynamic) এনে ক্ষেত্ৰত শিক্ষাত পৰিবৰ্তনশীলতা (Dynamism) থকাতো বাঞ্চনীয়। ইয়াৰ বাবে নতুন চিন্তাধাৰাৰ লগত পৰিচিত শিক্ষাবিদৰ পৰামৰ্শ গ্ৰহণেৰে শিক্ষাৰ লগত জৰিত ব্যক্তিসকল ইয়াৰ প্ৰয়োগৰ বাবে আগবাঢ়ি আহিব লাগিব। ছাত্ৰ-ছাত্ৰী সকলেও এখন উন্নত অৰু প্ৰগতিশীল সমাজ গঢ়াৰ মানসিকতাৰে আগবাঢ়ি আহি বিভিন্ন বৃত্তিত সোমাই পৰিব লাগিব।

# ভাষাবিদ ড°বাণীকান্ত কাকতিৰ ব্যক্তিত্ব আৰু জাতীয় চৈতন্য

হিৰণ্য কুমাৰ শৰ্মা
স্নাতক, প্ৰথম বাৰ্ষিক (বিজ্ঞান)

জীৱনৰ বিভিন্ন ক্ষেত্ৰত সুখ্যাতি অৰ্জন কৰা বহুতো বিশিষ্ট লোকে ঘাইকৈ গ্ৰামাঞ্চলতে জন্ম গ্ৰহণ কৰে। সেইবাবেই গাওঁ অঞ্চলৰ অধিবাসী সকল তেনে গৌৰৱেৰে গৌৰৱান্বিত। আন বহুতো বিখ্যাত লোকৰ জীৱনীয়ে প্ৰতিপন্ন কৰাৰ দৰে 'বোকাত পদুমফুল ফুলে' কথাষাৰৰ সাৰ্থকতা ৰক্ষা কৰে বৰপেটা চহৰৰ পূৱ-প্ৰান্তৰ বাতিকুবিহা নামৰ এখন ভিতৰুৱা গাঁৱত ১৮৯৪ চনৰ ১৬ নৱেম্বৰত জন্ম গ্ৰহণ কৰা বাণীকান্ত কাকতিদেৱে সময়ত বহুমূখী প্ৰতিভা বিকষিত হৈ বিশেষ খ্যাতনামা লোক বাণীকান্ত কাকতিদেৱ সকলোৰে পৰিচিত হয় 'অখ্যাত গাঁৱৰ প্ৰাখ্যাত দান' স্বৰূপে।

কাকতিয়ে নিজৰ গাঁৱত প্ৰাথমিক শিক্ষা শেষ কৰে। গাওঁত উচ্চ শিক্ষাৰ সুবিধা নথকাত তেওঁ বৰপেটা চৰকাৰী হাইস্কুলত পঢ়িবলৈ লয়। সেই সময়ত স্কুলত কোনো ছাত্ৰাবাস নাছিল; সেইবাবে দূৰৰ গাঁৱৰ পৰা অহা ছাত্ৰ সকলে কোনো সদাশয় ব্যক্তিৰ চৌহদত পজাঁঘৰ সাজি পঢ়িবলৈ লৈছিল। কাকতিয়েও কেইজনমান সতীৰ্থৰ লগত এজন লোকৰ চৌহদত থকা পঁজাঘৰ এটাত থাকি পঢ়িছিল।

১৯১১ চনত কাকতিয়ে প্ৰৱেশিকা পৰীক্ষাত অসম উপত্যকাৰ ভিতৰত প্ৰথম স্থান পায়। ইংৰাজী বিষয়ত সৰ্ব্বোচ্চ নম্বৰ লৈ সোণৰ আৰু ৰূপৰ পদক লাভ কৰি কৃতিত্ব সাধে। ১৯১৩ চনত আই-এ পৰীক্ষাত কলিকতা বিশ্ববিদ্যালয়ত প্ৰথম দুজন অসমীয়া অধ্যাপকৰ নিযুক্তি ঘটে অগাপিছাকৈ; প্ৰথমে ডঃ সূৰ্য্য কুমাৰ ভূঞা আৰু দ্বিতীয়তে ডঃ বাণীকান্ত কাকতিদেৱে নিযুক্তি পায়। তেওঁলোক আছিল বুদ্ধিদীপ্ত, অধ্যয়নপুষ্ট আৰু ব্যক্তিত্ব সম্পন্ন লোক।

১৯৪৮ চনৰ জানুৱাৰী মাহত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হয়। সেই সময়ত কটন কলেজৰ অধ্যক্ষতাৰ কাল উকলি যোৱাত কাকতি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক নিযুক্ত হয়। কাকতিয়ে বিশ্ববিদ্যালয়ৰ কাৰ্যনিৰ্বাহক সভা, কোৰ্টসভা, একাডেমিক কাউঞ্চিল আদিৰ সদস্য হিচাপে সক্ৰিয় অংশ গ্ৰহণ কৰি বিশ্ব বিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি কল্পে অৰিহনা যোগাইছিল। কলেজত থকা সময়ৰ পৰাই তেওঁকেই কেন্দ্ৰ কৰি অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতি আদিৰ গৱেষণাৰ পৰিৱেশ এটাৰ সৃষ্টি হয়। তেওঁৰেই অনুপ্ৰেৰণা আৰু তত্বাৱধানত ডঃ মহেশ্বৰ নেওগে ডক্টৰেট ডিগ্ৰি লাভ কৰে।

তেখেত এজন সুখী গৃহস্থী আছিল। ১৯১৬ চনত ২২ বছৰ বয়সত কনকলতা দেৱীক বিবাহ কৰাই গাহস্থ্যব্ৰত লয়। সু-পত্নী কনকলতা দেৱীয়ে তেখেতৰ অভিভাৱক আৰু বন্ধুৰ স্থানো দখল কৰিছিল। কটন কলেজত চাকৰি কৰা কালত বিহাবাৰীৰ ঘৰৰ চোতালত বহি সদায় পত্নীৰ সৈতে ঘৰৰ বাহিৰৰ কথাপাতি সন্ধিয়াবোৰ কটাইছিল। পতি-পত্নী আৰু পুত্ৰ কন্যাৰে এটি সুস্থ গাহস্থ্য পৰিৱেশ ঘৰখনত বিৰাজ কৰিছিল। ১৯৫২ চনৰ ১৭ ছেপ্তেম্বৰত পত্নীৰ মৃত্যুৰ আঘাত তেখেতে সহিবলৈ টান পালে। স্বাস্থ্যও পৰি গ'ল মনোবলো কমি আহিল। শ্ৰাদ্ধৰ দিনা 'পুৰনি অসমৰ ধৰ্মৰ ধাৰা' নামৰ গ্ৰন্থখন তেওঁ পত্নীৰ নামত উছৰ্গা কৰে। ইয়াৰ দুমাহ পিছত অৰ্থাৎ ১৯৫২ চনৰ ১৫ নৱেম্বৰৰ ৰাতিপুৱা আকস্মিক ভাৱে কাকতিৰ পৰলোক প্ৰাপ্তি ঘটে। তেওঁৰ মৃত্যুত বিশ্ব বিদ্যালয়ৰ লগতে অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত এক অপূৰনীয় ক্ষতি হয়। কাকতিয়ে এটা সহজ সৰল জীৱন যাপন কৰিছিল। Plain living and high thinking কথাষাৰে তেওঁৰ জীৱনৰ যথাৰ্থতা প্ৰতিপন্ন কৰিছিল। তেওঁৰ কোনো উচ্চাকাঙক্ষা নাছিল। তেওঁ এজন আছিল বিশিষ্ট শিক্ষাবিদ,

ভাষাতত্ত্ববিদ, কৃতি সাহিত্য সমালোচক আৰু অসমীয়া বৈষ্ণৱধৰ্ম আৰু সংস্কৃতিৰ অন্যতম দিক্‌পাল।

তেওঁৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ দাপোন আছিল সাহিত্যকৰ্ম। কোনো প্ৰতিভাবান লোকৰ ব্যক্তিত্ব আৰু প্ৰতিভা মৌলিকভাৱে অতি সোনকালে অতি ৰঞ্জিত হৈ পৰে। সেইদৰে অসমৰ সৰস্বতিৰ চিৰভাস্বৰ নৈক্ষত্ৰ ড॰বাণীকান্ত কাকতিৰ ব্যক্তিত্ব আৰু বৈদগ্ধ সম্পৰ্কে যিবোৰ কথা আৰু কাহিনী শুনা যায়, তাক অবিশ্বাস্য বুলি ভাৱিলেও সত্য বুলি প্ৰত্যয় জন্মে। প্ৰকৃততে প্ৰতিভাৱান জনৰ প্ৰতিভাৰ প্ৰভাৱেই অনুৰক্ত সকলৰ দৃষ্টি এনেদৰে ধূসৰ কৰি পেলায় যে প্ৰতিভাৱান জনৰ মনীষা আৰু ব্যক্তিত্ব অতি সহজে কিংবদন্তীলৈ পৰিবৰ্ত্তিত হয়। কিন্তু লিখকৰ অজানিতে তেওঁৰ ব্যক্তিত্বৰ অৱিকল প্ৰতিবিম্ব তেওঁৰ লিখনিত প্ৰতিফলিত হয়। বাণীকান্ত কাকতিৰ ৰচনা ৰাজিত মানুহজনৰ ব্যক্তিত্ব উদ্ভাসিত হোৱা পৰিলক্ষিত হয়। বাৰখন গ্ৰন্থকে ধৰি শত পৰিমাণ জ্ঞান গৰ্ভ প্ৰবন্ধৰ লিখক, ভাষাতত্ত্ববিদ ৰূপে, সাহিত্য সমালোচক ৰূপে, লোক সংস্কৃতি আৰু নৃতত্ত্বৰ গৱেষক ৰূপে, বৈষ্ণৱ ধৰ্মৰ বিশ্লেষক ৰূপে কাকতিৰ সাহিত্য কৃতিৰ পৰিমাণ আৰু গুৰুত্বক সাক্ষীৰূপেলৈ আগুৰি আছিল।কাকতিৰ সন্নিধ্যলব্ধ লোক আৰু গুণমুগ্ধ ছাত্ৰ আৰু তেখেতৰ মৃত্যুৰ পিছত লিখা প্ৰবন্ধ আদিৰ পৰা গম পোৱা যায় যে কাকতি এজন গম্ভীৰ প্ৰকৃতিৰ সৰল স্বভাৱৰ লোক আছিল। কাকতি ছাৰ বুলিলে ছাত্ৰ ছাত্ৰীৰ মনলৈ যিখন ছবি ভহি উঠে–

"...... সোণালী অকণমান ছেফ্‌টি পিন এটা পথালিকৈ মৰা বগা ডাঠ কাপোৰৰ কামিজটো, সোত মোছ খোৱা সৰু মৃগাফুলীয়া চেলেংখন, আঠুৰ অলপ তলতে চুৰিয়াখন। ব্ৰেকবা ৰ্ড পেনটো ......" এয়ে আছিল কাকতিৰ নিত্যাবেশ। কাকতি বৰ অনুসন্ধিৎসু পুৰুষ আছিল। তেখেতৰ "কলিতা জাতিৰ ইতিবৃত্ত", "পুৰনি অসমৰ ধৰ্মৰ ধাৰা", "Vasnvate Myth and Legends", "Mother Goddess kamakhya" আদি সমাজতত্ব আৰু নৃতত্ব বিষয়ক গ্ৰন্থ কেইখনত তেখেতৰ সত্যসন্ধানী স্বভাৱ প্ৰকাশ পাইছে। "পুৰণি অসমীয়া সাহিত্য" "নতুন অসমীয়া সাহিত্য" আদি সাহিত্য সমালোচনামূলক প্ৰবন্ধবোৰত তেখেতৰ সূক্ষ্ম পৰ্য্যবেক্ষণ ক্ষমতাৰ বিশেষ প্ৰয়োগ ঘটিছে।

> "...... সোণালী অকণমান ছেফ্‌টি পিন এটা পথালিকৈ মৰা বগা ডাঠ কাপোৰৰ কামিজটো, সোত মোছ খোৱা সৰু মৃগাফুলীয়া চেলেংখন, আঠুৰ অলপ তলতে চুৰিয়াখন। ব্ৰেকবাৰ্ড পেনটো ......"
> এয়ে আছিল কাকতিৰ নিত্যাবেশ।

গভীৰতম অন্বেষা, নিৰপেক্ষ সমালোচক, গৱেষণাত সততা আৰু নিষ্ঠা, ন্যায়পৰায়ন শিশু সাহিত্যিক প্ৰধানকৈ এইবোৰ চাৰিত্ৰিক গুণ প্ৰকাশ পাইছে তেখেতৰ ভাষাতাত্বিক ৰচনাত। কাকতিৰ ৰচনাৰ বিষয় বস্তু আৰু প্ৰসংগৰ বিস্তৃতি দেখিলেই তেখেতৰ জ্ঞান লিপ্সাৰ কথা জানিব পাৰি। কলিকতাৰ এডেন হিন্দু হোষ্টেলৰ বুঢ়া চকীডাৰ এজনে ১৯৩০ চনত অসমৰ ছাত্ৰ এজনৰ আগত কৈছিল "অসমৰ কাকতি নামৰ এজন ডেকা ল'ৰা এই হোষ্টেলতে আছিল। মোৰ চাকৰি কালত মই তেওঁৰ দৰে কষ্ট কৰা ল'ৰা কেতিয়াও দেখা নাই। ৰাতি মই যেতিয়াই উঠো তেওঁৰ লেম্পটো জ্বলি থকাই দেখো আৰু তেওঁক শকত শকত কিতাপবোৰৰ ওপৰত মূৰ গুজি থকাই দেখিবলৈ পাওঁ।" (কাকতি ১৯১৪ চনত সেই হোষ্টেলত আছিল)। অধ্যয়নৰ দৰে অধ্যাপনাটো তেখেতৰ ৰাপ আছিল। অধ্যপনাৰ সোৱাদ এৰি তেখেতে উপযাচি অহা শিক্ষধিকাৰৰ পদ আৰু অসম লোকসেৱা আযোগৰ সভাপতি পদ লবলৈ অস্বীকাৰ কৰিছিল।

কাকতি সহৃদয় পাঠক আছিল। তেখেত কেৱল ৰসগ্ৰাহীয়ে নহয় ভাৱগ্ৰাহী পাঠকো আছিল। যি বিষয়কে নপঢ়ক তেখেত তাত তন্ময় হৈ পৰিছিল। সকলো বিষয়ৰ গ্ৰন্থকে তেখেতে আন্তৰিকতাৰে পঢ়িছিল, লিখকৰ বক্তব্য হৃদয়ঙ্গম কৰিছিল আৰু লগতে লিখকৰ ব্যক্তিত্ব আৰু ব্যক্তিগত জীৱনৰ লগতো পৰিচয় হৈছিল। নৈপুন্য ভেদে কবি বা সাহিত্যিক জনক আৰু তেওঁৰ কাব্য বস্তুক উদাৰ ভাৱে প্ৰশংসা কৰি গৈছে। কাকতিৰ ৰসগ্ৰাহী হৃদয়ে ভক্তি সুত্ৰৰ তাত্বিক গ্ৰন্থ এখনিতো সৌন্দৰ্য্যৰ সন্ধান পাইছে। নিৰস শাস্ত্ৰীয় ৰচনাৰ পৰা ৰসাভিব্যঞ্জক জ্ঞানৰ অনুসন্ধান কৰিছে আৰু নিজৰ উপলব্ধিক কাব্যগুণৰ নৈপুন্যৰে আনৰ উপযোগীকৈ পুনৰ নিৰ্মান কৰি আগবঢ়াব পাৰিছে। এই খিনিতে'পাঠক ৰূপে কাকতিৰ সাফল্যৰ প্ৰকাশ ঘটিছে। হাতত লোৱা যিকোনো কথাৰ প্ৰতি যে কাকতি শ্ৰদ্ধাপৰ আছিল সেয়া তেখেতৰ প্ৰতিটি ৰচনাতে প্ৰকাশ পোৱা নিষ্ঠা আৰু সততাৰ পৰা বুজিব পাৰি। অলোচ্য বিষয় শ্ৰদ্ধা সহকাৰে বিবেচনা কৰিব পৰা বাবেই তেখেতৰ অধ্যয়ন আৰু যুক্তিৰ গভীৰতা আছে আৰু লগতে উদাৰ দৃষ্টিভংগীও আছে। 'শ্ৰদ্ধাৱান লভতে জ্ঞানম্' কাকতিৰ ক্ষেত্ৰত প্ৰতিফলিত হৈছে। এজন গৱেষকৰ বাবে অতি আৱশ্যকীয় বিভিন্ন গুণবোৰৰ বাহিৰেও তেখেতৰ প্ৰণালীবদ্ধ চিন্তা পদ্ধতি আছে। তেখেতৰ সকলোবোৰ ৰচনাতে এক শৃংখলা পৰিলক্ষিত হয়। প্ৰচুৰ পৰিমাণে তথ্য সংকলন কাকতিৰ গবেষনাৰ এক অন্যতম বৈশিষ্ট্য। উদাহৰণেৰে বক্তব্য

স্পষ্ট কৰাটো তেখেতৰ অন্যতম লক্ষণ। এই ক্ষেত্ৰত বক্তব্যৰ প্ৰাঞ্জলতা দ্ব্যৰ্থকতা বিহীনতা তেখেতৰ গৱেষনাৰ আন এক লক্ষনীয়বিষয়। গৱেষক হিচাপে তেখেতে পূৰ্বসুৰী সকলৰ চিন্তা চৰ্চাক যথেষ্ট শ্ৰদ্ধা সহকাৰে বিবেচনা কৰে। বৈষ্ণৱাইট মিঠ এণ্ড লিজেণ্ডচ' 'পুৰনি অসমৰ ধৰ্মৰ ধাৰা' আৰু 'বিজুলীৰ' প্ৰবন্ধখিনিত কাকতিৰ চিন্তা পদ্ধতিৰ এই দিশটো স্পষ্ট হয়। কাকতিৰ গৱেষণাৰ এক অনুকৰণীয় বিষয় হ'ল তেখেতে কোনো কথা অনুমানৰ ওপৰত ভিত্তি কৰি মন্তব্য নিদিয়ে।

ভক্তিমানজন সদায় বিনয়ী হয়। সেয়েহে মাধৱ দেৱৰ বিনয়বত্তাই কাকতিক আকৰ্ষণ কৰিছিল। নামঘোষাত তিনি ধাৰাৰ ভাৱ যেনে 'পুন্যশ্লোক শংকৰ স্মৃতি, মাধৱদেৱৰ আত্ম লাঘিমা আৰু কৃষ্ণভক্তি মাহাত্ম্য' মিহলি হৈ বিশাল আনন্দ সাগৰৰ ফালে প্ৰৱাহমান হোৱাদেখি কাকতি আপ্লুত হৈছে। মহাপুৰুষ শংকৰ দেৱৰ বিশাল ব্যক্তিত্বক কাকতিয়ে ভক্তি কৰিছিল, কিছু সমীহো কৰিছিল। মাধৱদেৱৰ ব্যক্তিত্বৰ লগত যেন কাকতিৰ অন্তৰংগতা গঢ়ি উঠিছিল। বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱত অসমত গঢ়ি উঠাসাহিত্য, সংস্কৃতি, দৰ্শন আৰু আদৰ্শৰ প্ৰতিও কাকতি সততে শ্ৰদ্ধাশীল আছিল।

বন্ধু হিচপে কাকতি বৰ সৌহাৰ্দ্যপূৰ্ণ ব্যক্তিত্বৰ অধিকাৰী। কাকতিৰ দৰে অধ্যয়নশীল মানুহৰ বন্ধু কম। তেখেতৰ ব্যক্তিত্বৰ গুণে কেইজনমান লেখত পৰা লোক তেখেতৰ বন্ধু আছিল। কাকতিয়ে সমাজৰ প্ৰতি নিজৰ দায়বদ্ধতা সদায় স্বীকাৰ কৰি লৈছিল। শিক্ষকতা কৰাৰ লগতে তেখেতে শেষ বয়সত হেমিও পেথি আৰু বায়কেমিক কিতাপ পঢ়ি নিজ পৰিয়াল, বন্ধুবান্ধৱৰ লগতে ওচৰ চুবুৰীয়া আৰু দুখীয়া লোকৰ সেৱা কৰিছিল। দুখীয়া ছাত্ৰৰ প্ৰতি কাকতি দয়ালু আৰু সহানুভূতিশীল আছিল। কাকতিৰ এই ব্যক্তিত্ব আৰু প্ৰতিভাৰ সলগ লৈ কটন কলেজৰ ইংৰাজীৰ অধ্যাপক পি, চি, ৰায়ে লিখিছে "In Bengali idiom, he was like a coconut, dry and hard in the exterior but with sweet, thirst-quenching milk inside."

কাকতিক জনা প্ৰায়বিলাক ব্যক্তিয়ে তেখেতৰ ত্ৰিৰংগৰ হাঁহিটোৰ বাবে বিভিন্ন মন্তব্য দিয়ে। কোনোৱে কয় কাকতিয়ে হাঁহিৰ শেষ নোহোৱা সঁফুৰা এটা লৈ ফুৰে। কাৰোবাৰ মতে, পণ্ডিতজনৰ গুৰুত্বই

> **কলিকতাৰ এডেন হিন্দু হোষ্টেলৰ বুঢ়া চকীডাৰ এজনে ১৯৩০ চনত অসমৰ ছাত্ৰ এজনৰ আগত কৈছিল ''অসমৰ কাকতি নামৰ এজন ডেকা ল'ৰা এই হোষ্টেলতে আছিল। মোৰ চাকৰি কালত মই তেওঁৰ দৰে কষ্ট কৰা ল'ৰা কেতিয়াও দেখা নাই। ৰাতি মই যেতিয়াই উঠো তেওঁৰ লেম্পটো জ্বলি থকাই দেখো আৰু তেওঁক শকত শকত কিতাপবোৰৰ ওপৰত মূৰ গুজি থকাই দেখিবলৈ পাওঁ।''**

ভাৱাক্ৰান্ত নকৰা কাকতিৰ ই প্ৰাণৰ সবলতা, ইত্যাদি।

কাকতিয়ে সাহিত্যৰ হাস্যৰসক এনেদৰে ব্যাখ্যা কৰিছে—"যি ৰসৰ গুণত গধুৰ ভাৱেও আমনি নলগাকৈ মনত সোমাব পাৰে, যি ৰসৰ গুণে পঢ়াৰ ভাগৰকো তৃপ্তিত পৰিণত কৰে, যি ৰসে সাহিত্যৰ প্ৰত্যেক ৰসকেই সীমাপাৰ হৈ আধিক্য দোষত আমনিৰ সৃষ্টি নকৰে, সেয়ে কাব্যত হাস্যৰস।

স্বদেশপ্ৰেম কাকতিৰ চৰিত্ৰৰ অন্যতম বৈশিষ্ট্য। ভাৰতীয় জাতীয় আন্দোলনে কাকতিৰ জীৱন দৰ্শন আৰু ভাৱধাৰাত প্ৰভাৱ পেলাইছিল। পিছত ৰাজনৈতিক আৰু অসমৰ ভাষা সমাস্যাই তেওঁৰ, চিন্তাৰ দুাৰ মুকলি কৰিলে। ভাষা সমস্যাৰ পটভূমিত কাকতিৰ অনন্য মনোভাৱে- "Assamese, Its Formation and Development "ৰ কাম হাতত লবলৈ প্ৰেৰণা যোগাইছিল। এজন প্ৰাচ্য তত্ত্ববিদৰূপে আৰু বিশেষ ভাৱে এজন ভাৰত তত্ত্ববিদ ৰূপে তেখেতৰ সাৰস্বত ক্ষেত্ৰৰ পৰিসৰ অতি বিস্তৃত আছিল। কাকতি বাকপটু আছিল। কিন্তু তেখেতৰ চতুৰ কঠন ভংগী লিখনিতহে প্ৰকাশ পাইছিল। কাকতিৰ কঠন ভংগীৰ বৈশিষ্ট্য হৈছে তেখেতৰ মিতভাষ। চুটি চুটি প্ৰবন্ধবোৰত কথাৰে বাদ প্ৰতিবাদ আৰু অভিপ্ৰেত ডাঙি ধৰিব পৰা ক্ষমতা আছে। সেয়ে তেখেত বাগ্মী পুৰুষ। 'মিতঞ্চ সাৰঞ্চ বচো হি বাগ্মিতা' অৰ্থাৎ যি উক্তি সীমিত হৈয়ো সাৰগৰ্ভ, সিয়েই বাগ্মিতাৰ পৰিচায়ক।

ড°কাকতি স্পষ্টবাদী আছিল। অসামাজিক আৰু অহিতকৰ যি কোনো কথাকে কাকতিয়ে নিৰ্ভীক ভাৱে প্ৰতিবাদ জনাইছিল। চৰকাৰী চাকৰিয়াল হৈয়ো তোষামোদেৰে ৰাজনৈতিক নেতাক সন্তুষ্ট কৰাৰ পক্ষপাতী নাছিল। কাকতি এজন ধাৰ্মিক আৰু যুক্তিবাদী মনৰ অধিকাৰী পুৰুষ। যুক্তিবাদ কাকতিৰ বিচাৰ পদ্ধতিৰ সঁজুলি হোৱা বাবে তেখেতে অন্ধভাৱে ধৰ্মাচৰণ কৰিব নোৱাৰিছিল। ধৰ্মক তেখেতে সামাজিক সংস্কাৰৰ এক সাধন বুলি ভাৱিছিল।

লোক সংস্কৃতিৰ গৱেষক কাকতিৰ মতে - মানুহৰ বিশিষ্ট চিন্তাধাৰাৰ অৱদান। ইয়াৰ দ্বাৰা মানুহে বিজ্ঞজনৰ উৰ্বৰ উক্তি প্ৰশমিত কৰিব পাৰে। ধৰ্ম, ঈশ্বৰ, প্ৰেম, জীৱন আদি সম্পৰ্কেও কাকতিৰ নিজস্ব দৃষ্টিভংগী উক্তি বা বাণীৰ আকাৰত পোৱা যায়। বৈষ্ণৱ সাহিত্য, সংস্কৃতি, ধৰ্ম সম্পৰ্কে

কাকতিৰ অভিমত সমূহ সদা স্মৰ্তব্য।

ভাষাতত্ব চৰ্চাৰ উপৰিও পুৰণি আৰু নতুন অসমীয়া সাহিত্যৰ ওপৰত আধুনিক সমালোচনাৰ আলোকপাত কৰোঁতাসকলৰ ভিতৰত ড°কাকতি অন্যতম। (বাণীকান্ত চয়নিকা)। ইংৰাজী সাহিত্যৰ অগাধ পাণ্ডিত্য লৈয়ো কেৱল নিজৰ নাম যশৰ বাবেই সেইবোৰৰ আচুতীয়া চৰ্চা নকৰি তেখেতে পিছপৰা অসমীয়া জাতিৰ স্বজাতীয় ভাষা আৰু সাহিত্যৰ স্বাৰ্থতহে তেনে জ্ঞান প্ৰয়োগ কৰিছে। 'বঙলাভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ' নামৰ সাহিত্য কৰ্ম ড°সুনীতি কুমাৰ চেতাৰ্জীৰ ভাষা জননীৰ প্ৰতি থকা অকৃত্তিম ভালপোৱা, ততোধিক জাতীয় চৈতন্যৰ জলন্ত নিদৰ্শন। কাকতিৰ ভাষাত "ভাষা চৈতন্য নেথাকিলে জাতীয় চৈতন্য নেথাকে। আজিৰ দিনত অসমীয়াৰ জাতীয় সমস্যাৰ ভিতৰত ভাষা আৰু সাহিত্যৰ ভিতৰেদি জাতীয় চৈতন্য ৰক্ষা কৰিব পৰাটো প্ৰধান।" 'অসমীয়া ভাষাৰ গঠন আৰু ক্ৰমবিকাশ' নামৰ গৱেষনামূলক গ্ৰন্থখন ড°চেতাৰ্জীৰ গ্ৰন্থখনৰ প্ৰতিযোগিতামূলক অনুপ্ৰেৰণাৰ ফল আৰু সেই পৰ্য্যন্ত অসমীয়া ভাষাৰ সন্মান আৰু আত্ম মৰ্য্যাদা একমাত্ৰ গৱেষণামূলক বা বৈজ্ঞানিক ভিত্তিত প্ৰতিষ্ঠিত হোৱাই নহয় অসমীয়া জাতিৰ আত্ম পৰিচয়ৰ প্ৰত্যাহবান স্বৰূপেও প্ৰতিস্থিত। ড°মহেশ্বৰ নেওগে কৈছে — "ইংৰাজী সাহিত্যৰ অধ্যয়ন আৰু সমালোচনাৰ লগত পৰিচয় ঘটিলেও ড°কাকতিৰ বুদ্ধিদীপ্ত সাহিত্যিক ব্যক্তি সত্বাক আৱৰি আছিল ভাষাতত্ব চৰ্চা তথা মহাপুৰুষীয়া আনুগত্যৰ প্ৰকাশে"। জাতীয় চৈতন্য নামৰ এখন চমু অথচ সাৰগৰ্ভ ৰচনাত ড°কাকতিয়ে নিজৰ জাতীয় ভাষা চৈতন্যৰ আলমত মৌলিক জাতীয় চৈতন্য গঢ়াৰ কথা কৈছে। কাকতিৰ বিৱৰ্ত্তিত সহানুভূতি উক্ত ৰচনাখনত ইংগিতময় অৱস্থানতো আৱিস্কৃত। অসমীয়া সমাজ আৰু সংস্কৃতিৰ ক্ৰমবিৱৰ্তনত নিতানতুন ৰাজনৈতিক প্ৰভাৱে সৃষ্টি কৰিছিল। তেতিয়াৰ দিনতে অব্যক্তভাষীয়ে কিদৰে জাতীয় ভাষা সংস্কৃতি গ্ৰাস কৰিবৰ লৈ ওলাইছিল আৰু কোনো আলৌকিক ঘটনাই যে আমাৰ ভাষা আৰু সাহিত্যৰ ভিতৰেদি জাতীয় চেতনাৰ উদ্বুদ্ধ নকৰে তেনে মনোবেদনাৰ চাপ ৰচনাখনত সুস্পষ্ট। জাতীয় চৈতন্যৰ জৰিয়তে জাতীয় প্ৰতিষ্ঠান গঢ়ি তুলিব পৰা যাব নানা খামখেয়ালিৰ মাজতো 'মনৰ সজীৱতাক মুখ্যস্থান দি এয়াই আছিল কাকতিৰ মনোভাৱ। প্ৰকৃত

> "ভাষা চৈতন্য নেথাকিলে জাতীয় চৈতন্য নেথাকে। আজিৰ দিনত অসমীয়াৰ জাতীয় সমস্যাৰ ভিতৰত ভাষা আৰু সাহিত্যৰ ভিতৰেদি জাতীয় চৈতন্য ৰক্ষা কৰিব পৰাটো প্ৰধান।"

বাস্তৱ দৰ্শনতো যি আত্মদ্বন্দ্বৰ পৰীক্ষা বিফলতাৰ সমাৰ্থক; তেনে অৱস্থাতো কেৱল মনৰ সজীৱতা'ৰ দ্বাৰাই যে, নতুন কৰ্ম আঁচনি গ্ৰহণ কৰিব লাগিব, তেনে মনো ভাৱেই উক্ত ৰচনাখনত প্ৰতিফলিত হৈছে।

দেশৰ ইতিহাস আৰু ঐতিহ্য আছিল কাকতিৰ বাবে এক গৌৰৱৰ বিষয়। সংস্কাৰৰ এলান্ধুয়ে কলীয়া কৰা স্বদেশৰ ঐতিহ্য আৰু ইতিহাসক বিজ্ঞান সন্মত পদ্ধতিৰে নিকা কৰি প্ৰকৃত স্বৰূপ উদ্‌ঘাটন কৰাতোৱেই কাকতিৰ প্ৰাথমিক প্ৰচেষ্টা জড়িত আছিল। সচেতন নাগৰিক হিচাপে কাকতিয়ে জাতীয় সমস্যাৰ প্ৰতি দৃষ্টি ৰাখিছিল আৰু কাকতে আলোচনীয়ে নিজৰ মতামত দাঙি ধৰিছিল। নিৰক্ষৰতা, গ্ৰন্থ প্ৰকাশৰ সমস্যা, ভাষা সমস্যা আদি অসমৰ বিভিন্ন সমস্যাৰ ওপৰত উদ্বিগ্নতাৰে নিজৰ অভিমত দাঙি ধৰাৰ উপৰিও জন সাধাৰণৰ মাজত ঐক্য, সাম্য, দেশপ্ৰেম আদি ভাৱ জগাব পৰা কেতবোৰ প্ৰয়োগিক উপায় আগবঢ়াইছিল। অসমীয়া ভাষা সাহিত্যত স্থৱিৰতা দেখিলে কাকতিয়ে সহ্য কৰিব নোৱাৰিছিল। তেওঁৰ মতে— "কোনো আলৌকিক ঘটনাই আমাৰ ভাষা সাহিত্যৰ মাধ্যমৰ দ্বাৰা জাতীয় চেতনাৰ উদ্ভৱ নকৰে।" এইদৰে বিভিন্ন আলোচনাৰ পৰা কাকতিৰ প্ৰতিভা, পণ্ডিত্য আৰু ব্যক্তিত্ব সম্পৰ্কে ধাৰণা হয় যে এনে অখণ্ড ব্যক্তিত্ব সম্পন্ন এজন লোকৰ এক নিজস্ব জীৱন দৰ্শন আছিল আৰু ই তেখেতৰ ৰচনা ৰাজিৰ বিক্ষিপ্ত উক্তি, মন্তব্য আদিত প্ৰতিফলিত হৈছে। ভাষাতত্ববিদ হিচাপে তেখেতক ধাৰণা কৰিব পাৰি যে মনৰ পুষ্টি আৰু প্ৰকাশ হয় ভাষাৰ সহায়েৰে। সেইবাবে জাতীয় চৈতন্য গৰী লোক সকলে নিজৰ ভাষা আৰু তাৰ বিশুদ্ধতা ৰক্ষা কৰে। জাতীয় চৈতন্য গৰী কাকতিয়ে অসমৰ জাতীয় স্বকীয়তা অক্ষুন্ন ৰাখি মহাজাতীয় ভাৰতীয় ঐতিহ্য আৰু সংস্কৃতিৰ লগত ঐক্যসূত্ৰ ৰচনা কৰিবৰ বাবে বহুতো পৰামৰ্শ আগবঢ়াই গৈছে। অসমৰ বিভিন্ন জাতি উপজাতিৰ মাজত শান্তি-মৈত্ৰী কৰিবৰ বাবে চিন্তা-চৰ্চাও আগবঢ়াইছে। কাকতিৰ দৃঢ় বিশ্বাস যে মানুহৰ মনত এনে চেতনা জগাব পৰা আটাইতকৈ কাৰ্য্যকৰী আহিলা হৈছে— 'সাহিত্য'। ড°কাকতিৰ দৃঢ় বিশ্বাসৰ কলিটি দিঠকত ফুলৰূপে প্ৰতিস্থিত কৰিবলৈ আমি আটাইয়ে হাত জোকাৰিব লাগিব। তেতিয়াহে কাকতিৰ সাহিত্যাত্মাই চিৰশান্তি লাভ কৰিব।

*"সহায় লৈ"*

*[কৃতজ্ঞতা : ড°মালিনী গোস্বামী, কুমুদ বৰুৱা, চিদানন্দ দাসদেৱলৈ।]*

ৰস ৰচনা



# “মহীৰাৱণ বধ”

বিজুমণি দেৱী
স্নাতক প্ৰথম বৰ্ষ

ঘটনাটো ৰাষ্ট্ৰ হৈ পৰাত বেছিপৰ নালাগিল। ক্ষুদ্ৰ শান্তিপুৰ নগৰীৰ পান দোকানীকে ধৰি ঠেলাৱালা, ৰিক্সাৱালা সকলোৰে মুখত সেই একেই কথা ‘তদন্ত হৈছে যেতিয়া এইবাৰ মহীৱাৰণ বধ হবই।’

তদন্ত? মহীৱাৰণ বধৰ তদন্ত?

প্ৰিয় পাঠক! আপোনালোক চাগে আচৰিতেই হৈছে কিহৰনো তদন্ত হৈছে? আনহাতে আধুনিক সামাজিক নাটকৰ প্ৰয়োভৱৰ দিনত, পৌৰাণিক নাট ‘মহীৰাৱণ বধ’ ভাওনাৰ প্ৰয়োজনেই বা ক’ত? ৰ’ৰচোন একেকোবে উচপ নাখাব। তদন্ত আপোনালোকৰ ওপৰত নহয় কিন্তু। আমাৰ সেই নতুন অভাৰচিয়েৰ, অ’চৰী, জুনিয়ৰ ইঞ্জিনীয়াৰ মহীকান্ত বৰবৰুৱাৰ ওপৰতহে।

মহীকান্ত। জিলা পৰিকল্পনা বিভাগৰ অফিচটোত নতুনকৈ এম-আৰ’ত অস্থায়ীভাৱে যোগদান কৰা জুনিয়ৰ ইঞ্জিনীয়াৰ। চাকৰিত মহীকান্তক নতুন যেন লাগিলেও কৰ্মদক্ষতাত অৱশ্যে পুৰণা যেন লাগে। কথা খুউব কমকৈ কয়; অৰ্থাৎ জুখি মাখিহে শব্দ প্ৰয়োগ কৰে। বাক্যবোৰত অৱশ্যে প্ৰায়ে আচহুৱা আচহুৱা যেন লগা দুই-চাৰিটা শব্দই ভুমুকি নমৰাকৈ নাথাকে।

মহীকান্তৰ ঘৰ কোনোবা সেই গাওঁৰ ফালে। আধুনিক পৰিবহন ব্যৱস্থাই ঢুকি নোপোৱা অঞ্চলত হ’ব চাগে। সৰুতে বোলে মাক নে বাপেক কোনোবা এটা ঢুকাইছিল। আৰ্থিক অনাটনৰ বাবে যৌৱনত হেনো দুই-এটা বিপৰ্যইও দেখা দিছিল। ভোৰোকা দাড়িয়ে তাৰেই কিবা এটা ইঙ্গিত বহন কৰে বুলি দুই এগৰাকী ট্ৰেজেদী বিশেষজ্ঞই কৰ বিচাৰে।

পপুলাৰ মহীকান্ত লাহে লাহে অফিচৰ বেছিভাগ কৰ্মচাৰীৰে অপ্ৰিয়ভাজন হ'ব ধৰিলে। এটা সময়ত মহীকান্তৰ পপুলাৰিটিৰ চাৰ্টিফিকেটখন অফিচ ষ্টাফত বিকৃত ৰঙেৰে বোলোৱা হ'ল। কাৰণ??

— 'চাৰ'! আপুনিও ইমান দেৰিকৈ অফিচত আহেনে! তাতে আকৌ যোৱা তিনিদিন আপুনি অফিচত উপস্থিত নথকাত মানুহবিলাকে যিমানহে দিগদাৰ দিলে'

— 'বৰুৱা! আপুনি দেখিছোঁ এচাম ইজ এ লেগু অফ জোৰে জোৰে কৰিব। আপুনি অফিচলৈ দেৰিকৈ আহে যদিও অফিচ চুটী নহওঁতেই সোনকালে সদায়েই উভতি যায়।'

— 'ৰঘু, ইখন টেবুলৰ পৰা সিখন টেবুললৈ ফাইলটো নিওঁতে তোমাক আকৌ কিহৰ ঘোচ দিব লাগে। এনেয়েনো আমি শুনিব লাগেনে — অফিচৰ চকী মেজৰ খুটায়ো পইচা খোজে।'

— 'আপোনালোকে আকৌ অফিচৰ ফাইল-চাইল সামৰি কিহৰনো আইদেউৰ বুলনিখন পাতিব লাগিছে? আপোনালোকে ব্যক্তিগত পৰিকল্পনাতহে বেছি ব্যস্ত থাকে যেন পাওঁ?'

মাজতে মেলেৰীয়া ৰোগত বেয়াকৈ আক্ৰান্ত হৈ থকা অৱস্থাতে মহীকান্তৰ ওপৰত অফিচত বহিল সেই গুৰুত্বপূৰ্ণ বৈঠকখন। মহীকান্তৰ অনুপস্থিতিৰ সুবিধাত অনুস্থিত হ'ল মহীকান্তক চাকৰিৰ পৰা খেদিব খোজা গুৰুত্বপূৰ্ণ বৈঠক। মহীৰাৱন বধ ভাওঁনাৰ আমাৰ আৰম্ভ হ'ল।

বৰবাবুৰ আগত বেছিভাগ কৰ্ম্মচাৰীয়ে মহীকান্তৰ বিৰুদ্ধে নিজৰ নিজৰ মনৰ ক্ষোভ প্ৰকাশ কৰিলে—

— আমি যেন মহীকান্তৰ হাতৰ পুতলাহে। ঐকেশ বছৰ চাকৰি কৰিলোঁ। কোনেও আজিলৈকে ধেৎ চাল্লা বুলিব পৰা নাই। এবছৰ নহওঁতেই সি মোক অফিচৰ ৰুল আৰু ৰেগুলেচন শিকায়। বয়সস্থ ইঞ্জিনীয়াৰ ভাগৱতীয়ে ক্ষোভ প্ৰকাশ কৰিলে।

— মই সপ্তাহত কেইদিন অফিচত উপস্থিত থাকো সেইটো চাৰে মোক ধৰিব। আমাৰ কৰ্ম্মচাৰীসকলৰ মাজত এই বিষয়ত এটা গুড আণ্ডাৰষ্টেণ্ডিং আগৰে পৰাই চলি আহিছে। এখেত চাৰকো এতিয়া মহীকান্তই নীতি শিক্ষা শিকাব খোজে। ক্ষীণকায় দেহৰ হাস্যবদনা টাইপিষ্ট মৃদুলা হাজৰিকাই আক্ষেপেৰে কলে।

— চুটি নোলোৱাকৈ এসপ্তাহ অফিচত নাহিলোৱেই যেনিবা। তাৰ পৰা ক'তনো বেদখন অশুদ্ধ হ'ল। মইহে জানো খুলশালীৰ বিয়াত মই কিমান বিজী হৈ পৰিছিলোঁ। প্ৰেষ্টিজৰো কথা আছে নহয়। পিছে মহীছাৱে যিটোহে ভেকাহি মাৰিলে.......। চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী ৰামচন্দ্ৰই বেজাৰেৰে ক'লে।

অৱশেষত মহীকান্তক চাকৰিৰ পৰা খেদিবলৈ ষড়যন্ত্ৰমূলক প্ৰস্তাৱ লোৱা হ'ল আৰু গুৱাহাটীৰ হেড অফিচত মনেসজা অভিযোগ নামাসহ প্ৰস্তাৱ প্ৰেৰণ কৰা হ'ল। মাজতে হেড্‌ অফিচৰ এগৰাকী তদন্তকাৰী বিষয়া আহি গোটেই ঘটনাটো তদন্ত কৰি গ'ল।

আজি তদন্তৰ ৰিপোৰ্ট আহি পোৱাৰ কথা। জিলা পৰিকল্পনা অফিচত প্ৰায়বোৰ কৰ্মচাৰীৰে আনন্দ উচ্ছাস। খন্তেক পিছতে 'মহীৰাৱন বধ' হ'ব। দুই-একে তাচ্ছিল্য কৰি মহীকান্তৰ কান চোৱাই গ'ল

— 'পৰুৱাৰ পাখি গজে উৰিবলৈ নহয়; মৰিবলৈহে।'

মহীকান্ত কিন্তু অলৰ-অচৰ। আসন্ন বিপদৰ কথা জানিও মহীকান্ত বিচলিত হোৱা নাই। অৱশ্যে মুখৰ হাঁহি কিঞ্চিত ম্লান নপৰাও নহয়। অফিচৰে দুই-এক সহানুভূতিশীল কৰ্ম্মচাৰীৰ সতে মহীকান্তই দুই-এটা কথা কৈ কলম চলাই আছে।

অফিচৰ চৌপাশে জনতা ঠাহ-খাইছে। কাৰো মুখত মাত বোল নাই। তদন্তৰ ৰিপোৰ্টটো থকা বন্ধ খামটো খুলিবলৈ বৰবাবুই হাতত তুলি লৈছে। দুই-এটা গভীৰ হুমুনিয়াহ জনঅৰণ্যৰ পৰা ভাঁহি আহিব ধৰিলে।

ৰিপোৰ্টখন পঢ়িয়েই শিলপৰা কপৌৰ দৰে থৰ লাগি ৰ'ল, বৰবাবু। চকুৰ পৰা ধাৰাসাৰে চকুলো বৰলৈ ধৰিলে। ৰিপোৰ্টটো চাই আন কেবাজনেও ফেঁকুৰিব ধৰিলে।

প্ৰিয় পাঠক! মহীকান্তৰ চাকৰি যোৱা বাবে এওঁলোকে কন্দা নাই। কান্দিছে বৰবাবুকে ধৰি চৈধ্যজন কৰ্ম্মচাৰীৰ চাকৰি যোৱা বাবেহে। তদন্তৰ ৰিপোৰ্টমতে অফিচৰ ৰুল আৰু ৰেগুলেচন অমান্য কৰা বাবে এওঁলোকক এইদৰে বৰ্খাস্ত কৰি আৰু পাঁচজন কৰ্ম্মচাৰীক বদলিৰ নিৰ্দ্দেশ দিয়া হৈছে। আনহাতে এম-আৰত থকা মহীকান্তক স্থায়ী হিচাপে নিযুক্তি দি প্ৰমোচন সহ আপগ্ৰেড কৰা হৈছে।

প্ৰিয় পাঠক! উত্তেজিত জনতা এইবাৰ বৰবাবুকে ধৰি চৈধ্যজন কৰ্মচাৰীৰ পিনে ক্ৰোধেৰে আগবাঢ়ি অহা দেখা গ'ল ।

●

গল্প



# চম্পাৱতী পেহী

মৃদুল কুমাৰ চহৰীয়া
স্নাতক ৩য় বৰ্ষ (বিজ্ঞানশাখা)

চম্পাৱতী পেহীয়ে উঘাটোৰ পৰা ৰঙা আঁচুডাল নি তাঁতশালৰ গামোছা খনৰ পাৰিটো যোৱাই আকৌ গৰকাডাল ভৰিৰে গছকা মাৰি মাকোটো সৰকাই দি কৰলৈ ধৰিলেঃ

— 'তেনেকৈ নকৰি সোমেশ্বৰ; আমি সংসাৰত কাম কৰিবলৈ আহিছোঁ, কামকে কৰি খাব লাগিব। ফলা-ফল কনা বিধাতাৰ হাততহে—।'

— দুখ নকৰিবা পেহী, সকলো প্ৰভুৰ ইচ্ছা। আমি মাত্ৰ নিমিত্তহে, চলোৱা গৰাকী তেওঁ, বোলে—

*"তুমি কাৰ্য্য কাৰণ সমস্ত চৰাচৰ*
*সুৱৰ্ণ কুণ্ডলে যেন নাহিকে অন্তৰ*
*তুমি পশু-পক্ষী সুৰাসুৰ তৰুতৃণ*
*অজ্ঞানত মূঢ়ৰূপে দেখি ভিন্ন ভিন্ন।"*

— তুমি আকৌ এবাৰ মেয়ৰক লগ কৰা, কিজানি এইবাৰ পায়েই যোৱা, নেকি? অ' মই পিছে উঠোঁহে পেহী" সোমেশ্বৰ কাইটিয়ে পেহীক কথা খিনি কৈ গুচি গ'ল।

গাঁৱৰে দহোজনৰ দিহা পৰামৰ্শ শিৰত লৈ চম্পাৱতী পেহীয়ে মেয়ৰ হাজৰিকাৰ ওচৰলৈ গৈ এবাৰ নহয়, কেইবাবাৰো অনুৰোধপূৰ্বক কাকুতি মিনতি কৰি মুখেৰেই আবেদন জনালে যে এগৰাকী সৎ মনৰ মুক্তি যুঁজাৰুৰ বিধবা পত্নী হিচাপে ভাটি বয়সত পতিৰ হৈ তেখেতকে এটা পেঞ্চন দিয়াৰ সুব্যৱস্থা কৰি দিয়ে যেন। হাজৰিকাৰ নিচিনা ধৰ্মপ্ৰাণ ব্যক্তিয়ে যদি এইকন উপকাৰ নকৰে তেনেহলে আন কোনেনো

সহায়ৰ হাত আগবঢ়াব? পেহীয়ে অৱশ্যে এই কথাটো নিজে কাহানিও ভবাই নাছিল, লোকৰ কাম বন কৰি হলেও এই বাকী দিনকেইটা চলি যাব বুলি ভাবিছিল। মানুহটো ঢুকাবৰে পৰা আকাল ভৰাল নোহোৱাকৈ দেখোন চলিয়ে আছে। পিছে বুকুৰ পোনাটোৰ ভবিষ্যত ভাবিহে এইখিনি কৰিবলগীয়াত পৰিছে। পখিলী বুঢ়ীৰ মুখে শুনিছে, দানেশ্বৰ হাজৰিকাই নোৱাৰা কাম হেনো একো নাই। দানেশ্বৰ হাজৰিকা এতিয়া আঞ্চলিক পঞ্চায়তৰ মেম্বৰ আৰু মুক্তি যুঁজাৰু সন্থাৰ জিলা গোটৰ ভাৱপ্ৰাপ্ত সম্পাদক। সেয়ে তেওঁক সমীহ নকৰা মানুহ বৰ কম। কেৱল নিজৰ পঞ্চায়তৰ ভিতৰতেই তেওঁৰ কৃতিত্ব আবদ্ধ নাথাকি জিলা আৰু সিপিনে দিছপুৰ পৰ্যান্তও খলক লগাইছে। সন্মানৰ গইনা লৈ সেয়ে হাজৰিকাই চেগ বুজি কাম কৰি যায়। আনপিনে সভা সমিতি, নিৰ্য্যাতিতৰ চিন্তাত অহৰ্নিশে ব্যস্ত থাকিবলগীয়া হৈছে। হলেও নিজৰ অঞ্চলটোৰ মুক্তিযুঁজাৰু সকলৰ পাবলগীয়া পেঞ্চনৰ কামখিনিৰ কথাটো গলত লাগিয়ে আছে। যিকোনো উপায়ে কামফেৰা কৰিব লাগে নহলে ৰাইজৰ ইমান মৰম আশীৰ্বাদ নেওঁচা দিব নোৱাৰি নহয়; এই ভাবি হাজৰিকাই টাকুৰি ঘূৰা দিছে। আশা, ভবিষ্যতে ৰাজনীতি আৰু দুই চাৰি বাগ বন্ধিৰ কষ্টৰ মাননি বুলি টকা কেইটামান। অৱশ্যে যোৱা বছৰটোত অঞ্চলটোৰ পানীঝিয়া, মায়াবুঢ়ী, ভবৰ মাক, সান্দেহী আৰু বেঙা আটাই পেঞ্চন পোৱাটো নিজৰেই ভৱিষ্যতৰ মাপকাঠি।

সান্দেহী বাইৰ কথা মনলৈ অহাত হাজৰিকাৰ আন এগৰাকী মৃত নিৰ্য্যাতিত দেশপ্ৰেমিকলৈ মনত পৰে। তেওঁতো বৰ্তমান পেঞ্চন হলদাৰ সকলতকৈ বহু নিৰ্য্যাতন খাইছিল যিজনে নেকি কংগ্ৰেছৰ ভালন্টিয়াৰ পদো পাইছিল। কিন্তু বেচেৰাই মনৰ আশা বুকুত লৈয়েই চকু মুদিলে দেশ স্বাধীন হোৱাৰ পিছত বহুতে পেঞ্চন পালে, তেওঁ নেপালেহেঁতেন নে? হাজৰিকাই এটা হুমনিয়াহ কা[illegible]বোৰ পাগুলি যায়।

অৱশেষত ল'ৰাটোৰ মুখলৈকে চাই এদিন চম্পাৱতী পেহীয়ে হাজৰিকাক কলেগৈ ঃ আপুনি হয়তো সকলো কথাই জানে। আমাৰ প্ৰহ্লাদৰ বাপেকে দেশখনৰ হকে কিদৰে অকালতে প্ৰাণ হেৰুৱালে। শুনিছোঁ, তেখেতৰ লগত উঠা বহা কৰা কেইবাজনেও আপোনাৰ হাতেৰেই পেঞ্চন লাভ কৰিছে। তেখেত জীয়াই থাকিলে হয়তো নিশ্চয় পালেহেঁতেন। আপুনি দয়া কৰি মোৰ পোনাটিৰ মুখলৈ চাই কিবা এটা কৰিব নোৱাৰেনে?

ঃ আপোনাৰ কথা মই বুজিছোঁ। পিছে এইটো বৰ ছিৰিয়াছ কেচ। ইফালে জোৰ দি কৰাবৰ বাবেও টকা-পইচাৰ প্ৰয়োজন। দিছপুৰৰ কথাটো জানেই বোধহয়। বিভাগীয় মন্ত্ৰী বৰ্ত্তমান দিল্লীলৈ গৈছে সেয়ে তেখেতক লগ কৰিব নোৱাৰিলে পেঞ্চন পোৱাটো মস্কিল। ইপিনে আপোনাৰ কেচটো বিশেষ ভাবে ল'ব লাগিব। বাৰু, আপুনি যাওঁক গৈ, মই চেষ্টা কৰি চাওঁ।

পেহীয়ে মনৰ মণিকোঠাত আশাৰ নতুন পোহৰ লৈ ঘৰমুৱা হ'ল। বাটত আহোঁতে অতীতৰ সেই কৰুণ কাহিনী বিলাকে পেহীৰ মনৰ পৰ্দাত দোলা দি গ'ল।মানুহটোৰ কথা মনত পৰিলে কিবা দেখোন নিজকে লাজ লাগি যায়। বিয়াৰ দিনা অলপ অলপ মনত পৰে, পেহীৰ মাক পটেশ্বৰীয়ে হাতত কনীটো দি নাকান্দিবলৈ কৈছিল, লগতে সেই চৈ দোলা খন কাঢ়িওৱা মানুহ দুজনৰ চেহেৰা যে কি থুলন্তৰ আছিল; ভবিলে এক বেদনাত মনটো মোচৰ খাই যাব খোজে। দেশৰ নামত ৰাতি নাই, দিন নাই কেৱল কাম আৰু কাম। গান্ধীজী বাপুৰ নামটো শুনিলেই হাততে স্বৰ্গ ঢুকি পোৱা যেন পায়। জেলৰ দিনকেইটাৰ কথা ভাবিলে আৰু বেয়া লাগে; পেহীয়ে ছাটি-ফুটিকৈ বিনীন্দ্ৰ ৰজনী কটাইছিল, আৰু যে মানুহজনৰ দেহাটো, এটা পকা খেকেৰাৰ দৰে আছিল, পিছে কালে মানুহটোক হৰি নিলে। পেহীয়ে মনৰ কথাবোৰৰ চাকনৈয়াত পৰি কেতিয়া যে নিজৰ ঘৰৰ পদূলি পালেহি গমকে ধৰিব নোৱাৰিলে।

চম্পাৱতী পেহীয়েনো আৰু কি কৰিব, মাত্ৰ ভাবে একে লগৰে সেই ঔ তলৰ পানী ঝিয়া জানো মুক্তি যুঁজাৰু আছিল? নবৰ মাক একা? তাৰ মানে দিছপুৰত পূজাঁ দিলে? সৌটো দেখোন বেঙা বুঢ়াই এসময়ত আমাৰে ছাগলি চুৰি কৰি মাৰ কিল খাইছিল; এতিয়া সি মুক্তি যুঁজাৰু হ'ল? মানুহটো জীয়াই থকা হলে সকলো ঠিক কৰি দিলেহেঁতেন। পেহীয়ে ভাৱবোৰ জোকাৰি-বলৈ যত্ন কৰে।

পেহীয়ে মদাৰ তলৰ মাটি বিঘা গাওঁৰে মহাজন ধনেশ্বৰক পাঁচশ টকাত বেছি দিলে। মাহে এক দুইশ পামেই, মাটি বিঘানো মোকলাই লব নোৱাৰিমনে এই ভাবি পেহীয়ে হাজৰিকাক টকাখিনি দি আহিলগৈ। হাজৰিকাইও চেগ বুজি অনুৰূপ উত্তৰকেই দি পেহীক পঠিয়াই দিলে।

সময়বোৰ বাগৰিল। দানেশ্বৰ হাজৰিকাইও দিছপুৰ দিল্লী নেফা-নেফ কৰিলে। কিন্তু পেহীৰ নামত পেঞ্চন নাহিল। ইপিনে পেহীৰ মাটি বিঘাবো চৈ ছিঙিল । পিছে বিপদ জানো অকলে আহে? দেৱৰজনৰ ঘৈণীয়েক ফুলমতীৰ কেতেৰা-জেঙেৰা খাই পেহী ভালদৰেই নিথৰুৱা হ'ল। যোল্ল বছৰীয়া প্ৰহ্লাদক বুকুত সাৱটিয়েই অনাগত ভৱিষ্যত গণিব লগা হ'ল।

দেশত স্বাধীনতাৰ বা বলিল । সোনেশ্বৰৰ মৃত্যু হ'ল। গান্ধী বাপুইও চকু মুদিলে। দেশখনৰ হকে জীৱন দি পঙ্গু হোৱা সোনেশ্বৰৰ বাবে কোনেও চকু দিবলৈ সময় নহ'ল। দেশত শাসনৰ গাদীত নতুন চৰকাৰ হ'ল, সেই অনুপাতে দালালৰ সংখ্যা বাঢ়িল। তথাকথিত দেশপ্ৰেমিক বেঙা বুঢ়াৰ লেখীয়া ছাগলীচোৰ, গৰুচোৰ মুক্তি যুঁজাৰুৰ দপদপনিত দেশ তল-ওপৰ হ'ল, বেচেৰা সোনেশ্বৰলৈ, তাৰ জীয়াই থকা প্ৰাণী দুটিলৈ কাৰো মনত নপৰিল।

মনত নপৰিল সেই এসময়ৰ নামতী পেহী চম্পাৱতীলৈও। সেয়ে অশেষ. কষ্টৰ মূৰকত পেহীৰ ওচৰ সম্বন্ধীয় ৰইনাকুছিৰ দেবেন্দ্ৰ হেড্‌পণ্ডিতে পেহীক লৈ গ'ল, লগত প্ৰহ্লাদ। যিমান হলেও মানুহৰ মমতা বোলা

বস্তুটো শেষ হৈ যোৱা নাই নহয়। প্ৰহ্লাদৰ জীৱনেও হেডপণ্ডিতৰ হাততেই গঢ় ললে। আৰম্ভ হ'ল এটি বেলেগ অধ্যায়।

সময়ৰ পাখীলগা কাড়ৰ আগত এদিন প্ৰহ্লাদে প্ৰথম বিভাগত মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হ'ল। পেহীৰ শুকান মুখত পানী আহিল। আনন্দ লাভ কৰিলে অপুত্ৰক দেবেন্দ্ৰ হেড্‌পণ্ডিতেও পেহীয়ে ভাবিলে যে হেডপণ্ডিত আছে যেতিয়া প্ৰহ্লাদৰ কিবা এটা গতি নিশ্চয় লগাব। তথাপি মাজে মাজে দুচিন্তাইয়ো আমনি নকৰা নহয়। ইপিনে বয়সেও ভাটি দিলেই। কিন্তু — চম্পাৱতী পেহীৰ ভাগ্যত সেয়া নঘটিল। যিটো আশা গুপুতে পুহি ৰাখিছিল ধুপৰ ঠাৰি প্ৰহ্লাদক লৈ। দেশলৈ বিদেশী খেদা আন্দোলন আহিল। স্কুলৰ ল'ৰা-ছোৱালীৰ গাত তৰণি নোহোৱা হ'ল। ৰাতি দোভাগতো পেহীৰ কাণত ঠহৰ-ঠহৰ কৈ বাজি থাকে সিহঁতৰ শ্লগান "আহঁে আহ ......... বিদেশী খেদ..........।" পেহীৰ আশা প্ৰহ্লাদৰ গা নাচি উঠিল। নুঠিবই বা কিয়, মুক্তি যুঁজাৰুৰ সন্তান কিবা ভোজখোৱা শিয়াল হ'বনে? ছাত্ৰসন্থাৰ এটা কাৰ্য্যসূচীও বাদ নপৰিল। ৰাপেকটোৰ দৰেই প্ৰহ্লাদৰ নামটো চাৰিওফালে বিয়পি পৰিল।

সেইদিনৰ কথা পেহীয়ে মনৰ পৰা মচিব পৰা নাই। সিদিনা ব্লকত ছাত্ৰসন্থাই জুই লগাই দিলে। ভিতৰত হেনো প্ৰহ্লাদে কিবা ছটিয়াই আছিল। বেচেৰাটোৰ কথা আৰু পেহীয়ে ভাবিব নোৱাৰিলে। পিছদিনা হস্পিতেলত প্ৰহ্লাদৰ মৃতদেহৰ ওপৰত পৰি পেহীয়ে হিয়া ঢাকুৰি কান্দিলে কিন্তু সেই কান্দোন প্ৰতিধ্বনিত হৈ অসমী আইৰ বহল বক্ষত সোমাই নাইকিয়া হৈ পৰিল। প্ৰহ্লাদ শ্বহীদ হ'ল। প্ৰহ্লাদৰ আত্মত্যাগ অসমীয়া জনজীৱনৰ কোঁহে কোঁহে বৈ গ'ল, বুঢ়া লুইত থাকে মানে প্ৰহ্লাদৰ নাম জিলিকি থাকিল।

পেহীৰ ঘৰ লোকে লোকাৰণ্য হৈ পৰিল। পেহীক সান্তনা দিয়া মানুহৰ অভাৱ নোহোৱা হ'ল। পেহীয়ে বোলে গৰ্বহে কৰিব লাগে, এটা সময়ত মাতৃৰ যন্ত্ৰনাকাতৰ হিয়াৰ উমান ল'বলৈ কোনো নোহোৱা হ'ল। দুদিনমান পিছত পেহীহঁতৰ গাঁৱলৈ সোমাই অহা আলিটোৰ এঠাইত পুতেকৰ নাম লিখা টিং এখনো দেখিলে। পেহীয়ে মাজে সময়ে সেইখনকে হুমনিয়াহ কাঢ়ি চাই আছে। ইপিনে হেড্‌পণ্ডিতৰো এই কাৰ্য্যত মুখৰ মাত হৰিল। সময়ত টেঁটুফালি চিঞৰা এচামে গাদী পালে সৌৱাগুৰিৰ মকৰাৰ পুতেক ৰজত এতিয়া দেশনেতা হৈ গাদীত বহিল। নতুন নীতি নিয়ম ৰচনা হ'ল। দালালেৰে দেশ ভৰি পৰিল।

সেইদিনা ৰাতিপুৱা পেহীয়ে পলমকৈ শুই উঠি গাটো তিয়াই তিতা কাপোৰখনকে গাতলৈ ইফাল-সিফাল কৰি আছিল। পুৱাৰ আকাশত শৰতৰ শুকুলা আকাশ আৰু বৃদ্ধা পেহীৰ মনত বেদনাৰ নীলা ৰং। হঠাতে আইতাই মন কৰিলে, পদুলি মূৰত সেয়া দেখোন স্বয়ং ৰজত, এইফালেই আহিব পায়। ভয়তে পেহীয়ে হেডপণ্ডিতক মাতিবলৈ ঘৰলৈ সোমাই গ'ল। কিবা কিবি কৰি থাকোতেই তেওঁলোকে ঘৰৰ মানুহ বিচাৰিলেই। পেহীক দেখি ৰজতে ক'লে–

– পেহী, দাদা নাই নেকি?

– অ' গৈছোঁ। কওঁক? হেডপণ্ডিত আহি মানুহকেইজনৰ আগত থিয় হ'ল।

– আমি শ্বহীদ গৃহৰ নাম ফলক মতে চৰকাৰী কামত আহিছো দাদা। আমি পেহীক অলপ কথা ক'ব বিচাৰোঁ।

হেড্‌পণ্ডিতে একো অনুমান কৰিব নোৱাৰি পেহীক ওচৰলৈ মাতি আনিলে।

চকুৰে জলক টবক দেখা পেহীয়ে ভয়ে ভয়ে থানাই বিচৰাৰ কাৰণ জানিব বিচৰাত ৰজতৰ মুখৰ পৰা অনাকাংক্ষিত আৰু অনাহূত এষাৰ কথা ওলাই আহিল।

– শ্ৰদ্ধেয়া পেহী, প্ৰহ্লাদ শ্বহীদ হ'ল। সেয়ে মই খাটি মেলি শ্বহীদ পৰিয়াল বিলাকৰ সাহায্যৰ কাৰণে গোটেই অসমতে টকা বিলাই ফুৰিছোঁ। দেশৰ হকে প্ৰাণ আহুতি দিয়া লোকৰবাবে এয়া অকল মোৰেই নহয় চৰকাৰৰো কৰ্তব্য। চৰকাৰৰ এই প্ৰচেষ্টাক সকলো শ্বহীদ পৰিয়ালে আদৰণি জনাইছে। সেই মৰ্মে মই আপোনাৰ বাবে নগদ পাঁচ হেজাৰ টকা লৈ আহিছোঁ। সেয়ে এইখিনি গ্ৰহণ কৰক। লগতে অহা কোট-পেন্ট পৰিধান কৰা লোক এজনেও পেহীক দুই-চাৰি আষাৰ কলে।

মুহূৰ্তৰ ভিতৰতে পেহীৰ মুখৰ ৰং সলনি হৈ গ'ল। পেহীয়ে তিতা কাপোৰ খনেৰে মুখখন মছি ললে। হেড্‌পণ্ডিতে ভাবিলে পেহীৰ মুখত আজি ইমান জয়োল্লাস ভাব ক'ৰ পৰা আহিল। শ্বহীদ সাহায্য নগদ পাঁচ হেজাৰ টকা, তাহানিৰ দানেশ্বৰ হাজৰিকাই পেঞ্চনৰ নামত দিয়া টকা, মাটি বিঘাৰ কথা আৰু সকলোৰে উৰ্দ্ধত এই মকৰাৰ পুতেক ৰজতৰ নিঃস্বাৰ্থ দেশপ্ৰেম, বুকুৰ আঁচল প্ৰহ্লাদৰ জীয়া স্মৃতি সহস্ৰ প্ৰশ্নই তেওঁক যেন এফালৰ পৰা খুলি খাব ধৰিছে। হাতত থকা তিতা কাপোৰ খনেৰে মুখত সোপা দি ইহঁতক যেন বাঢ়নী এডালেৰে কোবাই কোবাই ঘৰৰ পৰা বাহিৰ কৰি দিব এনে এটা ভাব লৈ মাত্ৰ এষাৰ কথা কৈ পেহী কোঠাটোৰ পৰা ওলাই গ'ল——

– কেইটামান টকাৰ বিনিময়ত মোৰ মানুহটো, মোৰ ল'ৰাটোক আপোনালোকে মোৰ হতুৱাই মাৰিব আহিছে নেকি? মোৰ ল'ৰাই দেশৰ বাবে যি আদৰ্শ ৰাখি থৈ গ'ল সেইখিনিৰে মই বাকীথকা দিনকেইটা চলিব পাৰিম। আপোনালোক এতিয়া যাব পাৰে। পুনৰ মোক কোনো সাহায্য দিয়াৰ ব্যৱস্থা যেন অপেনালোকে নকৰে।

নিৰুপায় হৈ এটা সময়ত ৰজত মানুহ কেইজনৰ সৈতে দেৱেঁন্দ্ৰ হেড্‌পণ্ডিতৰ পদুলিৰ পৰা আঁতৰি গ'ল। হেডপণ্ডিত আৰু পেহীয়ে স্থবিৰ হৈ ৰজতহঁতক নেদেখা হোৱালৈকে চাই থাকিল।

❑

(সদৌ অসম নবীন লেখক -লেখিকা আৰু শিল্পী সমিতি, কটন কলেজ নবীনগোটে আয়োজন কৰা চুটিগল্প প্ৰতিযোগিতাত পুৰস্কাৰ প্ৰাপ্ত '৯৫)

# হৃদস্পন্দন

গণেশ শৰ্মা
স্নাতক, ২য় বৰ্ষ (কলা)

●

প্ৰাণৰ অনুভূতিবোৰে কিয়
মনৰ মাজত হতাশাৰ বোল তোলে।
লগতে আত্মাৰ সীমাহীন স্পন্দন।
পূব গগনত ঊষাৰ হেঙুলি জেউতি
নীৰৱে ধৰিত্ৰীৰ কোলাত জিলিকে।
বিশ্ব অৰণ্যত সঙ্গীতৰ সুৰ বাজে,
গোটেই বিশ্বত শান্তিৰ পানী ছটিয়াই,
পূণ্যৰ প্ৰেৰণা ঢালি দিলে
আৰু দিলে মানৱক সুখ-আনন্দ।
নাট্যমঞ্চত ভাৰবীয়াৰ ভাওঁ দি দি।
খহি গ'ল জৰী মন-মানসৰ,
অসীমত বুৰ গ'ল সেই ৰঙ্গমঞ্চ।

●





# গীত

চণ্ডী ৰাম ডেকা
স্নাতক, ১ম বৰ্ষ (কলা)

●

তোমাক দেখিছিলোঁ
সৌ সিদিনাখন
নৰাগত আদৰণি সভাত
● চিনাকী চিনাকী
লাগিছিল তোমাক
চকুৰ চাৱনিতে।।
আবেগ মোৰ
কঁপিছিল তোমাৰ
মিচিকীয়া হাঁহিতে
● প্ৰাণত মোৰ
জোঁৱাৰ উঠিছিল
তোমাৰ চাৱনিতে।
নয়নত মোৰ
বিজুলী খেলিছিল
তোমাৰ ৰূপতে
● আলফুলকৈ আঁকিছিলো তোমাক
মোৰ হৃদয়তে।

# আলিঙ্গন


এম ইনামুল হক
স্নাতক, ২য় বৰ্ষ (কলা)

মোৰ বুকুত তুমি চুৰিকাঘাত কৰিছা।
তেজৰ চেঁকুৰা চাই অট্টহাস্য কৰিছা
ইমান যন্ত্ৰণাময় সময়তো পিছে মই
বিচলিত হোৱা নাই।

মই জানো যে তুমি
আজীৱন তুমিহীন ভাৱেই আছা
তোমাৰ সতে তোমাৰ কোনোদিন
আলাপ হোৱা নাই।
তোমাৰ চকুত কোনোদিন
বোৱা নাই তোমাৰ হৃদয়।

কিন্তু সময় এদিন আহিব
তুমি তোমাৰ সতে কথা পাতিবা
তুমি তোমাৰ সতে অনৰ্গল যুদ্ধ কৰিবা
তোমাৰ তেজেৰে তুমি ৰক্তাক্ত হবা।

আৰু এদিন
তোমাৰ বুকুত মুখ গুজি তুমি উঁচুপিবা
তোমাৰ চকুৰে বৈ যাব তোমাৰ হিয়া
আৰু মই জানো
তুমি এদিন নিশ্চয় আহিবা;
মোৰ সতে আলিঙ্গন কৰিবা।



# বাস্তৱৰ সপোন

উমেশ ডেকা
স্নাতক, ৩য় বৰ্ষ।

অশ্ৰুসিক্ত দুনয়নে
জোকাৰি আছে
হৃদয়ৰ উকা দাগটো।
জোনাকৰ আন্ধাৰত...
নাম নজনা সত্ৱাই,
জুখিয়েই আছে
পোৱা নোপোৱাবোৰক।
কিছুমান...
অবিশ্বাসী অপেক্ষাওঁ
ইমান মধুৰ
সঁচাকৈ ...
বাস্তৱবোৰত নিৰ্মমতা নথকাহেঁতেন!

# জোলোঙা ধাৰী

সতীশ চহৰীয়া
স্নাতক, ২য় বৰ্ষ (কলা)

❑

কঙ্কালসাৰ দেহটোৰে
ভাৰসাম্য হেৰুৱাই
পদূলিৰ মুখে মুখে
ভিক্ষাৰ জোলোঙা লৈ
ঘূৰি ফুৰা জনৰো
আছে এখন হৃদয়।

❑

তাৰো আছে সুখ-দুখ আনন্দ বেদনা।
আৰু ৰাজ অট্টালিকাত
ৰাজভোগ খাই থকাজনৰো
আছে যাতনা বেদনা।

❑

ৰাজভোগ খোৱা জনে
ঘৰতেই বহি পাতে
ভিক্ষাৰ জোলোঙা
আৰু ভিক্ষাৰী জনে
আঁচল পাতে
দহৰ দিব্য চকুত।
দুয়োৰো দুটা সুঁতি
বয় দুপিনে
তথাপিতো ভিক্ষাৰী জন
হয় অপৰাধী।

❑





# তুমি যেতিয়া নীৰৱে গীত গোৱা

ধীৰেন্দ্ৰ নাথ ডেকা
স্নাতক, ২য় বৰ্ষ (কলা)

❑

তুমি যেতিয়া নীৰৱে গীত গোৱা
লুইতৰ পাৰে পাৰে
উৰুঙা বতাহজাকে নীৰৱে উচুপে
তুমি নুবুজিবা
ভাষাবোৰ অনিবাৰ্চনীয়।
তুমি যেতিয়া নীৰৱে গীত গোৱা
সন্ধ্যা পদূলিত
বা মাৰলি উৰে, দেহৰ ভাঁজে ভাঁজে
বেদনাবোৰো অব্যক্ত।
তুমি যেতিয়া নীৰৱে গীত গোৱা
মই হাঁহো, উৰুখা পঁজাৰে মোৰ নিয়ৰ সৰে,
তুমি যেতিয়া নীৰৱে গীত গোৱা।

❑

# স্বপ্নিল

মৃন্ময় শৰ্মা
উঃ মাঃ, ২য় বৰ্ষ (কলা)



❑

তোমাৰ চকুত কঁপে
মোৰ চকু
প্ৰতিবিম্ব
আৰু শিহৰণ
আমেজ সনা।
দুচকুত তুলি লোৱা
কলিজাৰ স্বপ্নিল
নীল সাগৰৰ গৰ্ভত।
বুকুত সাৰতি লোৱা
ভঙা চকুলোৰ টুকুৰা
দিগন্তৰ অসীম আৱধিত
সাঁতুৰিছিলো ..........

❑

তোমাৰ দুচকুক
তুমি সুধিছিলোঁ
মই চাইছিলোঁ
তোমাৰ গোপনতাত
মই ডুবিছিলোঁ



❑

তোমাৰ দুচকুক তুমি বিশ্বাস ঘাতকতা কৰিলা।
চকুত সাৰতি কাঁইট
তুমি ব'লা
আৰু মই
কাঁইট চুমি
কলিজাৰ স্বপ্নিল
ভাবিছোঁ।



❑

# কান্দোন

কেশৱ চন্দ্ৰ শৰ্মা
স্নাতক, ২য় বৰ্ষ (কলা)

❑

কৃষকৰ চকুলো
কোনোবাই জানো দেখিছে;
নাই!
নদীৰ ঢৌত
মোৰ বুকুখন
কঁপি উঠে।

❑


কত কৃষকৰ ৰঙীন
সপোন;
কালক্ৰমত হেৰাই যায়
তাৰ খবৰ।
নৈৰ নতুন পানীৰ
গোন্ধে মোৰ জীৱন
পংগু কৰি দিয়ে।।
সেউজীয়া পথাৰ হয়
মৰিচীকা সদৃশ;
সেয়েহে নদীক
সহস্ৰ প্ৰণাম!
যেন কৃষকৰ
কান্দোন
নাইকিয়া কৰে।।।

❑

# লুইতৰ পৰা এভনলৈ

**কুমাৰী শকুন্তলা গোস্বামী**
স্নাতক, তৃতীয় বৰ্ষ (কলা)

মই নিশ্চিত হৈছোঁ,
তুমি শিল্পী হ'ব পাৰিবা,
লুইতৰ পাৰৰ ৰূপকোঁৱৰৰ
তুমি কিন্তু জ্যোতিপ্ৰসাদ হ'ব নোৱাৰিবা।
মই জানো, তুমি সাহিত্যিক হ'বা
বানহিল ৰ'ৰত জন্ম লৈ,
পেৰাডাইজ লষ্ট লিখা
তুমি কিন্তু অন্ধ মিল্টন হ'ব নোৱাৰিবা।
সচাঁ কথা,
তুমি নাট্যকাৰ হ'ব পাৰিবা–
এভন নৈৰ পাৰত সমাধিস্থ হোৱা
তুমি কিন্তু শেক্সপীয়েৰ হ'ব নোৱাৰিবা।
জানো তুমি বীৰ হ'বা –
বৃটিছৰ উদাৰতাত মূৰ দোওৱা
তুমি কিন্তু নেপোলিয়ন হ'ব নোৱাৰিবা।
মই নিশ্চিত হৈছোঁ,
তুমি ৰজা হ'ব পাৰিবা —
কলিংগ বিজয়ী তেজৰ নৈ পাৰৰ
তুমি কিন্তু অশোক হ'ব নোৱাৰিবা।





# এখন হৃদয় আৰু এজাক বসন্ত

**ৰাতুল বৰদলৈ**
স্নাতক, ১ম বৰ্ষ (কলা)

হঠাৎ আজি ...........
তোমালৈ মনত পৰিল,
বুকুত তুলি ললোঁ এবুকু আখৰ।
হৃদয়ত সাঁচি ৰখা মৰমবোৰে
উপলুঙা কৰে মোৰ নিস্তব্ধতাখিনিক।
মনৰ খিৰিকীখন খোলোতে
এজাক বতাহ আহি,
উৰুৱাই নিলে
মোৰ কল্পনাৰ ঢৌবোৰ।
নীলাভ আকাশৰ বুকুৰ পৰা নামি অহা
এচাটি জোনৰ পোহৰে
মোৰ কোণে কোণে কৈ গ'ল ....
বসন্ত আহিব কেতিয়া .......!

# T.S.ELIOT:THE PIONEER OF MODERN POETRY:

**Mrinal Kr. Medhi**
T.D.C. III YEAR (ENG)

T.S.Eliot has become a name of high fame in English literature since the early twenties. He is especially known for his contribution to English literature in the form of poetry, drama and prose criticism. He has governed the age in which he lived with an unchangeable authority. He introduced a "decided" modernity to English poetry and created exclusive works that were entirely original. Eliot stands out as a towering personality. It is he alone who could face and relish the life of stark and harsh realities.

As a poet, Eliot drew upon many different sources to gather his materials. He was deeply influenced by certain glorious personalities of the past and the contemporary scenes. Shakespeare, Milton, Byaen, Ben Jonson, Arnold etc. In general and donne and the metaphysically in particular contributed their shares in shaping

Eliot's mind. Of the foreign impact upon him, mention may be made of the French symbolists, Laforque and Gautier, of the German philosophers such as Hegel, Meinong and Bradley, and of the Indian religion, and philosophies. Thus in the poetry of Eliot there is a skilful blending of several littering traditions.

T.S.Eliot was born in 1888 in St. Louis, misso uri (U.S.A.) His family was of Devonshire origin, which was traditionally interested in trade and commerce and academic studies. He was an under graduate at Harvard during 1906. Here he came under the influence of the symbolists and La forque. During 1909--10 he was a graduate student at Harvard and completed his early poems, including Portrait of a lady" and began "The love song of J.Alfred Prufrock". In the years 1910 and 1911 he went to France and Germany. He spent a year at Oxford, reading Greek philosophy. Again he was back to Harvard University as a graduate student. It is then that he started work on the philosophy of Francis Herbert Bradley, whose "Appearance and Reality" influenced him much. During 1914-15 he resumed his study in Germany which was cut off by the first world-war. He took his retreat at Oxford, and worked on short satiric poems "The love song of J.Alfred prufrock" was published in Chicago in June in 1915. During 1917-20 he wrote many poems in quatrains after the French fashion, "Gerontion" deserves special mention in this connection. His epoch-making poem "The waste land" appeared in public in 1922. It is a much discussed poem with five movements. In it the poet has displayed the fears, doubts and distrust of the postwar generation. "Ariel" poems were published between 1927 and 1930, "Ash Wednesday" the most difficult poem in six sections appeared in 1930. Eliot wrote "The cocktail party" in 1950, "The confidential clerk" in 1955 and "The Elder statesman" in 1959. After these publications poetry was almost untouched by him.

Eliot's poetic technique is consonant with the spirit of the time. As twentieth century consists of stark, bare, harsh and burning realities, his verse is also harsh, slark, bare, direct, irregular, destitute of all embellishments. Eliot was highly impressed by Donne's technical disco series, which did not belong to him alone, Donne's great achievement lay in his ability to convey" his genuine whole of England feelings". It is for such an effect that Eliot struggles in his

own art and technique. Eliot was whole heartedly on the side of the psychologists in his art and technique. His technique is thus, that of Henry James, Virginia Woolf, and Dorothy Richardson, the pillars of the technique of "Stream of consciousness" English novel.

There is a wide variety in Eliot's poetry in which he explores various conditions of human experience. While " The waste land" establishes his reputation as a poet, some notable works as" Ash Wednesdays" and "Ariel" poems contain Eliot's views on religion. It depicts his striving towards some form of belief after the cynicism and nihilism, so common and prevalent in the period in which he was living. His last and greatest work in poetry is the "four quartets" -- it is a collection of apparently difficult, yet brilliant poems. These poems combine the grim and melancholy picture of modern society with a deep contemplation of the problems of space and time, life and death, past and future thoughts and feelings are woven in a complex manner, much after the style of the metaphysical poets. It is a clear perception of the harshness corruption and futility of the human life; Eliot tres to show that the modern man is living on false illusion yet he may identify himself in the pessimistic- faith and hope.

Eliot's poems, being of a variable range and complexity necessitate an intensive background of reading and they also make a high demand on one's intelligence. He often indulges in

His last and greatest work in poetry is the "four quartets" it is a collection of apparently difficult, yet brilliant poems. These poems combine the grim and melancholy picture of modern society with a deep contemplation of the problems of space and time, life and death, past and future thoughts and feelings are woven in a complex manner, much after the style of the metaphysical poets. It is a clear perception of the harshness corruption and futility of the human life; Eliot tres to show that the modern man is living on false illusion yet he may identify himself in the pressi-mistic faith and hope.

a curious combination of the lyrical with the matter of fact or colloquial. The movement of his poems is often determined by emotional suggestions and less by logical or narrative structure. Their rhythmist the same way, hesitate between regular patterns or end " freeverse". The rhymem when they are used are all the more effective by reason of their restraint.Unconnected ideas or statements are juxtaposed together to form original images. There are references to the great literature of the past, which symbolizes past splendors; these are placed side by side with the squalid and fragmentary to illusslrate contrast.

His poetry has distinctive features that are essentially modern, his poetry is marked by clear and hard images, allusiveness and connotations and vivid realism. His early poems were mainly urban in setting and reflected the mood of the period- of disgust, disillusion and despair. The nostalgia of country side scenery and scenic calm of the rural England were replaced by powerful comment on crowded streets, smoky and dusty evenings and crowds of aimless individuals, loitering around bars and shops. The cynical attitude is brilliantly depicted in his such remarkable poems as "The Preludes" and "A cooking egg". The colloquial tone is deeply calculated in their rhymes, each of these poems evoke a sad or despondent mood which is decidedly "urban". He usually presents a tragicomic vision of life, in which there is a deep sense of failure and emptiness. "The

waste land" written in the period following the disillusionment of the first world-war, reveals the importance and barrenness of a life devoid of belief. The last phase of Eliot's literary career indicates "a search for right path" which will express Eliot's newly established Christian values of Christianity is wonderfully expressed in the poem "Marina". Symbolism and imagery are integrated in the very texture of Eliot's poetry.

Situation and mental states of Eliot's protagonists are presented through suggestive images, which are some what similar to the "dissimilar" likeness of the metaphysical poets of the seventeenth century, and the French symbolists as well. In "The Love Song of J.Alfred prufrock" the frustration, indecisiveness of an agsing romantic have been presented through the use of falling phrases and images. He has been entrapped in a world of pseudo gentility, and prufrock's view of himself as a helpless diseased specimen of humanity delineated in the line:

*"Let us go then; you and I*
*When the evening is spread;*
*out against the sky*
*like a patient etherised*
*upon a table."*

A brilliant example of Eliat's power of verbal imagery is the comment of Prufock's life, where each day passes like a smoked cigarette...................

*"I have measured out my life*
*With coffee spoons*

Situation and mental states of Eliot's protagonists are presented through suggestive images, which are some what similar to the "dissimilar" likeness of the metaphysical poets of the seventeenth century, and the French symbolists as well. In "The Love Song of J.Alfred prufrock" the frustration, indecisiveness of an agsing romantic have been presented through the use of falling phrases and images He has been entrapped in a world of pseudo gentility, and prufrock's view of himself as a helpless diseased specimen of humanity delineated

*To spit out all the*
*ends of my day and way."*

The image of the mermaid convey a most effective symbol, in mythology, the mermaid's song is meant only to the brave and adventurous. But the mermaid, the symbol of romanticism, ueiu not sing to a pussies coward as prufrock.

There is a total dedication and sincerity in eliot's poetic art. He himself has made a remark which casts some light on his practice and achievement as a poet-------

*"The emotion of art is impersonal and the poet can not reach this impersonality with out surrounding himself wholly to the work to be done."*

His vast scholarship made main fast in a literary technique, that has won admiration from his readers and critics. He has conveyed, through his poetry, professed ideas as well as experiences. He has rejected formal rhetoric and has adopted a novel attitude in poetry through a pattern of contrasted images.

The hectic literary life of Eliot came to an end on January 4, 1965. It in needless to say that with the passing away of T.S.ELIOT an age masters of English literature has closed its chapter, atl east for the time being. But he will ever be remembered by us; he, who gave us "Whispers of immortality" while alive, will return invisible to us console, exhort and guide the " Erring humanity".

❑

# পত্ৰলেখা

১

প্ৰতি

সম্পাদক ডাঙৰীয়া

নমস্কাৰ ল'ব। মঙ্গলদৈয়ানৰ জৰিয়তে মই কেইটামান কথা বিভাগীয় কৰ্তৃপক্ষক দৃষ্টি গোচৰ কৰিব খুজিছোঁ।

১৯৫১ চনতে প্ৰতিষ্ঠিত মঙ্গলদৈ মহাবিদ্যালয়ে সোণালী জয়ন্তী বৰ্ষত ভৰি দিও দিও অৱস্থা পাইছেহি। কিন্তু দুখৰ বিষয় মহাবিদ্যালয় খনিয়ে আজিও নানা সমস্যাত জুৰুলা হ'ব লাগিছে। উদাহৰণ স্বৰূপে মহাবিদ্যালয়খনিত আজিও দুহেজাৰ চনৰ সু-স্বাস্থ্যৰ অন্যতম সম্বল বিশুদ্ধ খোৱা পানীৰ সু-ব্যৱস্থা নহ'ল। গৰমত চট্‌ফটাই থকা ছাত্ৰ-ছাত্ৰী সকলৰ বাবে বিজুলি বিচনীৰ অভাৱ এতিয়াও পূৰ নহ'ল। যি দুই এটা কোঠাত আছে, সেইবোৰো অচল অৱস্থাত। আনহাতে নং নিৰ্মিত ৰ্ণজঙ্ণড়ঢঙ্ণঠ টো আজিও আধাৰ শিলাৰ দৰে আধৰুৱা অৱস্থাতে থাকিল। মহাবিদ্যালয়খনিৰ কেন্টিনখনৰ অৱস্থাও পুতৌ লগা। সেইদৰে মহাবিদ্যালয়ৰ পুথিভড়াল আৰু শ্ৰেণী কোঠা সমূহৰ দুৰৱস্থাৰ কথাও উল্লেখ নকৰি নোৱাৰি। আনহাতে প্ৰতিষ্ঠাৰ সময়ৰে পৰা হয়তো মহাবিদ্যালয়ৰ চৌহদত মাটি পেলোৱা হোৱা নাই। যাৰ ফলত এজাক বৰষুণ হ'লেই মহাবিদ্যালয়ৰ চৌহদ বোকাই পানীয়ে ভৰি পৰে। সেইদৰে জিলাখনৰ একমাত্ৰ বিজ্ঞান শাখা স্বীকৃত মহাবিদ্যালয় হিচাপে এতিয়াও পৰীক্ষাগাৰৰ সা-সজুঁলিৰ অভাৱ পৰিলক্ষিত হৈ আছে। দুখৰ বিষয় মহাবিদ্যালয়খনিত খেলৰ সা-সজুঁলিৰ অভাৱৰটো বাদেই স্থায়ী শৌচাগাৰ এটাও বিচাৰি পাবলৈ নাই।

সেয়েহে মঙ্গলদৈয়ানৰ জৰিয়তে এই সমস্যা সমূহৰ স্থায়ী সমাধানৰ বাবে বিভাগীয় কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰিলোঁ। ইতি

সীমান্ত ডেকা
স্নাতক ২য় বৰ্ষ

২

প্ৰতি

মাননীয় সম্পাদক, মঙ্গলদৈয়ান
মঙ্গলদৈ মহাবিদ্যালয়
ডাঙৰীয়া,

জয় জয়তে আপোনালৈ আন্তৰিক অভিনন্দন যাচিলোঁ। আপোনাৰ দ্বাৰা সম্পাদিত মঙ্গলদৈয়ানত মহাবিদ্যালয় খনৰ গ্ৰন্থাগাৰৰ বিষয়ে অলপ কৰ্তৃপক্ষৰ দৃষ্টি গোচৰ কৰিব খুজিছোঁ।

সমগ্ৰ দৰং জিলাৰে একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান মঙ্গলদৈ মহাবিদ্যালয়। এই মঙ্গলদৈ মহাবিদ্যালয়ৰ বৰ্তমানৰ গ্ৰন্থাগাৰটো নামতহে হৈ থকা যেন অনুমান হৈছে। গ্ৰন্থাগাৰটোত প্ৰয়োজনীয় সামগ্ৰী তথা সুস্থ পৰিবেশ এটিৰ অভাৱ আজি বহু বছৰৰ পৰাই পৰিলক্ষিত হৈ আহিছে। ছাত্ৰ-ছাত্ৰীৰ চাহিদা অনুসৰি গ্ৰন্থাগাৰটোৱে প্ৰয়োজনীয় পাঠ্যপুঠি যোগান ধৰিব নোৱাৰাত বহু ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা আহৰণৰ ক্ষেত্ৰত জীয়াতু ভূগিব লগীয়া হৈছে। আনহাতে যিবোৰ পাঠ্যপুঠি পোৱা যায় সেইবোৰো তাহানিৰ দিনৰে। গ্ৰন্থাগাৰটোৱে প্ৰয়োজনীয় নতুন কিতাপ যোগান ধৰিব নোৱাৰাটো মহাবিদ্যালয়ৰেই অ-কৃতকাৰ্যতাৰ চিন। তদুপৰি গ্ৰন্থাগাৰত ছাত্ৰ-ছাত্ৰীৰ বাবে সুকীয়া সুবিধা জনক পঢা কোঠা নথকাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে সাময়িক ভাৱে অৰ্জন কৰিব লগীয়া বিভিন্ন অভিজ্ঞতাৰ পৰা বঞ্চিত হ'ব লগীয়া হৈছে। সেয়ে আমি আশা কৰিছোঁ মহাবিদ্যালয় কতৃপক্ষই গ্ৰন্থাগাৰটোৰ উন্নতি সাধন কৰি ছাত্ৰ-ছাত্ৰীৰ অভাৱৰ জোৰা মাৰিব পৰাকৈ নতুন কিতাপ যোগান ধৰি গ্ৰন্থাগাৰৰ উন্নতি সাধন কৰিব। ইতি

পবিত্ৰ শৰ্মা
স্নাতক ২বৰ্ষ

৩

প্ৰতি, মাননীয় সম্পাদক মঙলদৈয়ান,

ডাঙৰীয়া,

মঙলদৈ মহাবিদ্যালয় এখন প্ৰাচীনতম আৰু ঐতিহ্যপূৰ্ণ মহাবিদ্যালয়। এই মঙলদৈ মহাবিদ্যালয়ৰ যিটো গৌৰৱ আছিল আজি আৰু সেইটো নাই। অৱশ্যে সেই ''ৰামো নাই, অযোধ্যাও নাই''। আগৰ দৰে মহাবিদ্যালয় খনিত আজিকালি শ্ৰেণী সমূহ নিয়মীয়া ভাবে নচলে। বাৰটা মাহত তেৰটা বন্ধ আছে। তাতে আকৌ ছাত্ৰ-ছাত্ৰীসকলে কেন্টিনে চিনেমাহলে আড্ডা মাৰি মাৰি বছৰকেইটা পাৰ কৰে। পৰীক্ষাৰ সময়ত বজাৰৰ সস্তীয় নোটচ্ বুক বিলাক সংগ্ৰাহ কৰে। বহুতো ছাত্ৰ ছাত্ৰীয়ে আকৌ শিক্ষক সকলক সা-সন্মান কৰাটো বাদেই, কলেজৰ বাৰণ্ডাত খুন্দিয়াই বগৰাবহে খোজে। এইবোৰ কাৰ্য্য ছাত্ৰ শক্তিৰ বাবে বৰ লজ্জাজনক কথা। সেয়েহে মঙলদৈ মহাবিদ্যালয় হৃত গৌৰৱ উদ্ধাৰ কৰিবলৈ সংশ্লিষ্ট সকলোৰে প্ৰতি অনুৰোধ জনালোঁ।

ইতি-

চাৰুস্মৃতা ৰাজবংশী
ভাগ্যলতা শৰ্মা
স্নাতক ৩য় বৰ্ষ

৪

প্ৰতি, মাননীয় সম্পাদক মঙলদৈয়ান,

ডাঙৰীয়া,

আজি কালি মঙলদৈয়ান সকলৰ শ্ৰেনী কোঠালৈ অহা সাজপাৰৰ আমুল পৰিৱৰ্তন ঘটা দেখা গৈছে। বিশেষকৈ ছোৱালী সকলে বৰ্ত্তমান অসমীয়া জাতীয় সাজপাৰ সম্পূৰ্ণ বিসৰ্জন দিয়া যেন অনুমান হৈছে। নিজকে অসমীয়া অসমীয়া বুলি জাহিৰ কৰা বহুতো ছাত্ৰ-ছাত্ৰীয়ে আকৌ চুলিত আধুনিক ফেচন দি পশ্চিমীয়া বিলাসিতাত নিজকে ডুবাই ৰাখিছে। ল'ৰাৰ ক্ষেত্ৰতো চিনেমাৰ হিৰ' হিৰ' যেন লগা সাজপাৰ বিদ্যালয়ৰ বাবে জানো উপযুক্ত হৈছে? এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ আওকলীয়া মনোভাৱ পৰিলক্ষিত হৈছে। সেয়েহে এই পত্ৰৰ যোগেদি বিভাগীয় কৰ্তৃপক্ষৰ উপৰিও প্ৰত্যেকজন মঙলদৈয়ানক নিজকে অসমীয়া বুলি পৰিচয় দিবলৈ সম্বলখিনি সংগ্ৰহ কৰিবলৈ অনুৰোধ কৰিছো।

ইতি-

পংকজ শৰ্মা, স্নাতক দ্বিতীয় বৰ্ষ

৫

প্ৰতি, মাননীয় সম্পাদক,

ডাঙৰীয়া,

আপোনাৰ দ্বাৰা সম্পাদিত হবলগীয়া মঙলদৈয়ানত মহাবিদ্যালয়খনিৰ দুটামান কথা উল্লেখ কৰিব খুজিছোঁ।

দৰং জিলাৰ এখনি উচ্চ শিক্ষাৰ প্ৰাচীনতম অনুষ্ঠান হিচাপে মঙলদৈ মহাবিদ্যালয়ৰ এটি ভাল নাম আছে। কিন্তু সম্প্ৰতি ৰাজনীতিৰ কুপ্ৰাবাহে মহাবিদ্যালয় খনিৰ কিছুমান শিক্ষক কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীক বাৰুকৈয়ে এনিষ্ট সাধন কৰিব ধৰিছে। বিশেষকৈ অসমৰ কিছুমান মহাবিদ্যালয়ৰ দৰে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন আৰু কেন্দ্ৰীয় বা ৰাজ্যৰ সাধাৰণ নিৰ্বাচনৰ সময়ত আমাৰ মহাবিদ্যালয় পৰিৱেশো উত্তপ্ত হোৱা দেখা যায়। আমি দৰং বাসীয়ে এই পবিত্ৰ বিদ্যামন্দিৰৰ পৰা ৰাজনীতিৰ কু প্ৰভাৱ বাৰু আঁতৰ কৰিব নোৱাৰোনে?

ইতি

মিন্টু ভট্ট
মঙলদৈ মহাবিদ্যালয়

৬

প্ৰতি,

মাননীয় সম্পাদক মঙলদৈয়ান,

ডাঙৰীয়া,

নমস্কাৰ ল'ব। মঙলদৈয়ানৰ জৰিয়তে ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ কিছু সমস্যা কতৃপক্ষক অৱগত কৰিব বিছাৰিছোঁ।

দৰং জিলাৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ আৰু ছাত্ৰী নিবাস দুটাৰ অৱস্থা পুতৌজনক। ছাত্ৰবাস আৰু ছাত্ৰী নিবাস দুটাৰ প্ৰধান সমস্যা হৈছে পানীৰ বাবে কাপোৰ ধোৱাৰ কথা বাদেই খোৱা পানী খিনিৰো ইয়াত সমস্যা।

দ্বিতীয়তে- ছাত্ৰ বাস আৰু ছাত্ৰী নিবাস দুটাৰ চৌহদত কোনো ধৰণৰ বেৰ বা দেৱাল নোহোৱাৰ ফলত আবাসী সকলে নিৰপত্তা হীনতাত ভুগিব লগাত পৰিছে। তদুপৰি কোনো বাধাহীন ভাবে গৰু ছাগলী আদিয়েইও প্ৰবেশ কৰিব পাৰে।

তৃতীয়তে— আবাস দুখনত বৈদুৎতি কৰণ ব্যৱস্থাও পুতৌ জনক ফলাত ছাত্ৰ ছাত্ৰী সকলৰ অধ্যায়নৰ ক্ষেত্ৰত যথেষ্ঠ বাধাৰ সন্মুখিন হব লগাত পৰিছে।

চতুৰ্থতে— আবাসৰ কৰ্মচাৰী সকলক একেবাৰে নুন্যতম মজুৰি দি থকা হৈছে। ফলত কৰ্মচাৰী সকলে সেই মজুৰি খিনিৰ ঘৰসংসাৰ চলাব নোৱাৰি নিজ কৰ্তব্যৰ প্ৰতি অৱহেলা কৰে আৰু ইয়াৰ বলী হয় ছাত্ৰ-ছাত্ৰী সকল।

পঞ্চমতে— আজি দুবছৰ ধৰি আবাশ সকলৰ মাচুলৰ পৰিমান বৃদ্ধি কৰা হৈছে, কিন্তু তাৰ পৰিবৰ্ত্তে ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসৰ কোনো ধৰণৰ উন্নয়ন মূলক আৰু মেৰামতিৰ কাম হাতত লোৱা নাই।

জয়ন্ত কাকতি
ছাত্ৰাবাস

# মহাবিদ্যালয়ৰ গৌৰৱ

১৯৯৪ চনৰ স্নাতক চূড়ান্ত পৰীক্ষাত ১ম শ্ৰেণীত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকল



শ্ৰীজয়ন্ত শৰ্মা
প্ৰথম শ্ৰেণী
ভূগোল, গুঃবিঃ



শ্ৰীনাৰায়ণ চন্দ্ৰ শৰ্মা
প্ৰথম শ্ৰেণী
ভূগোল, গুঃবিঃ



শ্ৰীৰঞ্জন শৰ্মা
প্ৰথম শ্ৰেণী
পদাৰ্থ বিজ্ঞান, গুঃবিঃ



শ্ৰীজুতিকা লহকৰ
প্ৰথম শ্ৰেণী
ভূগোল, গুঃবিঃ

# মহাবিদ্যালয়ৰ গৌৰৱ

## ১৯৯৪ চনত বিভিন্ন ক্ষেত্ৰত শ্ৰেষ্ঠতা প্ৰদৰ্শন কৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল



গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত স্বৰ্ণ পদক প্ৰাপ্ত মুকাভিনয় দলটি
বহি (বাওঁফালৰ পৰা) (১) ৰাজীৱ লোচন নাথ (যন্ত্ৰসংগীত)
(২) হেমন্ত কুমাৰ শৰ্মা
(৩) প্ৰণৱ কুমাৰ ডেকা
(৪) ৰাণা ৰাজবংশী
থিয় হৈ (বাওঁফালৰ পৰা) (১) প্ৰসন্ন শৰ্মা
(২) ধীৰেন নাথ
(৩) অৰূপ ডেকা



**ধনদা হাজৰিকা**
গুৱাহাটিবিশ্ববিদ্যালয়
আন্তঃ মহাবিদ্যালয়
যুৱমহোৎসৱত সহঃ
শ্ৰেষ্ঠা অভিনেত্ৰী/
মহাবিদ্যালয় সমূহৰ
শ্ৰেষ্ঠ অভিনেত্ৰী

**জুৰেল ভট্ট**
ডিব্ৰুগড়ৰ মৰাণত
আয়োজিত সদৌ
অসম মাৰাথান
দৌৰ
প্ৰতিযোগিতাত
প্ৰথম স্থান।





গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত
ব্যঙ্গনাট প্ৰতিযোগিতাত ৰূপৰ পদক বিজয়ী দলটি
বহি (বাওঁফালৰ পৰা) (১) ধনদা হাজৰিকা
(২) ৰাজীৱ লোচন নাথ
(৩) মনালিচা বৰুৱা
থিয় হৈ (বাওঁফালৰ পৰা) (১) প্ৰণৱ কুমাৰ ডেকা
(২) ধীৰেন নাথ
(৩) হেমন্ত কুমাৰ শৰ্মা
(৪) ৰাণা ৰাজবংশী



**মৃদুল কুমাৰ চহৰীয়া**
গুৱাহাটী বিশ্ববিদ্যালয়
আইন মহাবিদ্যালয়ত আয়োজিত কৃষ্ণকান্ত
সন্দিকৈ সদৌ অসম আন্তঃমহাবিদ্যালয়
আবৃত্তি প্ৰতিযোগিতাত
প্ৰথম স্থান,
সদৌ অসম ভিত্তিত
নবীন লেখক-লেখিকা
আন্ত শিল্পী সমিতি আৰু
কটন কলেজ গোটৰ
দ্বাৰা আয়োজিত চুটি
গল্পত প্ৰথম স্থান
মহাবিদ্যালয় সপ্তাহৰ
শ্ৰেষ্ট বক্তা।



প্ৰশংসা প্ৰাপ্ত, শিশু বিজ্ঞানী

**বৰষা শইকীয়া**
দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰীয় শিশু-বিজ্ঞান
সমাৰোহত বিশেষ প্ৰশংসাপ্ৰাপ্ত, শিশু বিজ্ঞানী

# মহাবিদ্যালয়ৰ সপ্তাহ

১৯৯৪ চনত শ্ৰেষ্ঠতা প্ৰদৰ্শন কৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল



একেৰাহে দুবছৰ শ্ৰেষ্ঠ তাৰ্কিক।
তিনিবছৰ একেৰাহে শ্ৰেষ্ঠ
মূকাভিনেতা



ৰিন্টিমণি ডেকা
বছৰৰ শ্ৰেষ্ঠ গায়িকা আৰু
শাস্ত্ৰীয় সংগীতত বঁটা বিজয়ী



প্ৰণৱ কুমাৰ ডেকা
বছৰৰ শ্ৰেষ্ঠ অভিনেতা



বিজু ডেকা
শ্ৰেষ্ঠা অন্তঃদ্বাৰ খেলুৱৈ



নবজিৎ শইকীয়া
বছৰৰ শ্ৰেষ্ঠ সুকুমাৰ শিল্পী



মনিকা ডেকা
শ্ৰেষ্ঠা বহিঃদ্বাৰ খেলুৱৈ



সুৰেন্দ্ৰ কলিতা
বছৰৰ শ্ৰেষ্ঠ পাঞ্জা আৰু ব্যায়াম বীৰ



আলপনা আহমেদ
দবা চেম্পিয়ণ



পবিত্ৰ কুমাৰ ডেকা
দবা চেম্পিয়ণ



জীতেন হাজৰিকা
শ্ৰেষ্ঠ ভলীবল খেলুৱৈ



নোমল নাথ
বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ



নৃপেন কুমাৰ
শ্ৰেষ্ঠ সমাজকৰ্মী



বিশ্বজ্যোতি শৰ্মা
বছৰৰ শ্ৰেষ্ঠ কৌতুক অভিনেতা



আফটাবুল হুছেইন
শ্ৰেষ্ঠ নবাগত '৯৫

মণিকা ডেকা
শ্ৰেষ্ঠ বহিঃদ্বাৰ খেলুৱৈ



শ্ৰীঅমূল্য ডেকা, মাৰাথান দৌৰ বীৰ



সমাবেত সঙ্গীত আৰু জিকিৰৰ শ্ৰেষ্ঠ দল
গীতিমা শৰ্মা, বিন্টিমনি ডেকা, ববিতা ৰয়,
লক্ষহীৰা ডেকা (ফটোত অনুপস্থিত),
গুলবদন আহমেদ (ফটোত অনুপস্থিত)



ভেৰগাঁওত অনুষ্ঠিত N.C.C.ৰ আৰ্মি এটাচমেন্ট কেম্পত যোগ দিয়া বাওঁফালৰ পৰা আণ্ডাৰ অফিচাৰ চামচুল হ'ক আৰু কেডেট ভাস্কৰ জ্যোতি বৰুৱাক দেখা গৈছে। আনহাতে যোৰহাটত হোৱা National Intregation Campত যোগদিয়া চিনিয়ৰ আণ্ডাৰ অফিচাৰ গণেশ দত্তক দেখা গৈছে।
(কৈলাশ শৰ্মা আৰু বিশ্বজ্যোতি শৰ্মা ছবিত অনুপষ্ঠিত)

গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা কলেজত অনুষ্ঠিত Orientation Campত আমাৰ মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱক সকল। ক্ৰমে বহি বাওঁফালৰ পৰা কিৰিতি ৰঞ্জণ শৰ্মা (অধিনায়ক), সূৰ্য্য কুমাৰ শৰ্মা। থিয় হৈ কুলেন ডেকা আৰু হিৰেণ বৰুৱা



# ১৯৯৪-৯৫বৰ্ষৰ প্ৰতিবেদন



## উপ-সভাপতি, ছাত্ৰ একতা সভা

গণতন্ত্ৰৰ অ, আ, শিকোতে

খবৰ কাকতত সাক্ষাৎকাৰ দি, মঞ্চত উপবিষ্টত হৈ ফুলৰ মালাৰে সুশোভিত হোৱা অথবা সৰ্ম্বা হাৱাৰ নামত উদাত্ত কণ্ঠেৰে ফটাঢোল কোবাই বিখ্যাত হোৱাৰ সস্তীয়া বাসনা আমাৰ নাই। তোষামোদকাৰীৰে পৰিবেষ্টিত হৈ জননেতা হবও নোখোজো নতুবা নিজকে মোচাহেব হিচাপেও গণ্য নকৰো। ছাত্ৰ একতা সভা নিৰপেক্ষ সমালোচনাৰ প্ৰত্যাশী। সমালোচনাবিহীন ভাৱে থাকি আমাৰ পিঠিত ওলমি থকা দোষৰ বোজাটোৰ ভাৰ অসহনীয় হোৱাঁলৈ অপেক্ষাৰত সকলক আমি শুভাকাংশীৰ শাৰীত নেপেলাম।

এই পৱিত্ৰ শিক্ষানুষ্ঠানৰ প্ৰতিগৰাকী শিক্ষাৰ্থীৰ দাবীৰ প্ৰতি সন্মান জনাই এদিন ছাত্ৰ একতা সভাৰ মজিয়াত নিৰ্ব্বাচিত প্ৰথম আসনখনৰ দায়িত্ব লবলৈ বাধ্য হৈছিলো। কিন্তু প্ৰচলিত ধাৰাটোৰ বিপথগামীতাত আতংকিত হৈ উঠিছিলোঁ আমিবোৰ আৰু সেয়ে হয়তো প্ৰতিবাদী সত্ত্বাই পলে পলে মূৰ জোকাৰি থিয় দিছিল। নাজানো তাৰ দ্বাৰা আমি কিমান সফলতাৰ দাবীদাৰ হ'লো। উত্তৰ পুৰুষে যদি কিবা নতুন সুবিধা পাইছে কিছু নিকা সৃষ্টি কৰিব পাৰিছোঁ সেয়া দায়িত্ববোধে আনি দিয়া আৰু সেয়াই মাপকাঠি।

অসমৰ আকাশ আজি সন্দেহৰ কলীয়া ডাৱৰে ছানি ধৰিছে। এচামে ভোগবাদত মত্ত হৈ প্ৰতিবাদী কণ্ঠ স্তব্ধ কৰাৰ অবিৰাম ষড়যন্ত্ৰত নামি পৰিছে। ধৰ্ম, ভাষা, জাতি, উপজাতিৰ নামত পৰস্পৰে পৰস্পৰৰ লগত সংঘৰ্ষত লিপ্ত। ইবোৰৰ অন্ধ আবেগ আৰু অন্ধ বিশ্বাসৰ সন্মুখত যুক্তি, আৰু 'সত্য'ৰ স্থান নাই। ড্ৰাগচ, জুৱা, অশ্লীলতাৰ মদিৰাত নিমগ্ন হৈ কোনোবা ধুৰন্ধৰ নেতাৰ পাকচক্ৰত পৰি বিবেক বুদ্ধি বিসৰ্জন দিয়া আন এচাম যুৱক ৰাজনৈতিক পাশা গুটিত পৰিণত হৈছে। চৰিত্ৰ হনন হোৱা এই চামৰ দ্বাৰা এক অভূতপূৰ্ব্ব ৰাজনৈতিক সংস্কৃতিৰ সৃষ্টি হৈছে যাৰ নামত ইজিমানি ক্ষমতা-লিপ্সিত নেতৃত্বৰ খোৱা কামোৰাত সৃষ্টিশীল কল্যাণকামী সংগঠন কেতবোৰ হৈ পৰিছে খকুৱাৰ ভোজনালয়। গণতন্ত্ৰ, প্ৰমূল্যবোধৰ নামত স্বৈৰতন্ত্ৰ আৰু একানায়কত্ববাদৰ অবাধ কচৰৎ। শোষিত, নিপীড়িত জনতাৰ প্ৰগতিত পুঁজিপতি আৰু শাসক শোষক গোষ্ঠীয়ে অবিৰাম হেঙাৰ বেৰিছে। শিক্ষা ব্যৱস্থা পৰিচালিত হৈছে ধনীক গোষ্ঠীৰ স্বাৰ্থত। শিক্ষানুষ্ঠান সমূহো পৰিণত হৈছে ডিগ্ৰী সৃষ্টিকাৰী যন্ত্ৰত। কেৱল নিবনুৱা সৃষ্টিতেই সীমাবদ্ধ নাথাকি উপযুক্ত ব্যক্তিক উচিত স্থানত নিয়োগ কৰিব নোৱাৰি পৰিকল্পিত ভাৱে শকত সংখ্যাৰ হিচাবত ছদ্মবেশী নিবনুৱা তৈয়াৰ হৈ আহিছে।

বিশ্লেষণাত্মক দৃষ্টিভংগীৰে ফহিয়াই চালে দেখা যায় যে আমাৰ দেশত প্ৰমূল্যবোধ, মানৱাধিকাৰ, স্বাধীনতা, গণতন্ত্ৰ আদি শব্দৰ প্ৰকৃত উদ্দেশ্য সাধন হোৱাৰ আশা ক্ষীণ। কিন্তু চেষ্টাৰ অন্ত নাই। এফালে সমাজবাদৰ শ্লগানত মুখৰিত দেশ কিন্তু প্ৰকৃতাৰ্থত চলি আছে বুৰ্জোৱা গণতন্ত্ৰ। তেন্তে সমাধান ক'ত? ফৰাচী বিপ্লৱৰ ধ্বজাধাৰী ৰ'মাৰলাই কৈছিল, "Where order is injustice disorder is the beggining of justice." ফৰাচী কৃষক সকলে যিদৰে বেষ্টিল কাৰাগাৰৰ পতন ঘটাই সমগ্ৰ ফ্ৰান্সৰ ৰাজনৈতিক শক্তি বিন্যাসৰ আমূল পৰিবৰ্ত্তন ঘটাই কুখ্যাত সামন্তবাদৰ পতন ঘটাবলৈ সক্ষম হৈছিল ঠিক তেনেদৰে আমাৰ দেশৰো বৈষম্যপূৰ্ণ সমাজখনৰ শেষ গাঁঠনিটোক ভাঙি পেলাবলৈ প্ৰয়োজন শোষিত শ্ৰেণীৰ প্ৰচণ্ড সংগবদ্ধ শক্তিৰ।

ৰক্তবৰ্ণ প্ৰতিজ্ঞাৰে গঢা শ্বহীদৰ মৃত্যুঞ্জয়ী ত্যাগ সিদিনা সাৰ্থক হ'ব যিদিনা আমি পুৰঠ চিন্তাৰে মানবীয় প্ৰমূল্যবোধৰ উত্তৰণ ঘটাই গণতান্ত্ৰিক ভেটিত খোজ দিব পাৰিম।

জয়তু মঙলদৈ মহাবিদ্যালয়
জয় আই অসম, কৃতজ্ঞতাৰে
হেমন্ত কুমাৰ শৰ্ম্মা
উপ-সভাপতি, ছাত্ৰ একতা সভা



## সহকাৰী সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা

মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদনৰ আৰম্ভনিতে বিগত দিন সমূহত জাতীয় স্বকীয়তা ৰক্ষাৰ হেতুকে মাতৃভূমিৰ নিমিত্তে প্ৰাণ আহুতি দিয়া বীৰ লাচিতৰ অনুগত সকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

অসমৰ ৰাজনৈতিক, শৈক্ষিক, আৰ্থসামাজিক প্ৰেক্ষাপটত ছাত্ৰ ছাত্ৰী সকলৰ এটি গৌৰৱোজ্জল ইতিহাস আছে। অসমৰ ছাত্ৰ সমাজৰ এটি অভিন্ন অংগ হ'ল মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল, এই ঐতিহ্যমণ্ডিত ছাত্ৰ-ছাত্ৰী সকলৰ নেতৃত্ব লোৱাৰ সুযোগ দিয়াৰ বাবে মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বান্ধু-বান্ধৱী আৰু কৰ্মকৰ্তালৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

দৰং জিলাৰ উচ্চশিক্ষাৰ প্ৰাণকেন্দ্ৰ মঙলদৈ মহাবিদ্যালয় খনি জিলা খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ আশা-আকাংক্ষাৰ একমাত্ৰ স্থলী কিন্তু পৰিতাপৰ বিষয় এয় যে ১৯৫১ চনত স্থাপিত হোৱা মঙলদৈ মহাবিদ্যালয় খনিত যিধৰণে বৌদ্ধিক চিন্তা-চৰ্চাই গাকৰি উঠিব লাগিছিল তাৰ অনুপাত নোহোৱাটো পৰিলক্ষিত হৈছে।

বিভিন্নতা অভাৱ-অভিযোগ, ঘাত-প্ৰতিঘাতৰ মাজতো মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলে শৈক্ষিক, খেলা-ধূলা, সাংস্কৃতিক, সাহিত্য আদি বিষয় সমূহত সুনাম অৰ্জন কৰিবলৈ সমৰ্থ হৈছে।

পৰৱৰ্ত্তী দিন সমূহত মঙলদৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই মহাবিদ্যালয় খনিত ছাত্ৰ-ছাত্ৰী সকলে ভোগ কৰি থকা সমস্যা সমূহ সমাধা কৰাত গুৰুত্ব দি ছাত্ৰ-ছাত্ৰী সকলৰ মানসিক বৌদ্ধিক বিকাশত অৰিহণা যোগাব বুলি আশা ৰাখিছোঁ।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্য্যকালত সহায় সহযোগিতা কৰা সকলোলৈ ধন্যবাদ আৰু মহাবিদ্যালয় বৃহৎ পৰিয়ালৰ সকলোটিলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰি এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

ইতি-

জয়তু মঙলদৈ মহাবিদ্যালয়
জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয়আই অসম

মনিময় গোস্বামী
সহঃ সাধাৰণ সম্পাদক
মঙলদৈ মহাবিদ্যালয়, ছাত্ৰ একতা সভা



## সম্পাদকৰ, খেল বিভাগ

দাৰ্শনিক জন্ ডিউইৰ মতে, খেলাই জীৱন, (Play is Life) প্ৰয়োগ বাদ দৰ্শনৰ দৃষ্টিভংগীৰ পৰা চালে খেলাই ব্যক্তিৰ স্বাভাৱিক সক্ৰিয়তা আৰু মুক্ত স্বতঃ স্ফুৰ্ত্ততা প্ৰকাশ কৰে। খেলৰ সৰ্বাত্মক প্ৰভাৱৰ দৃষ্টিকোণৰ পৰা কোৱা হয় যে, খেল পথাৰো হৈছে এখন আৱৰণ হীন স্কুলহে মাথোন।

একঘেয়ামীৰ পৰা কিঞ্চিত হ'লেও দূৰত থাকি পৰম্পৰকো হৰণ-ভগন নকৰাকৈ বিগত সময়ছোৱাত খেলবিভাগৰ সম্পাদক হিচাপে মোৰ কাৰ্য্যক্ৰমণিকাৰ চমুৰেখা এনে ধৰণৰ

**মহাবিদ্যালয় সপ্তাহ ঃ** ছাত্ৰ একতা সভাই কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই ২৬-১২-৯৪ তাৰিখৰ পৰা ৩০-১২-৯৪ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ পৰিচালনা কৰাৰ দায়িত্ব ভাৰ গ্ৰহণ কৰিব লগা হ'য়। অতি গৌৰৱৰ বিষয় যে মোৰ কাৰ্য্যকালত বৃহৎ সংখ্যক ছাত্ৰ ছাত্ৰীয়ে প্ৰতিযোগিতা সমূহত যোগদান কৰি খেলুৱৈ সলুভ মনোভাৱেৰে নিজস্ব প্ৰতিভাৰ পৰিচয় দিয়ে। পৰম্পৰা ৰক্ষা কৰি খেল পথাৰ অধ্যক্ষ মহোদয়ৰ দ্বাৰা উদ্বোধন কৰা হয়। ক্ৰীড়াশুভণিৰ সুচনা কৰাৰ নিমিত্তে প্ৰাক্তন খেল সম্পাদক শ্ৰীপ্ৰনৱ বৰুৱা আৰু প্ৰতিভাৱান খেলুৱৈ ৰবীন বসুমতাৰীয়ে অলিম্পিক শিখা প্ৰজ্বলন কৰে।

তীব্ৰ প্ৰতিদ্বন্দ্বিতা আৰু উত্তেজনা, তমুল হৰ্ষোল্লাসৰ মাজেৰে সম্পন্ন হৈছিল সকলো বিভাগৰ খেল। আমাৰ দৃষ্টি কিন্তু প্ৰতি মুহূৰ্ত্তে প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ সন্ধানত ব্যস্ত আছিল। শ্ৰেষ্ঠ বহিঃদ্বাৰ খেলুৱৈ (ল'ৰাৰ) শ্ৰীনোমল নাথ আৰু ছোৱালীৰ বিভাগত শ্ৰী মনিকা ডেকাই শ্ৰেষ্ঠ বহিঃদ্বাৰ খেলুৱৈ হিচাপে পৰিগণিত হয়।

**কাবাদী ঃ** সম্পূৰ্ণ নিয়মানুবৰ্ত্তিতা, শৃংখলা ৰক্ষা কৰি উপযুক্ত ছাত্ৰ-ছাত্ৰীক জিলা পৰ্য্যায়ত খেলাৰ সুযোগ দিয়াৰ উদ্দেশ্য আগত ৰাখি মহাবিদ্যালয় সপ্তাহত বিপুল ছাত্ৰ-ছাত্ৰীৰ সঁহাৰিত কাবাদী প্ৰতিযোগিতা খনি সুকলমে অনুষ্ঠিত হৈ যায়। ল'ৰাৰ বিভাগত কমল দেৱৰ দলে শ্ৰেষ্ঠ বিজয়ী দল হয় আৰু ৰমেশ নাথৰ দল ৰানাৰআপ হয়। ছোৱালীৰ বিভাগত মনিকা ডেকাৰ দল চুড়ান্ত বিজয়ী হয়

আৰু ভাৰতী হাজাৰিকাৰ দলে ৰানাৰআপ হয়।
ভলীবল ঃ ভলীবল চূড়ান্ত খেলত ৰবীন বসুমতাৰীৰ দলে আব্দুল মজিদৰ দলক পৰাজিত কৰি চেম্পিয়নশ্বিপ অৰ্জন কৰে।
প্ৰবল ইচ্ছা সত্বেও বহুখেল সা-সামগ্ৰীৰ অভাৱৰ হেতুকে পাতিব পৰা ন'গল।
মাৰাথান ঃ গতানুগতিকতাৰে মাৰাথান প্ৰতিযোগিতা খন অনুষ্ঠিত হৈ যায়। ছিপাঝাৰৰ পৰা মঙলদৈ মহাবিদ্যালয়লৈ হোৱা মাৰাথান দৌৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ স্থান অধিকাৰ কৰে শ্ৰী অমূল্য ডেকাই। প্ৰতিযোগিতাৰ দ্বাৰা উপকৃত হয় বিভিন্ন ছাত্ৰ-ছাত্ৰী। উদাহৰণ স্বৰূপে অমূল্য ডেকা, জুবেল ভট্ট, ঈশ্বৰ চন্দ্ৰ নাথ যি আজি অসমৰ বিভিন্ন ঠাইত সন্মান বুটলিবলৈ সক্ষম হৈছে।
আন্তঃ শ্ৰেণী ফুটবল প্ৰতিযোগিতা ঃ উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ আৰু মহাবিদ্যালয়ৰ ছাত্ৰ বাসৰ মাজত অনুষ্ঠিত হোৱা উদ্বোধনী খেলৰ জৰিয়তে যোৱা ২১/১১/৯৫ তাৰিখৰ পৰা ১/১২/৯৫ তাৰিখলৈ আন্তঃ শ্ৰেণী ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হয়। খেল পথাৰ উদ্বোধন কৰে শ্ৰদ্ধাৰ খেল বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক ড০ আমানুল হক চাৰ আৰু মঙলদৈ মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি শ্ৰীযুত পুণ্য শৰ্মা চাৰে। প্ৰতিযোগিতাত মুঠ ১০টা দলে অংশ গ্ৰহণ কৰিছিল। চূড়ান্ত খেলৰ দুয়োদলৰ লগত খেল পথাৰ উদ্বোধক দুয়ক চিনাকী কৰাই দিয়া হয়। প্ৰতিযোগিতাত চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰে ছাত্ৰ একতা সভাই আৰু ৰাণাৰআপ হয় স্নাতক (কলা) ১ম বৰ্ষ।
অভাৱ অভিযোগ ঃ আমাৰ ছাত্ৰ একতা সভাই বিগত দিনবোৰত কৰ্তৃপক্ষক বিভিন্ন অভাৱ অভিযোগ সম্পৰ্কে বাৰে বাৰে জনাই আহিছিলোঁ কিন্তু কৰ্তৃপক্ষৰ নিষ্ক্ৰীয় মনোভাৱৰ বাবে অভাৱ সমূহ অভাৱ হৈয়েই থাকিল।

(১) উপযুক্ত খেলৰ সামগ্ৰী যোগান নধৰা
(২) ৪০০ মিটাৰ ট্ৰেকৰ অভাৱ।
(৩) চাৰিবেৰ নোহোৱা বাবে খেল পথাৰ চৰণীয়া পথাৰত পৰিনত।
(৪) খেল পথাৰ খনৰ দীঘ পশ্চিম মূৰা হোৱা বাবে ফুটবলৰ অনুপযোগী।
(৫) খেল বিভাগৰ পুঁজি নিচেই তাকৰীয়া যাৰ বাবে আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব পৰা ন'গল। কিন্তু ৯৪-৯৫ বৰ্ষৰ পৰা পৰিচালনা সমিতিয়ে মাচুলৰ নিৰিখ বৃদ্ধি কৰা বাবে নতুন বৰ্ষৰ ছাত্ৰ একতা সভা সমূহে পূৰ্বৰ এই সমস্যাটোৰ পৰা হাত সাৰিব পাৰিব

ওপৰোক্ত অভাৱ অভিযোগবোৰ প্ৰতিবেদনৰ জৰিয়তে কতৃপক্ষক পুণৰবাৰ অবগত কৰিলোঁ যাতে, ভৱিষ্যতৰ দিনত ছাত্ৰ-ছাত্ৰীয়ে সেইবোৰৰ সন্মুখীন নহয়। ব্যক্তিগত প্ৰচেষ্টাৰে খেল বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক, ছাত্ৰ একতা সভাৰ উপসভাপতি সমন্বিতে জিলা গ্ৰাম্য উন্নয়ন সংস্থাৰ ওচৰত খেল পথাৰ মেৰামতি আৰু লোৰ গ'ল পোষ্টৰ বাবে আবেদন কৰিছিলোঁ কিন্তু আমাৰ কাৰ্যাকাল উকলি যোৱা বাবে নতুন একতা সভাই সেয়া সম্ভৱ কৰিব বুলি আশা ৰাখিলোঁ।
সামৰণি ঃ মোৰ কাৰ্যাকালত বিভিন্ন সময়ত বিভিন্ন দিশত দিহা পৰামৰ্শ ও নিজৰ ছাঁৰ দৰে লগত থাকি সহায় সহযোগ আগবঢ়াই দিয়া মাননীয় শিক্ষা গুৰু ড০ আমানুল হক ছাৰলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু সমূহ বন্ধু বান্ধৱী আৰু ছাত্ৰ ছাত্ৰীলৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সৰ্বশেষত কৰ্তব্যৰ খাতিৰতেই বা অজানিতেই মোৰ কাৰ্যাকালত নিয়ম শৃংখলাৰ বৃহত্তৰ স্বাৰ্থত কাৰোবাৰ প্ৰতি যদি অজ্ঞাত ভুল কৰিছিলোঁ তাৰ বাবে ক্ষমা মাগি সকলোলৈকে ধন্যবাদ তথা শলাগৰ শৰাই আগবঢ়াই মঙলদৈ মহাবিদ্যালয়ৰ সকলো দিশতে উন্নতিৰ কামনাৰে মোৰ প্ৰতিবেদন সামৰিছোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম

মুকুট হাজৰিকা
সম্পাদক খেল বিভাগ, ১৯৯৪-৯৫ বৰ্ষ
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা



## সম্পাদক, সমাজ সেৱা

লিখনিৰ জপনামুখতে মই সেই সকল ছাত্ৰ ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দ জ্ঞাপন কৰিছোঁ; যি সকল ছাত্ৰ-ছাত্ৰীৰ সহায় সহযোগিতাই মোক মহান মঙলদৈ মহাবিদ্যালয়ৰ "সমাজ সেৱাৰ" সম্পাদক পদত তেওঁলোকৰ বহুমূলীয়া ভোটেৰে জয়যুক্ত কৰি প্ৰতিবেদন লিখাৰ সুবিধা কণ দিলে। লগতে আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ যি সকল সুযোগ্য সন্তানে দেশমাতৃৰ অস্তিত্ব ৰক্ষাৰ বাবে নিজৰ প্ৰাণ আহুতি দি শ্বহীদ নামেৰে অমৰ হৈ ৰ'ল।

প্ৰকৃত সমাজ সেৱা হৈছে শোষিত জনগনৰ মুক্তিৰ হকে চলোৱা এক পৱিত্ৰ সংগ্ৰাম।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতেই আহি পৰে বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ এই উপলক্ষ্যে "সমাজ সেৱা" বিভাগৰ দ্বাৰা মহাবিদ্যালয়ৰ চাৰি চৌহদ পৰিস্কাৰ কৰা লগতে গছ গছনিত চূন দিয়া হয়। মহাবিদ্যালয় সপ্তাহত "সমাজ সেৱা" বিভাগৰ জৰিয়তে শ্ৰমদান প্ৰতিযোগিতা পতা হয়। এই প্ৰতিযোগিতাত বহুতো ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। আৰু এই বছৰৰ শ্ৰেষ্ঠ সমাজ কৰ্মীৰ সন্মান লাভ কৰে শ্ৰী নৃপেন কুমাৰে। এই সুযোগতে তেওঁলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

এই বছৰ মঙ্গলদৈ মহাবিদ্যালয়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুদানত যোৱা ১৮/৩/৯৫ তাৰিখৰ পৰা ২৭/৩/৯৫ তাৰিখলৈ "অবশেষ সমাজ সেৱা" শিৱিৰ অনুষ্ঠিত হৈ যায়। এই শিৱিৰত মহাবিদ্যালয়ৰ চাৰি চৌহদ পৰিস্কাৰ কৰা, বাট পথ মেৰামতি কৰাৰ উপৰিও গেৰিমাৰিস্থ "দৰং জিলা বিকলাঙ্গ পৰিষদৰ কাৰ্য্যালয়" আৰু পশিক্ষণ কেন্দ্ৰলৈ যোৱা পথ নিৰ্মাণ আৰু উক্ত কেন্দ্ৰৰ উন্নয়ন মূলক কাম কৰা হয়। শিৱিৰ সামৰণি অনুষ্ঠানৰ আগতে প্ৰতি খেলৰ আয়োজন কৰা হয়। উক্ত খেলখন পৰিচলনা কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ "শ্ৰেষ্ঠ সমাজ সেৱক মাননীয় শ্ৰী ইন্দ্ৰকোঁচ দেৱে। সামৰণি সভাত সভাপতিত্ব কৰে অধ্যক্ষ মঙ্গলদৈ মহাবিদ্যালয়ৰ মাননীয় শ্ৰী শিৱকান্ত শৰ্ম্মাদেৱে। মুখ্য অতিথিৰ আসন গ্ৰহণ কৰে প্ৰধান চন্দ্ৰ দাস ৰাঃ সেঃ আঃ সমন্নয় ৰক্ষী বিষয়া গুৱাহাটী বিশ্ববিদ্যালয়। আৰু বিশিষ্ট অতিথি আছিল ডাঃ মুকুট শৰ্ম্মা সম্পাদক ৰেডক্ৰচ চোছাইটি, দৰং।

মহাবিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰী আৰু ছাত্ৰা বাসৰ লগতে ছাত্ৰী নিবাসৰ ছাত্ৰ-ছাত্ৰী সকলে ভোগ কৰি অহা অসুবিধা বোৰ হয়তো সকলোৰে জ্ঞাত। অধ্যক্ষ মহোদয়লৈ বিনম্ৰ অনুৰোধ থাকিল যেন সোনকালে ছাত্ৰ-ছাত্ৰী সকলৰ অভাৱ অভিযোগ সমূহ পুৰণ কৰি ছাত্ৰ-ছাত্ৰী সকলক শিক্ষাৰ প্ৰতি উৎসাহী কৰি তুলিব।

শেষত মোৰ কাৰ্য্যকালত প্ৰতিটো পদক্ষেপতে বিভিন্ন দিশত বিভিন্ন পৰাৰ্শৰে সহায় সহযোগিতা কৰা ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় জামালুদ্দিন আহমেদ চাৰ আৰু অধ্যক্ষ মাননীয় শিৱ কান্ত শৰ্ম্মা চাৰৰ লগতে সকলো শিক্ষাগুৰুলৈ মোৰ অন্তৰ ভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত বিভিন্ন দিশত সহায় কৰি অহা সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীলৈ মোৰ হিয়া ভৰা মৰম যাচিলোঁ আৰু বিগত বছৰৰ জ্ঞাত অজ্ঞাত ভুলৰ বাবে ক্ষমা ভিক্ষা মাগি সম্পাদকীয় প্ৰতিবেদনৰ ইতি ৰেখা টানিলোঁ। ধন্যবাদেৰে

কুশল কুমাৰ শৰ্ম্মা
মঙ্গলদৈ মহাবিদ্যালয়।

## সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা



প্ৰতিবেদনৰ আৰম্ভণিতে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ জনাইছোঁ। ১৯৯৪-৯৫ বৰ্ষৰ নিৰ্ব্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে মহাবিদ্যালয়ৰ "ছাত্ৰী জিৰণি কোঠাৰ" নিচিনা এটা গুৰুত্বপূৰ্ণ পদবীৰ দায়িত্ব মোক যি বিশ্বাস আৰু আন্তৰিকতাৰে অৰ্পণ কৰিলে তাৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰলোঁ।

সম্পাদিকা ও ছাত্ৰী হিচাবে এইকেইটা দিনত কি কৰিব পাৰিলো আৰু কিমান কৰিলোঁ সেইবোৰ বিচাৰ কৰি চোৱাৰ ক্ষমতা আৰু অধিকাৰো আপোনালোকৰ হাততেই। অৱশ্যে মই স্বীকাৰ কৰিবই লাগিব যে, "মহাবিদ্যালয় সপ্তাহৰ" নিচিনা এটা প্ৰধান অনুষ্ঠানত আপোনালোকৰ সহযোগেই আছিল মোৰ প্ৰধান সম্বল।

মোৰ কাৰ্যাকালৰ আৰম্ভণিৰ পৰা শেষলৈ অকণো অসুবিধাৰ সন্মুখীন হব নলগাকৈ চোৱা-চিতা কৰি থাকি সহায়ৰ হাত আগবঢ়োৱা মোৰ শ্ৰদ্ধাৰ মাননীয় অধ্যক্ষ মহোদয় আৰু ভাৰপ্ৰাপ্ত অধ্যাপিকা মাননীয়া শ্ৰীৰানু কলিতা বাইদেউলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মোৰ সহপাঠী ও বন্ধু-বান্ধৱী সকলৰ সহায় সহযোগিতাৰ বাবে ধন্যবাদ জনাইছোঁ।

এইখিনিতে মই বিগত কাৰ্য্যকালৰ এটা খতিয়ান এই প্ৰতিবেদনৰ জৰিয়তেই দাঙি ধৰিব যত্ন কৰিছোঁ দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ পিছতেই মই ছাত্ৰী জিৰণি কোঠাৰ বহুতো অসুবিধাৰ সন্মুখীন হওঁ। আগৰ কাৰ্যাকালৰ বহুতো প্ৰয়োজনীয় বস্তু অচল অৱস্থাত গ্ৰহণ কৰিব লগীয়া হোৱাত সেইবোৰ মেৰামতি কৰি তাক পুণৰ ব্যৱহাৰৰ উপযোগী কৰি তুলিবলৈ সমৰ্থ হওঁ। মহাবিদ্যালয় সপ্তাহৰ বাবে ছাত্ৰী সমূহৰ প্ৰতিভা বিকাশত সুবিধা অকণ দিবৰ বাবেই বিভিন্ন খেলৰ সামগ্ৰীৰ উপৰিও প্ৰয়োজনীয় আন কেতবোৰ সামগ্ৰীও ক্ৰয় কৰিবলগীয়া হয়। (আৰশ্যে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ কতৃপক্ষৰ সহযোগেও এই ক্ষেত্ৰত মোক সহায় কৰিছে।) মোৰ বিভাগৰ তৰফৰ পৰা টেবুল টেনিচ, কেৰম, বেড়মিণ্টণ ডবা আদি খেলবোৰ অনুষ্ঠিত কৰা হৈছিল। ছাত্ৰ-ছাত্ৰী সমূহৰ সহায় সহযোগ আছিল আশা কৰাৰ দৰেই সঁহাৰি পূৰ্ণ। দুখৰ বিষয় প্ৰতিযোগিতা সমূহত যোগদান কৰা প্ৰতিযোগীৰ সংখ্যা আছিল সীমিত।

অৱশ্যে মই ছাত্রীৰ সংখ্যালৈ চাই কেইটামান দিশত অলপ অভাৱ অনুভৱ কৰিছিলোঁ, যেনে জিৰণীৰ সময় চোৱাত অনুশীলনৰ লেখীয়াকৈ ছাত্রী সমূহে সীমিত খেলৰ সামগ্ৰী থকাৰ পিছতো কোনো ধৰণৰ আগ্ৰহ প্ৰকাশ নকৰে। কোনো ধৰণৰ অনুশীলণ নোহোৱাকৈয়ে মহাবিদ্যালয় সপ্তাহৰ নিচিনা এটা বিৰাট অনুষ্ঠানত অনুষ্ঠিত হোৱা প্ৰতিযোগিতা বোৰত সেয়ে তেওঁলোকৰ খেলবোৰ অতি নিম্ন মানদণ্ডৰ হয়। মই আশা কৰোঁ ভৱিষ্যতে যাতে তেওঁলোকে অনুশীলণৰ জৰীয়তে অংশগ্ৰহণ কৰি প্ৰতিযোগিতাত শক্তিশালী ৰূপ প্ৰদৰ্শন কৰি দৰ্শকৰ মন আকৰ্ষণ কৰে।

ছাত্রী জিৰণি কোঠাৰ অভাৱ অভিযোগ বোৰ আজি সকলোৰে দৃষ্টিগোচৰ। এই ক্ষেত্ৰত যদি সকলো ছাত্রীয়ে সম্পাদিকাৰ লগত এক গোট হৈ থিয় দিয়ে, মোৰ বিশ্বাস নিশ্চয় জিৰণি কোঠাৰ উন্নতি সাধন হ'ব। মই আশাকৰো ভৱিষ্যতৰ এই বিভাগৰ সম্পাদকা সকলে এই ক্ষেত্ৰত আগ ভাগ লব। মোৰ কাৰ্য্যকালত এইখিনি কৰিব নোৱাৰি মই দুখ অনুভৱ কৰিছো। জিৰণি কোঠাটো আপোনালোকৰেই আৰু ইয়াৰ অভাৱ অভিযোগ বোৰো আপোনালোকৰেই।

''ছাত্রী জিৰণি কোঠাৰ'' সম্পাদিকা হৈ কাৰ্য্যভাৰ চলাই নিয়াত ভুল ভ্ৰান্তি হোৱাতো স্বাভাৱিক। অজানিতে অনিশ্চাকৃত ভাবে কৰা ভুল ক্ৰতিবোৰৰ বাবে সুবিধা পাই প্ৰতিবেদনৰ জৰিয়তেই ক্ষমা বিচাৰিছো।

সামৰণি মই পুনৰবাৰৰ বাবে বিশেষকৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক ভবেন কুমাৰ ডেকা আৰু সমূহ বিষয় ববীয়া সতীৰ্থ সকলে আগবঢোৱা দিহা পৰামৰ্শ সহায়ৰ বাবে শ্ৰদ্ধা আৰু ধন্যবাদ দনালো।

মঙ্গলদৈ মহাবিদ্যালয় উত্তৰোত্তৰ উন্নতি কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু মঙ্গলদৈ মহাবিদ্যালয়,

জয়তু মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

জয় আই অসম।

নমিতা চহৰীয়া

সম্পাদিকা, ছাত্রী জিৰণি কোঠা।

## সম্পাদক, সংগীত আৰু সংস্কৃতিক বিভাগ



বাৰে ৰহনীয়া সংস্কৃতিৰে মনোমহা অসমৰ বিভিন্ন শিক্ষানুষ্ঠান সমূহৰে এখন আমাৰ আদৰৰ মহাবিদ্যালয় হ'ল মঙ্গলদৈ মহাবিদ্যালয়। মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংগীত আৰু সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদনৰ আৰম্ভনিতে জাতীয় সংস্কৃতিৰ প্ৰতীক মাতৃ ভাষাৰ স্বকীয়তা ৰক্ষাৰ আন্দোলনকে ধৰি বিভিন্নসময়ত নিজৰ মাতৃভূমিৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকলৈলে মই শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিছো।

অসমৰ সাংস্কৃতিক ঐতিহ্যই জাতিটোৰ মূল কৰ্ম শক্তি। সংস্কৃতি হ'ল জাতি এটাৰ সামূহিক ছাঁ। গতিকে সময়ৰ লগে লগে ই পৰিবৰ্তিত। ইয়াতে প্ৰতিফলিত হয় এটা জাতিৰ অতীত বৰ্তমান ভবিষ্যত। এই সংস্কৃতিক এনাজৰীৰ বান্ধোন কটকটীয়া কৰাৰ বাবে বৰ্তমান সময়ত বন্দুক-বাৰুদৰ সলনি সাংস্কৃতিক উপাদান সমূহ হে বেছি উপযোগী হব। বৰ্তমান সময়ত আমাক এক বহল দৃষ্টি ভঙ্গীৰ সাংস্কৃতিক বিপ্লৱৰ প্ৰয়োজন হৈছে। হয়তো তেতিয়াহে হব অশান্ত অসম শান্ত.....।

মঙলদৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ গৌৰৱময় ঐতিহ্য আছে। সেয়ে সাংস্কৃতিক বিভাগৰ সম্পাদকৰ গুৰু দায়িত্ব মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে গনতান্ত্ৰিক পদ্ধতিৰে দিয়াত প্ৰথমে চিন্তিত হৈছিলো। কিন্তু পিছলৈ সকলোৰে উৎসা আৰু অনুপ্ৰেৰণা পাই বহুখিনি সাহস পালো। এই সুযোগতে মহাবিদ্যালয়ৰ সংগীত আৰু সাংস্কৃতিক সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধবীলৈ ধন্যবাদ জনাইছো। সাংস্কৃতিক সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই সন্মুখীন হওঁ। মহাবিদ্যালয় সপ্তাহৰ।

মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ দ্বাৰা আধুনিক সংগীত লোক সংগীত আৰু শাস্ত্ৰীয় সংগীত প্ৰতিযোগিতাৰ উপৰিও বাদ্য বাদন নৃত্য আৰু মুকাঅভিনয়, ব্যঙ্গাত্মক নাট আৰু 'নাট' প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতা সমূহত বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰে যদিও কিছুমান প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা আশাপ্ৰদ আছিল। বিশেষকৈ শাস্ত্ৰীয় সংগীত আৰু নৃত্য প্ৰতিযোগীতাতৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ নীৰৱ ভূমিকা পৰিলক্ষিত হৈছিল। এই নৃত্য গীতৰ প্ৰতি ভৱিষ্যতৰ দিন সমূহত ছাত্ৰ-ছাত্ৰী সকলে অধিক পৰিমানে মনোযোগ দিব বুলি আশা কৰিছো। মঙলদৈতে নহয় সমগ্ৰ অসমতে ধ্ৰুপদ, টপ্পা, পাখোৱাজ, ভাৰত নাট্যম আদিক লৈ চিন্তা চৰ্চা কৰা মানুহ নিশ্চয় আঙুলিৰ মূৰত লেখিব পৰা যাব। ইয়াৰ উপৰি লোক সংগীতৰ ক্ষেত্ৰতো কিছু

নতুন চিন্তা চৰ্চাৰ প্ৰয়োজন হৈছে। দৰং জিলাৰ এটা অন্যতম সাংস্কৃতিক ঐতিহ্য হ'ল ইয়াৰ লোক সংগীত। লগতে ওজা পালি, জিকিৰ আৰু জনজাতীয় দেওধনী, খেৰাই নৃত্যও লোক সংস্কৃতিৰ বাবে বিখ্যাত। গতিকে দৰং জিলাৰ উচ্চ শিক্ষাৰ ঘাই কেন্দ্ৰ হিচাপে মঙলদৈ মহাবিদ্যালয়ত এই উপাদান সমূহৰ আখৰাকে ধৰি বিকাশৰ বাবে ব্যৱস্থা লোৱাটো আন্তৰিকতাৰে কামনা কৰিছোঁ।

বিভিন্ন অভাৱ অভিযোগ আৰ্থিক নাটনিৰ সত্বেও মঙলদৈ মহাবিদ্যালয়ৰ তৰফৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱমহোৎসৱত যোগদান কৰি মহাবিদ্যালয় খনিৰ সাংস্কৃতিক বিভাগটোলৈ সুনাম কৰি অনাটো মোৰ কাৰ্য্যকালৰ এটা সাফল্যৰ দিশ হিচাপে বিবেচনা কৰিব পাৰি। বিগত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুব মহোৎসৱত যোগদান কৰি মহাবিদ্যালয়ৰ মুকাভিনয়ৰ দলটোৱে শ্ৰেষ্ঠ দল, ব্যঙ্গাত্মক নাটকৰ দলটোৱে দ্বিতীয় শ্ৰেষ্ঠ দল আৰু মহাবিদ্যালয়ৰ সপ্তাহৰ শ্ৰেষ্ঠ অভিনেত্ৰী মিচ্ ধনদা হাজৰিকাই সহঃ শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান মহাবিদ্যালয়খনলৈ কঢ়িয়াই অনাটো গৌৰৱৰ বিষয়।

মঙলদৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগটোৰ অৱস্থা আজি পানীত হাঁহ নচৰা বিধৰ হৈ পৰিছে। দৰং জিলাৰ উচ্চ শিক্ষাৰ প্ৰাণ কেন্দ্ৰ মঙলদৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভা'গত এপদো বাদ্যযন্ত্ৰ নথকাটো অতি দুৰ্ভাগ্য জনক। যদি এই সমূহ সমস্যাৰ ক্ষেত্ৰত কতৃপক্ষই গুৰুত্ব দিয়ে তেন্তে হলে ভৱিষ্যতৰ দিনত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে সংগীত আৰু সাংস্কৃতিক দিশত আৰু অধিক সাফল্য কঢ়িয়াই আনিব বুলি আশা কৰিব পাৰি।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত সকলো সময়তে মোৰ ওচৰত থাকি দিহা পৰামৰ্শৰে সহায় সহযোগ কৰা সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত শিক্ষক শ্ৰী যুত প্ৰণৱ কুমাৰ শৰ্ম্মা চাৰ, মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু শিক্ষা গুৰু বৃন্দলৈ কৃতজ্ঞতা জনাইছোঁ। লগতে মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সমূহ বিষয় ববীয়াকে ধৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী যি সকলে মোৰ কাৰ্য্যকালত অশেষ কষ্ট স্বীকাৰ কৰি মোক সহায়ৰ হাত আগবঢ়ালে সেই সকললৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ। শেষত কাৰ্য্যকালত কৰা ভুল ক্ৰুতিৰ বাবে সংশ্লিষ্ট সকলোলৈ ক্ষমা প্ৰাৰ্থনাৰে সকলোলৈ পুনৰ বাৰ সাংস্কৃতিক অভিনন্দন জ্ঞাপন কৰি এই প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ। ধন্যবাদেৰে

"জয়তু মঙলদৈ মহাবিদ্যালয়"

মানৱ প্ৰতীম দাস
সম্পাদক সংগীত আৰু সাংস্কৃতিক বিভাগ
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

## সম্পাদক, সাহিত্য বিভাগ



যি সকল ব্যক্তিৰ সহানুভূতিৰ বাবে এখন বৃহৎ অনুষ্ঠানৰ অকণমান সেৱা কৰা সুবিধা পালো, প্ৰতিবেদনৰ আৰম্ভণিতে সেই সকল ব্যক্তিলৈ মোৰ কৃতজ্ঞতা থাকিল।

দেখি শুনি হোৱা অভিজ্ঞতা আৰু নিজে ঠেকি শিক্ষা অভিজ্ঞতা দুটা বেলেগ বস্তু। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই যেতিয়া সাহিত্য বিভাগৰ বিভিন্ন কাম-কাজবোৰ কৰিবলৈ আগবাঢ়িলোঁ, প্ৰতিপক্ষৰ হেচাত সকলোবোৰ কাৰ্যসূচী স্তব্ধ হ'ব বাধ্য হ'ল।

কলেজ সপ্তাহৰ সাহিত্য বিভাগৰ শ্ৰেষ্ঠ প্ৰতিযোগী সকল হ'ল –

(১) থিতাতে লিখা চিঠি প্ৰতিযোগিতাত প্ৰথম স্থান শ্ৰী অৱনী নাথ।

(২) থিতাতে লিখা কবিতা প্ৰতিযোগিতাত প্ৰথম স্থান মিচ্ জুনুমণি ডেকা

(৩) অসমীয়া কবিতা আবৃত্তিত প্ৰথম স্থান মিচ্ পল্লবী চহৰীয়া।

(৪) ইংৰাজী কবিতা আবৃত্তিত প্ৰথম স্থান শ্ৰী হেমন্ত কুমাৰ শৰ্মা।

(৫) গল্প প্ৰতিযোগিতাত প্ৰথম স্থান শ্ৰী টংকেশ্বৰ বৰুৱা।

(৬) প্ৰবন্ধ প্ৰতিযোগিতাত প্ৰথম স্থান শ্ৰীমৃদুল কুমাৰ চহৰীয়া।

(৭) প্ৰবন্ধ প্ৰতিযোগিতাৰ উচ্চতৰ মাধ্যমিকৰ বাবে অনুষ্ঠিত কৰা ৩য়শ্ৰেষ্ঠ প্ৰতিযোগী মিচ দুলুমণি ভট্টাচাৰ্য্য।

ইয়াৰ উপৰিও যি সকল প্ৰতিযোগীয়ে সাহিত্য বিভাগৰ প্ৰত্যেকটো বিভাগতে যোগদান কৰি প্ৰতিযোগিতাখন চলাই নিয়াত সহায় কৰিলে, সেই সকল ব্যক্তিলৈ মোৰ চিৰ কৃতজ্ঞতা থাকিল।

সাহিত্য বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীখগেন্দ্ৰ কুমাৰ নাথ, শ্ৰীইদ্ৰিচ আলি, শ্ৰীডিম্বেশ্বৰ বৰুৱা, ডঃ ৰমেন ৰয়, শ্ৰী নিহাৰঞ্জন মিশ্ৰ, শ্ৰী পৰেশ শৰ্ম্মা চাৰ আৰু শ্ৰীভাৰতী গোস্বামী বাইদেউলৈ সাহিত্য বিভাগৰ বিভিন্ন কাম কাজবোৰত দিহা পৰামৰ্শ দিয়াৰ বাবে শ্ৰদ্ধা জনাইছোঁ।

শেষত অজানিত ভুল ত্ৰুতিৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদন সামৰণি মাৰিছোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়।

দীপক ডেকা

সাহিত্য সম্পাদক, মঙলদৈ মহাবিদ্যালয়।

## সম্পাদক, ব্যায়ামশালা বিভাগ



বিনা প্ৰতিদ্বন্দ্বিতাৰে ব্যায়ামশালা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰাত সকলো ছাত্ৰ-ছাত্ৰীকে কৃতজ্ঞতা জনাইছোঁ। সুস্থ জীৱনৰ বাবে সু-স্বাস্থ্য অপৰিহাৰ্য্য। শৰীৰ চৰ্চা সু-স্বাস্থ্যৰ অন্যতম চৰ্চা। এই দিশত ছাত্ৰ-ছাত্ৰী সকলে নিজে আগবাঢ়ি অহাটো যেনেদৰে এটা কৰ্ত্তব্য, সংশ্লিষ্ট সকলোৰে তেওঁলোকক প্ৰয়োজনীয় সা-সুবিধা প্ৰদান কৰাটোও এটা দায়িত্ব। আমাৰ মহাবিদ্যালয়ৰ পৰিসীমাৰ ভিতৰত শৰীৰ চৰ্চা জগতখনৰ বিদ্যাৰ্থী সকলৰ মাজত নতুন কিবা এটা উদাম জগাই তোলাৰ আন্তৰিক ইচ্ছা থকা সত্বেও তাক আশানুৰূপ ৰূপ দিয়াত শেষ পৰ্য্যন্ত মই নিঃস্ব অৱস্থাতে ৰ'লো। এইক্ষেত্ৰত আৰ্থিক আৰু আনুষঙ্গিক অসুবিধাবোৰ প্ৰধান অন্তৰাই আছিল।

গতানুগতিক ভাৱেই কাৰ্য্যকালৰ প্ৰথম ভাগতেই মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰা হয়। নতুনত্ব একো নাই। এই বিভাগৰ অন্তৰ্গত প্ৰতিযোগিতা সমূহ সুকলমেই অনুষ্ঠিত হয়। কিন্তু গুণগত মান আৰু প্ৰতিযোগীৰ সংখ্যাটোহে হতাশজনক আছিল।

মাৰ্জনা বিচাৰিছোঁ হৈ যোৱা অনিশ্চাকৃত ভুল ত্ৰুটিৰ বাবে। মোৰ কাৰ্য্যকালত দিহা পৰামৰ্শ দি সহায় কৰা বাবে মাননীয় অধ্যক্ষ মহোদয়, তত্বাবধায়ক অধ্যাপক মহোদয় আৰু লগতে সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়, ধন্যবাদেৰে

মুকুট কোচ

সম্পাদক, ব্যায়ামশালা বিভাগ

## সহঃ সম্পাদক, খেল বিভাগ



প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে বিনা প্ৰতিদ্বন্দ্বিতাৰে খেল বিভাগৰ সহঃ সম্পাদক হিচাপে নিৰ্ব্বাচিত হৈ মঙলদৈ মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে সকলো সতীৰ্থলৈ মোৰ আন্তৰিক ধন্যবাদ তথা হিয়াভৰা মৰম যাচিলো। তথা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু সকলো চাৰ বাইদেউলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

কাৰ্য্যভাৰ গ্ৰহণৰ কেইটামান দিন পিছতেই মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। এই মহাবিদ্যালয় সপ্তাহত খেল বিভাগটোৱে এক গুৰুত্ব পূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সকলো বিভাগৰ খেল প্ৰতিদ্বন্দ্বিতা মূলক আৰু যথেষ্ট উত্তেজনা পূৰ্ণ হৈছিল। প্ৰত্যেকটো বিভাগৰ খেলতে যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল। মহাবিদ্যালয় সপ্তাহৰ খেল বিভাগৰ অন্তিম দিনত মাৰাথান দৌৰ প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীঅমূল্য ডেকাই শ্ৰেষ্ঠ মাৰাথান দৌৰ বীৰ হিচাপে কৃতিত্ব অৰ্জন কৰে। এইখিনিতে নকৈ নোৱাৰিলোঁ যে তেওঁ অসমৰ বিভিন্ন ঠাইত অনুষ্ঠিত মাৰাথান দৌৰ প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ সুনাম কঢ়িয়াই আনে।

মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন খেল ধেমালিৰ উপৰিও আমাৰ কাৰ্য্য কালৰ দিনত আন্তঃ শ্ৰেণী ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাৰ চূড়ান্ত খেলত চলিত বৰ্ষৰ ছাত্ৰ একতা সভাৰ দলে স্নাতক প্ৰথম বাৰ্ষিক দলক পৰাস্ত কৰি চূড়ান্ত বিজয়ী দলৰ সন্মান অৰ্জন কৰে।

কৃতজ্ঞতা স্বীকাৰ : মোৰ কাৰ্যকালৰ প্ৰতিটো দিশত সহায় সহযোগিতা আৰু দিহা পৰামৰ্শ আগবঢ়োৱা ভাৰপ্ৰাপ্ত অধ্যাপক ডঃ আমানুল হক দেৱলৈ মোৰ শ্ৰদ্ধা পূৰ্ণ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। খেল বিভাগৰ বিভিন্ন দিশত পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু কুমুদ শৰ্মা, প্ৰণৱ শৰ্মা, ডিম্বেশ্বৰ

বৰুৱা, পৰেশ শৰ্মা, শচীন চহৰীয়া দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ। খেল বিভাগৰ সহঃসম্পাদক হিচাপে মহাবিদ্যালয়ৰ সেৱা আগবঢাবলৈ উৎসাহিত কৰাৰ লগতে সকলো সময়তে মোক সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ প্ৰশান্ত দা, ধ্ৰুৱ দা, আৰু সকলো শুভাকাংক্ষীলৈ মোৰ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্য্যকালৰ অজ্ঞাত ভুল ক্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মঙলদৈ মহাবিদ্যালয়ৰ চিৰ উজ্বল ভৱিষ্যৎ কামনা কৰি এই নিৰস প্ৰতিবেদনৰ সামৰি মাৰিলোঁ।

জয়তু মঙ্গলদৈ মহাবিদ্যালয়।

হিতেশ ডেকা
সহঃসম্পাদক খেল বিভাগ
মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

## সম্পাদক, তৰ্ক আৰু বক্তৃতা বিভাগ



বুকুত অসীম সাহস, বাহুত অসীম শক্তি লৈ নবজন্মৰ আত্ম প্ৰত্যয়েৰে মাতৃভূমিৰ মোৰ দুৰ্যোগৰ মুহূৰ্তত নিজৰ অমূল্য সম্পদ জীৱনক তুচ্ছ জ্ঞান কৰি আত্মোস্বৰ্গ দিব পৰা শ্বহীদ সকলক শ্ৰদ্ধাৰে সোঁৱৰিছো। আৰু এই সুযোগতেই আমাৰ অতি কৈ আপোন মঙ্গলদৈ মহাবিদ্যালয়ৰ ১৯৯৪-৯৫ বৰ্ষৰ ''তৰ্ক আৰু বক্তৃতা'' বিভাগৰ সম্পাদক হিচাবে বিপুল সমৰ্থনেৰে সেৱা আগবঢাবলৈ সুযোগ দিয়া সমবহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ হিয়াভৰা মৰম স্নেহ নিবেদন কৰিছো।

বিগত বছৰটিত কিবা কৰিব পাৰিলোনে নাই সেই বিচাৰটো আপোনালোকৰ হাতত দি বিগত বছৰটিৰ দুই ক্ৰটি কামৰ খতিয়ান তলত ডাঙি ধৰাৰ প্ৰয়াস কৰিছো।

মহাবিদ্যালয় সপ্তাহ ঃ

বিগত বছৰবোৰৰ দৰে এইবাৰো মহাবিদ্যালয় সপ্তাহ খুব জাক জমকতাৰে পতা হয়। উক্ত বিভাগৰ পৰা কুইজ, তৰ্ক, বক্তৃতা, আকস্মিক বক্তৃতা আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। উক্ত প্ৰতিযোগিতা সমূহ যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিয়ে আমাক যথেষ্ট উৎসাহিত কৰিছিল। ইযাতো 'তৰ্ক' বিভাগৰ বিষয় সমূহত সকলোৰে আগ্ৰহ থকাৰ বাবেই।

আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা ঃ

২৬ চেপ্তেম্বৰ ''৯৫ দিনটো মঙলদৈ মহাবিদ্যালয়ৰ বাবে এটি উল্লেখনীয় দিন বুলি ক'ব লাগিব। কাৰণ এই দিনটোতেই অসমৰ ইমূৰৰ সিমূৰৰ পৰা অহা যথেষ্ট সংখ্যক মহাবিদ্যালয়ৰ প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল। প্ৰবল বৰষুণকো আতকান কৰি অহা উক্ত প্ৰতিযোগিতা খনৰ বিষেয় আছিল সদনৰ মতে ঃ ভাৰত চৰকাৰৰ যুক্ত অৰ্থনীতিয়ে দুখীয়াক অধিক দুখীয়া আৰু ধনীক অধিক ধনী কৰি তুলিব''। আমাৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ মুৰব্বী অধ্যাপক ডঃ নগেন্দ্ৰ নাথ শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাখনত বিচাৰকৰ আসন অলংকৃত কৰিছিল কাজল শইকীয়া, মঙলদৈ শিক্ষন মহাবিদ্যালয়ৰ মানসী ভট্টাচাৰ্য্য, অধিবক্তা জয়ন্ত ডেকা, শৈলেন শৰ্ম্মা বৰুৱা আৰু আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক ডঃ হৰিশ ডেকাৰ লগতে সময় নিৰুপক হিচাবে আছিল দেবজিৎ নাথ চাৰ। বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা উক্ত প্ৰতিযোগিতা খনত প্ৰথম স্থান অধিকাৰ কৰিছিল। বজালী মহাবিদ্যালয়ৰ শ্ৰীচন্দ্ৰ নদীপ শৰ্ম্মাই। ২য় আৰু ৩য় স্থান অধিকাৰ কৰে ক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ জয়ন্ত কৃষ্ণ শৰ্মা শ্ৰী হিমাক্ষ বল্লভ ডেকাই আৰু শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ে।

প্ৰতিশ্ৰুতি ঃ

মানুহে বহ সময়ত প্ৰতিশ্ৰুতি দিয়ে কিন্তু তাক কাৰ্য্যকৰী কৰাতোহে টান। ময়ো মোৰ কাৰ্য্যকৰী কৰাতোহে টান। ময়ো মোৰ কাৰ্য্যকালত বহুত কৰিম বুলি প্ৰতিশ্ৰুতি দিছিলো তাৰ ভিতৰতেই মুখ্যতঃ আছিল এখন 'স্মৰণিকা প্ৰকাশ কৰিম বুলি কোৱা প্ৰতিশ্ৰুতি। শ্ৰদ্ধাৰ উপমভাপতি হেমন্তদাৰ সম্পাদনাত উক্ত উল্লেখনীয় দিনটোতেই 'মঙ্গলধ্বণি' নামেৰে এখন স্মৰণিকা উন্মোনে কৰা হৈছিল।

কৃতজ্ঞতা স্বীকাৰ ঃ

মোৰ কাৰ্য্যকালৰ প্ৰতিটো কামতেই সহায় সহযোগ আগবঢ়োৱা সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। আৰু মোৰ প্ৰতিটো কামতে পৰামৰ্শ আগবঢ়োৱা তত্বাবধায়ক

চাৰ সকলৰ লগতে পৰেশ কুমাৰ শৰ্মা চাৰক কেতিয়াও পাহৰিব নোৱাৰিম। মই তেখেত সকলকো কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰোপৰি আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত নগদ ধন পুৰস্কাৰ হিচাপে আগবঢ়োৱা উপেন চহৰীয়া, যদুৰাম ডেকা আৰু দৰং জিলা ছাত্ৰ সন্থাৰ হৈ পুৰস্কাৰ আগবঢ়োৱা দিগন্ত মণি বৰাক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত জ্ঞাত-অজ্ঞাত সকলো ভুলৰ ক্ষমা বিচাৰি এই নিৰস প্ৰতিবেদনৰ সামৰণি মাৰিছো।

ধন্যবাদেৰে

শ্ৰী গৌতম চহৰীয়া
সম্পাদক, তৰ্ক আৰু বক্তৃতা

## সহঃসম্পাদক, সংগীত আৰু সাংস্কৃতি বিভাগ



প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে মঙলদৈ মহাবিদ্যালয়ৰ ১৯৯৪-৯৫ বৰ্ষৰ সহঃ সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে বিপুল সমৰ্থনেৰে নিৰ্ব্বাচিত কৰি সেৱা কৰিবলৈ সুযোগ কৰি আগবঢ়োৱাৰ বাবে মই সকলো ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো আৰু এই সুযোগতে মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক শিক্ষাগুৰু প্ৰমুখ্যে শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ আন্তৰিক শ্ৰদ্ধা যাচিছো।

সংস্কৃতি জাতিৰ মেৰুদণ্ড স্বৰূপ। নৃত্য-গীত আদিকে ধৰি চিত্ৰকলা, স্থাপত্য, ভাস্কৰ্য্য।াদি সকলোবোৰ সংস্কৃতিৰ বৃহৎ পৰিসৰৰ অন্তৰ্ভূক্ত; কিন্তু স্কুল, কলেজৰ ক্ষুদ্ৰ পৰিসৰৰ মাজত কেৱল নৃত্য-গীত বাদ্য, অভিনয়কহে স্থান দি তাৰ বিকাশ সাধন কৰা হয়। অসমীয়া সংস্কৃতিলৈ দৰঙী কলা-কৃষ্টিৰ বিশেষ অৱদান আছে। আমাৰ মহাবিদ্যালয় পৰ্য্যায়ত ইয়াৰ চৰ্চা আৰু বিকাশ সাধন কৰাত আমাৰ সকলোৰে দায়িত্ব আছে।

এবছৰীয়া কাৰ্যকালত বিভিন্ন জনৰ পৰা পোৱা সহায় সহযোগ তথা উৎসাহ, আশীৰ্বাদ আৰু উপদেশ আদিৰ বাবে এইখিনিতে মই চিৰ কৃতজ্ঞ। আমাৰ কাৰ্যকালত বিভিন্ন কামকাজ জ্ঞাত আৰু অজ্ঞাত ভুলৰ বাবে মাৰ্জনা বিচাৰি এই চমু প্ৰতিবেদনৰ মোখনি মাৰিলোঁ।

জগত চন্দ্ৰ নাথ ভাৰত
সহঃসম্পাদক,
সংগীত আৰু সাংস্কৃতিক বিভাগ

## সম্পাদক, সুকুমাৰ কলা বিভাগ



কলা এক সাধনা। ই এক ক্লান্তিহীন প্ৰচেষ্টা। আমাৰ জীৱনত সুন্দৰৰ প্ৰতি থকা আগধ প্ৰেমৰ চানেকীয়েই সাৰ্থক কলা। সুন্দৰৰ প্ৰতি থকা অগাধ প্ৰেম, অপৰিসীম শ্ৰম, আৰু জীৱনৰ লগত অন্তৰ্নিহিত হৈ থকা সাধনাই শুভক্ষনত যেতিয়া সৃষ্টিৰ দিশত শিল্পীৰ মন আগবঢ়াই লৈ যায় তেতিয়াই সাৰ্থক কলাৰ জন্ম হয়।


বিগত দিবোৰত মঙলদৈ মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হোৱা এই বিভাগটিৰো উন্নতি সাধন হবলৈ বহুত বাকী। কিন্তু বুকুত বান্ধি লোৱা সেই আশাবোৰ উদ্দামবোৰ আৰু ছাত্ৰ ছাত্ৰী বোৰৰ মাজৰ পৰা পোৱা চেনেহক শ্ৰদ্ধা কৰিছোঁ।

চিৰাচৰিত ব্যৱস্থাৰ পৰা আঁতৰি নতুন কিবা এটা কৰাৰ প্ৰচেষ্টা কৰিছিলোঁ। ভাবিছিলোঁ, সুকুমাৰ কলা বিভাগৰ সম্পাদকৰ দায়িত্ব লৈ মঙগলদৈ মহাবিদ্যালয়ৰ এই বিভাগ টিক সকলো ফালৰ পৰাই উন্নতি সাধন কৰিম। নাজানো সহযাত্ৰী সকলৰ মানসিক, বৌদ্ধিক সাধনাৰ বাবে অন্তৰত থকা শিল্পী সুলভ প্ৰাণটোক জগাই তোলাৰ বাবে কিমান খিনি অৰিহণা যোগাব পাৰিলোঁ। কিন্তু কোনো দিন চেষ্টাৰ কোনো দিন ত্ৰুতি হোৱা নাই।

সদৌ শেষত আই মাতৃৰ হকে, স্বদেশ স্বজাতিৰ হৈ দেহত শেষ বিন্দু শোণিত থকালৈ যুঁজি যুঁজি আত্ম বলিদান দিয়া সকলো জনলৈ শ্ৰদ্ধা নিবেদন কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়
জয় আই অসম

ৰাজীৱ লোচোন ভাগৱতী।
সম্পাদক, চাৰু কলা বিভাগ



## অধিনায়ক, ৰাষ্ট্ৰীয় সেৱা আঁচনি, মঙলদৈ মহাবিদ্যালয় গোট

*প্ৰতিবেদনৰ প্ৰাৰম্ভিকতে স্বদেশৰ কাৰণে আত্মত্যাগ কৰা জাতীয় বীৰ পুৰুষ সকলক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ আৰু সমাজ সেৱাৰদ্বৰে পবিত্ৰ কাৰ্য্যত যিয়ে মনোনিবেশ কৰি দহৰ মংগলৰ কাৰণে সচেষ্টৰত, তেওঁলোকলৈ আন্তৰিকতাৰে স্বাগতম জনাইছোঁ।*

*''ৰাষ্ট্ৰীয় সেৱা আঁচনি''এটি সৰ্বভাৰতীয় স্বেচ্ছাসেৱী অনুষ্ঠান। এই অনুষ্ঠানটিৰ জৰিয়তে প্ৰতিবছৰে কিছুমান সমাজ সেৱা মূলক আঁচনি গ্ৰহণ কৰি স্বেচ্ছাসেৱক। স্বেচ্ছাসেৱিকা সকলৰ জৰিয়তে ৰূপায়ন কৰা হয়। আঁচনি সমূহৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী নাইবা স্বেচ্ছাসেৱক। স্বেচ্ছাসেৱিকা সকলৰ শাৰিৰীক আৰু মানসিক উৎকৰ্ষ সাধন ঘটাই এখন সৱল সুস্থ, নিকা সমাজ বা ৰাষ্ট্ৰ গঠনাৰ্থে সাময়িক প্ৰশিক্ষণ আদি দি সমাজ সচেতনতাৰে জাগ্ৰত কৰি তোলা হয়। এই সংগঠনটো ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন বিভাগৰ অধীনতা বিশ্ববিদ্যালয়ে নিয়ন্ত্ৰন কৰে।*

*গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত ১৯৭২ চনত পূৰ্ব পৰ্য্যায়ত ''ৰাষ্ট্ৰীয় সেৱা আঁচনি'' মঙলদৈ মহাবিদ্যালয় গোট গঠন কৰা হয়। ইয়াৰ জৰিয়তে মহাবিদ্যালয় খনৰ সৰ্বাংগীন উন্নয়নৰ কাৰণে যুজি অহাৰ লগতে দৰং জিলাৰ বিভিন্ন ভিতৰুৱা গ্ৰাম্যোঞ্চলত আৰ্থ সামাজিক আৰু স্বাস্থ্য, জনস্বাক্ষৰতা সম্পৰ্কীয় জৰীপ আদি চলাই অহাহৈছে। ইয়াৰ উপৰি এই অনুষ্ঠানৰ জৰিয়তে আমাৰ মহাবিদ্যালয়ৰ কেইবাজনো স্বেচ্ছাসেৱক বিদেশলৈ যোৱাৰ সুবিধা পাইছে। আমাৰ এই অনুষ্ঠানটিৰ বৰ্ত্তমানলৈ শ্ৰেষ্ঠ সাফল্য হৈছে ''কলেজ কেনেল'' (callege canal) ৩৫০০ফুট দৈঘ্যৰ নলা খান্দি মঙলদৈ নদীক পোনে পোনে ব্ৰহ্মপুত্ৰ নদীত পেলাই দিয়াৰ ব্যৱস্থা কৰা হৈছিল। ১৯৭৭ চনৰ পৰা ১৯৮২ চনলৈ এই কাৰ্য্যৰ সফলতাৰ ফলত মঙলদৈ মহাবিদ্যালয়খন বান পানীৰ পৰামুক্ত হোৱাৰ উপৰিও দক্ষিণ প্ৰন্তৰ ১৭০০ বিঘা মাটি বাসোপযোগী হৈ পৰিছে।*

*১৯৯৪ চনত ২৩ ডিচেম্বৰৰ পৰা মই এই সংগঠনটোৰ দায়িত্বত থাকি বিভিন্ন অভাৱ অভিযোগৰ মাজেৰে কিমান দূৰ কাৰ্য্য ক্ষেত্ৰত আগবাঢ়িব পাৰিলো, সেৱা আপোনালোকৰ বিচাৰাধীন। মোৰ কাৰ্য্যকালত পূৰ্ণদিনীয়া শিবিৰৰ কাৰণে প্ৰস্তুতি চলোৱা হৈছিল; নিৰ্দ্দিষ্ট সময়ত প্ৰকৃতি প্ৰতিকুল জনিত কাৰণত পূম্ৰ দিনীয়া কৰ্ম শিৱিৰটো অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ চৌহদত আয়োজিত এই শিবিৰত যথেষ্ট সংখ্যক স্বে ছাসেৱক। স্বেচ্ছাসেৱিকাই শ্ৰম আগবঢ়ায়। যোৱা ১৮ মাৰ্চৰ পৰা ২৭ মাৰ্চ ৯৫ তাৰিখলৈ এটি ১০ দিনীয়া শিবিৰ মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যায়। গুৱাহাটী বিশ্ববিদ্যালয় ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন বিভাগৰ সৌজন্যত অনুষ্ঠিত এই শিবিৰৰ কৰ্মস্থান আছিল ''গেৰিমাৰী চাপৰি''। শিক্ষক, ছাত্ৰ-ছাত্ৰীৰে আয়োজিত এই বিশেষ শিবিৰ (special cam)ৰ জৰিয়তে পালিত গাওঁ (Adopled villege) বোৰত আৰ্থ সামাজিক স্বাস্থ্য আৰু জনস্বাক্ষৰতা বিষয়ক জৰীপ চলোৱা হয়। সেই গাওঁবোৰ হৈছে কমাৰ পাৰা, কাপালী বস্তি, শাঠেয়া কুমাৰ পৰা, বেজপাৰা, কচাৰীগাওঁ মেধিপাৰা বামণ পাৰা, মিলন পুৰ, উপহুপাৰা, আৰু গেৰিমাৰী গাওঁ। শিবিৰত সাম্প্ৰতি পৰিস্থিতিত স্বেচ্ছাসেৱক/ স্বেচ্ছাসেৱিকা সকলৰ ভূমিকা সম্পৰ্কে কেইবাখনো আলোচনা চক্ৰ হোৱাৰ উপৰিও স্বেচ্ছাসেৱক সেৱিকা সকলৰ জৰিয়তে গেৰিমাৰী দৰং জিলা বিকলাংগ উন্নয়ন পৰিষদ''ৰ কাৰ্য্যালয়লৈ যোৱা ৩২৫ ফুট দৈঘ্যৰ ৰাস্তা নিৰ্ম্মাণ কৰা হয়। যোৱা ২৩ নবেম্বৰ ৯৫ তাৰিখে নৱাগত আদৰণি সভা আৰু মঙলদৈ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনি*

গঠনত অগ্ৰনী ভূমিকা গ্ৰহণ কাৰী অবসৰ প্ৰাপ্ত কাৰ্য্যসূচী বিষয়া অধ্যাপক মাননীয় শ্ৰী ৰাজেন্দ্ৰ বৰুৱা দেৱৰ বিদায় সম্বৰ্দ্ধনা সভাখন অনুষ্ঠিত কৰা হয়। ন-পুৰণি প্ৰায় ৩০০ ছাত্ৰ-ছাত্ৰী উপস্থিত থকা এই সভাত মাননীয় শ্ৰীৰাজেন্দ্ৰ বৰুৱা দেৱৰ দ্বাৰা ৰচিত ব্যৱহাৰিক জনসাক্ষৰতা আৰু ছাত্ৰ-ছাত্ৰী ভূমিকা শীৰ্ষক গ্ৰন্থ উন্মোচন কৰা হয়। উন্মোচন কৰে সাহিত্যিক পেন্সনাৰ মাননীয় শ্ৰীভৱানন্দ ৰাজখোৱা দেৱে। কলেজৰ বিভিন্ন অনুষ্ঠান সৰস্বতী পূজা, ফাটেহ মহাবিদ্যালয় সপ্তাহ, ''সদৌ অসম আন্তঃমহাবিদ্যালয় শ্বহীদ সোঁৱৰণী'' তৰ্ক প্ৰতিযোগিতা আদি বিভিন্ন কাম কাজত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছা সেৱক/ স্বেচ্ছাসেবিকা সকলে সহায় আগবঢাই আহিছে। যোৱা ২৯ জুনৰ পৰা ৩জুলাই ৯৫ তাৰিখলৈ ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন বিভাগ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্দ্যোগত আয়োজিত Anmual orientation campত আমাৰ মহাবিদ্যালয়ৰ চাৰিজন স্বেচ্ছাসেৱকে অংশ গ্ৰহণ কৰে। তেওঁলোক ক্ৰমে সৰ্বশ্ৰী কিৰিতি ৰঞ্জন শৰ্মা, হিৰেন বৰুৱা, কুসলেন ডেকা আৰু সূৰ্য্য শৰ্মা। শিবিৰত আয়োজিত এক মাত্ৰ প্ৰতিযোগিতা বক্তৃতা মালাত আমাৰ মহাবিদ্যালয়ৰ পৰাই দুটা পুৰস্কাৰ অৰ্জন কৰি শ্ৰেষ্ঠ দলৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰে। হিৰেন বৰুৱাই ২য় শ্ৰেষ্ঠ আৰু কিৰিতি ৰঞ্জন শৰ্মাই ৩য় শ্ৰেষ্ঠ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়।

দুখেৰে উল্লেখ কৰোঁ যোৱা ৫ নবেম্বৰ ৯৫ তাৰিখে নিশা কোনো দুষ্কৃতকাৰীয়ে মহাবিদ্যালয়ৰ বিভিন্নাংশৰ লগতে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্য্যালয়ৰ নামফলক আদিৰ ওপৰত বৰ্বৰ অত্যাচাৰ চলাই সংগঠনটোৰ বিস্তৰ ক্ষতিসাধন কৰে। ৰাষ্ট্ৰীয় স্বেচ্ছাসেৱী অনুষ্ঠান এটিৰ ওপৰত চলোৱা এনে নিৰ্বিচাৰ হিংসাত্মক কাৰ্য্যক আমি গৰিহনাযোগ্য বুলি ভাবো।

শেষত মোৰ কাৰ্য্যকালত বিভিন্ন দিহ-পৰামৰ্শ দি সহায় আগবঢ়োৱা চিৰনমস্য অধ্যক্ষ মহোদয়, অৱসৰ প্ৰাপ্ত কাৰ্য্যসূচী বিষয়া মাননীয় বৰুৱা চাৰ আৰু বৰ্ত্তমানৰ কাৰ্য্যসূচী বিষয়া সন্মানীয় শ্ৰী ৰমনী চহৰীয়া দেৱৰ লগতে পদে পদে পোৱা শিক্ষাগুৰু সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। প্ৰতিটো কাৰ্য্যতে সহায় সহযোগিতা আগবঢাই যি সকল ছাত্ৰ-ছাত্ৰীয়ে কাৰ্য্য পৰিচালনাত মোক সহায় আগবঢ়ালে তেওঁলোকক আন্তৰিকতাৰে শলাগিছোঁ। সদৌ শেষত ছাত্ৰ হিচাবে বিগত দিন বোৰত অজানিতে হোৱা ভুল ত্ৰুটিৰ ক্ষমা বিচাৰি মোৰ ক্ষুদ্ৰ নিৰস প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়
জয়তু ৰাষ্ট্ৰীয় সেৱা আঁচনি

কিৰীতিৰঞ্জন শৰ্মা
অধিনায়ক, ৰাষ্ট্ৰীয় সেৱা আঁচনি
মঙলদৈ মহাবিদ্যালয় গোট
১৯৯৪-৯৫ বৰ্ষ

# EDITOR & PROF.IN-CHARGE OF MANGALDAI COLLEGE MAGAZINE
## DURING 1958 TO 1995

| SESSION | EDITOR | PROF. IN-CHARGE |
|---|---|---|
| 1958 – 59 | Shri Bodheswar Deka | Shri P. Bora. |
| 1960 – 61 | Shri Soneswar Sarma | Shri D. Neog. |
| 1961 – 62 | Shri Hara Gauri Adhikari | Shri P. Bora. |
| 1962 – 63 | Shri Maheswar Kalita | Shri D. Neog. |
| 1963 – 64 | Shri Tuwa Ram Deka | Shri D. Neog. |
| 1964 – 65 | Md. Fazlul Karim | Shri D. Neog. |
| 1965 – 66 | Shri Bashab Ch. Sahariah | Shri D. Neog. |
| 1966 – 67 | Shri Hem Kanta Deka | Shri J.C.Sarma. |
| 1967 – 68 | Shri Arun Chandra Das | Shri J.C.Sarma. |
| 1968 – 69 | Shri Naren Hazarika | Shri J.C.Sarma. |
| 1969 – 70 | Shri Prabhat Nr. Choudhury | Shri J.C.Sarma. |
| 1970 – 71 | Shri Dinabandhu Sarma | Shri J.C.Sarma. |
| 1971 – 72 | Md. Mahiuddin Jiaul Haque | Shri B. Kakati. |
| 1972 – 73 | Shri Premananda Nath | Shri B. Kakati. |
| 1973 – 74 | Shri Bhabendra Ch. Deka | Shri B. Kakati. |
| 1974 – 75 | Shri Juran Chandra Kalita | Shri B. Kakati. |
| 1975 – 76 | Shri Debendra Kr. Sarma | Shri B. Kakati. |
| 1976 – 77 | Shri Bhaba Kanta Hazarika | Shri B. Kakati. |
| 1977 – 78 | Shri Paramananda Rajbongshi | Miss Naharun Nesa. |
| 1978 – 79 | Shri Sailendra Kr. Sarma Baruah | Shri M.P. Baruah. |
| 1979 – 81 | Shri Pankaj Kumar Goswami | Shri Bijay Goswami. |
| 1981 – 82 | Shri Gajendra Baruah | Shri Bharat Ch. Sarmah. |
| 1982 – 83 | Shri Biswajit Goswami | Shri Bharat Ch. Sarmah. |
| 1983 – 84 | Shri Dulal Baruah | Shri Bharat Ch. Sarmah. |
| 1985 – 86 | Shri Siba Prasad Baruah | Shri Matiram Medhi. |
| 1986 – 87 | Shri Minaram Hazarika | Shri Matiram Medhi. |
| 1987 – 88 | Shri Bhabesh Baruah | Shri Matiram Medhi. |
| 1988 – 89 | Shri Muktananda Sarma | Md. Idrish Ali. |
| 1989 – 90 | Md. Mumtaz Khanom | Shri B.C. Hazarika. |
| 1990 – 91 | Md. Mumtaz Khanom | Shri B.C. Hazarika. |
| 1991 – 92 | Smt Babita Kumari Majudeka | Md. Idrish Ali. |
| 1992 – 93 | Md.Aminul Hoque | Md. Idrish Ali. |
| 1993 – 94 | Shri Lakshyadhar Sarma | Shri Dimbeswar Baruah. |
| 1994 – 95 | Shri Jayanta Sarma | Shri Dimbeswar Baruah. |